# Assam
# Legislative Assembly
# Debates

## OFFICIAL REPORT

TWELFTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE ELEVENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

**August Session**

**NO.-4**

The 11th August, 2005

Price Rs.67.00

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Thursday, the 11th August, 2005.

The House met at 9.00 a.m. of the Clock in the Assembly Chamber at Dispur with Shri Prithibi Majhi Speaker, in the Chair.

## MISCELLANEOUS

Mr. Speaker : Now, Starred Question No. 61.

* শ্ৰী বৃন্দাবন গোস্বামী ঃ অধ্যক্ষ ডাঙৰীয়া, বিধান সভা কাৰ্য্য পৰিচালনাৰ নিয়মাৱলী ৩১৬ নং মতে আমি ন'টিচ দিছিলো। যোৱা তিনিটা দিন গুৰুত্বপূৰ্ণ দিন আছিল। মই আজি এটা বিষয়লৈ আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো আৰু বিষয়টো তদন্ত কৰিবলৈ অনুৰোধ জনাইছো। বিষয়টো হ'ল, আজিও 'প্ৰতিদিন' বাতৰি কাকতত ওলাইছে ৩০ লাখ বৰঙনি সহ আলফাৰ চেয়াৰমেনলৈ কংগ্ৰেছ নেতা এম, এইচ, চৌধুৰীৰ চাঞ্চল্যকৰ পত্ৰ, গৌতম হিমন্ত অঞ্জনৰ আলফাক মাহে ৫ লাখকৈ এই ভয়ানক বাতৰিটো ওলাইছে। (হুলস্থুল হৈ থাকে)

* শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ আমি ন'টিচ দিছো? হাই লেভেল এনকুৱাৰী হব লাগে। (হুলস্থুল চলি থাকে, তাৰ মাজতে বাতৰিৰ কথা পঢ়ি থাকে বুজিব পৰা নাযায়)।

Mr. speaker : Law will take its own course, Now Question No. 61 Hon'ble Minister Handloom & Textiles to reply.

★ Speech not corrected

MISCELLANEOUS

* শ্রীদিলীপ কুমাৰ শইকীয়া ঃ পাচ লাখকৈ টকা দিয়াৰ কথা লিখিছে। এইখন চিঠি দিছে (চিঠি দেখুৱাই দিয়ে) পাচ লাখ দিয়াৰ কাৰণে মন্ত্ৰীয়ে সন্মতি জনাইছে। (সদনত হুলস্থুল চলি থাকে)

মাননীয় অ ্যক্ষ ঃ (গন্দগোলৰ কাৰণে শুনা নেযায়)

* শ্ৰীৰকিবুল হুছেইন (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, তেখেতে চিঠিখন ক'ত পালে? এই চিঠিখন কেনেকৈ ওলাল, তেখেতৰ হাতত কেনেকৈ আহিল?

* শ্রীদিলীপ কুমাৰ শইকীয়া ঃ অধ্যক্ষ মহোদয়, বাতৰি কাকতত ওলাইছে। (বাতৰি কাকত দেখুৱাই দিয়ে) গতিকে এই কথা বিলাক আলোচনা হ'ব লাগে। অসমত বোমা বিস্ফোৰণ হৈছে।

মাননীয় অধ্যক্ষ ঃ মই এই বাতৰিটো চাইছো, এইটো পিচত আলোচনা হ'ব, এইটো কথাৰ কাৰণে প্ৰশ্নোত্তৰৰ সময় বন্ধ কৰিব নোৱাৰি।

* শ্ৰীগৌতম ৰয় (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, তেখেতে চিঠিখন কেনেকৈ পালে কব লাগে।

* শ্রীদিলীপ কুমাৰ শইকীয়া ঃ বাতৰি কাকতত ওলাইছে, চাই লব। গোটেই বিষয়টো তদন্ত কৰক।

মাননীয় অধ্যক্ষ ঃ (হুলস্থুল চলি থাকে, শুনা নেযায়)

* শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ অধ্যক্ষ মহোদয়, আমি ন'টিচ দিছিলো। আমি সদায় কুয়েশ্চন আৱাৰ বন্ধ কৰিব বিচৰা নাই। বাতৰি কাকতত ওলাইছে, এইটো সত্য হব পাৰে নাইবা অসত্যও হব পাৰে। সেই কাৰণে এই বিষয়টো অনুসন্ধান কৰিবলৈ কোৱা হৈছে। এই ক্ষেত্ৰত যদি স্পীকাৰ মহোদয়ে এলাও কৰে আলোচনা হব আৰু যদি এলাও নকৰে আজিয়ে সদনত এটা স্পটীকৰণ দিয়ক।

মাননীয় অধ্যক্ষ ঃ এই বিষয়ে আলোচনা কৰা নহব। প্ৰশ্নোত্তৰ কালৰ পিচত

★ Speech not corrected

চৰকাৰে ক্লিয়াৰিফিকেশ্বন দিব পাৰে নেকি চাব লাগিব। প্ৰশ্নোত্তৰৰ সময় ষ্টপ নহয়।

* শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ আন্দাৰ ৰুলচ এন্ড প্ৰচিডিঅৰ মতে কুয়েশ্বন কৰা হোৱা নাই।

* শ্ৰী বৃন্দাবন গোস্বামী ঃ অধ্যক্ষ ডাঙৰীয়া, ৰুলচ এণ্ড প্ৰচিডিঅৰৰ ৩১৬ নং মতেই ন'টিচ দিয়া হৈছে। এইটো ঠিকেই আছে। যদি ৰুলচ এন্ড প্ৰচিডিঅৰৰ বিৰোধিতা কৰি উত্তৰ দিব বিচাৰে, তেতিয়া হলে কথা বেলেগ।

Shri Hitendra Nath Goswami : We will not stall the question Hour such an important matter came to the News Papaeı today.

* শ্ৰী বৃন্দাবন গোস্বামী ঃ আমাৰ প্ৰশ্ন ক্লিয়াৰ আছে, ৩১৬ নং মতে উঠাইছো, গতিকে এই বিষয়টো আলোচনা কৰিব পাৰি।

মাননীয় অধ্যক্ষ ঃ মই একমত হব নোৱাৰো। সেই কাৰণে এতিয়া ৬১ নং প্ৰশ্ন হব।

* শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ হোম মিনিষ্টাৰে এই বিষয়ে সোনকালে ষ্টেটমেন্ট দিব নেকি?

মাননীয় অধ্যক্ষ ঃ এইটো চাব লাগিব (হুলস্থুল) চোৱাৰ পিচতহে এইটো কব পৰা যাব।

* শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ যদি এইটো সঁচা হয় চৰকাৰে অনুসন্ধান কৰিব লাগে।

* শ্ৰীপানীৰাম ৰাভা ঃ অধ্যক্ষ মহোদয়, আমি ৰাইজৰ প্ৰতিনিধি, ৰাইজৰ সুখ-দুখৰ কথা আলোচনা কৰিবলৈ আহিছো। যদি সদায় সদায় প্ৰশ্নোত্তৰৰ সময় বাদ দিয়া হয়, তেতিয়া হলে কেনেকৈ হব (সদনত হুস্থুল লাগে)।

মাননীয় অধ্যক্ষ ঃ এই বিষয়টো চালিজাৰি চাবৰ কাৰণে সময় আছে, পিচত

চোৰা হব।

* শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ অধ্যক্ষ মহোদয়, সদন চলি আছে, ইতিমধ্যে বাতৰি ওলাইছে। চৰকাৰে উত্তৰ দিব নোৱাৰে। মন্ত্ৰী সকল ইনভলব নাই বুলি কওঁক আমি কুৱেশ্চন আৱাৰ চলিবলৈ দিম।

* শ্ৰীৰকিবুল হুছেইন (মন্ত্ৰী) ঃ কুৱেশ্চন আৱাৰ চলাবলৈ দিয়ক, আমাৰো দায়িত্ব আছে, মই এই বিষয়ে এটা ষ্টেটমেন্ট দিম।

মাননীয় অধ্যক্ষ ঃ ষ্টেটমেন্ট কুৱেশ্চন আৱাৰত দিব নোৱাৰি। চাপ্লিমেন্টাৰী ডিমান্ড পাছ কৰাৰ পিচতহে দিব পাৰিব। এতিয়া কুৱেশ্চন নং ৬১, শ্ৰীমতী কমলী বসুমতাৰী।

## STARRED
## QUESTIONS AND ANSWERS
( To which oral replies were given)

বিষয় ঃ STEP আঁচনিৰ প্ৰশিক্ষণ।

শ্ৰীমতী কমলী বসুমতাৰীয়ে সুধিছে ঃ

* ৬১/ মাননীয় হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ মন্ত্ৰী মহোদয়াই অনুগ্ৰহ কৰি জনাবনে?

(ক) STEP আঁচনিৰ জৰিয়তে প্ৰশিক্ষণ প্ৰাপ্ত দৰং জিলাৰ শিপিনী সকলক সামগ্ৰী যোগান দিয়া হ'ল নেকি?

(খ) যদি দিয়া হৈছে, কি কি সামগ্ৰী দিয়া হ'ল?

(গ) যোগান দিয়া সামগ্ৰীবোৰ ব্যৱহাৰ যোগ্য হয়নে?

ডঃ হেমপ্ৰভা শইকীয়া (হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ) মন্ত্ৰীয়ে উত্তৰ দিছে ঃ

(ক) দিয়া হৈছে।

★ Speech not corrected

(খ) হিতাধিকাৰী শিপিনী সকলক এখন উ ৰামাকু দ্ৰোপতি শাল আৰু সজুলি, এক বাণ্ডিল টিনপাত আৰু আধা বাণ্ডিল ২,২৭০ কিঃ গ্ৰাঃ কপাহী সূতা দিয়া হৈছে।

(গ) হয়।

* শ্ৰীমতী কমলী বসুমতাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, ষ্টেপ আঁচনিৰ জৰিয়তে দৰং জিলাত শিপিনী সকলক যিবিলাক সামগ্ৰী যোগান ধৰা হল, সেই সামগ্ৰী সমূহ ব্যৱহাৰৰ উপযোগী হয় নে নহয়, সেইটো মই মন্ত্ৰী মহোদয়াৰ পৰা জানিব বিচাৰিছো। উত্তৰ আহিছে সেইবোৰ ব্যৱহাৰৰ উপযোগী। সেই কাৰণে সামগ্ৰী বিলাক বিতৰণ কৰা হল। কিন্তু মই সেই সামগ্ৰী সমূহ ব্যৱহাৰৰ উপযোগী নহয় বুলি শুনিছো। যিবিলাক শিপিনীক সূতা বিতৰণ কৰা হল, সেইবিলাকৰ পৰা সূতা ঘুৰাই আনি আকৌ দিয়া বুলি শুনিছো। এই প্ৰশিক্ষণ প্ৰাপ্ত শিপিনী সকলৰ যিসকলে প্ৰশিক্ষণ লৈছে আৰু সামগ্ৰী দিয়া হৈছে, তেওঁলোকক আৰু ইয়াৰ পিচতো কিবা সুবিধা দিব নেকি?

* ডঃ হেমপ্ৰভা শইকীয়া (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যা গৰাকীয়ে আগতেও এইবিষয়ে কৈছে। যিবিলাক বস্তু বিতৰণ কৰা হল, সেইবিলাক উপযুক্ত নহয় বুলি কৈছে। মই লগে লগে আৰ্টফেডৰ এম, ডিক জনাইছিলো আৰু তেওঁ পৰীক্ষা কৰিছিল। তাৰ পিচত গম পোৱা গল যে ৪ টা আত্ম সহায়ক গোটৰ তিনিটাই লিখি দিছে, তেওঁলোকে সামগ্ৰী লৈ গৈ কাম আৰম্ভ কৰিছে। তাৰে এটা আত্ম সহায়ক গোটে কাম আৰম্ভ কৰা নাই। এখন শাল আৰু সামগ্ৰী বেয়া বুলি কৈছে। বাকী বিলাক বেয়া বস্তু নহয়, তেওঁলোকে লিখি দিছে। তাৰ পিচত সেই আত্ম সহায়ক গোটটোৱে সামগ্ৰী লৈ কাম আৰম্ভ কৰিছে। সূতা ঘুৰাই দিছিল আমি লৈছো। এই বিষয়ে আলোচনা কৰাৰ কাৰণে দুবাৰো

★ Speech not corrected

বন্ধ, হৰতাল আদিৰ কাৰণে অনুষ্ঠিত কৰিব পৰা নহল। সেইকাৰণে পিচুৱাব লগা হল। কিছুদিন বাহিৰত মুকলি হিচাপে সূতাবিলাক থাকিলে বতাহত গুণগত মান কমি যায়। যিবিলাক তেনেকুৱা হৈছে তেওঁলোকক বেলেগ সূতা দিয়াৰ ব্যৱস্থা কৰা হৈছে।

*শ্ৰীমতী কমলী বসুমতাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়াই যি কৈছে সেইটো মই মানি লৈছো। সামগ্ৰী বেয়া দিয়া বুলি মই তেওঁৰ লগত আলোচনা কৰিছো। তেওঁ মোক আশ্বাস দিছিল যে বেয়া বস্তু দিলে ঘুৰাই লোৱা হব। মই তেখেতক ধন্যবাদ দিছো। ২য় প্ৰশ্নটো হৈছে ষ্টেপ আচনিৰ অধীনত যিবিলাক সামগ্ৰী দিয়া হৈছে, সেই বিলাক সম্পূৰ্ণ হৈছে নে নাই। মই জানিব বিচাৰিছো যিসকল শিপিনীয়ে সামগ্ৰী পাই কাম কৰি থকা বুলি কৈছে , যিসকল শিপিনী দৰিদ্ৰ সীমাৰেখাৰ তলৰ, সেইসকলক দিয়া হৈছে, তেওঁলোকে একগোট হৈ সেই কাম কৰিব পৰা নাই। তেওঁলোকক ২০ জনকৈ প্ৰশিক্ষণ দিয়া হল। সেই সকলৰ কাৰণে ঘৰ বনাই আৰু অন্যান্য সুবিধা দি আচঁনি দিব পাৰিব নেকি ?

ডঃ হেমপ্ৰভা শইকীয়া (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ২৬০ গৰাকী শিপিনীক বাচনি কৰা হৈছিল তাৰ ভিতৰত ১৮০ জনৰ প্ৰশিক্ষণ শেষ হৈছে। আৰু ১৮০ গৰাকীক প্ৰশিক্ষণ দিবলৈ বাকী আছে। কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা পালেই তেওঁলোকৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব পৰা যাব। মাননীয় বিধায়িকা গৰাকীয়ে কৈছে, আৰু কিবা বস্তু পাব পাৰি নেকি । এই ক্ষেত্ৰত মই কওঁ যে হিতাধিকাৰী শিপিনী সকলক এখনকৈ উৰামাকু, দ্ৰোপতি শাল আৰু সজুলি, এক বাণ্ডিল টিনপাত আৰু আধা বাণ্ডিল সূতা দিয়াৰ ব্যৱস্থা কৰা হৈছে। এই খিনি দিয়াৰ পিচত আৰু বস্তু দিব পৰা নাযায়।

* শ্ৰীমতী প্ৰমীলা ৰানী ব্ৰহ্ম ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়াই সদস্যা শ্ৰীমতী কমলী বসুমতাৰীৰ প্ৰশ্নৰ উত্তৰত

★ Speech not corrected

কৈছে যে বেয়া সূতা বিলাক ঘুৰাই দিয়া হৈছে। এই বিলাক আগতে কিয় পৰীক্ষা কৰা নহল। মই জনাত বস্তু বিলাক ফাঁচিবজাৰৰ পৰা কিনিছে। বেয়া বস্তুবোৰ কত থৈছে , নে পেলাই দিছে। বেয়া বস্তু ছেলাৰে কিয় ঘুৰাই লব। কিনোতে কিয় সাৰধান হোৱা নাছিল। ৬ মাহ, এবছৰ হলেই সূতা উৰলি নাযায়। হে ক্ষেত্ৰত যিয়ে ঠিকা লৈছিল তেওঁ সাৰধান হব লাগিছিল। শিপিনী সকলক ভাল বস্তু দিব লাগে। গোসাইগাঁৱৰ কচুগাঁৱত যি কেম্প আছে তাত ব্যৱস্থা লোৱা হব বুলি কৈছিল। ব্যৱস্থা লোৱা হল নে মই জানিব বিছাৰিছো।

* ডঃ হেমপ্ৰভা শইকীয়া (মন্ত্ৰী) ঃ অধ্যক্ষ, মহোদয়, যিখিনি সূতা ঘুৰাই দিছে সেইখিনি আমি আৰ্টফেডত ৰাখিছো। সেইখিনি ব্যৱহাৰৰ কাৰণে ৰাখিছো, বাণী বোৱাত অসুবিধা নাই। শ্ৰীমতী ব্ৰহ্ম ডাঙৰিয়ানী গোসাইগাঁৱৰ এটা কথা কৈছে, সেই কথাটো মই চাই কব পাৰিম, এতিয়া কব নোৱাৰো। ষ্টেপ আঁচনিত বস্তু দিয়াৰ উপৰিও কমন ফেচিলিটি যেনে ৰঙ কৰা আদি প্ৰশিক্ষণ দিয়া হয়। যদি কোনো শিপিনীৰ এজ্মা, ডাইবেটিচ আদি বেমাৰ হয়, তেতিয়া হলে প্ৰশিক্ষণ লবৰ কাৰণে যন্ত্ৰ দিয়া হয়। এইধৰণে সুবিধা দিয়া হয়।

* শ্ৰীমতী কমলী বসুমতাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয়া মন্ত্ৰী মহোদয়াৰ পৰা উত্তৰটো নাপালো। গোটেই অসমতে আঁচনি বিলাক কৰা হব নে নহয়। যিবিলাক ষ্টেপ আঁচনিৰ দ্বাৰা যিবিলাক শিপিনীক প্ৰশিক্ষণ দিয়া হ'ল প্ৰশিক্ষক সকল এক্সপাৰ্ট নহয়। ভৱিষ্যতে যাতে এক্সপাৰ্ট প্ৰশিক্ষক পঠায় তাৰ কাৰণে অনুৰোধ জনালো। মোৰ সমষ্টিত এনেকুৱা হৈছে যে প্ৰশিক্ষকক শিপিনীয়েহে শিকাব লগা হৈছে।

* শ্ৰীমতী প্ৰমিলী ৰাণী ব্ৰহ্ম ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়াই উত্তৰ দিছে যে শিপিনী সকলক সুবিধা দিয়া হৈছে। ষ্টেপ আঁচনিৰ যোগেদি ৰং দিয়াৰ কাৰণে শিপিনী সলক প্ৰশিক্ষণ দিয়া

★ Speech not corrected

হৈছে। মন্ত্ৰী মহোদয়াই ষ্টেপ আঁচনিৰ বিষয়ে কৈছে, মই সচাঁকৈয়ে জানো এনেকুৱা ধৰণৰ প্ৰশিক্ষণ দিয়া হোৱা নাই। আৰু তাত টিনপাট কেইবাণ্ডিল দিলে, ১ বাণ্ডিল নে ২ বাণ্ডিল দিলে অনুগ্ৰহ কৰি জনাব নেকি?

* ডঃ হেমপ্ৰভা শইকীয়া (মন্ত্ৰী হস্তাতত আৰু বস্ত্ৰশিল্প বিভাগ) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এই বিষয়ে কৈছোৰে যে বৰ্ত্তমান আমি ২৬০ গৰাকী সিপিনীৰ ভিতৰত ১৮০ গৰাকীক প্ৰশিক্ষণ দিম। বাকীসকলক কেন্দ্ৰৰ পৰা পাবলগীয়া টকা খিনি পালেই প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিম। মাননীয়া সদস্যা, শ্ৰীমতী প্ৰমিলী ৰাণী ব্ৰহ্মাৰ প্ৰশ্নটোত কৈছে যে তেখেতৰ সমষ্টিত সামগ্ৰী বিলাক দিয়া নাই। মই কৈছো যে এই সামগ্ৰী বিলাক সমষ্টিভিত্তিত দিয়া হোৱা নাই, জিলা ভিত্তিতহে দিয়া হৈছে। তেখেতৰ সমষ্টিত নাপাবপাৰে, কিন্তু জিলাখনত কোনোবা এখনত সামগ্ৰী সমূহ থাকিব পাৰে। মই সেইটো চাই পিছত কম।

* শ্ৰীকৰেন্দ্ৰ বসুমতাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ দুটামান চাপ্লিমেন্টৰী আছে। কোনে কোনে এই সামগ্ৰী সমূহ পাইছে তাৰ নাম তালিকা এখন দিব নেকি? ওদালগুৰি মহকুমাৰ ক'ত ক'ত দিয়া হৈছে, এই সামগ্ৰী বিলাক কোনে চাপ্লাই দিছে। ইয়াৰ লগত কেনে ধৰণৰ বিষয়া জড়িত হৈ আছে?

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্যসকলক কৈছো যে এটা প্ৰশ্নৰ বিপৰীতে ৫ টাহে চাপ্লিমেন্টৰী কৰিব পাৰিব তাতকৈ বেছি নহয়।—————

* ডঃ হেমপ্ৰভা শইকীয়া ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য কৰেন্দ্ৰ বসুমতাৰী ডাঙৰীয়াই কৈছে যে ইয়াৰ লগত কেনে ধৰণৰ বিষয়া জড়িত হৈ আছে। মই তেখেতক জনাব খুজিছো যে আমি তেনেধৰণৰ শাল, সূতা চাপ্লাই নকৰো।

---

★ Speech not corrected

**Mr. Speaker : Now, Starred Question No. 62 Hon'ble Member, Shri Sarbananda Chouchury.**

বিষয় ঃ খণ্ড উন্নয়ণ কাৰ্য্যালয়।

শ্ৰীসৰ্বানন্দ চৌধুৰীয়ে সুধিছে ঃ

* ৬২ মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) Block Dev. Office বিহীন ভৱানীপুৰ সমষ্টিত এটি Block Dev. Office স্থাপন কৰাৰ বাবে বিধান সভাত বহুবাৰ প্ৰশ্ন কৰা হৈছিল আৰু পবিত্ৰ সদনত Fund available হলে স্থাপন কৰিব পৰা হব বুলি উত্তৰ দিয়া হৈছিল, এতিয়া Fund available হ'লনে ?

(খ) যদি হোৱা নাই, কেতিয়া হব ?

ৰিপুন বৰা ঃ (পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) পৰিকল্পনা আৰু উন্নয়ন বিভাগে বিত্তীয় নাটনিৰ বাবে বৰ্ত্তমানলৈকে পূঁজি আবণ্টন কৰা নাই গতিকে হোৱা নাই।

(খ) সম্প্ৰতি পূঁজিৰ অভাৱৰ বাবে কোনো ব্যৱস্থা লব পৰা হোৱা নাই। পৰিকল্পনা আৰু উন্নয়ন বিভাগ তথা বিত্ত বিভাগৰ পৰা পূঁজিৰ অনুমোদন পালেহে উন্নয়ণ খণ্ডটো স্থাপন কৰিব পৰা হব।

* শ্ৰী সৰ্বানন্দ চৌধুৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটোৰ ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে যিটো উত্তৰ দিছে Non available of fund তাৰ মানে দিবৰ মন নাই। আমাৰ এটা কথা আছে 'হাতীটো যায় কিন্তু কুকুৰটো নাযায়। আজি ৰাজ্যখনত কোটি কোটি টকাৰ খৰছ কৰি আছে—— (হুলস্থুল)

* শ্ৰী সৰ্বানন্দ চৌধুৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মই তেখেতক কব বিচাৰিছো যে মন্ত্ৰী ডাঙৰীয়াই মোৰ প্ৰশ্নটোৰ ওপৰত এটা

★ Speech not corrected

স্পেচিফিক উত্তৰ দিব লাগে। এনেকুৱা গা এৰা দিয়া উত্তৰ দিব নালাগে।

* শ্ৰীৰিপুন বৰা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে এই প্ৰশ্নটো৩বাৰ উঠাইছে। তেখেতে তেখেতৰ সমষ্টিত এটা নতুন ডেভেল্পমেন্ট ব্লক হোৱাটো বিচাৰিছে। আমাৰ চৰকাৰে ৰাজ্যখনত ৬৩ টা নতুন ব্লক কৰিব খুজিছে। এই সংক্ৰান্তত অধিসূচনাও জাৰি কৰা হৈছে। কিন্তু প্ৰয়োজনীয় অৰ্থৰ অভাৱত খুলিব পৰা নাই। মাননীয় সদস্য গৰাকীৰ দাবীটোও ন্যায্য দাবী। তেখেতে চৰকাৰে গা এৰা দিয়াৰ যিটো কথা কৈছে সেইটো নহয়। আমি কৈছো যে প্ৰয়োজনীয় পুঁজি পালেহে কাম কৰিব পৰা যাব। পূৰণা ব্লকবিলাকৰ মেৰামতি আদি কৰিব পাৰো কিন্তু নতুন ক্ৰীয়েচন কৰিব নোৱাৰো। সংশ্লিষ্ট বিভাগক কোৱা হৈছে আৰু সংশ্লিষ্ট বিভাগে প্ৰপজেল দিছো, কিন্তু তাত এডমিনিষ্ট্ৰেটিভ এপ্ৰোভেল নাপালে আমি কাম কৰিব নোৱাৰো। এই বিষয়ে ডি, আৰ, ডি এৰ লগতো আলোচনা কৰাহৈছে।

* শ্ৰীঅজিত সিং ঃ মাননীয় অধ্যক্ষ মহোদয়, তেখেতক এটা কম্যুনিটি হল দি দিয়ক।

* শ্ৰীৰিপুন বৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, তেওঁৰ সমস্যা ঘৰ লৈ হোৱা নাই। সমস্যা ব্লকলৈ হোৱা নাই। সমস্যা হৈছে গাওঁ পঞ্চায়ত বেলেগ আৰু ব্লক বেলেগ লৈ। এতিয়া নতুন ব্লক কৰিবলৈ হলে গাওঁ পঞ্চায়ত ফালিব লাগিব। তাৰ কাৰণে চেপাৰেট ব্লক লাগিব। পি, এন্ড, ডি আৰু বিত্ত বিভাগৰ অনুমোদন লাগিব।

* ড° জয়নাথ শৰ্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, এটা বিভাগে কৰিব নোৱাৰে কাৰণে বেলেগ বিভাগৰ অনুমতি লব লাগে সেইটো মই নাভাবো। নতুনকৈ বন্ধ কৰাৰ পিচত তিতাবৰত কেনেকৈ মহকুমা পাতি

★ Speech not corrected

দিছে। ভৱানীপুৰতো এটা ব্লক লাগে।

মাননীয় অধ্যক্ষ ঃ মই আপোনাক এটা সহায় কৰিব পাৰো। ইয়াত ৰাজ্য চৰকাৰৰ কথা নহয়, ইয়াত কেন্দ্ৰীয় চৰকাৰৰ কথা আছে। গোটেই বিষয়টো চালি-জাৰি চাই কিবা ব্যৱস্থা লব পাৰো নেকি চাব লাগিব।

* ড° জয়নাথ শৰ্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে মোৰ বিভাগৰ গাত দোষ নাই। পি এন্ড ডি ৰ গাত দোষ।

* শ্ৰীৰিপুন বৰা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আঁহফলা কথা কলে নহব।

মাননীয় অধ্যক্ষ ঃ আমি এই বিষয়ে কণচাৰনিং বিভাগৰ লগত আলোচনা কৰিম।

Mr. Speaker : Now, Starred Question No. 63, questioner, Shri Mission Ranjan Das.

**Subject : Action taken on the representation**

Shri Mission Ranjan Das asked :

* 63. Will the Minister of Panchayat & Rural Development be pleased to State :

(a) What are the step taken by the Govt. on the representation dated 18/6/05 submitted by the against discrimination in allotment of rice under SGRY (Splecial Component) 2004-05 against North Karimganj Development Block in Karimganj District? (Please state it in detail)?

(b) Whether public grievances against the said discrimination will be removed by increasing

★ Speech not corrected

allotment during 2005-2006? (Please state it in detail)

Shri Ripun Bora (Minister of State (Ind.), Panchayat & Rural Development) replied :

(a) The representation dtd. 18/6/2005 is now under examination and if some lapse took place inadvertently. the same will be tried to be corrected in the next allocation.

(b) As above.

* শ্ৰীমিশ্বন ৰঞ্জন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে এইটো পৰীক্ষা কৰি থকা বুলি কৈছে। মই এইটো কব খুজিছো চাৰ, এইটো লেপচ হৈছে। ২০০৪-০৫ চনত মাত্ৰ ১৫৪ মেট্ৰীকটন দিয়া হ'ল। মোৰ সমষ্টিত ১১০০ মেট্ৰীকটন দিয়া হয়। ৰাইজ বঞ্চিত হৈছে। আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে নেক্‌ষ্ট এলকেশ্যনত দিয়া হ'ব।

* শ্ৰী ৰিপুন বৰা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আচলতে কথাতো তেনেকুৱা নহয়। এইটো চাবলৈ গলে কোনো ধৰণৰ লেপচ নহয়। এই এলকেশ্যন ডিষ্ট্ৰিক ৱাইজ হয়। এলকেশ্যন আমি নকৰো। এলকেশ্যন ভাৰত চৰকাৰে কৰে। ভাৰত চৰকাৰে ১ লাখ মেট্ৰিকটন দিছে। দিল্লীৰ পৰা তেওঁলোকে টকা বিলাক জিলা ভিত্তিত ভগাই দিয়ে। প্ৰথম কথা হ'ল কৰিমগঞ্জ জিলাত দিল্লীয়ে দিছে আমি দিয়া নাই। দ্বিতীয়তে, এলকেশ্যন কিছুমান ব্লকত বেছি পাইছে। কিছুমান ব্লকে কম পাইছে। আমি ৰেভিনিউ ডিপাৰ্টমেন্টৰ ফ্লাড ডেমেজ ৰিপৰ্ট চাই এই ৰিপৰ্টৰ ওপৰত বেচ কৰি আমি কৰিছো। তেখেতৰ সমষ্টিত কম পাইছে তাৰ কাৰণ হ'ল তেখেতৰ সমষ্টিৰ ব্লক পঞ্চায়ত কম। তেখেতৰ সমষ্টিত কম

পঞ্চায়ত আছে সেই কাৰণে তেখেতে কম পাইছে। মই আশা কৰিছো নেক্‌ষ্ট এলকেশ্যন আহিলে আমি চাম।

* শ্ৰীমিশ্বন ৰঞ্জন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত কম যিটো আছে নেক্‌ষ্ট এলকেশ্যন পাম বুলি মই আশা কৰিছো।

* শ্ৰী চিদ্দিক আহমেদ ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টি চাউথ কৰিমগঞ্জৰ গাওঁ বিলাক এফেকটিভ হৈ আছে। মই মাননীয় মন্ত্ৰী মহোদয়ক কৈছো যে আমাক এইখিনি দিলে নহব আমাক আৰু লাগিব। মাননীয় অধ্যক্ষ মহোদয়, এই যি খিনি দিছে সেই খিনি চাফিচিয়েন্ট নহয়। জিলা ভিত্তিত ৰিপৰ্ট দিল্লীলৈ গৈছে। তাৰ পৰা সেইখিনি ঘুৰি আহিলে নেকষ্ট এলকেশ্যনত আমাক দিব লাগিব।

* ডঃ হৰেন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমৰ কিছুমান সমষ্টিত ফ্লাড হোৱা নাই। মোৰ সমষ্টিত বানপানী বেছিকৈ হৈছিল। ক্ষয়ক্ষতিও বেছি হৈছিল। মাননীয় মূখ্যমন্ত্ৰী মহোদয়েও বানপানী চাবলৈ গৈছিলে। কিন্তু ইয়াত এলকেশ্যন কম হৈছে। এই কথাবিলাক আপুনি চাব লাগে।

* শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, আজিৰ বাতৰি কাকতত যি ষ্টেটমেন্ট দিছে যে চাউল কেলেংকাৰীৰ ওপৰত চুপ্ৰিমকোৰ্টৰ ৰায়। কাছাৰৰ কথা কৈছে। কেইজনমান বিষয়াৰ ওপৰত এলকেশ্যন লব দিয়ে। কিন্তু মন্ত্ৰী মহোদয়ে বিষয়া সকলক ৰিইনষ্টেটহে কৰিব দিছে। (সদনত হুলস্থুল কাৰো কথা শুনা নাযায়)

মাননীয় অধ্যক্ষ ঃ প্ৰশ্ন শেষ হোৱাৰ পিচত উত্তৰ দিব।

* শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, চাউল কেলেংকাৰিটো চি এমৰ ভিজিলেন্‌চে লৈছে, এই কথাটোৰ উত্তৰ বিচাৰিছো।

মাননীয় অধ্যক্ষ ঃ উত্তৰ দিবলৈ দিয়ক।

★ Speech not corrected

* ড° জয়নাথ শৰ্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, চাউল চুৰ কৰিব আৰু আমি বহি থাকিম।

* শ্ৰী জগদীশ ভুঁঞা ঃ মাননীয় অধ্যক্ষ মহোদয়, বৰাক ভেলিত যিবিলাক চাউল আবন্টন হৈছে সেয়া এফ চি আইৰ গুদামৰ পৰা ব্যৱসায়ী বিলাকে নিজেই লৈ গৈ দোকানত দি, দোকানীক দি তাৰ পৰা কেছু টকা লয়। সেইটো তদন্ত হব লাগে।

* শ্ৰী ৰিপুন বৰা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীমিছন ৰঞ্জন দাসৰ পৰিপূৰক প্ৰশ্নৰ উত্তৰ দিবলৈ যাওঁতে মাননীয় সদস্য শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী আৰু চহিদুল আলম চৌধুৰী দেৱে যি কথা কৈছে মই তাৰ উত্তৰ দিবলৈ খুজিছো মই কাকো ভয় নকৰো। I have the guts.... you have no moral right to say. you are the culprit, you have no moral right. মই পলায়নবাদী নহয়। প্ৰথম কথা হয় মই অফিচাৰ .... (সদনত হুস্থুল)। মোক উত্তৰ দিবলৈ দিয়ক।

মাননীয় অধ্যক্ষ ঃ মই উত্তৰ দিবলৈ কৈছো। মন্ত্ৰীয়ে উত্তৰ দিয়াৰ পিচত কোনোবা সদস্যৰ কিবা সুধিব লগা থাকিলে সুধিব পাৰিব।

* ড° জয়নাথ শৰ্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰীৰ পৰিপূৰক প্ৰশ্নৰ উত্তৰৰ লগত কথাৰ কোনো সংগতি নাই। মই প্ৰত্যাবাহন জনাইছো ৫০ লাখ টকাৰ যি লেন দেন হৈছে সেয়া হাউচ কমিটি গঠন কৰি তদন্ত কৰক। আপুনি উত্তৰ দিয়ক। (সদনত হুলস্থুল.........)

* শ্ৰীবিমলাংশু ৰয় ঃ মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰথমে চাপ্লিমেন্টাৰি আনিব বিচাৰিছিলো। পৰা নাই। বানপানীৰ ক্ষয় ক্ষতিৰ বাবে কাছাৰত ২ বাণ্ডিল কৈ টিন পাত দিয়াৰ কথা আছিল। ইন এদভাৰটেনদিং হৈছে। ১৫০০ কৈ দিয়াৰ কথা আছিল সেয়া কৰবাত পাইছে ৯৫০ কৰবাত ১১৫০ তাৰ কোনো সংগতি নাই। দিষ্ট্ৰিমেনেচন হৈছে।

★ Speech not corrected

* শ্ৰী ৰিপুন বৰা (গ্ৰামোন্নয়ন মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী বিমলাংশু ৰয় ডাঙৰীয়াই যিটো প্ৰশ্ন উৎথাপন কৰিছে এচ, জি, আৰ ওৱাই স্পেচিয়েল কম্পোনেন্টৰ এলটমেন্ট সংক্ৰান্তত তাত খুব বেছি মেচিভ দিচক্ৰিমিনেচন হোৱা নাই ক'ৰবাত ১ হাজাৰৰ ঠাইত ৫০০ হৈছে ক'ৰবাত ৫৫০ ক'ৰবাত ৫০ ৰ ঠাইত ১০০ বা ১৫০ ৰ পাৰ্থক্য হৈছে এইটো দুটা কাৰণত হৈছে প্ৰথম হৈছে জনসংখ্যা আৰু দ্বিতীয় বানপানী পীড়িত অঞ্চল। এতিয়া বানপীড়িত অঞ্চল হিচাবে বৰখলা উন্নয়ন খণ্ডত (বৰখলা সমষ্টিত) ১২ শ ঘৰ দিয়া হৈছে অন্য এটা সমষ্টিত হয়তো ২৫০ টা ঘৰ পাইছে। ৰহা সমষ্টিত ৬ লাখ মানুহ ক্ষতিগ্ৰস্থ হৈছে কিন্তু তাত মাত্ৰ ১১ শ ঘৰ দিয়া হৈছে আমি গোটেই ক্ষতিগ্ৰস্থ অঞ্চলক কভাৰ কৰিব পৰা নাই। যিমান পাৰিছো চাইছো তথাপিও যদি ক'ৰবাত কিবা বেছি অমিল হৈছে জেনুইন মানুহ দিপ্ৰাইভ হৈছে, আমাৰ দৃষ্টিগোচৰ কৰিলে নিশ্চয় তাৰ ব্যৱস্থা কৰিম। (হাহকাৰ একো শুনা নাযায়, কেবাজনো মাননীয় সদস্যই কব উঠে, অধ্যক্ষই অনুমতি দিয়া নাই)

* ড° জয়নাথ শৰ্ম্মা ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এজন বিষয়াৰ পৰা ৫০ লাখ টকা লোৱা বুলি বাতৰি কাকতত ওলাইছে সেইটো বিধান সভাতো উৎথাপন হৈছে গতিকে ই বিধান সভাত ৰেকৰ্ড হৈ থাকিব। তেখেতে এটা স্পষ্টিকৰণ দিয়ক কথাটো ক্লিয়েৰ হৈ যাব। (হাহাকাৰ, অধ্যক্ষই বেলেগ প্ৰশ্নলৈ যায়)

(Starred Question No. 64 was disallowed.)

(Starred Question No. 65 could not be taken up for disposal as the questioner was not present in the House when called for, However, the said question deemed to have been laid on the table of the House with replies thereto.)

---

★ Speech not corrected

* ৬৫/ মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম গণ-পৰিষদ চৰকাৰৰ দিনত কৃষকৰ বাবে লোৱা NABARD ৰ সহযোগত অগভীৰ নলীনাদ আঁচনি অনুসৰি ১৯৯৬-২০০১ চনৰ মে মাহলৈ আৰু ২০০১ চনৰ মে মাহৰ পৰা আজিলৈকে কিমান কৃষকক উক্ত আঁচনিৰ অন্তৰ্ভূক্ত কৰা হল আৰু কিমান কৃষক উপকৃত হল? (আঁচনি ৰূপায়নৰ দিনৰ পৰা আজিলৈকে মাহ আৰু বছৰ হিচাপে উপকৃত কৃষকৰ হিচাব দেখুৱাব)।

(খ) উক্ত আঁচনিত দূৰ্নীতি হৈছে বুলি এই চৰকাৰৰ কোনোবা মন্ত্ৰীয়ে ঘোষনা কৰিছিল নেকি? উক্ত ঘোষনাত C.B.I. ক ইয়াৰ তদন্তৰ ভাৰ দিয়া হব বুলি উক্ত মন্ত্ৰীৰ ঘোষনাত আছিল নেকি? যদি আছিল চৰকাৰে এই ক্ষেত্ৰত কি ব্যৱস্থা হাতত লৈছে?

(গ) উক্ত তথাকথিত কেলেংকাৰীৰ (তেতিয়াৰ মন্ত্ৰীৰ ভাষাত) তদন্ত হৈছিল নেকি? যদি হৈছিল সদনৰ মেজত তদন্তৰ প্ৰতিবেদন দাখিল কৰিবনে?

(ঘ) উক্ত আঁচনিত বৰ্ত্তমানলৈকে কিমান কোটি টকা ব্যয় হৈছে? (বছৰ ভিত্তিত খৰচৰ পৰিমান সদনৰ মেজত দাখিল কৰিব)।

শ্ৰীওৱাজেদ আলী চৌধুৰী (কৃষি বিভাগৰ ৰাজ্যিক স্বতন্ত্ৰ) মন্ত্ৰীয়ে উত্তৰ দিছে ঃ

(ক) NABARD ৰ সহযোগত ১৯৯৬ চনৰ পৰা অগভীৰ নলীনাদৰ কোনো আঁচনি নাছিল। ১৯৯৯ চনৰ নবেম্বৰৰ পৰা ২০০১ চনৰ মে মাহলৈ ৯৫,৬৭৬ টা অগভীৰ নলীনাদ স্থাপন কৰি ২,৮৭,০২৮ জন কৃষকক উপকৃত কৰা হৈছে। ২০০১ চনৰ মে মাহৰ পৰা আজিলৈকে NABARD ৰ সহযোগত ৩,৩২৪ টা অগভীৰ নলীনাদ স্থাপন কৰি ৯,৯৭২ জন কৃষকক উপকৃত কৰা হৈছে। (মাহ আৰু বছৰৰ হিচাপৰ তালিকা (ক) গাঠি দিয়া হল।)

(খ) উক্ত আঁচনিত দূর্নীতি হৈছে বুলি কোনো মন্ত্ৰীয়ে ঘোষনা কৰা তথ্য এই বিভাগত নাই। কিন্তু ২০০২ চনৰ বাজেট অধীবেশনত উপস্থাপন হোৱা এটা "Special Motion " আলোচনা কালত তেতিয়াৰ বিভাগীয় মন্ত্ৰীয়ে মুখ্য মন্ত্ৰীৰ অনুমোদন সাপেক্ষে তদন্তৰ ভাৰ C.B.I. ক অৰ্পন কৰা হব বুলি আস্বাস দিছিল আৰু সেইমতে ৰাজনৈতিক বিভাগৰ লগত যোগাযোগ কৰা হয়। অসম চৰকাৰৰ ৰাজনৈতিক বিভাগে কেন্দ্ৰীয় চৰকাৰলৈ এই সন্দৰ্ভত যাবতীয় অধিসূচনা জাৰি কৰি প্ৰস্তাব প্ৰেৰণ কৰে।

(গ) "খ" প্ৰশ্নৰ উত্তৰত এই তথ্য দিয়া হৈছে।

(ঘ) অগভীৰ নলীনাদৰ আঁচনি ৰূপায়নৰ বাবে NABARD, Non-Lapsable pool আৰু Special Assistance ৰ অধীনত তলত উল্লেখ কৰা ধৰনে টকা ব্যয় কৰা হৈছে।

| বিত্তীয় বছৰ | খৰছ (টকা) |
|---|---|
| ১৯৯৯-২০০০ | ২৭,৭৫,০০,০০০/- |
| ২০০০-২০০১ | ৭৮,৯২,০০,০০০/- |
| ২০০১-২০০২ | ২৬,০০,০০,০০০/- |
| ২০০২-২০০৩ | ১৩,৯৫,২৬,১৪৬/- |
| | সৰ্বমুঠ১৪৬,৬২,২৮,১৪৬/- |

**বিষয় ঃ দৰিদ্ৰতাৰ সীমা ৰেখাৰ তলত থকা পৰিয়ালৰ সংখ্যা।**

**শ্ৰী পবিন্দ্ৰ ডেকাই সুধিছে ঃ**

* ৬৬/ মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত বৰ্ত্তমান কিমানটা পৰিয়াল (Family) দৰিদ্ৰ সীমাৰেখাৰ

(Below poverty Liune) তলত আছে ?

(খ) উক্ত পৰিয়াল সমূহক দৰিদ্ৰ সীমাৰেখাৰ ওপৰলৈ আনিবলৈ চৰকাৰে কি কি আঁচনি গ্ৰহণ কৰি ৰূপায়ন কৰি আছে?

(গ) দৰিদ্ৰ সীমাৰেখাৰ তলত থকা (BPL) কিমানটা পৰিয়ালক চাউল যোগান ধৰি থকা হৈছে?

(ঘ) এনেভাবে যোগান ধৰোতে চৰকাৰক প্ৰতিমাহে কিমান পৰিমাণৰ চাউল প্ৰয়োজন হয়?

(ঙ) এই পৰিয়াল সমূহক নিয়মিত ভাবে যোগান ধৰি থকা হৈছেনে?

**ডাঃ নজৰুল ইছলাম (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ) মন্ত্ৰীয়ে উত্তৰ দিছে ঃ**

(ক) ৰাজ্যখনত বৰ্ত্তমান ১৯,০৬,০০০ টা পৰিয়াল দৰিদ্ৰ সীমাৰেখাৰ তলত আছে।

(খ) উক্ত পৰিয়াল সমূহক দৰিদ্ৰ সীমাৰেখাৰ ওপৰলৈ আনিবলৈ খাদ্য আৰু অসামৰিক যোগান বিভাগে বি, পি, এল, অন্ত্যোদয়া অন্ন যোজনা, ৰন্ধনজ্যোতি ইত্যাদি আঁচনি গ্ৰহণ কৰি ৰূপায়ণ কৰি আছে।

(গ) দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা মুঠ ১৮,৯২,৬১৬ টা পৰিয়ালক চৰকাৰে চাউল যোগান ধৰি আছে।

(ঘ) এনেভাবে চাউল যোগান ধৰিবলৈ প্ৰতিমাহে চৰকাৰক ৬৬,২৪১ মেট্ৰিকটন চাউলৰ প্ৰয়োজন হয়।

(ঙ) এই পৰিয়াল সমূহক নিয়মিত ভাবে চাউলৰ যোগান ধৰি থকা হৈছে।

* শ্ৰীপবিন্দ্ৰ ডেকা ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে ৰাজ্যখনত ১৯,০৬,০০০ টা পৰিয়াল দৰিদ্ৰ সীমা ৰেখাৰ তলত আছে বুলি

★ Speech not corrected

কৈছে আৰু ১৮,৯২,৬১৬ টা পৰিয়ালক চাউল যোগান ধৰি আছে বুলি কৈছে। বৰ্ত্তমান ৰাজ্যখনত ৩৬.০৯ হাৰত দৰিদ্ৰসীমা ৰেখাৰ তলত বসবাস কৰা লোক ইয়াৰ ৰাষ্ট্ৰীয় হাৰ হৈছে ২৬.০১। গতিকে দৰিদ্ৰ সীমা ৰেখাৰ তলৰ লোকসকলক যি সকলক চাউল যোগান ধৰিছে তেওঁলোকক ওপৰলৈ উঠাই অনাৰ অন্য কি আৰু আঁচনি আছে? তেওঁলোকক অৰ্থাৎ বিপিএল পৰিয়ালৰ একোজনক চৰকাৰী চাকৰী বা খেতিৰ কোনো সুবিধা দিয়াৰ ব্যৱস্থা কৰিব নে ?

* ডাঃ নজৰুল ইছলাম (খাদ্য আৰু অসামৰিক যোগান মন্ত্ৰী) ঃ মোৰ বিভাগৰ লগত যিখিনি জৰিত মই আগতে কৈছোৰে। দৰিদ্ৰ সীমা ৰেখাৰ তলত বসবাস কৰা লোক সকলৰ কাৰণে চৰকাৰৰ বিভিন্ন বিভাগে বহুত আঁচনি লৈছে ডি আৰ ডি এ এচ জি এচ ওৱাই আৰু অন্য আঁচনি সমাজ কল্যাণ বিভাগে লৈছে আৰু এতিয়া কল্পতৰু আঁচনিও লোৱা হৈছে বৃদ্ধ পেঞ্চন, ঘৰ আদিৰ ব্যৱস্থাও আছে।

* শ্ৰীপবিন্দ্ৰ ডেকা ঃ বিপিএল পৰিয়ালৰ একোজনক চাকৰিৰ কাৰণে সংৰক্ষিত কৰিব পাৰি নেকি চৰকাৰে বিবেচনা কৰিব নেকি? কিমান টকা আয়ৰ লোকক বিপিএল পৰিয়াল হিচাবে গন্য কৰা হয়?

* ডাঃ নজৰুল ইছলাম (খাদ্য মন্ত্ৰী) ঃ ১৬ হাজাৰ আয়ৰ মানুহক বিপিএল পৰিয়াল হিচাবে গন্য কৰা হয়।

* শ্ৰীকৰেন্দ্ৰ বসুমতাৰী ঃ অধ্যক্ষ মহোদয়, বিপিএল চাৰ্টিফিকেট কোনে ইছু কৰিব পাৰে? গাওঁ পঞ্চায়তে নে মৌজাদাৰে নে গাওবুঢ়াই নে খাদ্য পৰিদৰ্শক নে উপায়ুক্তই অথৰিটি কোন?

* ডাঃ নজৰুল ইছলাম (মন্ত্ৰী) ঃ বিপিএলৰ কাৰণে চাৰ্ভে কৰে গাওঁ পঞ্চায়ত বিলাকে, তালিকা খন্ড পৰ্য্যায়ত থাকে গতিকে তেওঁলোকেই প্ৰমান পত্ৰ দিব।

* ড° জয়নাথ শৰ্ম্মা ঃ অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব

★ Speech not corrected

বিচাৰিছো কিমান পৰিয়াল দৰিদ্ৰসীমাৰেখাৰ তলত আছে। তেখেতে উত্তৰত ১৯ হাজাৰ পৰিয়াল আছে বুলি কৈছে। কিন্তু গোটেই অসমত কিমান আছে? অধ্যক্ষ মহোদয়, বিপি এলৰ তালিকাক লৈ ৰাজনীতি চলে নেকি? মোৰ সমষ্টিতে অগপৰ মানুহৰ নাম কাটি দিছে। মই দায়িত্বসহকাৰে কৈছো। বিপিএল কাৰ্ড ইচ্যু কৰাতো ৰাজনীতি কৰা হয় নেকি?

* ডাঃ নজৰুল ইছ্‌লাম (মন্ত্ৰী) ঃ মই উত্তৰত কৈছো ১৯ হাজাৰ পৰিয়াল। এই চাৰ্ভে আমাৰ দিনত নহয় অগপৰ দিনতে কৰা। তেখেত সকলৰ মনত আছে নিশ্চয় মাৰুতী গাড়ীলৈ বিপিএল চাউল অনা কথাটো লৈ সদনত হুলস্থুল হৈছিল।

* ড° জয়নাথ শৰ্ম্মা ঃ অগপ ৰ দিনত ১৯ লাখ পৰিয়ালক এতিয়া আপোনালোকৰ দিনত ১৮ লাখ কিয় নহল? আপোনালোকে এই পাচ বছৰ যদি ভাল কামেই কৰিছে এই সংখ্যাটো কমি নগল কিয়?

* ডাঃ নজৰুল ইছ্‌লাম (মন্ত্ৰী) ঃ বি পি এলৰ তালিকা ১৯৯৬ চনতে কৰা হৈছিল। ই হৈছে কেন্দ্ৰীয় চৰকাৰৰ আঁচনি। ২০০২-২০০৩ চনত পুনৰ চাৰ্ভে হৈছে আৰু চাৰ্ভেৰ প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰক দিয়া হৈছে কিন্তু আমি তাৰ একো উত্তৰ পোৱা নাই। (কেবাজনো মাননীয় সদস্যই কবলৈ উঠে - একো শুনা যোৱা নাই)।

* শ্ৰী পবিন্দ্ৰ ডেকা ঃ এচ ডি আৰ ওৱাই আঁচনিত বি পি এল পৰিয়ালৰ লোকক সংৰক্ষিত কৰিব নোৱাৰিনে? আৰু তেওঁলোকৰ এজনক হলেও চাকৰিৰ কাৰনে সংৰক্ষিত কৰিব লাগে তাৰ কাৰনে প্ৰয়োজন সাপেক্ষে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিব লাগে।

* ডাঃ নজৰুল ইছ্‌লাম (মন্ত্ৰী) ঃ এই জি আৰ ওৱাই আঁচনিটো পঞ্চায়তৰ।

* শ্ৰী ৰিপুন বৰা (ৰাজ্যিক মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এ জি পি ৰ দিনত ১৯ লাখ পৰিয়াল আছিল। এতিয়া তাৰ সংখ্যা কমিছে।

---

★ Speech not corrected

Mr. Speaker : Now, Question Hour is over.

(Starred Question Nos. 67 to 80 could not be taken up for disposal as the Question Hour was over. However, the said questions deemed to have been laid on the table of the Home with replies there to.)

**বিষয় ঃ নগাওঁ জিলা পৰিষদ।**

শ্ৰী গুণীন হাজৰিকাই সুধিছে ঃ

* ৬৭/ মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০৫-২০০৬ চনৰ বাবে নগাওঁ জিলা পৰিষদৰ বাবে কিমান টকা ধাৰ্য্য কৰা আছে? প্ৰতিখন জিলা পৰিষদ সমষ্টিত কিমান টকা দিয়া হৈছে? (সবিশেষ তথ্য দাখিল কৰিব)।

(খ) কলিয়াবৰ বিধান সভা সমষ্টিৰ চাৰিটা জিলা পৰিষদ সমষ্টিত ২০০২, ২০০৩, ২০০০৪, ২০০৫ চনলৈ কি কি কাম কৰা হৈছে? (কামৰ তালিকা দাখিল কৰিব)।

(গ) এই কাম সমমূহৰ অগ্ৰগতি কিমান শতাংশ এতিয়ালৈ হৈছে?

(ঘ) কলিয়াবৰ আৰু পশ্চিম কলিয়াবৰ পঞ্চায়তত হোৱা কামৰ তালিকা (২০০২ চনৰ পৰা ২০০৫ চনলৈ) দাখিল কৰিবনে?

**শ্ৰীৰিপুন বৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ৰাজ্যিক, স্বতন্ত্ৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) ২০০৫-২০০৬ চনৰ নগাওঁ জিলা পৰিষদৰ বাবে এতিয়ালৈকে কোনো পূজি ধাৰ্য্য কৰা হোৱা নাই। আৰু সমষ্টি সমূহৰ বাবেও কোনো ধন মোকোলাই দিয়া নাই।

(খ) কলিয়াবৰ বিধান সভা সমষ্টিৰ চাৰিটা জিলা পৰিষদৰ সমষ্টিত

২০০২-২০০৩, ২০০৩-২০০৪ আৰু ২০০৪-২০০৫ চনৰ এতিয়ালৈকে হোৱা কামৰ অগ্ৰগতি Annexure-I, II আৰু III ত সন্নিবিষ্ট কৰি সদনৰ মেজত দাখিল কৰা হ'ল।

(গ) ২০০২-২০০৩ = ১০০ শতাংশ।

২০০৩-২০০৪ = ১০০ শতাংশ।

২০০৪-২০০৫ = ৫০ শতাংশ।

(ঘ) কলিয়াবৰ আৰু পশ্চিম কলিয়াবৰ আঞ্চলিক পঞ্চায়ত আৰু ইয়াৰ অন্তৰ্গত গাওঁ পঞ্চায়ত সমূহত ২০০২-২০০৩, ২০০৩-২০০৪, ২০০৪-২০০৫ বৰ্ষত হোৱা কামৰ তালিকা পৰিশিষ্ট - ১ আৰু পৰিশিষ্ট - ২ ইত দাখিল কৰা হ'ল।

শ্ৰী সুশীল দত্তই সুধিছে ঃ

**বিষয় ঃ অন্নপূৰ্ণা আঁচনিৰ চাউল।**

৬৮/ মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) লামডিং সমষ্টিত দুখীয়া ৰাইজে অন্নপূৰ্ণা আঁচনিৰ চাউল নাপায় এই সম্পৰ্কত চৰকাৰ অৱগতনে?

(খ) লামডিং সমষ্টিত দুখীয়া ৰাইজে অন্নপূৰ্ণা আঁচনিৰ চাউল দিয়া ব্যৱস্থা কৰিবনে?

শ্ৰীৰিপুন বৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) এই সম্পৰ্কত চৰকাৰ অৱগত নহয়।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

বিষয় ঃ আৰ্টফেডত (জাগৰন) বিষয়া কৰ্মচাৰীৰ সংখ্যা।

ডাঃ তাৰা প্ৰসাদ দাসে সুধিছে ঃ

* ৬৯/ মাননীয় হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান আৰ্টফেডত (জাগৰন) কিমানজন বিষয়া কৰ্মচাৰীয়ে কাৰ্য্য নিৰ্বাহ কৰি আছে? তেখেতসকলৰ কোনে কিমান বছৰ একেটা পদ আৰু একে ঠাইতে কাৰ্য্যনিৰ্বাহ কৰি আছে? (বিতংভাৱে ঠিকনা সহ সদনৰ মেজত দাখিল কৰিব)

(খ) যোৱা ২০০০ পৰা ২০০৫ চনৰ জুনৰ ভিতৰত আৰ্টফেডত (জাগৰন) স্থায়ী/অস্থায়ী ভিত্তিত নতুনকৈ নিযুক্তিৰ ব্যৱস্থা কৰা হৈছে নেকি? যদি নিযুক্তি দিয়া হৈছে, তেন্তে নৱ নিযুক্তি ব্যক্তি সকলৰ নাম ঠিকনা, নিযুক্তিৰ তাৰিখ আৰু সাক্ষাৎকাৰৰ নিমন্ত্ৰণ পত্ৰ প্ৰতিলিপিসহ বিতং তথ্য সদনৰ মেজত দাখিল কৰিবনে?

(গ) বৰ্তমান আৰ্টফেডৰ (জাগৰন) মুখ্য কাৰ্য্যালয়ত কৰ্মৰত শ্ৰীমতী মমিতা বৈশ্য (স্বামী শ্ৰী ধীৰাজ বৈশ্য শুৱালকুছি শংকৰ মন্দিৰ পথৰ নিবাসী) নামৰ মহিলা গৰাকীক কি ভিত্তিত অস্থায়ী নিযুক্তি দিয়া হ'ল? শ্ৰমতী বৈশ্যৰ নিযুক্তিৰ ক্ষেত্ৰত বিভাগে সাক্ষাৎকাৰৰ ব্যৱস্থা কৰিছিল নেকি?

(ঘ) যদি সাক্ষাৎকাৰৰ ব্যৱস্থা কৰিছিল, সাক্ষাৎকাৰৰ তাৰিখ কলিং লেটাৰ সহ বিতং তথ্য সদনৰ মেজত দাখিল কৰিবনে?

(ঙ) যদি কোনো ধৰণৰ সাক্ষাৎকাৰ ব্যৱস্থা কৰা নাছিল কিহৰ ভিত্তিত শ্ৰীমতী বৈশ্যক নিযুক্তি দিয়া হ'ল? চৰকাৰে অতি শীঘ্ৰে এই নিযুক্তি বাতিলৰ ব্যৱস্থা কৰিবনে?

(চ) যদি বাতিলৰ ব্যৱস্থা কৰে কেতিয়া কৰিব? যদি বাতিলৰ ব্যৱস্থা

নকৰে কিয় কৰিব নোৱাৰে? (বিতং তথ্য সদনৰ মেজত দাখিল কৰিব)

ডঃ হেমপ্ৰভা শইকীয়া (হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ) মন্ত্ৰীয়ে উত্তৰ দিছে ঃ

(ক) বৰ্তমান আৰ্টফেডৰ (জাগৰন) ২৭২ গৰাকী পৰিচালক আৰু কৰ্মচাৰীয়ে কাৰ্য্যনিৰ্বাহ কৰি আছে। তেওঁলোকৰ কোনে কিমান বছৰ একেটা পদ আৰু একে ঠাইতে কাৰ্য্যনিৰ্বাহ কৰি আছে বিতংভাৱে (১ ৰ পৰা ১৯ লৈ) দিয়া হ'ল।

(খ) যোৱা ২০০০-২০০৫ চনৰ ভিতৰত আৰ্টফেডত (জাগৰন) অস্থায়ী নিযুক্তি কৰা হৈছে। এনে নিযুক্তি সাময়িক ভিত্তিত হোৱাৰ বাবে সাক্ষাৎকাৰ আদি গ্ৰহণ কৰা হোৱা নাই। সাময়িক ভিত্তিত নিয়োজিত সকলৰ কাৰ্য্যকাল নিৰ্দ্ধাৰিত সময়ৰ কাৰনে দিয়া হয়। কামৰ প্ৰয়োজন সাপেক্ষে কাৰ্য্যকাল বৃদ্ধি হয় বা অন্ত পৰে। নৱনিযুক্তি ব্যক্তি সকলৰ নাম ঠিকনা নিযুক্তিৰ তাৰিখ আৰু নিৰ্দ্ধাৰিত কাৰ্য্যকাল সহ বিতং তথ্য প্ৰ -পত্ৰ ২০ ৰ পৰা ৫৭ লৈ দিয়া হ'ল।

(গ) বৰ্তমান আৰ্টফেডৰ (জাগৰন) মূখ্য কাৰ্য্যলয়ত শ্ৰীমতী মমিতা বৈশ্য নামৰ মহিলা গৰাকীক অস্থায়ী ভিত্তিত নিযুক্তি দিয়া হোৱা নাই। এনে এগৰাকী মহিলা অস্থায়ী ভাৱে প্ৰয়োজন ভিত্তিত আৰ্টফেডৰ জাগৰন, দিশপুৰ শাখাত ৮৯ দিনৰ বাবে মাহিলী হাজিৰা ভিত্তিত কামত নিয়োজন কৰা হৈছে। হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগে আৰ্টফেডৰ নিযুক্তিৰ ক্ষেত্ৰতত সাক্ষাৎকাৰৰ ব্যৱস্থা গ্ৰহণ নকৰে।

(ঘ) সাক্ষাৎকাৰৰ ব্যৱস্থা কৰা হোৱা নাই বিতং তথ্য দাখিল কৰিবপৰা নাযায়।

(ঙ) শ্ৰীমতী বৈশ্যক দিশপুৰ শাখাত বৰ্তমানে বিক্ৰী কাৰ্য্যত কৰ্ম্মীৰ প্ৰয়োজন হোৱাত অস্থায়ী ভিত্তিত ৮৯ দিনৰ বাবে আৰ্টফেডৰ প্ৰযোজ্য নিয়মানুসাৰে কাম কৰিবলৈ দিয়া হৈছে, এনে নিযুক্তি

চৰকাৰে বাতিল কৰা প্ৰয়োজন নাই।

(চ) শ্ৰীমতী বৈশ্যৰ কাৰ্য্যকাল যিহেতু মাত্ৰ ৮৯ দিনৰ বাবে নিৰ্দ্ধাৰিত উক্ত সময় অন্ত পৰাৰ পিছত কৰ্ম নিয়োজন স্বচলিত ভাৱে অন্ত পৰিব।

**Sub : Complaint against G.P. President.**

Shri Abdul Jabbar asked :

* 70. Will the Minister of Panchayat & Rural Development be pleased to state :

(a) Whether the Govt. has received any complaint against the President of Syampur G.P. and No. 5 Baruajhar G.P. under Dalgaon L.A.C.?

(b) If so, What measures have been taken against them?

**Shri Ripun Bora (Minister of State (Ind.) Panchayat & Rural Development) will reply :**

(a) Information regarding arrest of the President of No.5 Baruajhar Gaon Panchayat by Police on domestic affairs has been received from Chief Executive Offficer Zilla Parishad, Darrang. No complaint has been received against the President of Shyampur Gaon Panchayat.

(b) Views of legal Remembrancer (L.R) have been sought for regarding action to be taken against the President of No. 5 Baruajhar Gaon Panchayat.

**বিষয় ঃ Cash আৰু F.G. ৰ পৰিমাণ।**

শ্ৰী পৰিমল শুক্লবৈদ্যই সুধিছে ঃ

* ৭.১/ মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) FDR/PMGY বা বিভিন্ন আঁচনিৰ জৰিয়তে কাছাৰ DRDA যোৱা আৰু বৰ্তমান বিত্তীয় বছৰত কিমান টকা পাইছে? Cash আৰু F.G. ৰ পৰিমাণ কিমান?

(খ) টকা আৰু F.G. কোন কোন স্কিমৰ জৰিয়তে খৰছ কৰা হৈছে? (বিতং স্কিমৰ নাম দিব)

(গ) কাছাৰ DRDA য়ে প্ৰত্যক্ষ ভাৱে কোন কোন ঠাইত কাম কৰিছে আৰু প্ৰতিটো Scheme ৰ বিপৰীতে কিমান টকা ধাৰ্য্য কৰিছে? (বিতং তথ্য দিব)

শ্ৰীৰিপুন বৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ ৰাজ্যিক, স্বতন্ত্ৰ) মন্ত্ৰীয়ে উত্তৰ দিছেঃ

(ক) FDR/PMGY বা বিভিন্ন আঁচনিৰ জৰিয়তে কাছাৰ DRDA ই যোৱা আৰু বৰ্তমান বিত্তীয় বছৰত পোৱা টকাৰ পৰিমান আৰু F.G. ৰ পৰিমান তলত উল্লেখ কৰা ধৰণৰ ঃ

| Sl. No. | Year | Name of the Programme | Cash received (Rs. in Lakh) | F.G (Qtls. |
|---|---|---|---|---|
| 1. | 2004-05 | FDR | Nil | Nil |
| 2. | -do- | PMGY | 212.65 | Nil |
| 3. | -do- | SGRY | 1263.19 | 24,570.00 |
| 4. | -do- | SGRY (spl.Component) 11,848.00 | | Nil |

| | | | | |
|---|---|---|---|---|
| 5. | -do- | SGSY | 314.63 | Nil |
| 6. | -do- | IAY | 1229.35 | Nil |
| 7. | -do- | IWDP | 41.25 | Nil |
| 8. | -do- | Hariali | 41.25 | Nil |
| 1. | 2005-06 | FDR | Nil | Nil |
| 2. | -do- | PMGY | Nil | Nil |
| 3. | -do- | SGRY | 1183.66 Includi- | Nil |
| 4. | -do- | SGSY | 282.51 State Sh- | Nil |
| 5. | -do- | IAY | 784.37 are of | Nil |
| 6. | -do- | Hariali | Nil 2004-05 | Nil |

(খ) টকা আৰু Food Grains SGRY (Normal) আৰু SGRY (Spl. Component) ৰ বিপৰীতে খৰচ কৰা হয়। SGRY (Spl. Component) ৰ অধীনত লোৱা আঁচনিৰ তালিকা পৰিশিষ্ট ক'ত দাখিল কৰা হ'ল। (See Annexure-II)

(গ) কাছাৰ DRDA ত প্ৰত্যক্ষ ভাৱে কোনো কাম কৰা নাই।

**বিষয় ঃ চাউল আবন্টন।**

শ্ৰীবনেন্দ্ৰ কুমাৰ মুছাহাৰীয়ে সুধিছে ঃ

* ৭২/ মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জিলাত ২০০৪-০৫ চনৰ বাবে Special SGRY আঁচনিৰ চাউল কিমান আৱন্টন আৰু মোকোলাই দিয়া হৈছে?

(খ) উক্ত আঁচনিৰ চাউল সমষ্টি ভিত্তিত কোন কোন Block ত কিমানকৈ চাউল আৱন্টন দিয়া হৈছে? (চাউলৰ মূল্য সহকাৰে জনাব)

(গ) জিলাখনৰ উক্ত ২০০৪-০৫ চনৰ সমষ্টি ভিত্তিত কোন কোন

Block ত কি কি আঁচনিত কিমান চাউল আৱন্টন দিয়া হৈছে? (প্ৰত্যেকটো আঁচনিৰ পৰিৱৰ্তে আৱন্টিত চাউলৰ পৰিমাণ আৰু মূল্য সহ তালিকা সদনৰ মেজত দাখিল কৰিব)

শ্ৰীৰিপুন বৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ৰাজ্যিক, স্বতন্ত্ৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) জিলা গ্ৰামোন্নয়ণ অভিকৰণ ধুবুৰীক ২০০৪-০৫ চনত Special SGRY আঁচনিৰ বাবে মুঠ ৯৯১০.০০ মেট্ৰিক্টন ৯৯১০০.০০ কুইন্টল চাউল আৱন্টন আৰু মোকোলাই দিয়া হৈছে ।

(খ) বিধান সভা সমষ্টি আৰু উন্নয়ণ খন্ড এলেকা অনুযায়ী উক্ত আঁচনিৰ অধীনত আৱন্টিত চাউলৰ পৰিমান মল্য Annexure - 'A' ত সন্নিবিষ্ট কৰি সদনৰ মেজত পেচ কৰা হ'ল।

(গ) ধুবুৰী জিলা গ্ৰামোন্নয়ণ অভিকৰণৰ ২০০৪-০৫ চনৰ বিপৰীতে আৱন্টন দিয়া আৰু মোকোলাই দিয়া চাউল জিলা পৰ্য্যায়ৰ নিৰ্দ্ধাৰিত কমিটিৰ অনুমোদন সাপেক্ষে ৰূপায়ণ কৰা আঁচনিৰ বিপৰীতে আৱন্টন দিয়া হৈছে। আঁচনি সমূহৰ তালিকা মূল্যসহ চাউলৰ পৰিমাণ উন্নয়ণ খন্ড অনুযায়ী সমষ্টি ভিত্তিত Annexure - 'B' ত সন্নিবিষ্ট কৰি সদনৰ মেজত পেচ কৰা হ'ল।

**Subject : Central Goverment Scheme.**

Shri Dilip Kumar Saikia asked :

* 73. Will the Minister of Panchayat & Rural Development pleased to State:-

(a) Total amount of fund received from the Central Government under various scheme of the Panchayat & Rural Development Department during the year

2001-2002, 2002-2003, 2003-2004 and 2004-2005?

(b) Whether the Government timely utilized the funds and have the 'utilization certificate' been submitted timely to the Central Goverment? (details thereof may be submitted) :

(c) Details of the Various Scheme under the department currently under various stages of implementation and the districts benefited from such schemes.

Shri Ripun Bora (Minister of State (Ind.) Panchayat & Rural Development) replied :

(a) Information given in Annexure 'A' and pleased at the table of the House.

(b) Yes, funds have been utilized and utilization Certificate submitted in Annexure I, II, III and IV and placed at the table of the House.

(c) Details except in respect of Golaghat and Lakhimpur District are given in Annexure 'B' and placed at the table of the House.

বিষয় ঃ আলুৰ উৎপাদনৰ পৰিমান।

শ্ৰী ৰণজিৎ দত্তই সুধিছে ঃ

* ৭৪/ মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিহালী সমষ্টিৰ জিনজিয়া অঞ্চলত বছৰি কিমান পৰিমানৰ আলু উৎপাদন হয়?

(খ) প্ৰচুৰ আলু উৎপাদন হোৱাত খেতিয়কৰ সুবিধাৰ বাবে চৰকাৰে

Cold Storage স্থাপন কৰাৰ বাবে আঁচনিৰ প্ৰস্তুত কৰিছে নেকি?

শ্ৰীওৱাজেদ আলী চৌধুৰী (কৃষি বিভাগৰ ৰাজ্যিক, স্বতন্ত্ৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) শোনিত পুৰ জিলাৰ বিহালী বিধান সভা সমষ্টিৰ অন্তৰ্গত জিনজিয়া আৰু ইয়াৰ পাৰ্শবৰ্তী অঞ্চলত আলু উৎপাদন বছৰি গড় হিচাবে ১৭,৫০০ মেট্ৰিকটন হয়।

(খ) হয়, শোনিতপুৰ জিলা নিয়ন্ত্ৰিত বজাৰ সমিটি আৰু কৃষি বিভাগৰ সহযোগত উক্ত অঞ্চলত এটা Cold Storage স্থাপনৰ সম্ভাৱনীতাৰ সম্পৰ্কে জৰীপৰ কাম ইতিমধ্যে হাতত লোৱা হৈছে।

**বিষয় ঃ আই, টি, আইত নিযুক্তি।**

শ্ৰীমতী জোনজোনালী বৰুৱাই সুধিছে ঃ

* ৭৫/ মাননীয় শ্ৰম আৰু নিয়োগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নতুনকৈ প্ৰতিষ্ঠিত মৰিগাওঁ জিলাৰ I.T.I. খনত আজি পৰ্য্যন্ত কিমান সংখ্যক কৰ্মচাৰী নিযুক্তি দিয়া হ'ল?

(খ) কি কি বিভাগত আৰু কিমান জনকৈ নিযুক্তি দিছে? (নিযুক্তি পোৱা সকলৰ নামসহ ঠিকনা জনাব)।

শ্ৰীৰামেশ্বৰ ধানোৱাৰ (শ্ৰম ও নিয়োগ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) আজি পৰ্য্যন্ত ৯ (ন) জন কৰ্মচাৰীক নিযুক্তি দিয়া হৈছে।

(খ) নিযুক্তি পোৱা কৰ্মচাৰী সকলৰ নাম ঠিকনা বিভাগ (Trade) মহ তলত উল্লেখ কৰা হ'ল -

১/ শ্ৰী মানস বৰা<br>পিতা- শ্ৰী পি বৰা — COPA instructor<br>জনকপুৰ, বিৰুবাৰী<br>পোঃ অঃ - গোপীনাথ নগৰ

কামৰূপ, অসম।

| | | |
|---|---|---|
| ২/ | শ্ৰী বিৰাজ কান্তি সোম<br>পিতা- শ্ৰী বি কে সোম<br>পোঃঅঃ ও গাঁও - জৰাইতোলা বাজাৰ<br>জিলা - কাচাৰ। | Mech. Electronics Instructor |
| ৩/ | শ্ৰী জিতুমণি শৰ্মা<br>পিতা - শ্ৰী এম, এন, শৰ্মা<br>পোঃ অঃ ও গাঁও - মাজপথাৰ<br>জিলা - নগাঁও। | L.D. Asstt. |
| ৪/ | শ্ৰী কৃষ্ণ বনিয়া<br>পিতা - ডি, এন, বনিয়া,<br>গাঁও - নভতি, ওৱাৰ্ড নং - ৫<br>পোঃ অঃ - মৰিগাঁও। | Store Keeper |
| ৫/ | শ্ৰী ক্ষিৰোদ কোঁৱৰ<br>বৰপথাৰ, হাতকটা কোঁৱৰ গাঁও<br>পোঃ অঃ - কোঁৱৰ গাঁও<br>জিলা - ডিব্ৰুগড়। | Workshop Attendent |
| ৬/ | শ্ৰী বিদ্যুৎ বৰুৱা<br>বৰবৰুৱা বৰহজৰ গাঁও<br>পোঃ অঃ - বৰবৰুৱা<br>জিলা - ডিব্ৰুগড় | Workshop Attendent |
| ৭/ | শ্ৰী ভূগেশ্বৰ নাথ<br>পিতা - শ্ৰী এইছ নাথ<br>গাঁও - দগাঁও<br>পোঃ অঃ - মৰিগাঁও<br>জিলা - মৰিগাঁও। | Peon |

৮/ শ্ৰী চন্দ্ৰ নন্দি
পিতা - শ্ৰী এছ্ নন্দি Chowkidar
গাঁও - বৰডুবা
পোঃ অঃ - ভুৰাগাঁও
জিলা - মৰিগাঁও।

৯/ শ্ৰীসমিত বাছফোৰ
পিতা - শ্ৰী এন বাছফোৰ Sweeper
গাঁও - মৰি পচতীয়া
পোঃ অঃ - মৰিগাঁও
জিলা - মৰিগাঁও।

**বিষয় ঃ বিষয়াৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ প্ৰসংগ।**

শ্ৰীআলী আকবৰ মিঞাই সুধিছে ঃ

* ৭৬/ মাননীয় গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) (i) ধুবুৰী জিলা মহামায়া উন্নয়ণ খন্ডৰ E.O(P) নুৰুল আজম সৰকাৰৰ বিৰুদ্ধে SDO(C) বিলাসী পাৰাই দিয়া প্ৰতিবেদন নং BCA2/2003/Pt./252, date 28-2-05 ত উল্লেখিত Number of Complains ৰ কপিবোৰ অফিচত আছে নে? (থাকিলে সেইবোৰৰ কপি দিব)

(ii) অভিযোগবোৰৰ বিপৰীতে বিষয়াজনৰ বিৰুদ্ধে কি কি ব্যৱস্থা গ্ৰহণ কৰা হ'ল? (ব্যৱস্থা গ্ৰহণীয় পত্ৰাদিৰ কপি দিব)

(iii) মহামায়া ব্লকৰ শ্ৰমিকে আঁচনিৰ চাউল বিলাসীপাৰা ষ্টেটফেডৰ পৰা কি কাৰণত গাড়ী ভাৰা দি আহি লব লগা হ'ল? (উপৰোক্ত চিঠি প্ৰসংগ)

(iv) চিঠি নং PDB(II)62/2004/37-38,dtd.16-12-04 ৰ Show Cause ৰ উত্তৰ পোৱা হলনে আৰু বিষয়টোৰ

বিপৰীতে enquiry Officer নিয়োগ কৰা হ'লনে? (উত্তৰ আৰু নিয়োগৰ কপি দিব)

(খ) চিঠি নং PDB,186/2002/Pt/30, Dt. 4/3/05 প্ৰসংগৰ JE Azad Ali ৰ পৰা উত্তৰ পোৱা হ'লনে? (উত্তৰ কপি দিব)

(গ) উন্নয়ণ খণ্ডটোৰ পূৰ্বৰ BDO Sushil Kr. Saha ই আঁচনিৰ টকা আত্মসাত কৰাৰ বিপৰীতে শেহতীয়া ভাৱে কি ব্যৱস্থা গ্ৰহণ কৰা হ'ল - নে তেওঁক দোশমুক্ত কৰি দিয়া হ'ল?

শ্ৰীৰিপুন বৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ ৰাজ্যিক, (স্বতন্ত্ৰ) মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) (i)চিঠিত উল্লেখিত উক্ত কপিবোৰ কাৰ্য্যালয়ত প্ৰাপ্ত হোৱা নাই।

(ii) S.D.O. (Civil) বিলাসী পাৰাই প্ৰেৰণ কৰা চিঠিৰ অনুৰোধ অনুযায়ী বিষয়াজনক মহামায়া ব্লকৰ পৰা বদলি কৰা হৈছে। বদলিকৰনৰ কপি পৰিশিষ্ট 'ক' সদনৰ মজিয়াত দাখিল কৰা হ'ল।

(iii) উক্ত বিষয়টো S.D.O.(C) ৰ চিঠিত উল্লেখ আছে যদিও শ্ৰমিকৰ পৰা কোনো অভিযোগ পোৱা নাই।

(iv) চিঠি নং PDDE(II62/2004/37-38 dtated 16/12/04 যোগে বিচৰা show cause ৰ উত্তৰ আৰু বিষয়টোৰ বিপৰীতে Enquiry Officer নিয়োগ কৰা হৈছে। Show Cause ৰ উত্তৰ কপি পৰিশিষ্ট- 'খ' আৰু Enquiry Officer নিয়োগৰ কপি পৰিশিষ্ট 'গ' সদনৰ মেজত দাখিল কৰা হ'ল।

(খ) চিঠি নং PDB186/2002/Pt/30, dtd. 4/3/05 ৰ প্ৰসংগৰ J.E. Azad Ali ৰ পৰা উত্তৰ পোৱা হৈছে।

উত্তৰৰ কপি পৰিশিষ্ট 'ঘ' সদনৰ মেজত দাখিল কৰা হ'ল।

(গ) উন্নয়ন খণ্ডটোৰ পূৰ্বৰ B.D.O. Sushil Kr. Saha ই আঁচনিৰ টকা আত্মসাত কৰাৰ বিপৰীতে ধুবুৰী জিলাৰ C.E.O. ক তদন্তকাৰী বিষয়া হিচাপে জাননী নং PDB.109/2001/75, dt. 3/3/2005 যোগে নিযুক্তি দিয়া হৈছে যদিও তদন্তৰ ৰিপোৰ্ট পোৱা হোৱা নাই। গতিকে, তেওঁক এই মূহুৰ্ত্তত দোষমুক্ত কৰাৰ প্ৰশ্ন নুঠে।

**বিষয় ঃ পঞ্চায়ত সচিব নিযুক্তি।**

শ্ৰীৰাজু চাহুয়ে সুধিছে ঃ

৭৭/ মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ বহু পঞ্চায়তত এতিয়াও পঞ্চায়ত সচিব নিযুক্তি দিয়া হোৱা নাই। ইয়াৰ কাৰণ কি ?

(খ) পৰ্য্যাপ্ত পৰিমাণৰ পঞ্চায়ত সচিবৰ অনুপস্থিতিত এগৰাকী সচিবেই একাধিক পঞ্চায়তৰ কাম কাজ চলোৱাৰ বাবে গাওঁ পঞ্চায়তৰ অধীনত উন্নয়ণমূলক কাম কাজৰ গতি মন্থৰ হোৱা কথাটো চৰকাৰৰ অবগত নে?

(গ) যদি অৱগত, তেন্তে ইয়াৰ সমাধানাৰ্থে কেনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে?

শ্ৰীৰিপুন বৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) প্ৰাদেশীকৃত পঞ্চায়ত কৰ্মচাৰীৰ বাবে প্ৰণয়ন কৰিব বিচৰা "খচৰা চাকৰি নিৰ্দ্দেশাৱলী" **Draft dervice order** খন বৰ্ত্তমানলৈ প্ৰস্তুতিকৰণ অৱস্থাত থকা বাবে কিছুমান গাওঁ পঞ্চায়ত সচিব নিযুক্তি দিব পৰা হোৱা নাই।

(খ) কোনো কোনো ক্ষেত্ৰত এগৰাকী সচিবেই একাধিক গাওঁ পঞ্চায়তৰ কাম কাজ চলাই থকা কথাটো চৰকাৰৰ অবগত।

(গ) **Draft Service Order** প্ৰস্তুকৰণ সম্পূৰ্ণ হলেও বিত্ত আৰু কৰ্মচাৰী বিভাগৰ অনুমোদন সাপেক্ষে ব্যৱস্থা লোৱ হব।

**Sub: Prosecution Management.**

**Shri Dileswar Tanti asked:**

*78. Will the Minister of Labour & Employment be pleased to state:

(a) Whether the Govt. is aware that the Menagement of Hapjan T.E. in Tinsukia district has appointed numbers of L.P. School teahcers and other posts in utter violation of rule the compulsory Notification Act in recent times?

(b) If so, what action the Govt. is going to take for prosecution of the Management for such violation?

**Shri Rameswar Dhanowar** (Minister, Labour and Emplyment) replied :

(a) Yes,

(b) The action against Hapjan T.E. is being initiated for violation of provision of the Employment Exchange (Compulsory Notification of vacancies Act, 1959.)

**Subject: Allocation of fund.**

Shri Karendra Basumatary asked :

*79. Will the Minister of Panchayat & Rural Development be pleased to state:

(a) Who is the implementing authority in B.T. A. D. for executing the various scheme under the Panchayat & Rural Development Department?

(b) Have the P. D. posts been introduced for 4 districts in BTAD against the Panchayat & Rural Development's norms to execute the power & functions there in ?

(c) If so, state the names of P.D.s ?

(d) Total fund allocation from the Government under Panchayat & Rural Development to B.T.A.D.

**Shri Ripun Bora** (Hon'ble Minsiter of State (Ind), Panchayat & Rural Development) replied :

(a) Respective Block Development Officers are the executing agencies (authorities) for the scheme under Panchayat & Rural Dev.Departmant in BTAD.

(b) Not yet introduced, in three districts, as DRDA are yet yo be siet up in those three districts. There is already project Director in Kokrajhar District.

(c) Name of the project Director DRDA Kokrajhar is Smti Rohila Brahma. In case of other three districts, question does not arise.

(d) Total fund allocated from the Govt. under P& RD Deptt. to BTAD are as follows:-

(i) 2004-05 : Rs. 990.52 Lakh

(under PMGY (RS) programme)

Further, an amount of Rs. 782.74 lakh for the year 2003-2004 and Rs. 535.06 lakh for the year 2004-2005 under the Award of Eleven Finance Commission has been relesed to BTAD through principal Secretary,BTC in respect of kokrajhar District and through concerned CECs of Zilla parishad of un-divided District of other Districts of BTAD.

**Subject : Fixed Target for implementation of PMGY (R.S.)**

Shri Bimolangshu Roy asked :

* 80. Will the Minister of Panchayat & Rural Development be pleased to state :

(a) In the Govt. aware that P.D. Cachar vide memo No. CRD+12/ FDR/2005/90 dtd 6-6-2005 in rerms of order of the Director, Panchayat & Rural Development fixed targets for implementation of PMGY (R.S.) upgradation 2004-2005 for defferent Blocks? Is it not a fact that while fixing the same, constituencies held by the opposition party MLAs, were discriminatied ? What in the basis of target ?

(b) Has the Govt. any report about the extent of damage caused by the flood constituency wise? Will the Govt. produce the same?

(c) What corrective measure will be taken by the Government in the flood victims in different constituencies of Cachar district ?

(d) When the same will be made as per Governement statistics of the flood victims in different constituencies of Cachar district ?

**Shri Ripun Bora** (Minister of State (Ind) Panchayat & Rural Development) replied :

(a) Yes, Govt. is aware But it is not fact that opposition party MLA s were discriminated against in fixing target. Besids flood, there are other critia also to fix target for PMGY (R.S)

(b) There is no costituency wise flood damage report abvailable, hence there is no question of production of such report.

(c) If need be, Govt. will certainly take corrective measure in the interest of poor flood victims.

(d) Time- frame cannot be fixed as we depend of Govt. of India's sanction of fund and release thereof.

## UNSTARRED

## QUESTIONS AND ANSWERS

বিষয় ঃ আত্ম সহায়ক গোটৰ ঋণ।

শ্ৰীৰামেশ্বৰ তেলীয়ে সুধিছে ঃ

১৪৩/ মাননীয় পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দুলীয়াজান সমষ্টিত বৰ্তমান কিমানটা Self Help Group

আছে?

(খ) এই আত্ম সহায়ক গোট সমূহক চৰকাৰে কিবা ঋণ বা অনুদান দিয়াৰ ব্যৱস্থা কৰিছে নেকি?

(গ) যদি কৰিছে, বৰ্তমানলৈকে কিমানটা আৰু কি কি আত্ম সহায়ক গোটক অনুদান বা ঋণ দিয়া হৈছে?

(ঘ) এনে অনুদান কি কি আঁচনিৰ বাবে দিয়া হয়?

(ঙ) বৰ্তমান অসমত কিমানটা সক্ৰিয় আত্ম সহায়ক গোট আছে? (জিলা ভিত্তিত তথ্য জনাব)

শ্ৰী ৰিপুন বৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ ৰাজ্যিক, (স্বতন্ত্ৰ) মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ৫৪৫ টা।

(খ) আবৰ্ত্ত পুঁজি আৰু লগতে বেংক ঋণ দিয়াৰ ব্যৱস্থা কৰা হৈছে।

(গ) হয়, কৰা হৈছে। বৰ্তমান লৈকে দুলীয়াজান সমষ্টিত এই যোজনাৰ অধীনত ৬৯ টা আত্ম সহায়ক গোটক আবৰ্ত্তপুঁজি (Revolving fund) আৰু ৫৫ টা আত্ম সহায়ক গোটক বেংকৰ ঋণৰ ব্যৱস্থাকৰা হৈছে।

(ঘ) এই যোজনাৰ অধীনত সাধাৰনতে নিম্ন লিখিত আঁচনি সমূহৰ বাবে লোণৰ ব্যৱস্থা কৰা হয়, যেনে ঃ

(১) গাহৰী পালন (২) হাঁহ কুকুৰা পালন (৩) ছাগলী পালন (৪) খৃষি উদ্যোগ (৫) দুগ্ধ উৎপাদন (৬) ৰেচম উৎপাদন (৭) বয়ন শিল্প (৮) গ্ৰাম্য হস্ত শিল্প (৯) মীন পালন (১০) কাঠ ফলা উদ্যোগ আৰু অন্যান্য অৰ্থ নৈতিক ভাৱে লাভবান হোৱা আঁচনি।

(ঙ) বৰ্তামান অসমত ১,০১,৬৪০ টা সক্ৰিয় আত্ম সহায়ক গোট আছে। জিলা ভিত্তিত বিতং তথ্য পৰিশিষ্ট ক'ত সন্নিবিষ্ট কৰি সদনৰ মেজত দাখিল কৰা হ'ল। (See Annexure- III)

**বিষয় ঃ বান ক্ষতিগ্ৰস্ত লোকক সাহাৰ্য্য।**

**শ্ৰী উৎপল দত্তই সুধিছে ঃ**

১৪৪/ মাননীয় পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ৰাজ্যখনৰ যোৱা বছৰৰ বানত ক্ষতিগ্ৰস্ত লোক সকলক দুই বান্ডল টিনপাত আৰু নগদ ১৫০০ (পোন্ধৰ শ) টকাকৈ দিয়াৰ আঁচনি আঁচনি কাৰ্য্যকৰী কৰা হৈছে নেকি?

(খ) যদি হৈছে, তেন্তে ৰাজ্যখনৰ প্ৰত্যেক জিলাত কিমানজন কৈ হিতাধিকাৰীক এই আঁচনিৰ দ্বাৰা সামৰি লোৱা হৈছে?

(গ) লখিমপুৰ জিলাৰ লখিমপুৰ ব্লক আৰু তেলাহী ব্লকত কিমানজনকৈ হিতাধিকাৰী নিৰ্বাচন কৰা হৈছে?

(ঘ) তেখেত সকলৰ কিমানজনলৈ এই সাহাৰ্য্য আগবঢ়োৱা হ'ল?

(ঙ) বাদ পৰি যোৱা সকলক (ইতিমধ্যে তালিকা ভূক্ত) দুই বান্ডল টিনপাট আৰু নগদ ১৫০০.০০ টকাকৈ চৰকাৰে দিবনে?

(চ) যদি দিব, কিমান দিনৰ ভিতৰত দিব? চৰকাৰে কোনো একশ্বন প্লেন তৈয়াৰ কৰিছে নেকি?

(ছ) গোটেই অসমত কিমানজনকৈ নিৰ্বাচিত হিতাধিকাৰী এই আঁচনিৰ পৰা বাদ পৰি গ'ল? (ব্লক অনুসৰি সদনৰ মেজত তালিকা দিব)

**শ্ৰীৰিপুন বৰা** (পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ ৰাজ্যিক,(স্বতন্ত্ৰ) মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, কৰা হৈছে।

(খ) জিলা ভিত্তিত সামৰি লোৱা হিতাধিকাৰীৰ তালিকা পৰিশিষ্ট ক'ত দাখিল কৰা হ'ল। (See Annexure- IV)

(গ) লক্ষীমপুৰ ব্লকত ১৮২ জন আৰু তেলাহী ব্লকত ১৮২ জনকৈ হিতাধিকাৰী নিৰ্ব্বাচন কৰা হৈছিল।

(ঘ) বৰ্তমানলৈকে লক্ষীমপুৰ ব্লকত ৯১ জন আৰু তেলাহী ব্লকত ৯১ জন হিতাধিকাৰীক এই সাহাৰ্য্য বিতৰণ কৰা হ'ল।

(ঙ) ব্যৱস্থা কৰি থকা হৈছে।

(চ) পুঁজিৰ যোগাৰ হলেই দিয়া হব।

(ছ) পূৰ্বতে ঘোষণা কৰা লক্ষ্য অনুযায়ী মুঠ ৩৩২৭ জন হিতাধিকাৰী সংশোধিত তালিকাত অন্তৰ্ভূক্ত হোৱা নাই। পৰিশিষ্ট 'খ' ৰ ৭ম স্তম্ভত (ব্লক অনুসৰি) তালিকা ভূক্ত কৰি সদনৰ মেজত দাখিল কৰা হ'ল। (See Annexure- III)

**Subject : Green House Scandal.**

Shri Premodhar Bora asked :

145. Will the Minister of Panchayat & Rural Develompment be pleased to State :

(a) Whether Government has sanctioned Department prosecution sanction against the officials involved in the Green House Scandal as assured in the last Budget Session, 2005?

(b) What is the outcome of those assurance?

(c) Is there any departmental action against those involved in the serious sceme?

**Shri Ripun Bora;** (Minister of State (Ind.), Panchayat & Rural Development), replied :

(a) In view of Hon'ble High Court order dtd. 13/4/2005 and 13/5/2005 passed in W.P(C) No. 2921/2005 in the matter of Smti Gayatri Baruah and 33 ors whereby court stayed the operation of the prosecution, the prosecution sanction could not be accorded in respect of those who are parties to the above W.P(C). However, in respect of those who are not parties to any court cases, the process is now actively on.

(b) As above.

(c) Yes, in process.

**বিষয় ঃ Tractorisation ৰ টকা।**

শ্ৰীছিদ্দিক আহমেদ জিজ্ঞাসা করেছেন ঃ

১৪৬/ মাননীয় কৃষি বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি ঃ

(ক) করিমগঞ্জ জিলায় বিগত বৎসরের বন্যারপর কত টাকা Tractorisation এর জন্য দেওঁয়া হয়েছিল? তার কত টাকা খরছ হয়েছে? কোন কোন Farm Tractorisation এর কাজ করেছিল?

(খ) কোন কোন গাওঁ পঞ্চায়েতে Tractorisation হয়েছিল এবং যে কৃষকে কৃষকের জমি Tractorisation হয়েছে, কৃষকেদের নাম ও ঠিকনা সদনের মেজে পেষ করবেন কি?

শ্ৰীওৱাজেদ আলী চৌধুরী (কৃষি বিভাগের,(স্বতন্ত্ৰ) মন্ত্ৰী) য়ে উত্তর দিয়েছেন ঃ

(ক) করিমগঞ্জ জিলায় বিগত ২০০৪-০৫ সনে বন্যারপর সর্বমোট

৯,৪৭,৯০০.০০ টাকা Tractorisation এর জন্য মঞ্জুর করা হয়। মঞ্জুরীকৃত টাকাথেকে মোট ৫,১৪,২৪০.০০ টাকা খরছ হয়েছে। নিম্নলিখিত Farm ক্ষেত্রপরিচালনা সমিতি (FMC) উক্ত Tractorisation এর কাজ করেচিল।

ফার্ম / ক্ষেত্র পরিচালনা সমিতির নাম সচিবের নাম / ট্রেক্টরের মালিক

১/ ভালাপার ক্ষেত্র পরিচালনা সমিতি ১/ হিফজুৰ ৰহমান।

২/ বৈঠাখাল বস্তি ক্ষেত্রপরিচালনা সমিতি ২/ মদন গোপাল তিয়ারি।

৩/ উলুকান্দি ক্ষেত্রপরিচালনা সমিতি ৩/ সিব প্রসাদ নম শুদ্র।

৪/ দাসগ্রাম ক্ষেত্রপরিচালনা সমিতি ৪/ মনোজ কুমার দেব।

৫/ পুর্বকাটাবারি ক্ষেত্রপরিচালনা সমিতি ৫/ কৃষ্ণ প্রসাদ গোয়ালা।

৬/ কমারগ্রাম ক্ষেত্রপরিচালনা সমিতি ৬/ রাজিব বিশ্বাস।

৭/ ইন্যাপুর ক্ষেত্রপরিচালনা সমিতি ৭/ অজয় চক্রবর্ত্তী।

৮/ নাথপুৰ ক্ষেত্রপরিচালনা সমিতি ৮/ অনন্ত কুঃ বিশ্বাস।

৯/ কুজব ক্ষেত্রপরিচালনা সমিতি ৯/ আকুস সালাম।

১০/ জগন্নাথপুৰ ক্ষেত্রপরিচালনা সমিতি ১০/ কামানউদ্দিন।

(খ) নিচে উল্লেখিত গাঁও পঞ্চায়েত সমূহে Tractorisation হয়েছিল।

গাঁও পঞ্চায়েতর নাম Tractorisation করা মাটির পরিমান।

১/ লংগাই ঘাট গাঁও পঞ্চায়েত ১ বিঘা করে প্রতিজন কৃষক।

২/ আকবর পুর গাঁও পঞ্চায়েত ৭১ বিঘা।

| | |
|---|---|
| ৩/ পুরাহুরিয়া গাঁও পঞ্চায়েত | ১৪৮ বিঘা। |
| ৪/ লক্ষীবজার গাঁও পঞ্চায়েত | ৮৬ বিঘা। |
| ৫/ লাতু আজপুর গাঁও পঞ্চায়েত | ৭১ বিঘা। |
| ৬/ সদারসি গাঁও পঞ্চায়েত | ১১৪ বিঘা। |
| ৭/ পমিঘাট গাঁও পঞ্চায়েত | ৮৮ বিঘা। |
| ৮/ উঃ করিমগঞ্জ গাঁও পঞ্চায়েত | ১০৬ বিঘা। |
| ৯/ সুতার কান্দি কুরখানা গাঁও পঞ্চায়েত | ১২৪ বিঘা। |
| ১০/ গান্ধাই গাঁও পঞ্চায়েত | ০৬ বিঘা। |
| ১১/ এংলার বাজার গাঁও পঞ্চায়েত | ১০ বিঘা। |
| ১২/ হাসানপুর গাঁও পঞ্চায়েত | ২০ বিঘা। |
| ১৩/ রাজবারি গাঁও পঞ্চায়েত | ৬৪ বিঘা। |
| ১৪/ পীরেরচক গাঁও পঞ্চায়েত | ১২০ বিঘা। |
| ১৫/ কালিগঞ্জ গাঁও পঞ্চায়েত | ৫৪ বিঘা। |
| ১৬/ জনকল্যান গাঁও পঞ্চায়েত | ১৫৪ বিঘা। |
| ১৭/ বাকরসাল নাইবগ্রাম গাঁও পঞ্চায়েত | ২৯ বিঘা। |
| ১৮/ সরসা চারাকুরি গাঁও পঞ্চায়েত | ১৫৪ বিঘা। |
| ১৯/ কানিমাইল সরিখ নগর গাঁও পঞ্চায়েত | ১৫৫ বিঘা। |
| ২০/ সুপ্রাক কান্দি গাঁও পঞ্চায়েত | ১৯১ বিঘা। |
| ২১/ নীলাষ বাজার গাঁও পঞ্চায়েত | ১৮৫ বিঘা। |
| ২২/ সিংগারিয়া গাঁও পঞ্চায়েত | ১৯৮ বিঘা। |
| ২৩/ খলছারা গাঁও পঞ্চায়েত | ৩৫৩ বিঘা। |

| | | |
|---|---|---|
| ২৪/ | বাবৈ গ্ৰাম গাঁও পঞ্চায়েত | ১২৬ বিঘা। |
| ২৫/ | ইলাসপুর গাঁও পঞ্চায়েত | ১০২ বিঘা। |
| ২৬/ | বান্দরকুনা গাঁও পঞ্চায়েত | ০০ বিঘা। |
| ২৭/ | মাইনা গাঁও পঞ্চায়েত | ৯৯ বিঘা। |
| ২৮/ | কানাই বজার গাঁও পঞ্চায়েত | ১৪৫ বিঘা। |
| ২৯/ | আচিমগঞ্জ গাঁও পঞ্চায়েত | ১৪১ বিঘা। |
| ৩০/ | করিদকুনা দোহালিয়া গাঁও পঞ্চায়েত | ১৩৫ বিঘা। |
| ৩১/ | আর কে নগর গাঁও পঞ্চায়েত | ৬৭ বিঘা। |
| ৩২/ | জামারিয়া গাঁও পঞ্চায়েত | ৬০ বিঘা। |
| ৩৩/ | বরুঙ্গা গাঁও পঞ্চায়েত | ৫৬৬ বিঘা। |
| ৩৪/ | কাবাড়িবদ গাঁও পঞ্চায়েত | ৩০০ বিঘা। |
| ৩৫/ | জুরবারিদ ফলালা গাঁও পঞ্চায়েত | ২৭৮ বিঘা। |
| | মোট - | ৫১০৪ বিঘা ৫১০ |

জন ক্ষুদ্র আৰু উপান্তকৃষক।

কৃষকদের নাম ও ঠিকনা সদনের মেজেতে পেশ করা হ'ল।

**Subject : Tractorisation of Cultivable Land.**

**Shri Mission Ranjan Das asked :**

147. Will the Minister of Agriculture be pleased to State :

(a) How much fund have been sanctioned and released for Karimganj District during 2004-2005 and 2005-2006 for tractorisation of cultivable land of farmers/ (Please give the year-wise break up in detail

including list of farmers, areas and location of land of respective farmers in whole district).

(b) How and by whom these beneficiary farmers were selected and what are their status?

(c) What is the out-put of this investment ? Pleased state it in detail of any field inspection by Superior authority ?

**Shri Wazed Ali Choudhury (Minister of State (Ind.) Agriculture) replied :**

(a) Year wise fund sanctioned and released for Tractorisation of cultivable land of farmer in Karimganj district.

| Year | Fund Sanctioned | Fund Released |
|---|---|---|
| 2004-05 | Rs. 9,47,900.00 | Rs. 5,14,240.00 |
| 2005-06 | Nil | Ni |

The list of beneficiary farmers enclosed.

(b) Revenue Circle wise list is prepared by the G.P. President, V.L.E.W. and Agricultur Development Officer in consultation with concerned Circle Officer, and place the list to the District Level Committee for approval. The District Level Committee comprises of :-

1. Deputy Commisoner

Chairman.

2. Addl. Deputy Commissioner (Dev) Member.

3. Addl. Deputy Commissioner (Rev.) Member.

4. District Agriculture Officer. Member.

5. Sub-Divisaional Agril Officer Member.

6. Circle Officer. Member.

7. Reprsentative of Jilla Parsad Member.

8. Representative of Gaon Pancayat. Member.

9. Representative of Anchalic Panchayat. Member.

10. Representative of A.S.C. Ltd. Member.

11. Block Dev. Officer. Member.

12. Deputy Registrar of Co-opreative.

Member. Societies.

13. F.M.C. Member.

(c) All togather 5,104 Bighas of Flood affected Land has been Pulverised (Tractorised) in the field of 5104 Nos. of Small and Mariginal farmers of the district @ 1 Bigha each farmer. Officer, the Extra Assistant Commissioner (Executive Magistrate) and the Joint Director of Agriculture had inspected the Tractorisation work.

**বিষয় ঃ বিষয়াৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ আৰু BLV & MC ৰ মিটিং।**

শ্ৰী আলী আকবৰ মিঞাই সুধিছে ঃ

১৪৮/ মাননীয় গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) SDO(C), Bilasipara, D.C. Dhubri, commr. and Director P & R.D. য়ে BDO, Mahamaya (Robin Seal) ৰ বিৰুদ্ধে চলিত বছৰত সংশ্লিষ্ট বিধায়ক আৰু ৰাইজৰ পৰা কিমানটা অভিযোগ পালে আৰু তাৰ ওপৰত কি কি ব্যৱস্থা গ্ৰহণ কৰা হ'ল? (অভিযোগবোৰৰ আৰু ব্যৱস্থা গ্ৰহণীয় পত্ৰৰ কপি দিব)

(খ) বিষয়টো সংক্ৰান্তত SDO(C), Bilasipara ই নং BMG.3/ 2005/89, dtd. 27.5.05 যোগে এক প্ৰাতিবেদ-াও দিলে সঁচানে – যদি সঁচা, তেন্তে তাৰ বিপৰীতে কি ব্যৱস্থা গ্ৰহণ কৰা হ'ল? (ব্যৱস্থা গ্ৰহণীয় পত্ৰৰ কপি দিব)

(গ) BDO জনে মাহৰ বেছি ভাগ দিনেই অফিচত নাথাকি ধুবুৰীস্থ নিজা বাস ভৱনৰ পৰা কাম চলাই আঁচনিৰ হিতাধিকাৰী ও শ্ৰমিক সকলক হাৰাশাস্তি, খৰচান্ত আদি কৰি চলাটো চৰকাৰ অৱগতনে? যদি অৱগত, তাৰ ওপৰত কি ব্যৱস্থা লোৱা হ'ল?

(ঘ) চৰকাৰৰ কঢ়া নিৰ্দেশনা থকাৰ উপৰিও Chairman, SDO(C), PD ৰ নিৰ্দেশ পাইও BDO জনে BLV & MC ৰ মিটিং নেপাতি দুৰ্নীতি গাপ দিয়াৰ চেষ্টা চলাইছে – বিষয়াজনৰ এন কৰ্মৰ বিৰুদ্ধে কি ব্যৱস্থা লোৱা হল? (ব্যৱস্থা গ্ৰহণীয় পত্ৰৰ কপি দিব)

শ্ৰী ৰিপুন বৰা ( পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ ৰাজ্যিক ( স্বতন্ত্ৰ ) মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) চলিত বছৰত মহামায়া উন্নয়ন খন্ডৰ খণ্ড উন্নয়ন বিষয়া

(শ্ৰী ৰবিন শীল) ৰ বিৰুদ্ধে সংশ্লিষ্ট বিধায়ক আৰু ৰাইজৰ পৰা কোনে কিমানটা অভিযোগ পালে আৰু তাৰ ওপৰত কি কি ব্যৱস্থা গ্ৰহণ কৰা হ'ল তাক তলত দেখুওৱা হ'ল -

| কোনে অভিযোগ পালে | কাৰপৰা পালে | কিমানটা পালে | কি ব্যৱস্থা গ্ৰহণ কৰা হ'ল |
| --- | --- | --- | --- |
| ১/ মহকুমাধিপতি (SDO-C) বিলাসী পাৰা | মহামায়া আঞ্চলিক পঞ্চায়তৰ সভাপতি আৰু অন্যান্য (পৰিশিষ্ট - 'প') | ১ টা | ধুবুৰী জিলাৰ উপায়ুক্ত মহোদয়ে এজন অতিৰিক্ত উপায়ুক্ত এই সম্পৰ্কত তদন্তৰ দায়িত্ব অৰ্পন কৰিছে। |
| (পৰিশিষ্ট - 'ফ') | | | |
| ২/ উপায়ুক্ত ধুবুৰী (D.C.,Dhubri) | ......... | কোনো লিখিত অভিযোগ পোৱা নাই | ................ |
| ৩/ আয়ুক্ত ও সচিব (Commr.) পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ আয়ুক্ত ও সচিব (Commr.) পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ। | সংশ্লিষ্ট বিধায়ক শ্ৰী আলী আকবৰ মিঞা (পৰিশিষ্ট 'ৰ') ৰাইজৰ পৰা (পৰিশিষ্ট - 'ম') | ২টা<br>১টা | পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ চিঠি নং পিডিবি ১১৫/২০০৫/২৮, তাং ১৬/৬/০৫ আৰু চিঠি নং পিডিবি ১১৫/২০০৫/৫২, তাং ২৫/৭/০৫যোগে ধুবুৰী জিলাৰ উপায়ুক্তৰ পৰা এই সংক্ৰন্তত মন্তব্য বিচৰা হৈছে। মন্তব্য পোৱা হোৱা নাই। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ চিঠি নং পিডিবি, ১১৫/২০০৫/৭৩, তাং ৩০/৭/০৫ যোগে ধুবুৰী জিলাৰ উপায়ুক্তক এই |

| | | |
|---|---|---|
| | | সংক্ৰান্তত তদন্ত কৰি উপায়ুক্তৰ মন্তব্যৰ সৈতে তদন্তৰ প্ৰতিবেদন দিবলৈ অনুৰোধ কৰা হৈছে। উত্তৰ পোৱা হোৱা নাই। (পৰিশিষ্ট - 'য') |
| ৪/ সঞ্চালক, পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ (Director, P&RD) অসম। | - | কোনো অভিযোগ পোৱা নাই। |

(যাৱতীয় কপিসমূহ পৰিশিষ্ট - 'প', 'ফ', 'ব', 'ভ' - ১, 'ভ' ২, 'ম' আৰু 'য' ত সদনৰ মেজত দাখিল কৰা হ'ল)

(খ) সঁচা। ধুবুৰী জিলাৰ উপায়ুক্তই বিহিত ব্যৱস্থা গ্ৰহণ কৰি আছে। (ব্যৱস্থা গ্ৰহণৰ প্ৰতিলিপি পৰিশিষ্ট - 'ল' ত সদনৰ মেজত দাখিল কৰা হ'ল)

(গ) এই সংক্ৰান্তত সংশ্লিষ্ট বিধায়ক আৰু ৰাইজৰ অভিযোগ প্ৰাপ্তি মৰ্মে উপায়ুক্তৰ পৰা প্ৰতিবেদন বিচৰা হৈছে আৰু প্ৰতিবেদন পালেই বিহিত ব্যৱস্থা লোৱা হ'ব।

(ঘ) এই সংক্ৰান্তত উপায়ুক্তৰ পৰা প্ৰতিবেদন বিচৰা হৈছে আৰু সেই প্ৰতিবেদন পালেই বিহিত ব্যৱস্থা লোৱা হ'ব। ('ক' প্ৰশ্নৰ উত্তৰত দিয়া 'ভ' - ১, 'ভ' - ২, আৰু 'য' পৰিশিষ্ট দ্ৰষ্টব্য)। তাৰ উপৰিও উল্লেখ কৰিব পাৰি যে খণ্ড উন্নয়ন বিষয়াজনে বেতাৰবাৰ্ত্তা No. MMLB-85/04-05/264, dtd. 30-7-2004 মৰ্মে জনোৱামতে BLV & MC ৰ Chairman জনে মহামায়া উন্নয়ন খণ্ডৰ BLV & MC সম্পৰ্কীয় যাৱতীয় নথিপত্ৰ ফাইল আদি লৈ যোৱা বাবে উক্ত মিটিং পাতিব পৰা নাই। (খণ্ড উন্নয়ন বিষয়াজনৰ বেতাৰবাৰ্ত্তাৰ প্ৰতিলিপি পৰিশিষ্ট 'ব' ত সদনৰ মেজত দাখিল কৰা হ'ল)।

বিষয় ঃ শিপিনীৰ আঁচনি।

শ্ৰী পবিন্দ্ৰ ডেকাই সুধিছে ঃ

১৪৯/ মাননীয় হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনৰ দুখীয়া শিপিনী সকলক সকাহ দিয়াৰ বাবে চৰকাৰে ৰাজ্যখনত বৰ্তমান কি কি আঁচনি ৰূপায়ন কৰি আছে?

(খ) এনে আঁচনিৰ দ্বাৰা কিমান সংখ্যক শিপিনীক সামৰি লোৱা হৈছে?

(গ) এনে আঁচনি ৰূপায়নৰ বাবে চৰকাৰে ২০০৪-২০০৫ আৰু ২০০৫-২০০৬ বিত্তীয় বছৰত কেন্দ্ৰীয় চৰকাৰৰ পৰা আৰ্থিক অনুদান লাভ কৰিছে নেকি?

(ঘ) যদি কৰিছে উক্ত বছৰ দুটাত কিমান টকা বিত্তীয় অনুদান লাভ কৰিছে? এনেভাৰে পোৱা টকা এতিয়ালৈ কিমান খৰছ কৰিবলৈ বাকী আছে?

ডঃ হেমপ্ৰভা শইকীয়া (হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) ৰাজ্যখনৰ দুখীয়া শিপিনীসকলক সকাহ দিয়াৰ বাবে চৰকাৰে ৰাজ্যখনত বৰ্তমান নিম্নলিখিত আঁচনি সমূহ ৰূপায়ন কৰি আছে -

১/ সমন্বিত প্ৰকল্প আঁচনি।

২/ গ্ৰাম্য ও গৃহ কাৰখানা আঁচনি।

৩/ দীনদয়াল হাথকৰ্ঘা প্ৰোৎসাহন যোজনা।

৪/ সংহত হস্ততাঁত প্ৰশিক্ষণ প্ৰকল্প।

৫/ স্বাস্থ্য সেৱা আঁচনি।

৬/ শতকৰা ১০% হাতে বোৱা কাপোৰৰ ওপৰত ৰেহাইৰ আঁচনি।

৭/ হস্ততাঁত উন্নয়ন আঁচনি।

৮/ বুনকৰ বীমা যোজনা।

৯/হস্ততাঁত বস্ত্র ৰপ্তানি আঁচনি।

১০/ সংহত হস্ততাঁত গ্রাম্য উন্নয়ন আঁচনি।

১১/ হস্ততাঁত শিল্পত মহিলাৰ প্রশিক্ষণ আৰু আত্ম সংস্থাপনআঁচনি।STEP

১২/ জিলা ভিত্তিত হস্ততাঁত বস্ত্র প্রদর্শনী।

১৩/ ৰাষ্ট্রীয় হস্তবস্ত্র মেলাSTEP।

১৪/ বিশেষ প্রদর্শনী আঁচনি।

১৫/ পিছপৰা জাতিৰ ক্ষুদ্র শিপিনীৰ ঋণ আঁচনি।

১৬/ বিক্রী কেন্দ্রস্থাপন আৰু সম্প্রসাৰণ আঁচনি।

১৭/ হস্ততাঁত প্রশিক্ষণ আঁচনি।

১৮/ হস্ততাঁত বস্ত্র উৎপাদন আঁচনি।

১৯/ ট্রেড আঁচনি।

২০/ বিকেন্দ্রীকৃত আঁচনি।

(খ) এনে আঁচনিৰ দ্বাৰা প্রত্যক্ষ বা পৰোক্ষ ভাৱে ৭,৮১,১০৯ গৰাকী শিপিনীক সামৰি লোৱা হৈছে।

(গ) হয়, কৰিছে।

(ঘ) উক্ত বছৰ দুটাত লাভ কৰা টকাৰ পৰিমাণ, খৰছ আৰু খৰছ কৰিবলৈ বাকী থকা টকাৰ পৰিমাণ তলত দেখুৱা হ'ল -

| চন | লাভ কৰা বিত্তিয় অনুদান | খৰছ হোৱা টকাৰ পৰিমাণ | বৰ্ত্তমান খৰছ হবলৈ বাকী থকা টকাৰ পৰিমাণ |
|---|---|---|---|
| ২০০৪-২০০৫ আৰু ২০০৫ ২০০৬ | ১২,৩৬,০৬,৭৯৬.০০ টকা | ৪,৭৩,০০,০৫০.০০ টকা | ৭,৬৩,০৬,৭৪৬.০০ টকা |

**Subject : Amount of Central Assistance.**

Shri Dilip Kumar Saikia asked :

150. Will the Minister of Food & Civil Supplies be pleased to State :

(a) The amount of assistance (commodity-wise) received from the Central Government during the years 2001-2002, 2002-2003, 2003-2004 and 2004-2005?

(b) Quantum of financial assistance received from Central Government during the years, 2001-2002, 2002-2003, 2003-2004 and 2004-2005 by the Government of Assam?

(c) What are the steps the Government contemplating to check the rise of the price of essential commodities as some of the unscruplous traders frequently resort to such malpractices in the name of flood?

(d) Whether Govt. is aware of the total failure of the public distribution system in the State. If so, what is the reaction of the Government?

(e) The total amount of (a) wheat, (b) Kerosine, (c) Salt received by the Government during the years 2001-2002, 2002-2003, 2003-2004 and 2004-2005 from the Central Government? The percentage of loss of such essential commodities during transport,

storage and distribution during the abovementioned years?

Dr. Nazrul Islam (Minister of Food & Civil Supplies) replied :

(a) The amount of assistance commodity-wise received from Central Govt. are as under :-

| Commodities | | 2001-02 | 2002-03 | 2003-04 | 2004-05 |
|---|---|---|---|---|---|
| 1) Wheat (in MT) | | 1,23,600 | 4,82,975 | 2,60,000 | 4,10,000 |
| 2) Rice (in MT) | | | | | |
| | ARL | 3,11,280 | 4,75,140 | 4,75,140 | 4,75,140 |
| | BPL | 5,19,604 | 6,82,284 | 6,82,284 | 6,54,984 |
| | AAy | 35,190 | 1,18,236 | 1,18,236 | 1,45,536 |
| 3) Levy Sugar (MT) | | 2,25,044,4 | 226865.7 | 2,24,027 | 2,23,970.8 |
| 4) S.K.Oil (MT) | | 2,67,468 | 2,62,572 | 2,58,124 | 2,62,005 |
| 5) Salt (Iodised)(MT) | | 2,73,600 | 2,73,600 | 2,73,600 | 2,73,600 |
| 6) Rice under Annapurna Scheme (in MT) (From Nov.01 to Dec. 02) | | 5,981 | 23,447 | (Transferred to P&RD Deptt. from Jan.2003) | |

(b) No financial assistance has been received except under Annapurna Scheme.

Financial Assistance under Annapurna Scheme was :-

2001-2002 Rs. 292 lakhs

2002-2003

2003-2004 Nil.

2004-2005

(c) The State Govt. have already taken several steps to cheek the price rise, blackmarketing and profiteering etc. of essential commodities by the unscrupulous traders during the flood season.

(d) Does not arise.

(e) The Govt. received total amount of commodities as under :

| Years | Wheat (MT) | Kerosene (MT) | Salt (MT) |
|---|---|---|---|
| 2001-02 | 70,011 | 2,67,468 | 1,50,480 |
| 2002-03 | 3,27,468 | 2,61,084 | 1,48,200 |
| 2003-04 | 2,25,478 | 2,54,124 | 1,61,880 |
| 2004-05 | 3,84,254 | 2,51,712 | 1,57,320 |

The percentage of loss of such essential commodities during transportation, storage and distribution during the years mentioned above is very minimal. However, no reports for claims etc. has been received by the Govt.

**বিষয় ঃ ঘৰ নিৰ্মাণ আঁচনি।**

ডাঃ তাৰা প্ৰসাদ দাসে সুধিছে ঃ

১৫১/ মাননীয় পঞ্চায়ত ও গ্ৰাম্য উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি

জনাবনে ঃ

(ক) ২০০৪-০৫ চনৰ বানপানীত ক্ষতিগ্ৰস্ত গ্ৰাম্যঞ্চলৰ ৰাইজৰ ঘৰ নিৰ্মাণ আঁচনিৰ বাবে চৰকাৰে কিমান কোটি টকা ধাৰ্য্য কৰিছিল?

(খ) পূৰ্ণ পৰ্য্যায়ৰ ধ্বংসপ্ৰাপ্ত আৰু অৰ্দ্ধ ধ্বংসপ্ৰাপ্ত প্ৰতিটো ঘৰৰ বাবদ কিমান টকা ধাৰ্য্য কৰা হৈছিল?

(গ) এই আঁচনিৰ জৰিয়তে অসমৰ কিমানজন হিতাধিকাৰী উপকৃত হৈছে? (জিলা ভিত্তিত পৃথকে পৃথকে সদনৰ মেজত হিতাধিকাৰীৰ নামৰ তালিকা দাখিল কৰিব)

(ঘ) এই ঘৰ নিৰ্মাণ আঁচনিৰ বাবে যোগান ধৰা টিনপাট সমূহ নিম্ন মানদণ্ডৰ বুলি উঠা অভিযোগ সচাঁনে?

(ঙ) যদি সচাঁ, ইয়াৰ বিহিত ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিছিলনে?

**শ্ৰী ৰিপুন বৰা** (পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ ৰাজ্যিক, (স্বতন্ত্ৰ) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) এই আঁচনিৰ বাবে মুঠ ৩৭৮৯ কোটি টকা ধাৰ্য্য কৰা হৈছিল।

(খ) পূৰ্ণ পৰ্য্যায়ৰ ধ্বংসপ্ৰাপ্ত আৰু অৰ্দ্ধধ্বংসপ্ৰাপ্ত ঘৰৰ কোনো বিভাজন নকৰাকৈ প্ৰতিটো ক্ষতিগ্ৰস্থ পৰিয়ালৰ বাবে ২ (দুই) বাণ্ডল টিনপাট আৰু ১৫০০.০০ টকাকৈ নগদ দিয়াৰ সিদ্ধান্ত কৰা হৈছিল।

(গ) এই আঁচনিৰ জৰিয়তে অসমৰ দুখন পাহাৰীয়া জিলা আৰু BTAD ৰ অধীনত জিলা কেইখন বাদ দি মুঠ ৪১,৫৪৬ জন হিতাধিকাৰী উপকৃত হৈছে। (জিলা ভিত্তিত নামৰ তালিকা পৰিশিষ্ট ক'ত দেখুৱাই সদনৰ মেজত দাখিল কৰা হ'ল।)

(ঘ) এই আঁচনিত যোগান ধৰা টিনপাত সমূহ নিম্ন মানদণ্ডৰ বুলি উঠা অভিযোগ সচাঁ নহয়।

(ঙ) প্ৰশ্ন নুঠে।

বিষয় ঃ বি. পি. এল. কাৰ্ড।

শ্ৰী সৰ্বানন্দ চৌধুৰীয়ে সুধিছে ঃ

১৫২/ মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰ অৱগতনে যে অসমৰ বিভিন্ন ঠাইত Below Poverty line ৰ বহুতো ব্যক্তি আছে যদিও সিবিলাকৰ B.P.L.Card এতিয়াও হোৱা নাই?

(খ) যদি অৱগত, এই কাৰ্ডৰ গুৰুতৰ উপলদ্ধি কৰি প্ৰকৃত গৰীৱ লোক সকলক B.P.L.Card দিয়াৰ ব্যৱস্থা কৰিবনে?

(গ) চাহিদাৰ প্ৰতিলক্ষ্য কৰি Hawker বিলাকক পৰ্য্যাপ্ত পৰিমাণে তেল যোগান ধৰাৰ কিবা চিন্তা চৰ্চা কৰা হৈছে নেকি?

(ঘ) যদি হোৱা নাই, ইয়াৰ পৰিমাণ বৃদ্ধি কৰাৰ ব্যৱস্থা কৰিবনে?

**ডাঃ নজৰুল ইছলাম** (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) সংশ্লিষ্ট বিভাগৰ পৰা অৱশিষ্ট বি, পি, এল পৰিয়ালৰ তালিকা পোৱাৰ লগে লগে এই লোকসকলক BPL কাৰ্ড দিয়া হব।

(গ) চাহিদা অনুযায়ী কেন্দ্ৰীয় চৰকাৰৰ পৰা পৰ্য্যাপ্ত পৰিমাণৰ কেৰাচিন তেলৰ আবন্টন নোপোৱাৰ বাবে হকাৰ সকলক কেৰাচিন তেলৰ আবন্টন বৃদ্ধি কৰিব পৰা হোৱা নাই।

(ঘ) এই সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰা হৈছে।

**Subject : Special Package.**

Shri Abdul Jabbar asked :

153. Will the Minister of Panchayat & Rural Development be pleased to State :

(a)What special package or package were allotted to flood affected Dalgaon Sialmari Development Block and Dechimari Development Block under Dalgaon LAC for the years 2003-04 and 2004-05? (Mention the package and quantum of relief thereby Block-wise).

(b) Whether there is any public Body constituted to look after the activities inrespect of utilisation of the packages?

**Shri Ripun Bora** (Hon'ble Minister of State (Ind.) Panchayat & Ruaral Development) will replied :

(a) No such special packages were allotted to Blcok for the said period.

(b) Does not aries.

**Subject : Appejoy Tea Co. Ltd.**

Shri Dileswar Tanti asked :

154. Will the Minister of Labour & Employment be pleased to State :

(a) Whether the Govt. is aware that the Appejoy Tea Co. Ltd. H.O. at Talap has violated the Assam Plantation Labour Act & Rural badly.

(b) State the positions of Labour quarters both standard and non-standard of all the gardens in Tinsukia

District?

(c) Whether all these gardens have provided sufficient number of Latrine facilities and water points in these gardens?

**Shri Rameswar Dhanowar** (Minister, Labour & Employment) replied :

(a) Yes.

(b) The Tea Garden provided 24,193 Nos standard labour quarters against the required total Nos of 43,845 and the remaining 19,652 Nos are non-standard.

(c) Number of latrines are indequate as per norms. However, water points provided are sufficient.

**Subject : Modern Chakki Mills.**

Shri Bimolangshu Roy asked :

155. Will the Minister of Food & Civil Supplies be pleased to State :

(a) Is it a fact that 9 Modern Chakki Mills of Silchar are getting only 1390 Qtls. of P.D.S. wheat per month as against 34,000 qtls. per month in favour of Roller Floor Mills?

(b) Is the Govt. aware that Modern Chakki Mills are required to pay fixed electricity charges from Rs. 5,00/- to Rs. 15,000/- and in view of the same all the Mills are virtually at the brink of disaster and

that is bound to affect adversly in the society leading to further chaos in unemployment scenanio?

(c) Will the Government increase the quota of PDS wheat in favour of Moder Chakki Mills? If so, when?

(d) If not, why ?

**Dr. Nazrul Islam** (Minister of Food & Civil Supplies) replied :

(a) Yes.

(b) The State Govt. in Food & Civil Supplies Department is not aware about the fact.

(c) As per instruction Govt. of India the allocation of wheat to Roller Flour Mills/Modern Chakki Mills have been stopped since July, 2005.

(d) Does not. arise.

**বিষয় ঃ দুল্লভচেরা ব্লকের কাজ।**

শ্রীছিদ্দিক আহমেদ জিজ্ঞাসা করেছেন ঃ

* ১৫৭/ মাননীয় পঞ্চায়ত এবং গ্রামোন্নয়ন বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জনাবেন কি ঃ

(ক) করিমগঞ্জ জিলাৰ হরিয়ালী Project No II Dullabcharra Block এর আওতায় যে কাজ হচ্ছে তার কত Per cent টাকা এবং কত টাকা Release হয়েছে?

(খ) Release টাকাৰ ৮০% চেক দিয়ে ২০% টাকা Officer দের হাতে রাখার কোন নিয়ম আছে কি? যদি আছে তাহা কোন Guid line এ আছে? যদি নাই, তবে কেন ২০% টাকা এ ভাবে

রাখা হলো?

(গ) করিমগঞ্জ জিলার Horialy Project No-I এবং Project - II কি কি Development কাজ এখন পর্য্যন্ত করা হয়েছে? (Details কাজের List গুলসা সদনের মেজের দিবেন)

শ্ৰী ৰিপুন বৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ ৰাজ্যিক, স্বতন্ত্ৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) এতিয়ালৈকে ৫৪.০০ লাক টকা ভাৰত চৰকাৰৰ পৰা পোৱা হৈছে আৰু তাৰে ৩৬.০০ লাখ টকা Work Component ৰ বাবে মোকোলাই দিয়া হৈছে।

(খ) প্ৰশ্নত উল্লেখ কৰা ধৰণে ৮০% চেক দিয়ে আৰু ২০% বিষয়াৰ হাতত ৰখাৰ কোনো নিয়ম Guideline ত নাই। গতিকে ২০% টকা বিষয়াৰ হাতত ৰখাৰ প্ৰশ্ন নুঠে।

(গ) কালচৰা আৰু গোমতী হাৰিয়ালী প্ৰকল্পৰ উন্নয়ণ মূলক কামৰ তালিকা Annexure-I ত দাখিল কৰা হ'ল।(See Annexure-VI)

**Subject : JGSY Fund.**

Shri Mission Ranjan Das asked :

158. Will the Minister of Panchayat & Rural Development be pleased to State :

(a) Whether the Govt. has reimbursed JGSY fund 2001-2002 to respective Development Block in Karimganj Dist. which were taken for lifting Mid-day meal in the district?

(b) If so, when it was done and if not, state reason therof?

(c) When it will be made? (Give the details of amount block-wise)

**Shri Ripun Bora** (Minister of State (Ind.) Pancayat & Rural Development) replied :

(a) No.

(b) Due to non-reimbursement of the fund by Govt. of India, the amount could not be released to the Blocks.

(c) The re-imbursement will be made when Govt. of India, released the fund. The details of blockwise amount required to be reimbursed for the year 2001-02 and upto the period of July, 2005 are as follow :-

1. South Karimganj Dev.Block Rs. 9,32,025.00

2. Badarpur Dev. Block Rs. 4,78,344.00

3. Durlavchera Dev. Block Rs. 4,64,000.00

4. Lowaripara Dev. Block Rs. 3,51,825.00

5. Patherkand Dev. Blcok Rs. 6,38,204.00

6. North Karimganj Dev.Blcok Rs. 6,73,752.00

7. R.K. Nagar Dev. Block Rs. 5,34,687.00

---

Total = Rs. 40,72,837.00

বিষয় ঃ বিষয়াৰ সংখ্যা।

শ্ৰী দিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ

১৫৯/ মাননীয়া হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ মন্ত্ৰী মহোদয়াই অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসম চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প সঞ্চালকালয়ত কিমান গৰাকী বিষয়া আছে? (সঞ্চালকৰ পৰা সহকাৰী সঞ্চালকলৈ জনাব)

(খ) এই সকল বিষয়াই ক'ত ক'ত কিমান দিনৰ পৰা কাৰ্য্যনিৰ্বাহ কৰি আছে?

(গ) এইসকল বিষয়াৰ কোনো কোনো বিষয়াক (২০০১ চনৰ পৰা ২০০৫ লৈকে) নিলম্বিত কৰা হৈছে নেকি?

(ঘ) যদি কৰা হৈছে, কাক কাক কেতিয়া কি কাৰণত নিলম্বিত কৰা হৈছিল?

(ঙ) পুলিন দাস নামৰ সহকাৰী সঞ্চালক এগৰাকীক বিশেষ কি কাৰণত চাকৰিৰ পৰা নিলম্বিত কৰা হ'ল? (বিতং তথ্য জনাব)

(চ) এই বিষয়া গৰাকীক ইয়াৰ আগতেও চাকৰিৰ পৰা নিলম্বিত কৰা হৈছিল নেকি?

**ডঃ হেমপ্ৰভা শইকীয়া** (হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসম চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প সঞ্চালকালয়ত সঞ্চালকৰ পৰা সহকাৰী সঞ্চালকলৈ মুঠ ২৯ গৰাকী বিষয়া আছে।

(খ) এই বিষয়াসকলৰ কাৰ্য্যনিৰ্বাহ কৰণৰ তালিকা সংলগ্ন কৰা হ'ল অনুবন্ধন 'খ'ত। (See Annexure-VII)

(গ) হয়, কৰা হৈছে।

(ঘ) শ্ৰী মদন চন্দ্ৰ দত্ত, সহকাৰী সঞ্চালক, হস্ততাঁত আৰু বস্ত্ৰশিল্প,

নগাওঁ, আৰু শ্ৰী পুলিন দাস, সহকাৰী সঞ্চালক, হস্ততাঁত আৰু বস্ত্ৰশিল্প, কামৰূপক অকৰ্ত্তত্বশীল ভাৱে ভাৰত চৰকাৰলৈ আঁচনি প্ৰেৰণ কৰি বিত্তীয় মঞ্জুৰী আদায় কৰিবলৈ চেষ্টা কৰি চৰকাৰী পদবীৰ অপব্যৱহাৰ কৰাৰ অভিযোগত ২০০৩ চনৰ ২৫ চেপ্তেম্বৰত চাকৰিৰ পৰা নিলম্বিত কৰা হৈছিল। ইয়াৰ উপৰিও শ্ৰীঅপূৰ্ব পাঠক, সহকাৰী সঞ্চালক, হস্ততাঁত আৰু বস্ত্ৰশিল্প ধুবুৰীৰ চৰকাৰী কাৰ্য্যত গাফিলতি কৰাৰ অভিযোগত ২০০১ চনৰ ১৮ নবেম্বৰৰ তাৰিখে চাকৰিৰ পৰা নিলম্বিত কৰা হৈছিল।

(ঙ) ওপৰোক্ত (ঘ) অংশত দেখুৱা অভিযোগৰ উপৰিও বিত্তীয় অনুদান মঞ্জুৰীৰ খেলিমেলি, বিভাগীয় ক্ষমতাৰ অপপ্ৰয়োগ আৰু চৰকাৰী নিয়ম উলংঘা কৰি বিত্তীয় প্ৰতিষ্ঠানত নিজৰ পদবীৰ জৰিয়তে ধন লেনদেন কৰাৰ অভিযোগ শ্ৰী পুলিন দাসক ২য় বাৰৰ বাবে চাকৰিৰ পৰা ২০০৫ চনৰ ১৯ এপ্ৰিলত নিলম্বিত কৰা হৈছিল।

এই ক্ষেত্ৰত বিতং তথ্য বৰ্ত্তমানে দিয়া সম্ভৱ নহয় কিয়োনো এই বিষয়ত অনুসন্ধান কৰি থকা হৈছে।

(চ) হোৱা নাছিল।

**বিষয় ঃ বিষয়াই জনপ্ৰতিনিধিক তথ্য নিদিয়াৰ প্ৰসংগ।**

শ্ৰীআলী আকবৰ মিঞাই সুধিছে ঃ

১৬০/ মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) তথ্য জনাৰ অধিকাৰ বিল সম্পৰ্কীয় বিষয়টো কোন বিভাগৰ অধীনত?

(খ) প্ৰশ্নকৰ্ত্তাই ১৩-১-০৫ তাৰিখত উপায়ুক্ত ধুবুৰীক SGRY (Spl. Component) আঁচনি সম্পৰ্কীয় তথ্য বিচাৰি দিয়া চিঠিৰ বিপৰীতে

প্ৰশ্নকৰ্ত্তাক এতিয়ালৈকে তথ্য দিয়া হোৱা নাই সচানে?

(গ) উক্ত তথ্য বিচাৰা প্ৰসংগটোৰ আঁচনিৰ তালিকাই যদি প্ৰস্তুত নাই তেন্তে আঁচনিৰ কাম সম্পূৰ্ণ কৰা হ'ল কেনেকৈ? (প্ৰসংগ ৭-৩-০৫ আৰু ৪-৪-০৫ ৰ লিখিত প্ৰশ্ন নং ৪৫ আৰু ৫৬৭)।

(ঘ) ১৩-১-০৫ ৰ চিঠিৰ বিপৰীতে উপায়ুক্ত ধুবুৰীয়ে আঁচনিৰ তালিকা প্ৰস্তুতিৰ কাম সম্পূৰ্ণ কৰিলেনে? (কৰি থাকিলে তাৰ কপি দিব)

(ঙ) বিষয়া সকলে এনেদৰে তথ্য দিওঁতে অযথা বিলম্ব ঘটোৱাৰ বিপৰীতে কি ব্যৱস্থা গ্ৰহণ কৰা হ'ল বা হ'ব?

শ্ৰীৰিপুন বৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) তথ্য জনাৰ অধিকাৰ বিল বৰ্ত্তমান কেন্দ্ৰীয় চৰকাৰৰ ২০০৫ চনৰ আইনৰ অধীনত। গতিকে এই বিষয়টো কোন বিভাগৰ বুলি প্ৰশ্নই নুঠে।

(খ) উক্ত তাৰিখত (Spl. Component) আঁচনিৰ অন্তৰ্গত বিচৰা তথ্য ইতিমধ্যে পোৱা হৈছে আৰু উক্ত তথ্য সমূহ পৰিশিষ্ট 'খ'ত সন্নিবিষ্ট কৰি সদনৰ মেজত দাখিল কৰা হ'ল।

(গ) প্ৰস্তুতকৰণ সম্পূৰ্ণ হৈছে। আঁচনিৰ তালিকা প্ৰস্তুত নকৰাকৈ কাম সম্পূৰ্ণ কৰা প্ৰশ্নই নুঠে।

(ঘ) 'গ' প্ৰশ্নৰ উত্তৰত দিয়া হৈছে। আঁচনি প্ৰস্তুতকৰণ আদিৰ কপি পৰিশিষ্ট 'খ' ত সন্নিবিষ্ট কৰি 'খ' প্ৰশ্নৰ উত্তৰত ইতিমধ্যে দাখিল কৰা হৈছে।

(ঙ) উপায়ুক্তৰ পৰা পোৱা প্ৰতিবেদন মৰ্মে জনা যায় যে বিষয়া আৰু কৰ্ম্মচাৰীৰ অভাৱ আৰু মাৰ্চ মাহ হোৱাৰ বাবে উক্ত কামত বিলম্ব হয় আৰু এই বিলম্ব অনিচ্ছাকৃত। ইচ্ছাকৃত বিলম্বৰ

ক্ষেত্ৰত চৰকাৰে ব্যৱস্থা লবৰ বাবে বদ্ধপৰিকৰ।

বিষয় ঃ কল্পতৰু আঁচনিৰ ঋণ।

শ্ৰী পদ্মিন্দ্ৰ ডেকাই সুধিছে ঃ

১৬১/ মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ২০০৫-০৬ বিত্তীয় বৰ্ষত চৰকাৰে ৰাজ্যখনৰ কিমানজন নিবনুৱা যুৱকক কল্পতৰু আঁচনিৰ জৰিয়তে ঋণ দিয়াৰ ব্যৱস্থা কৰিছে?

(খ) এই ঋণৰ বাবদ চৰকাৰৰ কিমান টকা খৰচ হব?

(গ) এই ঋণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা কিবা বিত্তীয় অনুদান পাইছে নেকি?

(ঘ) যদি পাইছে, উল্লেখিত বছৰত কিমান টকা অনুদান পাইছে?

শ্ৰী ৰিপুন বৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ২০০৫-০৬ বিত্তীয় বৰ্ষত কল্পতৰু আঁচনিত কিমানজন নিবনুৱা যুৱকক ঋণ দিব পৰা যাব এই কথা সঠিককৈ কব পৰা নাযায় যদিও কল্পতৰু আঁচনিত নিৰ্দ্দেশাৱলীৰ ভিতৰত প্ৰতিজন হিতাধিকাৰীৰ আঁচনিৰ মূল্য যদি নূন্যতম ১০,০০০.০০ টকাকৈ ধৰা যায়, তেন্তে চলিত বিত্তীয় বৰ্ষত আনুমানিক ৫০,০০০ (পঞ্চাশ হাজাৰ) জন নিবনুৱা যুৱকক ঋণ দিব পৰা যাব। প্ৰকাশ থাকে যে এই আঁচনি এই বিভাগৰ আঁচনি নহয়। পৰিকল্পনা ও উন্নয়ণ বিভাগেহে এই আঁচনি ৰূপায়ণ কৰি আছে।

(খ) ৫০.০০ (পঞ্চাশ) কোটি টকা।

(গ) নাই।

(ঘ) প্ৰশ্ন নুঠে।

বিষয় ঃ ধান উৎপাদন।

ডাঃ তাৰা প্ৰসাদ দাসে সুধিছে ঃ

১৬২/ মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ কিমান হেক্টৰ মাটিত ইৰি ধানৰ খেতি কৰা হয় আৰু যোৱা বছৰ অসমত কিমান লাখ টন ইৰি ধান উৎপাদন হৈছিল? (জিলা ভিত্তিত তথ্য প্ৰকাশ কৰিব)।

(খ) চলিত বৰ্ষত বৰপেটা জিলাত কিমান হেক্টৰ মাটি ইৰি ধানৰ খেতিৰ প্ৰস্তুতি গ্ৰহণ কৰা হৈছে?

(গ) যোৱা বছৰ ইৰি ধানৰ প্ৰতি কুইন্টলত বজাৰ দাম কিমান আছিল?

(ঘ) ডিজেল, সাৰ আৰু কীটনাশক দৰবৰ দামৰ প্ৰতি লক্ষ্য ৰাখি কৃষক সকলে যাতে মূল্যৰ পৰা বঞ্চিত হব লগা নহয় তাৰ বাবে চৰকাৰে ইৰি ধানৰ ক্ৰয় নীতি গ্ৰহণ কৰিছেনে?

(ঙ) যদি কৰিছে, কেতিয়াৰ পৰা কাৰ্য্যকৰী কৰিব আৰু যদি ক্ৰয় নীতি গ্ৰহণ কৰা নাই কেতিয়া গ্ৰহণ কৰিব?

শ্ৰীওৱাজেদ আলী চৌধুৰী (কৃষি ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ সকলো জিলাতে ইৰি ধানৰ খেতি কৰা নহয়।

তলত উল্লেখ কৰা জিলা কেইখনৰ ২০০৩-০৪ বৰ্ষৰ ইৰি ধানৰ উৎপাদনৰ পৰিমান দিয়া হ'ল।

| জিলা | | মাটিকালি (হেক্ট' ৰত) | উৎপাদন টনত |
|---|---|---|---|
| ১/ | ধুবুৰী | ৪৭২৯ | ১৪৯৯৫ |
| ২/ | কোকাৰাঝাৰ | ১০৪২০ | ৩২৫৯৩ |

| | | | |
|---|---|---|---|
| ৩/ | বৰপেটা | ৪৯৮৪ | ১৬৯৩৫ |
| ৪/ | নলবাৰী | ২৭৯২ | ৯৮৪৫ |
| ৫/ | কামৰূপ | ৫০৯ | ৮০৩ |
| ৬/ | দৰং | ৪২৩৪ | ১১৩৬৮ |
| ৭/ | ধেমাজী | ১৫৪০ | ৪০৭১ |
| | অসমৰ মুঠ উৎপাদন | ২৯,২০৮ হেক্টৰ | ৯০,৬২০ টন |

(খ) যিহেতু ইৰি ধান কৃষি বিভাগৰ অনুমোদিত জাত নহয়, সেয়েহে বিভাগৰ ফালৰ পৰা ইৰি ধানৰ খেতিৰ বাবে কোনো ধৰণৰ প্ৰস্তুতি লোৱা নহয়।

(গ) ইৰি ধান সাধাৰণ ধানৰ অন্তৰ্ভূক্ত। যোৱা বছৰ সাধাৰণ ধানৰ দাম প্ৰতি কুইন্টলত এপ্ৰিল/মে মাহত গড়ে ৫২৮.০০ আৰু ৫২৫.০০ আছিল।

(ঘ) বৰ্ত্তমান ইৰি ধানৰ ক্ৰয় নীতি সম্পৰ্কে কোনো নীতি যুগুত কৰাৰ আঁচনিৰ তথ্য নাই।

(ঙ) ইৰি ধান অসম কৃষি বিভাগৰ অনুমোদিত জাতৰ ভিতৰত নপৰে। সেই হেতুকে এই জাতৰ খেতিৰ কোনো আঁচনি কৃষি, বিভাগত নাই।

**বিষয় ঃ সূঁতা ক্ৰয়।**

শ্ৰী দিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ

১৬৩/ মাননীয়া হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰে সূঁতা ক্ৰয় কৰি ৰাজ্যখনত বিতৰন কৰাৰ বাবে আঁচনি গ্ৰহণ কৰিছে নেকি?

(খ) কোন কোন চৰকাৰী প্ৰতিষ্ঠানৰ যোগেদি এই সূঁতা বিতৰণৰ

ব্যৱস্থা গ্ৰহণ কৰিছে?

(গ) ২২ কোটি টকাৰ সূঁতা ক্ৰয় কৰিবলৈ লোৱা কথাটো সত্যনে?

(ঘ) কোন কোম্পানীয়ে এই সূঁতা যোগান ধৰিব? (নাম ঠিকনা দিব)

(ঙ) এই সূঁতা ক'ত ক'ত কাক বিতৰণ কৰিব? (তাৰ তালিকা দিব)

(চ) উক্ত ২২ কোটি টকাৰ সূঁতাৰ যোগান ধৰিবৰ বাবে যোগান দাতাৰ তালিকা কৰা হৈছে নেকি? যদি কৰিছে সেই যোগানকাৰী সকলৰ নাম তালিকা আৰু কোন যোগান দাতাই কিমান পৰিমানৰ সূঁতা ক'ত .. (যোগান ধৰিব সম্পূৰ্ণ যোগান দাতাৰ নাম ঠিকনা দাখিল কৰিবনে?

**ডঃ হেমপ্ৰভা শইকীয়া** (হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ) মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, কৰিছে।

(খ) অসম চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ জিলা আৰু মহকুমাত থকা কাৰ্য্যালয়ৰ যোগেদি সূঁতা বিতৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

(গ) সত্য নহয়।

(ঘ) কোনো কোম্পানীয়ে এই সূঁতা যোগান নধৰে।

(ঙ) এই সূঁতা প্ৰতিখন জিলা, মহকুমাৰ সদৰ তথা প্ৰতিটো সমষ্টিৰ দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা আঁচনিভূক্ত নিৰ্ধাৰিত সংখ্যক শিপিনীক বিতৰণ কৰা হব যিহেতু তালিকা প্ৰস্তুতিৰ কাম চলি আছে। বৰ্ত্তমান এই তালিকা দিয়া সম্ভব নহয়।

(চ) বৰ্ত্তমানলৈকে মঞ্জুৰী হোৱা ধনৰ বিপৰীতে ৰাজ্যিক সমবায় প্ৰতিষ্ঠান আৰ্টফেডক জি এন বৰদলৈ ৰোড, আমবাৰী, গুৱাহাটী - ১ সূঁতা যোগান ধৰিবলৈ দিয়া হৈছে।

**বিষয় ঃ পৰিয়াল পৰিচয় পত্ৰ।**

ডাঃ তাৰা প্ৰসাদ দাসে সুধিছে ঃ

১৬৪/ মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমানলৈকে অসমত কিমান পৰিয়ালক পৰিচয় পত্ৰ প্ৰদান কৰা হ'ল?

(খ) Below Poverty Line (BPL) ৰ শ্ৰেণীভূক্ত কিমান পৰিয়ালক পৰিয়াল পৰিচয় পত্ৰ প্ৰদান কৰা হল?

(গ) B.P.L. আঁচনিৰ জৰিয়তে অসমৰ দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা পৰিয়াল সমূহক ২০০৪-২০০৫ চনৰ ৩১ মাৰ্চলৈ কিমান মেট্ৰিক্‌টন চাউল যোগান ধৰা হল? (জিলা ভিত্তিত প্ৰতিবেদন দাখিল কৰিব)

(ঘ) বৰপেটা জিলাৰ প্ৰতিটো সমষ্টি (BPL) আঁচনিৰ অন্তৰ্ভূক্ত দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা পৰিয়ালৰ সংখ্যা আৰু যোগান ধৰা চাউলৰ পৰিমাণ তথ্য সহকাৰে দাখিল কৰিবনে?

ডাঃ নজৰুল ইছ্‌লাম (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) বৰ্ত্তমানলৈকে অসমত বিভিন্ন আঁচনিৰ অধীনত ৪৬,৭৭,২১৬ টা পৰিয়ালক পৰিয়াল পৰিচয় পত্ৰ প্ৰদান কৰা হৈছে।

(খ) বি, পি, এল শ্ৰেণীভূক্ত ১৮,৯২,৬১৬ টা পৰিয়ালক পৰিয়াল পৰিচয় পত্ৰ প্ৰদান কৰা হৈছে।

(গ) বি, পি, এল আঁচনিৰ জৰিয়তে অসমৰ দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা পৰিয়াল সমূহক ২০০৪-২০০৫ চনৰ ৩১ মাৰ্চলৈ ৬২,৮০,৯১৯.৫৪ মেট্ৰিক্‌টন চাউল যোগান ধৰা হয়। (জিলা ভিত্তিত চাউলৰ পৰিমাণ সংলগ্ন 'ক' ত দেখুৱা হ'ল) (See

Annexure-VII)

(ঘ) বৰপেটা জিলাৰ প্ৰতিটো সমষ্টিৰ (BPL) আঁচনিৰ অন্তৰ্ভূক্ত দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা পৰিয়ালৰ সংখ্যা আৰু যোগান ধৰা চাউলৰ পৰিমাণৰ বিতং তথ্য সংলগ্ন 'খ' ত দেখুৱা হ'ল। (See Annexure-VIII)

## DISCUSSION ON THE SUPPLEMENMTARY STATEMENT OF EXPENDITURE CHARGED ON THE CONSOLIDATED FUND OF THE STATE FOR THE YEAR, 2005-2006.

Mr. Speaker : Discussion if any, on the Supplementary Statement of Expenditure Charged on the Consolidated Fund of the State for the year, 2005-2006.

POINT OF ORDER

* ডঃ জয়নাথ শৰ্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা পইন্ট অৰ অৰ্ডাৰ আছে। আমাৰ ৰাজনৈতিক নেতা সকলৰ কাৰণে এইটো শুভ কথা নহয়। বিভিন্ন সময়ত বাতৰি কাকত আদিত আলফাক টকা যোগান ধৰাৰ কথা ওলায়ে আছে। আজিও ৫ জন মন্ত্ৰীয়ে টকা দিয়া কথা ওলাইছে। এই ক্ষেত্ৰত .........

মাননীয় অধ্যক্ষ ঃ এই ক্ষেত্ৰত বিবৃতি দিব বুলি মই ইতিমধ্যে কৈছোঁৱেই নহয়।

* শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ অধ্যক্ষ মহোদয়, এই বিষয়টোৰ ক্ষেত্ৰত এটা ষ্টেটমেন্ট দিব বুলি কৈছিল, আজি দিবনে?

★ Speech not corrected

মাননীয় অধ্যক্ষ ঃ বিবৃতি দিব বুলি মই কৈছোঁৱেই। এতিয়া আইটেম নং তিনি আৰম্ভ কৰিছোঁ।

* শ্ৰী পৰিমল শুক্লবৈদ্য ঃ অধ্যক্ষ মহোদয়, আজি মোৰ এটা প্ৰশ্ন আছিল প্ৰশ্ন নং ৭১, এই প্ৰশ্নটোৰ উত্তৰৰ আধাঅংশ প্ৰিন্টত উঠা নাই।

মাননীয় অধ্যক্ষ ঃ এইটো মই চাই দিম বাৰু।

## VOTING ON SUPPLEMENTARY DEMANDS FOR GRANTS FOR 2005-2006

Mr. Speaker : Grant No. 34, Hon'ble Minister, Urban Development, Shri Hemprakesh Narayan to move.

Shri Hemprakesh Narayan (Minister) : On the recommendation of the Governor of Assam, I beg, Sir, to move that an additional amount of Rs. 229.44 lakh be granted to the Minister-in charge to defray certain charges which will come in the course of payment during the year ending 31st March, 2006 in connection with "Urban Development (MAD)".

Mr. Speaker : I have received 4 Notices of Cut Motions in the names of Hon'ble Members Sarba Shri Dilip Kumar Saikia, Hitendra Nath Goswami, Pabindra Deka, Mission Ranjan Das, Bimolangshu Roy, Dinesh Chandra Sarkar, Ranjit Dutta, Pramila Rani Brahma, Matindra Basumatary, Karendra Basumatary, Biswajit Daimary, Kamali Basumatari.

I, now, call upon the Hon'ble Members to move their Cut Motions one by one please.

Shri Dilip Kumar Saikia : Sir, I beg to move that the total provision of Rs. 229.44 lakh under Supplementary Demand for Grant No. 34 in respect of 'Urban

★ Speech not corrected

Development (MAD) at pages 35-36 of the list of Supplementary Demands be reduced by Rs.100.00 i.e., the amount of the whole Supplementary Demand of Rs. 229.44 lakh do stand reduced by Rs. 100.00.

* শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, পৌৰ প্ৰশাসন আৰু নগৰ উন্নয়ণ বিভাগৰ ক্ষেত্ৰত যি চাপ্লিমেণ্টেৰী ডিমাণ্ড আহিছে প্ৰায় দুই কোটি উনত্ৰিছ লাখ টকা। ইয়াৰ ওপৰত আমাৰ ফালৰ পৰা যি কাট মোশ্যন অনা হৈছে তাৰ ওপৰত সমৰ্থন ৰাখি মই দুষাৰ মান কব বিচাৰিছোঁ। আমাৰ নগৰ উন্নয়ণ বিভাগটো পৌৰ প্ৰশাসন বিভাগৰ লগত পোনপটীয়াকৈ জড়িত। সেই কাৰণেই মই মন্ত্ৰী মহোদয়ৰ কাট মোশ্যনৰ জৰিয়তে গোটেই কথাটোৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছোঁ। এই নিকায় বা নিগম সমূহত চৰকাৰে যি পইচা পাব তাৰ পৰা একাদশ (১১)বিত্তীয় আয়োগক ভিত্তি কৰি যি পাব সেই মতে ৰাজ্যৰ পৌৰ সভা আৰু নিকায় আদি বিতৰন কৰিব। এই ক্ষেত্ৰত মই কব বিচাৰিছোঁ আমাৰ পৌৰ সভা সমূহৰ চৰ্চ অৱ ৰেভিনিউ হ'ল বজাৰ সমূহ। এই বজাৰ সমূহ আবন্টন দি তাৰ পৰা কৰ -কাটল আদায় কৰে। এই কৰ- কাটলৰ পৰা যি ৰাজহ সংগ্ৰহ হয় তাৰ পৰাই পৌৰসভা সমূহৰ যি কৰ্ম্মচাৰী আছে তেওঁলোকৰ দা-দৰমহা আদি দিবলগীয়া হয়। সেই কাৰণে এই পইচাৰে অন্য উন্নয়নৰ কাম কাজ কৰাটো অসম্ভৱ হৈ পৰে। গোটেই অসমত ৩৫০০ মান কৰ্ম্মী আছে বুলি তেওঁলোকে মোক কৈছিল। এই ক্ষেত্ৰত বিভিন্ন আলোচনা বিলোচনা চলি আছে কিন্তু কোনো সিদ্ধান্তত উপনীত হব পৰা নাই এতিয়ালৈকে। এই সংক্ৰান্তৰ ফাইল আদি মন্ত্ৰী মহোদয়ৰ

★ Speech not corrected

টেবুলত আছে বুলি আমাক জনাইছে। এই পৌৰসভাৰ যোগেদি আহা বিভিন্ন ৰাজহ যদি উন্নয়নৰ কামত লগাবলগীয়া হয় তেনেহলে চৰকাৰে পৌৰকৰ্ম্মী যি সকল আছে তেওঁলোকৰ সা-সুবিধাখিনি চৰকাৰে দিব পাৰিব লাগিব। এই সুবিধাসমূহ তেতিয়াহে সম্ভৱ হব যেতিয়া পৌৰসভা সমূহত কৰ্ম্মচাৰী সকলৰ চাকৰি চৰকাৰে চৰকাৰীকৰণ কৰি কৰ্ম্মচাৰী সকলৰ দায়িত্ব গ্ৰহণ কৰিব। অন্যথা এই পৌৰসভা সমূহৰ পৰা কোনো ধৰণৰ উন্নয়নৰ কাম হোৱাটো অসম্ভৱ। একাদশ বিত্তীয় আয়োগৰ যোগেদি যি টকা দিব সেইটো পোনপটীয়াকৈ দিয়াৰ ব্যৱস্থা কৰিব পাৰিনেকি চাব লাগে কাৰণে আগতে তেনে এটা নিয়ম আছিল। কিন্তু এতিয়া দেখা গৈছে এইটো নহয়। কিন্তু এই কমিশ্যনৰ যি পইছা কেন্দ্ৰীয়ভাৱে বস্তু ক্ৰয় কৰি পৌৰসভা সমূহক যোগান দিয়ে যিবোৰ বহুত অপ্ৰয়োজনীয়াকৈ বস্তু আছিল। গতিকে একাদশ বিত্ত আয়োগৰ পুৰস্কৃত ধন আপোনালোকে পোনপটীয়াকৈ বিতৰন কৰাৰ ব্যৱস্থা নকৰে কিয়? দশম বিত্ত আয়োগৰ পুৰস্কৃত ধনেৰে আপোনালোকে পৌৰসভা সমূহক কিছুমান জখলা থকা ভেন, চেনিটেৰী লেট্ৰিন চাফা কৰা এটা মেচিন, ডাষ্ট বিন দিছে, ঠেলা দিছে। এই বিলাক পৌৰসভা সমূহত যোগান দিছে। কিন্তু তাতো আকৌ কথা আছে এই বস্তু বিলাক বজাৰৰ পৰা অতি নিম্ন মানৰ বস্তু বজাৰত বেছি দামত ক্ৰয় কৰি, বজাৰৰ মূল্যতকৈ বেছি দামত ক্ৰয় কৰি দিছে। ইয়াতো দুৰ্নীতিৰ অৱকাশ নথকা নহয় সন্দেহ থাকি গৈছে। কেন্দ্ৰীয়ভাৱে বস্তু কিনি পৌৰসভাসমূহত দিয়া এই নিয়মটো ঠিক হোৱা নাই। তাতকৈ আপোনালোকে কেন্দ্ৰীয়ভাৱে দুই এখন ট্ৰেক্টৰ বা ট্ৰাক কিনি দিয়ক এইটোত আপত্তি নাই। কিন্তু গোটেই ব্লকৰ বস্তু প্ৰয়োজন হওক বা নহওক ক্ৰয় কৰি যোগান দিয়া কথাটোত সন্দেহ থাকি যায়।

(Mr. Speaker vacated the chair and Mr. Dy. Speaker occupied the chair)

মাননীয় উপাধ্যক্ষ মহোদয়, ডেভলপমেন্ট অথৰিটি আৰু পৌৰনিগমৰ যি দূৰ্নীতি সেই সন্দৰ্ভত মই কব বিচাৰিছো যে এই বিভাগ দুটাৰ মাজত মাজে মাজে দণ্ড হোৱাত কেতিয়াবা যথেষ্ট চাফাৰ কৰে। পৌৰ নিগমৰ অনুমতি অবিহনে গুৱাহাটী মহানগৰীত ডাঙৰ টাৱাৰ নিৰ্ম্মাণ কৰিছে। পৌৰ নিগমে যেতিয়া ফাইন কৰে তেতিয়া তেওঁলোকে পইচা দি মেনেজ কৰে। কিবা এটা কৰিবলৈ গলে পৌৰ নিগমৰ এলেকাত যদি কিবা এটা কৰিবলগীয়া হয়, বাহিৰৰ বা লোকেল প্ৰতিষ্ঠানে হওক তেওঁলোকে চাফাৰ কৰিবলগীয়া হয়। সেইকাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এটা স্পষ্টীকৰণ বিচাৰিছোঁ।

মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ আৰু এটা প্ৰশ্ন আছে সেইটো হৈছে যোৰহাটত যিটো ড্ৰেইন চিচটেম কৰিছে সেইবিষয়ত মাননীয় মন্ত্ৰী মহোদয়ে যোৱা পৰহি প্ৰশ্নৰ উত্তৰ দিছে। ড্ৰেইন চিচ্‌টেমটোৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে ১৭ (সোতৰ) কোটি টকা দিছে। কামৰ তদন্ত কৰোতে দূৰ্নীতি ধৰাত পৰিলে টকাটো কেন্দ্ৰীয় চৰকাৰে বন্ধ কৰি দিব। এই সোতৰ কোটি টকাৰ, তাৰে ১৫ (পোন্ধৰ) কোটি টকা আমাক কেন্দ্ৰীয় চৰকাৰে নন প্লেনৰ পৰা আৰু প্ৰায় ১০ (দহ) শতাংশ কোটি টকা ৰাজ্য চৰকাৰৰ। এই টকাটো আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা পাইছো। এইটোত যদি দূৰ্নীতি বেছিকৈ ওলাই পৰে তেতিয়া টকাটো কেন্দ্ৰীয় চৰকাৰে বন্ধ কৰি দিব। তেতিয়া অসম চৰকাৰে চাফা কৰিব লাগিব। মই যোৰহাটৰ বিধায়ক হিচাপে এই কথাখিনি এই কাৰণে কৈছো যে যোৰহাটৰ ড্ৰেনেজ চিচটেমটো যাতে ভাল হয় আৰু এই আঁচনিখনত যাতে দূৰ্নীতি শিপাব নোৱাৰে তাৰ কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিছো।

মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা পৰহি মাননীয় মন্ত্ৰী মহোদয়ে

যিটো উত্তৰ দি ছে এই ক্ষেত্ৰত চি, কে, শৰ্ম্মা নামৰ আয়ুক্ত জনে এপ্ৰোভেল দিছে। এই পত্ৰখন বিভাগৰ অনুমোদন নাছিল। আয়ুক্ত গৰাকীয়ে যিখিনি চিঠি দিছে তাত লিখিছে I am directed to accord approval of the state Government. আয়ুক্তই দিয়া চিঠিখন বিভাগীয় মন্ত্ৰী মহোদয়ৰ অনুমোদন নোহোৱাকৈ ১৭ (সোতৰ) কোটি টকা কেনেকৈ দিব পাৰে? এই ক্ষেত্ৰত গুৰুত্ব দিবলৈ মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো। যিহেতু এই ক্ষেত্ৰত যোৰহাটৰ জিলা উপায়ুক্তই ইতিমধ্যে তদন্ত কৰিছে। তদন্ত কৰি ৰিপোৰ্ট কি পাইছে এই কথাটো কৈছে। Sir D.C. Jorhat Said in his report that "quality of work is very Poor" D.C. expressed displeasure regarding quality of works. এতিয়া এই কথাবিলাক জিলা উপায়ুক্তই ডিচপ্লেচ কৰাৰ পিচতো কাম হৈয়ে আছে। ১৭ (সোতৰ) কোটি টকাৰ প্ৰজেক্টত দূৰ্নীতিয়ে বাহ লোৱা গম পালে কেন্দ্ৰীয় চৰকাৰে অনুসন্ধান কৰিব, অনুসন্ধানত ধৰা পৰিলে এই টকাটো নপঠিয়াব। আপুনি আমাক কৈছে যে এইটোত অনুমোদন নাছিল। মোৰ প্ৰশ্ন হৈছে টেন্ডাৰত যিটো লয়েষ্ট প্ৰাইচ দেখুৱাইছে তাক দিয়া নাই। ৯ শতাংশৰ ওপৰত ৰেট ধৰা সকলোকে এলটমেন্ট দিছে। যদি এইটোৱে হয়, ফাইনেনচিয়েল বিল কৰাৰ অৰ্থ কি থকিল? দুজন মানুহৰ ৰেট একে কাৰণে তেওঁলোকক কামটো ভাগ কৰি দিছে। ৰাজ্যৰ স্বশ্চতাৰ কথা কৈছে যেতিয়া কমিশ্যনাৰে অনুমোদন কৰা বিলখন লয়েষ্ট হব লাগে । এই চিঠিখনত স্পষ্ট কৰি লিখিছে। Slight modification has been made. There is a very little difference of rate.। যি জনৰ ৰেটটো ৮ শতাংশৰ তলত আছে তেওঁক কাম দিয়া নাই। এই কথাবিলাক এই কাৰণে কৈছো ডেভলপমেন্ট বিভাগত ব্যাপক দূৰ্নীতি হৈছে।

এই দূৰ্নীতিবিলাক ৰোধ কৰিবৰ কাৰণে মাননীয় মন্ত্ৰী মহোদয়ক চকু দিবলৈ অনুৰোধ কৰিছো।

মাননীয় উপাধ্যক্ষ মহোদয়, ফাইনেনচিয়েল ৰুলচ্‌বোৰ এনেয়ে বনোৱা নাই। ফাইনেনচিয়েল ৰুলচ্‌ত ডিচিপ্লিন থাকে। Assam Town and Country Planing Act, 1995 Rull 23 to Contract involving...... মই এই কথাটো স্পেচিফিক কৈ কৈছো যে ৫ (পাঁচ) কোটি টকাৰ কাম কৰিবলৈ হলে চৰকাৰৰ পৰা এপ্ৰোভেল লব লাগে। টাউন এণ্ড কানট্ৰি প্লেনিংত এস্কপাৰ্ট মানুহ আছে, ৩৪ লাখ টকা কনট্ৰেক কৰিছে এজ পাৰ ৰুলচ মতে কেন্দ্ৰীয় চৰকাৰৰ পৰা অনুমতি লোৱা হৈছে নে নাই? যদি লোৱা হোৱা নাই কেনেকৈ হব?

মাননীয় অধ্যক্ষ মহোদয়, আৰু আটাইতকৈ ডাঙৰ কথা হ'ল মোৰ যদি ভুল হোৱা নাই আমাৰ যোৰহাটৰ কাৰণে ২০০১ চনতেই এখন মাষ্টাৰ প্লেন তৈয়াৰ কৰা হৈছিল। গোটেই ড্ৰেইনেজ চিচটেমৰ ওপৰত। এইটো টাউন এণ্ড কান্ট্ৰী প্লেনিংয়ে বনাইছিল যিটো আৰবান বিভাগৰ তলত তেওঁলোকে দিয়া যিটো ৰিপোৰ্ট সেইটো নামানি প্ৰাইভেট ফাৰ্মক দিয়া কথাটো মনকৰিবলগীয়া। কৰবাত কিবা এটা মেনেজ হৈছে। সেই কাৰণে এই মাষ্টাৰ প্লেনৰ কথা যি জন মানুহ জইন ডিৰেক্টৰ আছিল সেই এক জন মানুহ বৰ্ত্তমান ডেভেলাপমেন্ট অথোৰিটিৰ ডেপুটি চেয়াৰ মেন তেখেতে নজনা কথা নহয়। কিন্তু তেওঁ নজনা হৈছে এই প্লেনখনৰ কথা। এই বিষয়ে সোধাত নাজানো বুলিয়েই কৈছে। এই ১৭ কোটি টকাৰ ব্যপক দূৰ্নীতি হৈছে বুলি সকলোৰে আলোচনা কৰিছে। আনকি মূখ্য মন্ত্ৰীৰ নিজৰ ঠাই হিচাবে তেখেতৰ কথাটো চকু দিয়া নাই বুলি ওলাইছে। মিউনিচিপাল্টিৰ টকা দিব বিছাৰিছে। কিন্তু কি কাম হ'ব কি কৰিছে এই বিষয়ে নজৰ দিব

লাগিব। ... চেটেলমেন্টৰ বাবে টেণ্ডাৰ কল কৰা হ'ল কিন্তু হঠাৎ মিটিং পাতি কৈ দিলে এইটো নহব। দীপ গগৈ লগতে আপুনিও জৰিত বুলি আলোচনা কৰিছে। দীপ গগৈ আহি কব নোৱাৰিব কিন্তু আপুনি এই বিষয়ে সজাগ হব লাগিব আৰু উত্তৰ দিবও লাগিব। প্ৰতিদিন বাতৰি কাকতত ওলাইছে যে ১৫ লাখৰ তলত টেণ্ডাৰ কল কৰিলে অৰ্থাৎ টেণ্ডাৰ চিচটেমটো আইন অনুক্ৰমে হোৱা নাই বুলি বাতৰিত প্ৰকাশ কৰিছে। টেণ্ডাৰ কল কৰোতে যিবিলাকে পালে, আৰু যিবিলাকে নাপালে তেওঁলোকে হাই-কোৰ্টৰ ওচৰ চাপিল কোৰ্টৰ অৰডাৰ মতে আইন সংঙ্গত টেণ্ডাৰ নোহোৱাৰ বাবে ৰিটেণ্ডাৰ কৰিবলৈ অৰডাৰ দিয়া হ'ল। পৌৰ প্ৰশানৰ আৰ্থিক অৱস্থা দুৰ্বল। ... যদি বজাৰ ঘাট আদিতো যদি দুৰ্নীতি সোমাই তেতিয়া হলে কেনেকৈ হব? এই বিলাক বিষয়ত চোকা নজৰ দিয়াতো প্ৰয়োজন আছে। হাইকোৰ্টত এই টেণ্ডাৰ লিষ্ট নাকচ কৰাৰ পাচত পুনৰ ডিভিজন বেথ ৫ এপ্ৰিল কৰাৰ কথা কৈছে। মিনি চিপালিটিৰ ৰেভিনিউ ৰিচোৰ্চ বন্ধ কৰি দিয়া ক্ষেত্ৰত আপোনালোকৰ নামো লেটিয়াই দিয়া হৈছে। কেইটামান আঁচনিত কিমান টকা দিলে সেইটো হ'ল SJRY Rs. 25 lakhs + NSDP Rs. 25 lakhs + IDSMT Rs. 8 lakhs = Rs. 58 lakhs. এই টকা বিলাক দিওতে কোনো মিটিং হোৱা নাই কোনো ধৰণৰ টেণ্ডাৰ কল কৰা নাই। কেতিয়াবা ইমাৰজেন্সি হলে কৰাতো বেলেগ কথা কিন্তু এইটো কোনো প্ৰচিডিউৰ হোৱা নাই। হাইকোৰ্টে সেইটো কৈ দিছে। বজাৰ চেক্ৰেটাৰীয়ে এই বিষয়ে নিজে গোন্ধ পাইছে। গতিকে মই এই বিষয়ে এটা এনকুৱেৰী কৰিলে ভাল হব বুলি ভাৱো। আৰু ১১ ফাইনান্সৰ যিটো টকা ট্ৰাইবেল ডেভেলপমেন্ট অথৰিটিৰ দৰে নকৰিব। বজাৰ ৰেট দুটকা হয় ৮ টকাত বস্তু কিনিব নালাগে। বজাৰ ৰেটৰ ওপৰত বস্তু কিনিব নালাগে। ইয়াৰ ওপৰিও

আপোনালোকে ডাচবিন ঠেলা আদি পঠাইছিল্। সেই বিলাক কৰি কোনো উন্নতি নহ'ল। তাৰ সলনি ৰাস্তা ওৱাটাৰ চাপ্লাই আদিতো টকাটো খৰছ কৰিব পাৰি। চৰকাৰে চচ্ছ কাম কৰিম বুলি কৈছিল গতিকে দূর্নীতি লেন দেন নকৰিব। অন্ততঃ ১১ ফাইনেন্সৰ যিটো টকা সেইটো পৌৰ প্ৰশাসনৰ ৰাস্তা ঘাট পানী যোগান আদিত খৰছ কৰিলে ভাল হয়। ৰাস্তাৰ কিনাৰত যিবিলাক শাক পাচলি, মাছ আদি বিক্ৰী কৰে সেই বিলাক যদি বজাৰৰ ভিতৰত গৈ বহাৰ সুবিধা হয়, তেন্তে যান বাহন মানুহ আদি ৰাস্তাৰে অহা-যোৱা কৰাত বহুতো সুবিধা হব। মাৰ্কেট বোৰ্ডৰ কাম হলে এই সকলো বিলাক মেনেজ কৰাত সুবিধা হব। এই সকলো বিলাকৰ কাৰণে মিউনিচিপালিটিৰ চেয়াৰ মেন সকলক মাতি মিটিং পাতি ১১ ফাইনেন্সৰ টকাটো কেনেকৈ খৰছ কৰিলে কামত আহিব সেইটো সোধক। তাৰোপৰি চেন্ট্ৰেলী পাৰচেজ কৰাৰ যিটো নীতি লৈছিল তাৰ পৰা কোনো ধৰণৰ লাভৰ কথা অহা নাই। গতিকে এইটো ডি চেন্ট্ৰেলাইজড কৰক। তেওঁলোকে যিটো বিচাৰিছে সেইটো দিয়ক। তেওঁলোকৰ ওপৰত জাপি দিয়াতো বন্ধ কৰক। তাৰোপৰি ৰোড ডেমেজৰ কথাটো কব বিচাৰিছে। টাউনত কৃত্ৰিম ফ্লাড হয়। ওচৰত থকা সৰু সৰু জান জুৰিৰ পৰা বাৰিষা কালি টাউনৰ ভিতৰলৈ পানী আহি বানপানীৰ সৃষ্টি কৰে। এই বিষয়টোত কি ব্যৱস্থা কৰিছে? ইয়াৰ ওপৰি পৌৰ প্ৰশাসনৰ সভাপতি সকলে বহুত টকাৰ ধাৰ হৈ আছে ইলেকট্ৰিচিটি বোৰ্ডৰ ওচৰত। সেই কাৰণে বেচি ভাগেই আন্ধাৰত থাকিব লগা হৈছে। তেওঁলোকৰ ফাইনেন্সচিয়েল অৱস্থা বেয়া হোৱা কাৰণে আগৰ টকা আদায় দিব পৰা নাই। গতিকে টাউনত লাইট নাথাকে।

উপাধ্যক্ষ মহোদয়, আজি ৰাজ্য খনৰ বহুতো মিউনিচিপালিটি ৰ পৰা বিদ্যুৎ পৰিষদে বহুতো টকা পাবলৈ বাকী আছে। মই জনাত

প্ৰায় ১০০ কোটি মান টকা তেওঁলোকক দিব লগা হৈ আছে। এই টকা বিলাক মিউনিচিপালিটি সমূহে কেনেকৈ ক'ৰ পৰা দিব সেই বিষয়ে চিন্তা কৰিব লাগে। কিয়নো এটা বিভাগৰ ফালৰ পৰাই ইমান টকা বাকী থাকিলে বিদ্যুৎ পৰিষদ খন চলিব কেনেকৈ। এই খিনিতে মই এটা কথা কওঁ যে যোৰহাটত এটা কামৰ কাৰণে নিবিদা গ্ৰহন কৰা হৈছিল যদিও সেই নিবিদাৰ ভিত্তিত কাম নকৰি এটা লাম্প চাম্প এমাউন্ট ধৰি ৫৮ লাখ টকা আদায় দিছে। এইটো কেনেকৈ কৰিলে চাব লাগে। ড্ৰেইনেজৰ কাৰণে মন্ত্ৰীৰ এপ্ৰভেল নোলোৱাকৈ ১৭ কোটি উলিয়াই নিছে। নলা নৰ্দমাৰ কামবোৰ কোনো জৰীপৰ ব্যৱস্থা নকৰাকৈ কৰা কাৰণে কামবোৰ কৰাই নকৰাই সমান হ'ল। সেইবোৰেৰে যি ধৰণে পানী নিস্কাষণ হব লাগিছিল সেই ধৰণে হোৱা নাই। এই কাম বিলাক জিলাৰ উপায়ুক্তয়ো গৈ চোৱা চিতা কৰি তেওঁ চেটিচ্‌ফাই হোৱা নাই। এই ক্ষেত্ৰত হাইকোৰ্টে ইনজাংচন দিয়া স্বত্তেও কাম বন্ধ হোৱা নাই। সেই কাৰণে মই মন্ত্ৰী মহোদয়ক পুনৰ বাৰ অনুৰোধ কৰিব খুজিছো যে একাদশ বিত্তীয় আয়োগৰ পৰা যিখিনি অনুদান পোৱা হয় সেই টকা খিনি যাতে উচিত ব্যৱস্থাৰে খৰচ কৰা হয় আৰু কোনো ক্ষেত্ৰত যাতে বজাৰ দামতকৈ বেছি দামত বস্তু কিনা বা কামবোৰ কৰা নহয় তাৰ প্ৰতি চোকা নজৰ ৰাখিব বুলি আশা কৰি মোৰ ভাষণৰ সামৰণি মাৰিলো।

শ্ৰীমিশ্বন ৰঞ্জন দাস ঃ- মাননীয় উপাধ্যক্ষ মহোদয়, আজি বিধান সভাত ৩৪ নং গ্ৰেন্টৰ জৰিয়তে পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে ২২৯.৪৪ লাখ টকাৰ যি পৰিপুৰক দাবী মঞ্জুৰী বিচাৰিছে সেই ক্ষেত্ৰত মই আলোচনাত অংশ গ্ৰহণ কৰি দুষাৰ মান কথা কবলৈ ওলাইছো। এই টকা খিনি প্ৰকৃততে একাদশ বিত্তীয় আয়োগৰ টকা আৰু সেই টকাখিনি তাৰ পৰা আগতীয়াকৈ খৰচ কৰিব বিচাৰিছে।

পিচত এইখিনি এডজাষ্ট কৰি লোৱা হব বুলি কৈছে। যি কি নহওক, এই ক্ষেত্ৰত মই কৰিমগঞ্জ পৌৰ সভাৰ অধীনৰ এটা এলেকাৰ কথা কব খুজিছো আৰুসেইটো হৈছে কৰিমগঞ্জ ৰেলৱে জংচন এৰিয়া। এই অঞ্চলটোত যি খিনি ভোটাৰ আছে তেওঁলোকে বিধান সভা আৰু লোক সভাৰ নিৰ্বাচনত ভোট দিব পাৰে। কিন্তু কৰিমগঞ্জ পৌৰ সভাৰ নিৰ্বাচনত ভোট সাব্যস্ত কৰিব নোৱাৰে। এই এৰিয়াটোৰ উত্তৰ ফালে কৰিমগঞ্জ মিউনিচিপালটিৰ ২৮ নং ওৱাৰ্ড আৰু দক্ষিণ ফালে গাতে লাগি আছে গাওঁ পঞ্চায়ত এলেকা। আমি এটা কথা দেখি আহিছো যে গুৱাহাটী পৌৰ নিগম, লামডিং হোজাই আদি পৌৰ সভাত ৰেলৱে জংচন কিম্বা ষ্টেচনৰ ওচৰত যিসকল স্থায়ী বাসিন্দা কিম্বা ভোটাৰ আছে তেওঁলোকে পৌৰ সভা বা নিগমৰ নিৰ্বাচনত ভোটাধিকাৰ সাব্যস্ত কৰিব পাৰে। কিন্তু কৰিমগঞ্জ ৰেলৱে জংচন এৰিয়াৰ লোক সকলক এই ভোটাধিকাৰৰ পৰা বঞ্চিত কৰা হৈ আহিছে। এই লোক সকলৰ নাম পৌৰ সভাৰ নিৰ্বাচনী তালিকাত উঠা নাই। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাওঁ যে এই মানুহ খিনিক কৰিমগঞ্জ পৌৰ সভাৰ ২৮ নং ওৱাৰ্ডৰ ভোটাৰ তালিকাত সন্নিবিষ্ট কৰাৰ ব্যৱস্থা কৰিব লাগে। এই লোক সকলৰ বহুতো সমস্যা আছে। তেওঁলোকৰ যিসকলৰ ফেমিলি আইডেন্টিটি কাৰ্ড আছে তেওঁলোকে বয়বস্তু পায় কিন্তু যিসকলৰ নাই তেওঁলোকে কোনো বস্তুৱেই নাপায়। তেওঁলোকক ফেমিলি আইডেন্টিটি কাৰ্ড দিয়াৰ দায়িত্ব পঞ্চায়তেও নলয় আৰু পৌৰ সভায়ো নলয়। কিবা কাৰণত তেওঁলোকক এখন চাৰ্টিফিকেটৰ প্ৰয়োজন হলে বৰ অসুবিধাত পৰে। গতিকে তেওঁলোকৰ যিটো পোৱাৰ অধিকাৰ সেইটো নিশ্চিত কৰিব লাগে। তাৰ কাৰণে তেওঁলোকক কৰিমগঞ্জ মিউনিচিপালটিৰ ২৮ নং ওৱাৰ্ডৰ লগত সংলগ্ন কৰি তেওঁলোকক ভোটাধিকাৰ দিয়াৰ ব্যৱস্থা কৰিব বুলি মই মন্ত্ৰী মহোদয়ক পুনৰবাৰ

অনুৰোধ কৰিলো।

দ্বিতীয় কথাটো হৈছে ঃ কৰিমগঞ্জ পৌৰ সভা এলেকাত এচ, জি এচ ওৱাই/এচ, জি আৰ, ওৱাই/ডিষ্ট্ৰিক্ট আৰবান ডেভেলপমেন্ট আদিৰ নানা কাম হৈ আছে। এই আঁচনিৰবোৰৰ অধীনত যিবিলাক কাম হাতত লোৱা হৈছে সেই বিলাকৰ কাম ঠিকমতে হোৱা নাই। কাম বিলাকৰ কোনো মানদণ্ড ৰক্ষা কৰা হোৱা নাই। ৰাস্তা ঘাট আদিৰ কাৰণে যি ধৰণে টকা দিয়া হৈছে সেই ধৰণে কাম বিলাক হোৱা নাই। ড্ৰেইন বিলাকৰ কাম যি ধৰণে হ'ব লাগিছিল তেনে ধৰণৰ হোৱা নাই বা ইতিমধ্যে বহুতো ড্ৰেইন বন্ধ হৈ যোৱাৰ ফলত কোনো ফালে পানী ওলাই যাব নোৱাৰা কাৰণে নানা ধৰণৰ সমস্যাৰ সৃষ্টি হৈছে। বিভাগটোত কাম বিলাক চোৱা চিতা কৰাৰ কাৰণে যি ধৰণৰ অভিজ্ঞ বিষয়াৰ প্ৰয়োজন আছিল তেনে বিষয়া নথকাৰ কাৰণে কাম বিলাক চোৱা চিতা কৰি সমস্যা সমূহ দূৰ কৰিব পৰা নাই। জুনিয়ৰ ইঞ্জিনিয়াৰ সকলো এইবোৰ কামত উপযুক্ততা সাব্যস্ত কৰিব পৰা নাই। গতিকে এই আটাইবিলাক কথা ভালদৰে চোৱা চিতা কৰিব লাগে আৰু যিবোৰ ক্ষেত্ৰত নীতি বহিঃর্ভূত ভাৱে কাম চলি আছে সেইবোৰ উচ্চ স্তৰীয় বিষয়াৰ জৰিয়তে তদন্ত কৰি ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, মই কৰিমগঞ্জৰ কথা বহু দিনৰ পৰা কৈ আহিছো। অসম বিধান সভাতো কেইবাবাৰো এই বিষয়টো উত্থাপন কৰিছিলো। তেতিয়া শৰত বৰকটকী ডাঙৰীয়া টাউন এণ্ড কান্ট্ৰি প্লেনিঙৰ মন্ত্ৰী আছিল। তেখেতে কৰিমগঞ্জলৈ যাম বুলি কৈছিল, কিন্তু যোৱা নহ'ল। তাৰ মানুহ খিনিয়ে চৰকাৰৰ পৰা সহাৰি নেপায় নিজা ববীয়াকৈ এখন মাষ্টাৰ প্লেন বনাই ৰাজ্যিক চৰকাৰৰ হাতত দিছিল। নিয়ম মতে চৰকাৰে সেই মাষ্টাৰ প্লেনখন গ্ৰহণ কৰি ইমপ্লিমেন্ট কৰিব লাগিছিল। টকা নাই

নকৰিলে। ৰাজ্য চৰকাৰৰ যদি টকা নাই তেন্তে কেন্দ্ৰীয় চৰকাৰলৈ পঠাব লাগিছিল। বৰ্ত্তমান অৱস্থাত চৰকাৰে নিজৰ ফালৰ পৰা মাষ্টাৰ প্লেন আৰু স্কীম চাবমিট কৰিছে। কিন্তু মই জনামতে ৰাজ্য চৰকাৰৰ ফালৰ পৰা একো ব্যৱস্থা লোৱা নাই। কৰিমগঞ্জত আগৰ পৰা যিটো মাষ্টাৰ প্লেন চাবমিট কৰিছে সেইখনকে ৰাজ্য চৰকাৰে এপ্ৰভেল দিব লাগে আৰু ৰাজ্য চৰকাৰে দিব নোৱাৰে তেন্তে কেন্দ্ৰীয় চৰকাৰলৈ পঠাব লাগে। পানী যোগানৰ নিস্কাষণৰ যিটো ব্যৱস্থা সেইটো ইমপ্লিমেন্ট কৰাৰ কাৰণে ব্যৱস্থা লব লাগে। মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি কব খুজিছো যে কৰিমগঞ্জ পৌৰ সভাত পাব্লিক হেল্‌থ ডিপাৰ্টমেন্টে এটা মাইনৰ স্কীম কৰিছে এটা নতুন স্কীমো কৰিছে। আমি আশা কৰিছিলো ইয়াৰ জড়িয়তে কৰিমগঞ্জ পৌৰ সভাৰ খোৱা পানীৰ বাবে স্কীম যোগানত অসুবিধা নহব আৰু গোটেই মানুহ খিনিয়ে খোৱা পানী পাব। কিন্তু বাস্তৱত দেখা গল যে সেইটো হৈছে হে মাত্ৰ। মই অনুৰোধ কৰিছো কৰিমগঞ্জৰ পৌৰ সভাত পানী যোগানৰ যি ব্যৱস্থা কৰি আছে তাৰ লগত যোগাযোগ কৰি পানীৰ অভাৱ যাতে সোনকালে দুৰ কৰা হয় পি এইচ ডিয়ে যাতে তাৰ ব্যৱস্থা সোনকালে কৰে তাৰ আশা ৰাখিছো।

* শ্ৰী ৰঞ্জিত দত্ত ঃ মাননীয় উপাধ্যক্ষ মহোদয়, বহুদিনৰ আগতে গ্ৰাম্য উন্নয়নৰ ক্ষেত্ৰত বাজেট পাছ কৰিছিল। আজিও পৰিপূৰক দাবী আহিছে। ১৯৯৫ চনতে গ্ৰাম্য পৌৰ সভা প্ৰতিষ্ঠা কৰা হৈছিল কিন্তু আজিলৈকে ৰাজ্যৰ চৰকাৰৰ লগত ডিমাৰকেশ্যন হোৱা নাই। কাৰণটো হ'ল সীমাৰ মাটিতো ৰেলৱেৰ মাটি। তাত বেদখল কৰি মানুহ বহি আছে সেইবোৰক উঠাই দিয়াৰ ব্যৱস্থা হোৱা নাই। সেই বাবে ডিমাৰকেশ্যনত অসুবিধা হৈ আছে। লোকেল চেল্‌ফ গভ্‌মেন্ট ইমপ্লিমেন্ট কৰিব লাগে, কৰা নাই পৌৰ সভাই যিখিনি

★ Speech not corrected

মিনিমাম সুবিধা ৰাইজক দিব লাগে সেই খিনি যদি দিব নোৱাৰে তেন্তে পৌৰসভাৰ অৰ্থ কি?

উপাধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ক দৃষ্টি আকৰ্ষণ কৰি কব বিচাৰিছো যে গ্ৰাম্য পৌৰ সভাৰ ডিমাৰ্কেশ্যন অতি আৱশ্যক হৈ পৰিছে। যোৱা কিছু দিনৰ আগতে সীমাত জুই লাগিল, এদিন বাদ দি সীমাত বেৰা দি দিলে, এই বিষয় লৈ হাইকোৰ্টত কেচ লাগি আছে। আমি ৰাইজৰ প্ৰতিনিধি হৈ যদি ৰাইজক সুৰক্ষা দিব নোৱাৰো তেন্তে প্ৰতিনিধি হৈ থকাৰ যুক্তিয়েই বা কি? সেই কাৰণে মন্ত্ৰী ডাঙৰীয়াক মই অনুৰোধ জনাওঁ যে সোনকালেই এই সমস্যাৰ সমাধান কৰিব লাগে। ৰেভিনিউ বিভাগৰ পৰা নটিফিকেশ্যন হোৱাৰ পিচত সীমা লৈ বেছি অসুবিধাৰ সৃষ্টি হ'ব সেয়ে আমাৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰে আৰু ৰেলৱেৰ হায়াৰ অথৰিটিৰ লগত আলোচনা কৰি তেওঁলোকে দিয়া সীমাৰ চিন ভাঙি দিয়াৰ ব্যৱস্থা কৰিব লাগে। শেষত পানী যোগান আঁচনিৰ ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনাইছো। এই খিনিকেকৈ মই সামৰণি মাৰিছোঁ।

* শ্ৰী পবিন্দ্ৰ ডেকা ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আৰবান ডেভেলপমেন্টৰ কাৰণে চৰকাৰে পৰিপূৰক দাবী মঞ্জুৰী উত্থাপন কৰিছে। আমাৰ প্ৰায় ১৩ শতাংশ লোকেই চহৰত বাস কৰে। ৰাজ্যখনত এখন মিউনিচিপাল কৰপৰেশ্যন আছে। তাৰ ভিতৰত ২৫ খন মিউনিচিপাল ব'ৰ্ড, ৪৯ খন টাউন কমিটি আছে আৰু আছে চেনচাচ ৫০ খন। প্ৰায় ৬১২ বৰ্গ কিঃ মিঃ নগৰ অঞ্চলত আছে। এতিয়া এটা সময় আছিল যিটো সময়ত নগৰ এলেকাৰ প্ৰতি আমাৰ গাঁৱৰ ৰাইজৰ তেনে ধাৰণা বা বিশেষ আকৰ্ষণ নাছিল। ১৯৫৭ চনত 'লাচিত বৰফুকন' নামৰ চিনেমা খন নিৰ্ম্মাণ কৰা হৈছিল। তেতিয়া ইভা দাসে এটা গীত গাইছিল। গীতটো হ'ল-

★ Speech not corrected

গাঁৱৰে জীয়ৰী মই, সপোন সুন্দৰী, গাৱঁতেই সৰগ ৰচো, মাটিতেই সপোন ৰচো, দেৱতাই ৰ লাগি চায়। শৰাইঘাটৰ যুদ্ধখন হৈছিল ১৬৭১ চনত। কিন্তু তাৰ পিচত বহুতো পৰিবৰ্তন ঘটিল। এতিয়া গাঁৱৰ প্ৰতি মানুহৰ আকৰ্ষণ লাহে লাহে কমি আহিল। গাওঁ বিলাকত মানুহে যিখিনি সুবিধা পাব লাগে সেই সুবিধা নোপোৱাৰ বাবেই এতিয়া চহৰলৈ ঢাপলি মেলিছে। আনকি গাওঁৰ প্ৰায় ভাগ শিক্ষকেই এটুকুৰা হলেও টাউনত মাটিকিনি তাত এটা ঘৰ বনোৱাৰ ব্যৱস্থা কৰিছে। এই নগৰ চহৰলৈ মানুহ যদিও আকৰ্ষিত হৈছে তথাপি এই নগৰ চহৰবোৰৰ অৱস্থাও তথৈবচ হৈছে। এজাক বৰষুণ হলেই এই নগৰ চহৰ বোৰত বানপানী হয়। আমি সেই পানীৰ মাজেৰে খোজ কাঢ়ি গলে চিনাকী মানুহে আমাক সোধে, ধৰিব নেলাগে নেকি? আমি তেতিয়া কওঁ আমি গাওঁৰ মানুহ বোকাপানীৰ মাজত খেতিবাতি কৰাৰ আমাৰ অভ্যাস আছে। আমি নপৰো, গতিকে আমাক ধৰিব নেলাগে বুলি আমি কওঁ। আমি ওলোটাইহে তেখেত সকলক ধৰিব লাগিব নেকি সোধো। আজিও এজাক বৰষুণ হলেই গুৱাহাটীৰ হেঙেৰাবাৰী, জু ৰোড আদি ঠাই পানীত ডুব যায়। আনকি মাননীয় অধ্যক্ষ মহোদয়ৰ বাসভৱনো পানীত ডুব যায়। গতিকে এই চহৰ নগৰৰ অৱস্থাও বেয়া হৈ আছে। আমি এই চহৰ নগৰ সমূহৰ যেনেদৰে উন্নয়ন সাধন কৰিব লাগিছিল তেনেদৰে উন্নয়ন সাধন কৰিব পৰা নাই। উন্নয়ন মূলক কামৰ কাৰণে যিখিনি ধন পাব লাগে সেইখিনি ধন পোৱা নাই। কিন্তু যিখিনি টকা পইচা পাইছে সেইখিনিও সঠিক ভাবে খৰচ কৰিব পৰা নাই। একাদশ বিত্ত আয়োগে নগৰ আৰু চহৰ উন্নয়নৰ কাৰণে অধিক ধন ধাৰ্য্য কৰিব লাগে। টাউনৰ বেচি ভাগ ৰাষ্টাই পি, ডব্লিউ, ডিৰ আণ্ডাৰত পৰে। গুৱাহাটীৰো বেচিভাগ ৰাষ্টা পি, ডব্লিউ, ডি ৰ আণ্ডাৰত পৰে। যোৰহাটৰ মুঠ মাটি কালি হ'ল ৬৪ বৰ্গ কিলোমিটাৰ। গুৱাহাটীৰ পিচতেই যোৰহাট পৰে।

এই টাউন আৰু চহৰ বিলাকৰ মেইন ৰাষ্টা বিলাক পি, ডব্লিউ, ডি য়ে কৰিব লাগে আৰু ভিতৰৰ সৰু সৰু ৰাষ্টা বিলাক টাউন অথৰিটিয়ে কৰিব লাগে। টিহু টাউনত যদি যায় দেখিব তাত একাঠু পানী আছে। এইটো কিয় হৈছে? আমি প্লেন প্ৰগ্ৰেম মতে কাম বিলাক কৰা নাই, মাষ্টাৰ প্লেন কৰা নাই। গুৱাহাটীৰ ভিতৰুৱা ৰাষ্টা বিলাক ২৫ ফুট হ'ব লাগে। কিন্তু গুৱাহাটীৰ কোনো ভিতৰুৱা ঠাইত ২৫ ফুট ৰাষ্টা নাই? গুৱাহাটীকে ধৰি অন্যান্য টাউন চহৰ বিলাকত ড্ৰেইন নাই, পানী ওলাবলৈ আউতলেট নাই। সেই কাৰণে সেই টাউন চহৰ বিলাকৰ অৱস্থা কদৰ্য্য হৈছে। গুৱাহাটীৰ দৰে যোৰহাট, ডিব্ৰুগড় আদি টাউনতো এজাক বৰষুণ হলেই পানী ওলাব নোৱাৰা অৱস্থা হয়। এতিয়া গাঁও বিলাকৰ অৱস্থা বহুত ভাল হ'ল। যোৱা ৪ বছৰত গাঁৱৰ ৰাষ্টা-ঘাত বহুখিনি উন্নত হ'ল। গাঁৱৰ মানুহক পঞ্চায়তৰ জৰিয়তে বহুখিনি সুবিধা দিয়া হৈছে। এতিয়া গাঁৱৰ মানুহে ৰাষ্টা-ঘাট ভাল হোৱাৰ কাৰণে টাউনত মাটি কিনিবলৈ বাদ দিছে। গাঁৱৰ মানুহে এতিয়া কয় যে এতিয়া ইলেক্ট্ৰিক লাইন আহিছে আৰু বেলেগ বেলেগ সুবিধা দিছে গতিকে টাউনলৈ কিয় যাব লাগে। এতিয়া এনকুৱা অৱস্থা হৈছে। কিন্তু আৰবান এলেকাৰ অৱস্থা যে ভাল হ'ব এইটোৰ সম্ভৱনা নোহোৱা হৈছে। মাজতে টাউন বিলাকক ১ কোটিকৈ টকা দিয়াৰ কথা কৈছিল। টাউনত বজাৰ আদিকে ধৰি কিছুমান উন্নয়ন মূলক কাম কৰা হ'ব বুলি কোৱা হৈছিল। ১ কোটি টকা দিয়া বুলি শুনি ঠিকাদাৰ সকলে দৌৰা-দৌৰি লগাইছিল। মোৰ ওচৰলৈ আহিছিল। মই তেখেত সকলক অতিৰিক্ত মূখ্য সচিব চি, কে, দাসৰ ওচৰলৈ যোৱাৰ কথা কৈছিলো। পিচত দেখিলো একোৱেই নাই। ১/২ কোটি টকা একো এটাই নহয়। যিহেতু একোখন নগৰেই একোখন দেশৰ পৰিচয় দিয়ে গতিকে সেই কথাতো আমি চাব লাগিব। ইটালীৰ পৰিচয় আছে ৰোমৰ পৰা, ফৰাচীৰ পৰিচয় আছে পেৰিচৰ

পৰা, বৃটিচৰ পৰিচয় আহে লন্ডনৰ পৰা ঠিক তেনেদৰে ভাৰতৰ পৰিচয় দাঙি ধৰে দিল্লীয়ে সেইটো হৈছে। সেই কাৰণে আমি গুৱাহাটী, ডিব্ৰুগড়, যোৰহাট আদি নগৰ চহৰ বিলাকৰ ভালদৰে উন্নয়ন সাধন কৰিব লাগে। কাৰণ এই নগৰ চহৰবোৰ হৈছে আমাৰ ৰাজনীতি, অৰ্থনীতি, সাংস্কৃতিৰ মূল কেন্দ্ৰ। গতিকে আমি উন্নয়ন সাধন কৰিব লাগিব। এইযিখিনি টকাৰ মঞ্জুৰী বিচাৰিছে সেইখিনি নিচেই কম টকা। কিন্তু টকা পইচা নোহোৱাকৈও আমি কিছুমান কৰিব পাৰো। গুৱাহাটী মিউনিচিপালিটি কৰ্পোৰেচনত হাজাৰ হাজাৰ চাফাই কৰ্ম্মী আছে। এবাৰ ভালকৈ পৰীক্ষা কৰিলে দেখা পাব যে এই হাজাৰ হাজাৰ চাফাই কৰ্ম্মীয়ে তেওঁলোকৰ কাম বিলাক কৰিছে নেকি? টিহু টাউনত ইমান কৰ্ম্মী আছে অথচ টিহু টাউন খন লেতেৰা। টিহুত ৭ লাখ টকা টেক্স পাবলৈ বাকী আছে। গুৱাহাটীত বা কিমান বাকী আছে? চৰকাৰে আইন প্ৰয়োগ কৰি হলেও টেক্স বিলাক সংগ্ৰহ কৰিব লাগে। এই টেক্স বিলাক সংগ্ৰহ কৰাৰ পিচত নগৰ চহৰ বিলাকত মানুহে যিখিনি সা-সুবিধা পাব লাগে সেইখিনি দিব লাগে। এইখিনিকে মই মাননীয় মন্ত্ৰী মহোদয়ৰ ওচৰত নিবেদন জনাইছো আৰু গুৱাহাটীক বিশেষকৈ যিহেতু উত্তৰ পূৰ্বাঞ্চলৰ দুৱাৰমুখ বুলি কয় আৰু অসমৰ পৰিচয় দিবলৈ হলে গুৱাহাটীকে দাঙি ধৰিবলগীয়া হয় সেয়েহে গুৱাহাটী খন উন্নয়নৰ ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে অধিক মনোযোগ দিব বুলি আশা ৰাখি আৰু অনুৰোধ জনাই মই মোৰ বক্তব্য ইয়াতেই সামৰিলো।

**Mr. Deputy Speaker : Now, Hon'ble Member, Shri Alok Ghose.**

* শ্ৰীঅলক ঘোষ ঃ মাননীয় উপাধ্যক্ষ মহাশয়, মই অসম বিধান সভাত আৰ্বান বিভাগটোৰ ওপৰত অনুমোদন দিয়াত আপত্তি নাই

★ Speech not corrected

যদিও মোৰ সমষ্টি মৰিয়নিৰ যিটো অৱস্থা সেইটোৰ বাবে কেবাবাৰো বিভাগীয় আৰবান মন্ত্ৰীৰ লগত আলোচনা কৰা হৈছিল যদিও আজিলৈকে একো কামত অহা নাই। ৫ হেজাৰ জনসংখ্যা থকা মৰিয়নি টাউনখনত ৫ টা ওৱাৰ্ড আছে যদিও ওৱাৰ্ড হব লাগিছিল কমেও ১০ টা। জনসংখ্যা অণুপাতে ওৱাৰ্ড মৰিয়নিত হোৱা নাই। মই এই বিষয়ে মাননীয় মন্ত্ৰীক কেবাবাৰো কোৱা হৈছিল যদিও আজিলৈকে একো কামত অহা নাই। মই আশা কৰিছিলো যে বিভাগীয় মন্ত্ৰী মহাশয়ে এই বিষয়ত গুৰুত্ব সহকাৰে বিবেচনা কৰি এটা পদক্ষেপ হাতত লব বুলি। মাননীয় মূখ্যমন্ত্ৰীৰ গৃহ জিলাৰ একেবাৰে ওচৰত মৰিয়নি সমষ্টি যদিও মই একে পাৰ্টিৰ নোহোৱাৰ বাবে অৱহেলা কৰি অহাটো পৰিলক্ষিত হৈছে। এইটো কিন্তু হব নালাগে। মাননীয় উপাধ্যক্ষ মহাশয়, মৰিয়নি টাউনখনৰ মাজেৰে যি কেইটা ড্ৰেইন গৈছে সেই কেইটাৰ অৱস্থা একেবাৰে শোচনীয়। মই আৰবান মন্ত্ৰীক এই ড্ৰেইনৰ বিষয়ে কেবাবাৰো আপত্তি আৰু আলোচনা কৰিছিলো যদিও আজিলৈকে একো কামত অহা নাই। মই বিভাগীয় মন্ত্ৰীক আজিৰ এই পবিত্ৰ সদনত কব বিচাৰিছো যে আজি স্বাধীনতা পোৱাৰ পিচতো মৰিয়নি সমষ্টিটো অৱহেলিত হৈয়েই আছে। এই ক্ষেত্ৰত মই মাননীয় মন্ত্ৰী মহাশয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে সময় থাকোতেই এটা পদক্ষেপ ললে ভাল হয়। আজি কিছুদিন আগতে জনমভূমি কাকতত এটা সংবাদ প্ৰকাশ পাইছে যে মৰিয়নি টাউন কমিটিৰ বাবে যি ধন ধাৰ্য্য কৰা হৈছে সেই ধন আত্মসাৎ কৰা হৈছে। যিটো কথা শুনিবলৈ বেয়া আৰু বেয়া লাগিছে। সমষ্টি বা টাউনখনৰ উন্নতিৰ কাৰণে অহা ধনখিনি আত্মসাৎ কৰাটো কিমান দুখঃজনক চাব ভাবিলে আচৰিত লাগে। অধ্যক্ষ মহাশয়, P.S. to Minister UDD Shri Babul Bora with drawn Rs. 3 lakhs 8 thousand on B-11-04। অধ্যক্ষ মহাশয়, মৰিয়নি

টাউন কমিটিৰ বাবে ৪ লাখ ১০ হেজাৰ টকা চেনচন দিয়া হৈছে যদিও তাৰে মাত্র ১ লাখ টকাহে দ্র কৰা হৈছে (Mr. Deputy Speaker vacoted the Chair and Mr. Speaker Occupied the Chair.)। অধ্যক্ষ মহাশয়, কংগ্রেছ চৰকাৰ নিকা চৰকাৰ বুলি কয়, এয়ে নেকি নিকা চৰকাৰৰ নমুনা। আমি জন সাধাৰনৰ প্রতিনিধি হিচাপে আমাৰ কৰিবলগীয়া বহুত কামে আছে যদিও জনসাধাৰনৰ প্রতিনিধি হিচাপে ৰাইজৰ আমি যি ধৰণে কাম কৰিব লাগে সেই ধৰণে কৰিব পৰা নাই। ৰাইজে আমাৰ পৰা বহু আশা কৰে যদিও সেই আশা আমি পুৰণ কৰিব পৰা নাই। অধ্যক্ষ মহাশয়, আৰু এটা কথা কবলৈ বিচাৰিছো যে মৰিয়নি সমষ্টিত বা টাউনখনত আমাৰ বহুতো ৰাজহ সংগ্রহ হব যদিও সঠিক ভাবে সেইটো ৰূপায়ণ কৰিব পৰা নাই বাবে আমাৰ ৰাজহ সংগ্রহ বহু কম হৈ আছে। এই ক্ষেত্রত মাননীয় আৰবান বিভাগৰ মন্ত্রীক মই কেবাবাৰো এই বিষয়ে অৱগত কৰিছো আৰু মই আশা কৰিছো এই ক্ষেত্রত তেখেতে এটা ব্যৱস্থা গ্রহণ কৰিব আৰু ৰাজহ সংগ্রহো অধিক মাত্রাত আগবাঢ়িব। টাউন কমিটিৰ আন্দাৰত সেই মানুহখিনিক পট্টা দিয়াৰ ব্যৱস্থাও কৰিব লাগে মই এই বিষয়ে মাননীয় মন্ত্রী মহাশয়ৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো। মৰিয়নি টাউন কমিটিৰ বজাৰখনৰ অৱস্থা দিনক দিনে বেয়াৰ ফালে গৈ আছে। এই ক্ষেত্রত বিভাগীয় মন্ত্রী মহাশয়ে এটা দৃঢ় পদক্ষেপ হাতত ললে ভাল হয় আৰু তাৰ কাৰণে মই অনুৰোধ কৰিছো। এজাক বৰষুণতে গোটেই বজাৰখন দুর্গম হৈ পৰে। বজাৰ খনৰ পৰা আমাৰ বজাৰ কৰিব যোৱা মানুহখিনিয়ে যিটো কষ্ট ভোগ কৰে সেইটো নেদেখিলে ভাবিব নোৱাৰি। অধ্যক্ষ মহাশয়, মোৰ দ্বিতীয় কথা হৈছে যে মৰিয়নি টাউনখনৰ খোৱা পানীৰ ব্যৱস্থা কৰিবৰ কাৰণে মই একাধিকবাৰ মাননীয় মন্ত্রী মহাশয়ক কৈ অহাৰ পিচতো আজিলৈকে একো কামত অহা

নাই। আজি এটুপি খোৱা পানীৰ কাৰণে আমাৰ বৃদ্ধ মা, আইতাই ৰেলৱেৰ পৰা পানী আনিব লগা অৱস্থাত আছে। এটুপি খোৱা পানীৰ কাৰণেই আজি এই পৰ্য্যায় পাইছেগৈ। কিছুদিন আগতে অকণমান ঠাইত পাইপ ফিট কৰি থোৱাহে দেখা গ'ল যদিও আজিলৈকে সেই ঠাইখিনিলৈকেও পানী যোগান ধৰাৰ ব্যৱস্থা হৈ উঠা নাই।

* শ্ৰীঅলক ঘোষ ঃ মাননীয় অধ্যক্ষ মহাশয়, খোৱা পানীৰ কাৰণেই আজি বহুতো বেমাৰ হয়। এটুপি ভাল পানীৰ কাৰণে আজি আমাৰ মানুহখিনিৰ যিটো অৱস্থা সেইটো ভাবিবলৈ বেয়া লাগে। মই মাননীয় মন্ত্ৰী মহাশয়ক পুনৰ বাৰ আজিৰ এই পৱিত্ৰ সদনত অনুৰোধ কৰিব বিচাৰিছো যে মৰিয়নি টাউন খনত কম দিনৰ ভিতৰতে যাতে খোৱা পানীৰ ব্যৱস্থা কৰি দিয়ে তাৰ বাবে অনুৰোধ কৰিলো। অধ্যক্ষ মহাশয়, মৰিয়নি টাউনখন সাধাৰণতে বাগান এৰিয়া আৰু ৰেলেৱে এৰিয়া আদিয়ে প্ৰধান। যাৰ কাৰণে বাগানে বাগানৰ কাৰণে ব্যস্ত ৰেলেৱে ৰেলেৱেৰ কাৰণে ব্যস্ত তাৰ কাৰণেই টাউন খনৰ উন্নতি নহয়। মই মাননীয় মন্ত্ৰী মহাশয়ক টানি অনুৰোধ কৰিব খুজিছো যে এই ক্ষেত্ৰত এটা ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা কৰিছো। এই টাউন কমিটি বিলাকে চৰকাৰক নিৰ্দ্দেশ দিয়ক ৰেলেৱেৰ মাটি ডিমাৰকেচন হব লাগে। আমাৰ ৰাজ্য চৰকাৰৰ মাটি ঘুৰাই লওক এই মাটিত চৰকাৰৰ উন্নয়ন কাম কৰিব পাৰিব। আটাইতকৈ দুখৰ কথা হৈছে মানুহক বিশুদ্ধ খোৱা পানীৰ যোগান ধৰিব পৰা নাই। এই বিলাক কৰক। আজি টকা অনুমোদন দিবলৈ ওলাইছে তাত আমাৰ কোনো আপত্তি নাই কিন্তু যি কেইটা কৰা হ'ল তাৰ দ্ৰাফট ওলাব লাগে। চৰকাৰে এই সকলো বিলাক কাম নিয়াৰিকৈ কৰিব লাগে। এই খিনিকে কৈ মোৰ বক্তব্য সামৰণি মাৰিছো।

---

★ Speech not corrected

* শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে ইতিমধ্যে আৰ্বান ডেভেলাপমেন্টৰ কথা উল্লেখ কৰিছে। টাউন, গাওঁ, চহৰ আদিত সমস্যাৰ সৃষ্টি হৈছে। আজিকালি বিশেষকৈ গাওঁ বিলাকত বেছি সমস্যা হৈছে, গাওঁবিলাকৰ পৰা নগৰলৈ মানুহ বিলাক আহিব ধৰিছে। নগৰত বসবাস কৰিবলৈ লৈছে। গুৱাহাটীলৈ মানুহ আহিব ধৰিছে। গুৱাহাটীৰ পৰা দিল্লী বম্বেলৈ মানুহ যাব ধৰিছে। তাৰ পৰা লণ্ডনলৈ যাব ধৰিছে। তাত চেটেল কৰিছে। এখন ভাল নগৰ হবলৈ হলে বহুতো সুবিধা লাগে, যাতায়তৰ সুবিধা, খোৱা পানীৰ সুবিধা আদি থাকিব লাগে। খোৱা পানীৰ বিষয়টো গুৰুত্বপূৰ্ণ বিষয়, ইয়াৰ চিষ্টেম থাকিব লাগে। মাননীয় মন্ত্ৰী মহোদয়ে ১১ ফাইনেন্স কমিশ্বনৰ পৰা যি টকা আনিছে সেই টকা কম হৈছে। ভাল কামত খৰচ কৰিলে ভাল কথা, যদি বেয়া কামত খৰচ কৰে বেয়া কথা হব। গুৱাহাটী মহানগৰীত যি ওৱাটাৰ লগিং হয়, একেবাৰে বেয়া অৱস্থা হয়। জু-ৰোডত এককাল পানী হয়, মই গাড়ী লৈ যাওঁতে দেখিলো ৰাস্তাত পানী হৈছে। মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই হয়তো কব শইকীয়াই কি পানী কথা কয়। মুম্বাইটো পানী হৈছে। এইটো সাধাৰণ কথা। তেখেতে ডেভেলাপমেন্ট বিভাগৰ দায়িত্বত থকা হিচাপে কাম বিলাক কৰিলে ভাল হব। মন্ত্ৰী মহোদয়ে এক নম্বৰ দুই নম্বৰ তিনি নম্বৰ লিষ্ট বনাই লব লাগিছিল যে ৰাস্তা ঠিক কৰিম। সেই কাৰণে কৈছো যে আমাৰ গুৱাহাটী মহানগৰীকে ধৰি অসমৰ যিমান বিলাক টাউন আছে সেই বিলাকৰো অৱস্থা তথৈবচ। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে কাম বিলাক আৰম্ভ কৰিব লাগে। দিল্লীৰ পৰা টকা আনিছে, প্লেন এণ্ড এষ্টিমেট দিল্লীলৈ পঠিয়াইছে। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে পাচ কৰিব লাগিব। ধেমাজী টাউনখন উন্নয়নৰ কাৰণে ড্ৰেইনেজ আদিৰ বাবে ৩৫ কোটি টকা লোৱা বুলি শুনিছো। দিল্লীৰ পৰা

★ Speech not corrected

মানুহ আহিছিল, তেখেত সকলৰ লগত কথা পাতিছো। নৱেম্বৰ মাহত আধাৰশিলা স্থাপন হব। পইচা আহিব কাম ভালধৰণে কৰিব লাগিব। সেই কাৰণে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ, বাইদেউকো কম, কাহিলীপাৰা লাল গনেশ ৰাস্তাটো এবাৰ ভিজিট কৰক। তেতিয়া মানুহে জানিব, মই তালৈ গৈছিলো, সেইটো মোৰ সমষ্টি নহয়, ভোটাৰ ৰাইজে চৰকাৰক ভোট দিব। তাত মই দেখিছো প্ৰকাণ্ড প্ৰকাণ্ড গাত হৈ আছে। সেই কাৰণে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ভিজিট কৰিবলৈ অনুৰোধ কৰিছো। দক্ষিণ গাঁৱৰ ৰাস্তাটো গাত আছে। সেইফালে ৯ টা অফিচ আছে। বিশিষ্ট নাগৰিক সকলে এই বিষয়ত এখন চিঠি দিছে, সেই সকল হ'ল, কনকসেন ডেকা, শংকৰ প্ৰসাদ ৰয়, তেওঁলোকে এপিল কৰিছে। ৰাস্তা ভাল কৰাৰ কোনো ব্যৱস্থা নহয়, মাননীয় সদস্য পবিন্দ্ৰ ডেকা ডাঙৰীয়াই কৈছে। অসমৰ প্ৰায় বিলাক গাওঁৰ পৰা টাউনলৈ মানুহ আহিছে। গাওঁবিলাকৰ যোগাযোগৰ ব্যৱস্থা নাই। খোৱা পানী, যাতায়ত, আইন শৃংখলা সকলো সুবিধা পাব লাগে। গাওঁবিলাকৰ অৱস্থা শোচনীয় হৈছে। বাহিৰৰ পৰা অহা মানুহে কয় যে আপোনালোকৰ নগৰখন বেয়া। কাশ্মীৰৰ পৰা মানুহ এজন আহিছিল, তেখেতে কৈছে অকল গুৱাহাটী ভাল কৰিলে নহব। ভিতৰুৱা অঞ্চল বিলাকো ঠিক কৰিব লাগিব। ডিব্ৰুগড় জিলাতো ওৱাটাৰ লগিং হয়। অধ্যক্ষ মহোদয়, আপুনি ডিব্ৰুগড়ৰ প্ৰতিনিধি। সেই বাবে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বোলে ডেজাৰ চলাই দিব লাগে। বিষয়াই মন্ত্ৰীৰ বিৰুদ্ধে প্ৰেছ কনফাৰেন্স পাতিছিল। তাৰ মানে মন্ত্ৰীয়ে বিষয়াক কন্ট্ৰোল কৰিব নোৱাৰে নেকি? সমাজৰ প্ৰতিজন মানুহৰ লগত আলোচনা কৰিব লাগে, বহুত এন, জি, অ, আছে, তেওঁলোকৰ দ্বাৰা কাম কৰিব পাৰে। কাম বিলাক যাতে ভাল ধৰণে হয় তালৈ চাব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, লাল গনেশ অঞ্চলৰ বিশিষ্ট ব্যক্তি সকলে তেওঁলোকৰ অসুবিধাৰ বিষয়ে এখন মেমৰেণ্ডাম মূখ্যমন্ত্ৰী, গড়কাপ্তানি মন্ত্ৰী আৰু হিমন্ত বিশ্ব শৰ্মাকো দিছে। সেই অঞ্চলত ১১/১৪ টা অফিচ আছে। তাত লাইট বুলি কথা নাই। এই অৱস্থাত গুৱাহাটী মহানগৰী চলি আছে। এই কাৰণে মানুহৰ ক্ষোভ হৈছে। প্ৰতিবাদ কৰিবলৈ ৰাস্তালৈ ওলাই আহিছে। ছাত্ৰ-ছাত্ৰী, মহিলা বিভিন্ন সংগঠনে ওলাই আহিছে। তেওঁলোকক পুলিচে কোবাইছে। বিভিন্ন ধৰণে মাৰপিত কৰিছে। অধ্যক্ষ মহোদয়, আপোনাৰ নেতৃত্বত সদনৰ পৰা এটা দল ওলাওক, চাই আহক। এই সকল ভোটাধিকাৰ থকা ৰাইজ। তেওঁলোকে ভোট দিয়ে, যি চৰকাৰেই নহওঁক। তেওঁলোকে টেক্স দিয়ে, তথাপি কোনো সুবিধা নাপায়। এইটো হলে কেনেকৈ হব। ইয়াৰ বাবে যদি প্ৰটেষ্ট কৰিলে পুলিচে কোবায়। পৰবৰ্ত্তী বিধানসভাৰ অধিবেশন হলে ময়ো তেওঁলোকৰ লগতে প্ৰতিবাদ কৰিম। আৰু তিনিমাহ পিচত নেচনেল গেমচ্ হব। খোৱাপানীৰ ক্ষেত্ৰত পি, এইচ, ইয়ে টেণ্ডাৰ কল কৰিছে। গেমন ইণ্ডিয়াই টেণ্ডাৰ দিছে। কিন্তু ইয়াত যথেষ্ট অনিয়ম হৈছে। ব্ৰহ্মপুত্ৰ গ্ৰাউণ্ড ৱাটাৰৰ পানী খাব নোৱাৰে বুলি কৈছে। তাত আৰ্চেনিক আৰু ফ্লৰাইড ওলাইছে। গতিকে সেই পানী শোধন কৰাৰ বাৱস্থা কৰিব লাগে। ব্ৰহ্মপুত্ৰৰ পানী তেজপুৰ, ধুবুৰী আদিত শোধন কৰিব পাৰি । আমাৰ শোৱণশিৰী নদী আছে। ডিব্ৰুগড়তো সুবিধা আছে। গতিকে প্লেন এণ্ড এষ্টিমেত লওঁক। শোধন কৰক। ব্ৰহ্মপুত্ৰৰ পানী কিয় খাব নোৱাৰি। গেমচ ভিলেজৰ ক্ষেত্ৰত এটা প্ৰস্তাৱ খোৱাপানীৰ কাৰণে যোৱাকালি লোৱা হৈছে। ১ কোটি টকা ইফাল-সিফাল হৈছে এইটো বৰ দুখৰ কথা। এইটো নহওঁক বুলি সিদ্ধান্ত লওঁক। অসম চৰকাৰৰ মন্ত্ৰী একটিভ হওক? ৪০ বছৰীয়া ডেকাৰ নিচিনা কাম কৰক। মানুহে আৰ্শীবাদ দিব। গুৱাহাটীৰ বিষয়ে ভাবিব নেলাগে সমগ্ৰ

অসমৰ কথা চিন্তা কৰক। বোম্বেত কি হৈছে সেইটো কথা নহয়। বোম্বেত ৯০০ মি, মি চেৰাপুঞ্জীত ৮৫০ মি, মি বৰষুণ হৈছিল। সৌভাগ্যৰ কথা যে অসমত বেছি পানী হোৱা নাই। অসমৰ পৰিস্থিতি ভয়াবহ। বিদ্যুৎতৰ কাৰণে আন্ধাৰত ডুব গৈ থাকিব লাগে। যোৱাকালি মূখ্যমন্ত্ৰী মহোদয়ৰ ভায়েকৰ ঘৰত চোৰ হৈছে। তেখেতে ভাৰা ঘৰত থাকে, চিম্পল মানুহ। মই মূখ্যমন্ত্ৰীৰ ভায়েক বুলি কেতিয়াও নকওঁ। তেখেতে আই, আই, টিত চাকৰি কৰে। অসমত এই ব্যৱস্থা কিয় হৈছে। মই দীঘলীয়া নকৰো। এই প্ৰসংগতো চিৰিয়াছ্ কাৰণে কৈছো। এই কথাখিনি আলোচনা হব লাগে। কিন্তু আপাৰ আচামত হাইৱে ৰিপেয়াৰ , সেই কাৰণে মই কৈছো যে কাহিলী পাৰা- লাল গনেশ এই ৰাস্তাটো কৰক। এই ক্ষেত্ৰত মই সকলো সদস্যকে অনুৰোধ জনাইছো, দৰ্কাৰ হলে মাননীয় মুখ্যমন্ত্ৰী মহোদয়কো জনাম।

* শ্ৰী হেমন্ত কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, সেই ৰাস্তাৰ কাৰণে দহ কোটি টকা দিয়া বুলি শুনিছো।

* শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ কিন্তু এই ৰাস্তাটো কোন ঠিকাদাৰে টেণ্ডাৰ দিছে, কোনে কৰিছে। আমি ঠিকাদাৰৰ নাম আনন্দ জৈন বুলি জানিব পাৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, অসমৰ ভিতৰুৱা অঞ্চলবিলাকত আপুনি যেতিয়া সোমাব তেতিয়া বিকশিত অসমৰ কথা নাহে। ৰাস্তা-ঘাটৰ অৱস্থা অতি জৰাজীৰ্ণ। কেৱল মেৰামতিহে বাৰে বাৰে কৰি থাকে আকৌ ধ্বংস হৈ যায়। সেইকাৰণে মই মাননীয় অধ্যক্ষ ডাঙৰীয়াক বিশেষকৈ অনুৰোধ জনাইছো যে কাহিলিপাৰা, লালগণেশ ৰাস্তাটোৱে এবাৰ গৈ আহক ৰাইজে কি অৱস্থাত যাতায়ত কৰি আছে বুজিব পাৰিব। ৰাস্তাটোৰ নিৰ্ম্মানৰ কাম ঠিকাদাৰক দিছে কিন্তু টেণ্ডাৰ হোৱা নাই। ৰাস্তাটোৰ কাৰণে টকা

★ Speech not corrected

কৰৈ পৰা আহিছে, ৰাস্তাটো কিমান ফুট বহল হব তাৰ কোনো প্লেন এষ্টিমেট কৰা হোৱা নাই। মই বৰ দীঘলীয়া নকৰো, বিষয়টো খুব চিৰিয়াচ সেই কাৰণে মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন জনাইছো। কাহিলিপাৰা, লালগণেশ এই অঞ্চলটোত আজিলৈকে খোৱা পানীৰ যোগান ব্যৱস্থা নহ'ল, গতিকে এই ব্যৱস্থা বিলাক ভাল ধৰণেৰে আৰু সোনকালে কৰিবৰ কাৰণে মই অনুৰোধ জনালো। পুনৰ কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন জনাই মোৰ বক্তব্য সামৰণি মাৰিলো।

* শ্ৰীমতী প্ৰমিলাৰাণী ব্ৰহ্ম ঃ মাননীয় অধ্যক্ষ মহোদয়, গ্ৰান্ট নং ৩৫ ৰ ওপৰত মই দুটামান কথা কম। আমি কথাও বেছি নাজানো। মাননীয় সদস্য দিলীপ কুমাৰ শইকীয়া দেৱে ইয়াৰ ওপৰত বহুতো কথা কলে। এই শিতানত একাদশ বিত্তীয় আয়োগৰ পৰা ২৯ লাখ টকা দিছে। এম, এ, ডি বিভাগে নিজৰ খেয়াল খুছিমতে টকা খৰছ কৰিব পাৰিব। মাননীয় সদস্য ঘোষ ডাঙৰীয়াইও মৰিয়নি সমষ্টিৰ দুৰৱস্থাৰ কথা বৰ দুখেৰে দাঙি ধৰিছে ঠিক তেনেধৰণেৰে মইও কম। মোৰ নিজৰ সমষ্টিৰ কোকৰাঝাৰ চহৰৰ কথা মই বহুবাৰ কৈ আহিছো। এইখন চহৰত আজিলৈকে খোৱা পানী যোগানৰ ব্যৱস্থা নহ'ল। অসমৰ আন আন চহৰত যেনে তিনিচুকীয়া, ডিব্ৰুগড়, লক্ষীমপুৰ, গোৱালপাৰা আদি চহৰবিলাকৰো একে অৱস্থা। পানী যোগানৰ কাৰণে ৱাটাৰ চিউৰেজ বোৰ্ড গঠন কৰা হৈছিল সেইখনো বিফল হ'ল। ১৯৯২-৯৩ চনত কলকাটা বেজ ফাৰ্ম এখনক মবিলাই জেশ্যনৰ কাৰণে টকা দিয়া হ'ল, সেইটোও বেআইনীভাৱে। আমি এই বিষয়ে ষ্টাদি কৰিছো, আমি কিবা জানিব বিছাৰিছো তেওঁলোকে একো কব নোৱাৰে। এম, এ, ডি এ এনেধৰণেৰে বহু টকাৰ কেলেংকাৰী কৰি আহিছে।

মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৯৯১-৯৫, ১৯৯৬-২০০০ আৰু ২০০১ ৰ পৰা বৰ্ত্তমানলৈ কিছুমান চহৰত খোৱা পানী

★ Speech not corrected

এতিয়াও যোগানৰ ব্যৱস্থা কৰিব পৰা নাই। কিছুমান চহৰত এই আঁচনিৰ কাম চলি আছে কিন্তু তাৰে কিছুমান আঁচনি ডিফেক্টিভ। বাজেটত বহু টকা ধৰা হৈছিল, প্ৰায় ৪৮ কোটি টকা। ইয়াৰ দ্বাৰাই কি কাম কৰিলে আমি নাজানো। গতিকে এইটোক ইলেকচন্ ইনভেনচন বুলি কব লাগিব। মৰিয়নি, গোসাইগাওঁ আদি চহৰ আঁচনিবিলাক সফল হোৱা নাই। পানী যোগানৰ বাবে যিবিলাক এৰিয়া সামৰি লব লাগে তেনেবিলাক এৰিয়া সামৰি লোৱা নাই। ৱাটাৰ লগিংৰ সমস্যাটো আজিও দুৰ কৰিব পৰা নাই। গুৱাহাটী চহৰৰ মানুহবিলাক যেনেকৈ থাকে দুৰৰ চহৰত থকা মানুহবিলাকো একে ধৰণেৰে থাকিব পাৰিব লাগে। দূৰৰ চহৰ যেনে গোলাঘাট, মৰিয়নিৰ মানুহবিলাকেও সেইখিনি সুবিধা বিচাৰে কাৰণে মানুহবোৰ একে। খোৱা পানী যোগান ধৰাৰ চৰকাৰৰ দায়িত্ব। ইয়াৰ পৰা আমি ডিপ্ৰাইভ হৈ আছো। এই অভাৱৰ পৰা মুক্ত হব পৰা নাই। বিটিচি গঠন হোৱাৰ আগৰে পৰা যিবিলাক অফিচাৰ ইয়াৰ দায়িত্বত আছিল তেওঁলোকে কি কাম কৰিলে আমাক একো নজনালে। কিবা জানিব বিচাৰিলে তেওঁলোকে অপাৰগতা দেখুৱায়। ভিতৰৰ চহৰ বিলাকৰ ৰাস্তা-ঘাটৰ অৱস্থা জৰাজীৰ্ণ। অলপ টকা দিলে বিশেষকৈ প্ৰধান ৰাষ্টাটোৰ কিছু কাম কৰিব পৰা গ'লহেতেন। আমি সমষ্টিৰ মানুহবিলাকৰ আগত বহুত লাজ পাইছো। চৰকাৰে আঁচনিবিলাকৰ কাম-কাজবিলাক নিৰ্দ্ধাৰণ কৰি দিয়া উচিত আছিল। আমাৰ কোকৰাঝাৰ চহৰখন আগৰে পৰাই অৱহেলিত হৈ অহাৰ কাৰণে মই কবলৈ ঠিয় হৈছো। ১ নং ৱাৰ্ডত বহুতো মানুহে বসবাস কৰে। বিভিন্ন জাতিৰ মানুহ। তাত বঙালী মানুহো আছে তেওঁলোকে আমাক খুব গালি পাৰে। আমি বৰ লাজ পাইছো। একাদশ বিত্তীয় আয়োগে যদি অলপ টকা দিয়ে তাৰে বিশেষকৈ ১ নং, ২ নং আৰু ৩ নং ৱাৰ্ড কেইটাৰ উন্নয়নৰ কাম কৰিব পৰা যাব। মাননীয় সদস্য দিলীপ কুমাৰ শইকীয়াদেৱে লালগণেশ

অঞ্চলৰ কথা কৈছে। সেই ৰাষ্টাৰে মইও লালগণেশ, লখৰালৈ গৈছো, সেই পথটো সঁচাকৈয়ে জৰাজীৰ্ণ অৱস্থাত আছে। এতিয়া দেখিবলৈ পাইছো সেই পথটোৰ উন্নয়নৰ কাম হাতত লৈছে, তাৰ কাৰণে মই মাননীয় মূখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো।

মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটীৰ উলুবাৰীৰ কছাৰী বস্তি অঞ্চলটো দেখিলো অতি দুখ লাগে। তাৰ স্কুলখনৰ অৱস্থা যিটো দেখিছিলো তাত মানুহ থকাৰ উপযোগীয়েই নহয়। গুৱাহাটী চহৰৰ মাজ মজিয়াত এনেকুৱা অৱস্থা মই মাননীয় বিধায়ক শ্ৰী পংকজ বৰা দেৱক কোৱাত তেখেতে অলপ সুবিধা কৰি দিলে।

মাননীয় অধ্যক্ষ মহোদয়, উলুবাৰী, কছাৰীবস্তী ৰাস্তাৰ ড্ৰেইন নাই, ৰাস্তা নাই। একেবাৰে গাহঁৰিৰ নিচিনা থাকিব লাগে। তেওঁলোক অসমীয়া হৈ গৈছে। তেওঁলোকে অসমীয়া ড্ৰেচ কৰে অসমীয়া কথা কয়। তেওঁলোকে মদ বিক্ৰী কৰি চলি আছে। তেওঁলোকক চাকৰি বাকৰিত নিয়োগ কৰা নাই কাৰণে তেওঁলোক মদ বিক্ৰী কৰি জীৱিকা নিৰ্ব্বাহ কৰি আছে। আমাৰ বড়ো মানত আছে, কাৰ্বি মানুহ আছে, মিচিং মানুহ আছে। এই মানুহ বিলাক আহোম গাঁও বেলতলাত আছে। নেচনেল গেমচ পাতিছে কাৰণে এই মানুহ বিলাকে একচনীয়া মাটি নামজাৰি কৰিব গলে তেওঁলোকক কুকুৰৰ নিচিনা ব্যৱহাৰ কৰে। পল্টন বজাৰত মই এজন বড়ো মানুহ লগ পাইছিলো। তেওঁৰ বহুত মাটি আছিল। কিন্তু পল্টন বজাৰত থকা বেংগলী হাইস্কুল, এ, এচ, টি, চি বাচ ষ্টেণ্ড আৰু ৰেলৱে ষ্টেচনে একেবাৰে চেপি চেপি তেওঁৰ মাটি একেবাৰে কম হ'ল। এভেকচন কৰি কৰি তেওঁৰ মাটি কমি গল। তেখেতে নিজৰ মাটিখিনি নামজাৰি কৰিবৰ কাৰণে বাৰে বাৰে অফিচলৈ গৈছে কিন্তু তেওঁক অফিচৰ মানুহে কুকুৰৰ নিচিনা ব্যৱহাৰ কৰিছিল। মই এম, এল, এ হোৱাৰ পিচত মাননীয় প্ৰয়াত

মন্ত্ৰী মুকুট শৰ্ম্মা ডাঙৰীয়া দেৱে তেখেতৰ এই কামখিনি কৰি দিলে। তেখেতে মোৰ কাৰণে এই অলপমান যি মাটি আছিল বচাব পাৰিছে। গতিকে আমাৰ ট্ৰাইবেল মানুহ বিলাকৰ এনেকুৱা অৱস্থা হয়। পল্টন বজাৰৰ ৰাস্তা-ঘাত একেবাৰে বেয়া। ৰাস্তাবিলাক ভগা মই লালগণেশৰ কথা কি কম। সেইটো এস্কটেনশ্যনহে। লাচিত নগৰ, পল্টন বজাৰৰ ৰাস্তা একেবাৰে বেয়া। আপোনালোক ভি, আই, পি হোৱা কাৰণে তেনেকুৱা ৰাস্তাত নাযায়। তাত যি চুপাৰ কলনি আছে আপোনালোকে তাক ডেভেলপ কৰি দিব লাগে। তাত কোনো ড্ৰেইন নাই। ড্ৰেইনৰ ব্যৱস্থা কৰিব লাগে। এনেকুৱা ধৰণে মানুহক পশুৰ নিচিনা ব্যৱহাৰ কৰিব নেলাগে। মানুহক মানুহৰ নিচিনা ব্যৱহাৰ কৰিব লাগে। চুইপাৰ সকলো মানুহ। তেওঁলোক বেছি পৱিত্ৰ মানুহ, তেওঁলোকে পৱিত্ৰ কাম কৰে। সেইটো কাৰণে তেওঁলোকে যাতে ভালকৈ সুখেৰে ভাত খাব পাৰে তাৰ কাৰণে আপোনালোকে ব্যৱস্থা লব লাগে। মাননীয় সদস্য শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ডাঙৰীয়াই তেওঁলোকক ঠেলা কিনি দিয়াৰ কথা কৈছে। ঠেলা কিনি তেওঁলোকে জীৱিকা উপাৰ্জন কৰিব পাৰে। মই মাননীয় প্ৰয়াত মূখ্যমন্ত্ৰী শ্ৰীযুত হিতেশ্বৰ শইকীয়া দেৱৰ দিনত ধুবুৰী, বঙ্গাইগাওঁ জিলাত দিল্লীৰ পৰা পইচা মোকোলাই আনিছিলো। কিন্তু সেইটকা বিলাক কলৈ গল আমি নাজানো। পইচা কোনে খালে কব নোৱাৰো, চুইপাৰ বিলাকে কিন্তু এইটো ভোগ কৰিব পোৱা নাই। মাননীয় অধ্যক্ষ মহোদয়, মই আৰু বেছি কথা কব খোজা নাই। দিশপুৰৰ পানী চাৰ, গা ধুবলৈ ভয় লাগে। আমাৰ মাননীয় সদস্য সকলে কব গেলা পানীৰে আমি গা ধুব লাগে। একুৱাগাৰ্ড দিছে। ঘোলাপানীৰে আমি গা ধুই আছো। ইয়াৰ এটা ব্যৱস্থা আমাৰ চৰকাৰে লব

নোৱাৰে নেকি। চাৰ, অকল দিচপুৰ বুলি নহয় গুৱাহাটীৰ মানুহে চাফা পানী খাব নাপায়। এই গোটেইখিনিৰ যাতে এটা ভাল ব্যৱস্থা হয় এইটো আশা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Speaker : Now, Hon'ble Member, Shri Bimolangshu Roy.

* শ্ৰীবিমলাংশু ৰয় ঃ মাননীয় অধ্যক্ষ মহোদয়, মই অলপ কথা কব খুজিছো। আপোনাৰ জৰিয়তে মই মাননীয় মন্ত্ৰী মহোদয়ৰ জৰিয়তে কাটমোচনৰ বিষয়টো আলোচনা কৰিব বিচাৰিছো। মই এটা চাজেশ্যন দিব বিচাৰিছো চাৰ, আমাৰ মাননীয় সদস্য শ্ৰীযুত পবীন্দ্ৰ ডেকা ডাঙৰীয়াই কৈছে যে বহুত মানুহ গাঁৱৰ পৰা টাউনত আহিব বিচাৰে। কিন্তু মই কওঁ যে গাঁৱৰ মানুহ টাউনত আজিকালি আহিব নিবিচাৰে। কিয়নো তেওঁলোক গাঁৱত থাকিয়ে ভাল পায়। তেওঁলোকে গাঁৱত ৰুৰেল ৱাটাৰ চাপ্লাইৰ জৰিয়তে বিনামূল্যে পানী পায়। গাঁৱৰ মানুহে মিউনিচিপালিটিক টেক্স দিব লাগে কিন্তু সেইমতে গাঁৱৰ ৰাইজে সা-সুবিধা খিনি পাব লাগে। গাঁৱত ৰাস্তাৰ সুবিধা ৰাইজে নাপায়। ষ্ট্ৰিট লাইটৰ সবিধা তেওঁলোকে পাব লাগে। আৰু সেই সুবিধা পাবৰ কাৰণে ৰাইজে টেক্স দিব লাগে। এন এ ডি ডিপাৰ্টমেন্টে এইবিলাক কথা চাব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, মিউনিচিপালটি বিভাগ টাউন কমিটি আদিয়ে কৰদাতা ৰাইজক মিনিমাম সা-সুবিধা খিনি দিব লাগে। আমি দেখিছো যে মিউনিচিপালটিৰ নিয়ন্ত্ৰণত থকা ৰিস্কা আদিৰ ভাৰাৰ ক্ষেত্ৰত কোনো নিয়ন্ত্ৰণ নাই। তেওঁলোকে নিজৰ ইচ্ছামতে ৰাইজৰ পৰা ভাড়া লয়। মাছৰ বজাৰ আছে তাতো কোনো নিয়নত্ৰণ নাই মিউলিচিপালটিৰ। মাছৰ বজাৰত মাছৰ দাম কেজিয়ে প্ৰতি ৪০০-৫০০ টকা পৰ্য্যন্ত হৈছে। গতিকে এইবোৰৰ ক্ষেত্ৰত মিউনিচিপালটিৰ নিয়ন্ত্ৰণ থাকিব লাগে। ৰিস্কাৰ

★ Speech not corrected

কিলোমিটাৰে প্ৰতি ভাড়াৰ নিৰিখ ধৰি দিব লাগে। মাছৰ বজাৰত মাছৰ দাম ধৰি দিব লাগে। তেতিয়াহে কৰদাতা ৰাইজ উপকৃত হ'ব। ৰাইজক মিনিমাম সা-সুবিধা দিব লাগিব। এইবাৰ ড্ৰেইনেজ চিচটেমৰ ওপৰত আলোচনা হৈছে। এতিয়া বাৰিষা আহিছে। মাননীয়া বিধায়িকা মহোদয়াই উলুবাৰীৰ কথা কৈছে। তাৰ কিছুমান সৰু সৰু ৰাস্তাতো ড্ৰেইনৰ ব্যৱস্থা নাই। কিন্তু ৰাস্তাবোৰ বহুতো ভীৰ। বহুতো গাড়ী, মটৰ চলে। মই হেঙেৰাবাৰীৰ কথা কবলৈ ওলাইছো। এই খন দিচপুৰৰ নিচেই ওচৰতে। দিচপুৰৰ পৰা মাথো আধা কিলোমিটাৰ দূৰত। কিন্তু ড্ৰেইনেচ চিচটেমটো একেবাৰে বেয়া। ৰাস্তাৰ অৱস্থাই নাই। অলপ বৰষুণতে পানী উঠে। গোটেই অসমৰ নগৰ বিলাকতে ড্ৰেইনৰ ব্যৱস্থাতো অতি বেয়া। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ যিবিলাক আঁচনি আছে সেই বিলাক কেন্দ্ৰীয় চৰকাৰৰ পৰা পাচ কৰিবলৈ অলপ পাৰ্চ কৰিব লাগে। ফেজ ওৱাইচ ড্ৰেইনিং চিচটেমটো ভাল কৰিব লাগে। আৰবান ডেভলাপমেন্টৰ জৰিয়তে কাম কৰিব পাৰি। গোটেই খিনিতে নোৱাৰিলে কিছু চিলেকটেড ৰাস্তাৰ প্ৰথমে ড্ৰেইনিং চিচটেম ভাল কৰিব লাগে। কথাতো আলোচনা কৰিব লাগে। এই আলোচনাতে মই এই কথাতো উনুকিয়াইছো যে যোৱা বাৰ পাৰ্লিয়ামেন্টৰ ইলেকচনৰ সময়ত শিলচৰত এনেকুৱা পানী হ'ল যে ৰাস্তা-ঘাট সকলো ডুব যায় আৰু ঘৰৰ ভিতৰতো পানী হয়, ফলত এনেকুৱা পৰিস্থিতিৰ সৃষ্টি হয় যে পাৰ্লিয়ামেন্টৰি ইলেকচনেই ১০ মেইলৈ পিচুৱাব লগাত পৰিছিল। চৰকাৰে ... হাডকোৰ পৰা লোন লৈ শিলচৰত ড্ৰেইন চিচটেম ভাল কৰাৰ আঁচনি লবলৈ বিচাৰিছিল। কিন্তু হাডকোৰৰ পৰা লোন ললে তাত ইনটাৰেষ্ট দিব লাগিব ১৬% কৈ। সেই বিলাক কনজিউমাৰৰ ওপৰত ইয়াৰ হেচা পৰিব। গতিকে মই দিল্লীলৈ গৈছিলো আৰু তাত এটা স্কীম দিছিলো। সেইটো ৫৩ নং পাৰাৰটিত আছিল। তাক

১ নংলৈ আনি ১২০০ কোটি চেংচন কৰা হৈছিল। অভাৰ হেড টেংকি বনাবলৈ আৰম্ভ হৈছিল তাৰ পিচত কি হ'ল তাক গম পোৱা নগল। যোৱা বাৰ বিধানসভাত আমি প্ৰশ্ন তুলিছিলো। তেতিয়া কৈছিল যে চইল ষ্টেট হোৱা নাই। ইমান বছৰে কি কৰি আছিল। মাননীয় অধ্যক্ষ মহোদয়, চইল ট্ৰিটমেন্ট প্লেন্ট সোনকালে আৰম্ভ কৰিলে ভাল হয়। মই আৰু বেচি কথা নকওঁ। চৰকাৰৰ বিভাগ বিলাকে দক্ষতাৰে কাম কাজ কৰিব লাগে। কৰদাতা ৰাইজক সা-সুবিধা বিলাক দিব পাৰিব লাগে। কাম-কাজবোৰ দক্ষতাৰে পৰিচালনা কৰি ৰাইজক সা-সুবিধা দিব বুলি আশা কৰি মই সামৰণি মাৰিলো।

* ডঃ জয়নাথ শৰ্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে ২ কোটি ২৫ লাখ ৪৪ হাজাৰ টকাৰ যি অতিৰিক্ত পৰিপূৰক দাবী বিচাৰিছে এই গোটেইখিনি টকা একাদশ বিত্ত আয়োগৰ পুৰস্কৃত নগৰ উন্নয়নৰ কাৰণে আহিছে। এই টকাখিনি বিভিন্ন পৌৰসভা বা মিউনিচিপালটিৰ কাৰণে গ্ৰান্ট ইন এই হিচাৱে আহিছে। এই সংক্ৰান্তত মই দুটামান কথা মন্ত্ৰী মহোদয়ক কব বিচাৰিছো এই মঞ্জুৰী ৰিলিজ কৰোতে চৰকাৰে -যথেষ্ট খেলিমেলি কৰে। মোৰ হাতত তথ্যগত প্ৰমাণ নাই যদিও এনে কথাও শুনা যায় যে বিভিন্ন নিগম বা পৌৰসভাৰ বিষয়া বা কৰ্ম্মী সঞ্চালকৰ কাৰ্য্যালয়ত নবহা পৰ্য্যন্ত টকাতো ৰিলিজ নকৰে। এই কথাটো মন্ত্ৰী মহোদয়ে চাব লাগে। মঙ্গলদৈ পৌৰসভাৰ লোক যেতিয়ালৈকে সঞ্চালকৰ কাৰ্য্যালয়লৈ নাহে তেতিয়ালৈকে টকাতো ৰিলিজ নকৰে অকল মঙ্গলদৈ বুলিয়ে নহয় অসমৰ সকলো পৌৰসভাৰ কৰ্ম্মীয়ে যেতিয়ালৈকে সঞ্চালকালয়ত এপ্ৰোচ নকৰে তেতিয়ালৈকে টকা ৰিলিজ নহয়। এপ্ৰোচটো কি ধৰণৰ আপোনালোকে নিশ্চয় জানিছে। দ্বিতীয় কথা হ'ল পৌৰসভা বিলাকলৈ যি টকা যায় সেইখিনি

★ Speech not corrected

সৎব্যৱহাৰ হয় নে নহয়? অধিকাংশ কমিটিয়ে ইয়াৰ সৎ ব্যৱহাৰ কৰে নে নাই তাত সন্দেহ আছে। বেছি অংশই সৎ ব্যৱহাৰ নহয়। কমিচনাৰ সকলৰ লগত আলোচনা নোহোৱাকৈ আঁচনি লোৱা হয় আৰু বহুত সময়ত দুপ্লিকেট আঁচনিত ধন খৰছ কৰে। ইয়াৰ ইতিহাস যদি চাই কোনো দোষী বিষয়াৰ বিৰুদ্ধে কিবা ব্যৱস্থা লোৱা এই বিভাগত কোনো ৰেকৰ্ড নাই। মিউনিচিপালটি বিভাগটোৰ নাম হৈছে 'মেদ' মেদ মানে BAD and SAD গতিকে এই বিভাগটোৱে যেতিয়া মঞ্জুৰীটো বিতৰণ কৰে ৰিলিজ হোৱাৰ পাছত ফিল্ডত তাৰ সৎ ব্যৱহাৰ হৈছে নে নাই সেইটো মন্ত্ৰী মহোদয়ে চাব লাগে। অকল আয়োগৰ টকা বুলিয়ে নহয় যিখিনি প্লেনৰ টকা এই বিভাগে বিবিন্নি পৌৰসভালৈ দিয়ে সেইখিনিৰ সৎব্যৱহাৰ হৈছে নে নাই কোনো চাওতা নাই। আজি গুৱাহাটী চহৰত অলপ বৰষুণ দিলেই বানপানী হয়, কিয় নহব যিবিলাক লো লায়িং এৰিয়া আছিল য'ত পানী জমা হৈ আছিল সেইবিলাক নোহোৱা হ'ল পুতি পেলালে যাৰ ফলত অলপতে বানপানী হয়, ইয়াৰ অৰ্থ হ'ল ড্ৰেইন চিষ্টেম অতিকৈ বেয়া। আমাৰ মঙ্গলদৈ চহৰতে দেখিছো চহৰৰ মাজত এটা মৰানৈ আছিল পানী বিলাক তাত জমা হৈছিল । এতিয়া সেইটো পুতি তাত বাছ ষ্টেণ্ড কৰিলে যাৰ কাৰণে এতিয়া ঘৰদুৱাৰ বিলাক দুবী থাকে। প্লেনৰ টকা যদি চহৰ বিলাকৰ উন্নয়নৰ কাৰণে নিদিয়ে অকল বিত্ত আয়োগৰ পুৰস্কৃত ধনেৰে চহৰ উন্নয়ন কৰা সম্ভৱ নহব। আমি দেখিছো বিকশিত অসমৰ যোৱা ৪ বছৰৰ ফটা ঢোল কোবোৱা যি বিজ্ঞাপন তাত নগৰ উন্নয়ন বা পৌৰসভা উন্নয়নৰ কোনো কথা ৰখা নাই। পৌৰসভা বিলাক উন্নয়নৰ ব্যৱস্থা কৰক। নগৰ বা পৌৰসভা সমূহত এম, এল, এ/এমপি সকলক ভোটাধিকাৰ দিছে মানে অটোনোমি দিব বিচাৰিছে আমাৰ আপত্তি নাই, কিন্তু এইটো ভাল হৈছে বেয়া বিশ্লেষণ কৰা দৰ্কাৰ। পুনৰ

একাদশ বিত্ত আয়োগৰ টকাখিনি যাতে সৎ ব্যৱহাৰ হয় তাৰ কাৰণে চকু ৰাখিবলৈ মন্ত্ৰী মহোদয়ক অনুৰোধ জনায় বক্তৃতাৰ সামৰণি মাৰিলো।

**: Speaker : Now, Dr. Idrish Ali to Speak.**

* ডঃ ইদ্ৰিছ আলী ঃ মাননীয় অধ্যক্ষ মহোদয়, চহৰ আৰু নগৰ বিভাগৰ ওপৰত মাননীয় বিৰোধী পক্ষৰ সদস্য সকলে যি কৰ্ত্তন প্ৰস্তাৱ আনিছে তাৰ সম্পূৰ্ণ বিৰোধীতা কৰি কব বিচাৰিছো মাননীয় সদস্য সকলে গুৱাহাটী চহৰকে ধৰি অসমৰ ডিব্ৰুগড়, যোৰহাট, শিলচৰ আদি বিভিন্ন চহৰৰ সমস্যা আৰু উন্নয়নৰ কথা দাঙি ধৰিছে মই ভাৱো তেখেত সকলে কৰ্ত্তন প্ৰস্তাৱটো উঠাই লৈ আৰু অধিক টকা দিব লাগে বুলিয়ে চৰকাৰক অনুৰোধ কৰিব লাগিছিল। আজি গুৱাহাটী চহৰৰ কথা কৈছে অলপ বৰষুণ দিলেই বানপানীৰ সৃষ্টি হয় কাৰণ ভাল ড্ৰেইনেজ চিষ্টেম নাই কাৰণ ভাল মাষ্টাৰপ্লেন নাই। ডিব্ৰুগড়ৰ নিচিনা মাষ্টাৰ প্লেন কৰি ড্ৰেইনেজ কৰা হলে বা অন্যান্য চহৰ বিলাকৰ দৰে ড্ৰেইনেজ কৰা হলে আজি এই অৱস্থা নহ'ল হেতেন। এই ধৰণৰ মাষ্টাৰপ্লেন কৰি পানী উলিয়াব লাগিলে এই বিভাগক আৰু অধিক টকা দিব লাগিব। মাননীয় সদস্য সকলে কৈছে যে গুৱাহাটী চহৰতে হওক বা অন্য চহৰতে হওক ভাল কাম হোৱা নাই। মাননীয় সদস্য শ্ৰীদিলীপ শইকীয়াই গুৱাহাটীৰ লালগণেশলৈ যোৱা ৰাষ্টাটোৰ কথা উল্লেখ কৰিছে, ময়ো ভাবো ৰাষ্টাটো ভাল হব লাগে। আজি ৪ বছৰ আগতে গুৱাহাটীৰ কি অৱস্থা আছিল আৰু আজি কি হৈছে? আঠগাওঁৰ নিচিনা ঠাইত য'ত মানুহ যাব নোৱাৰিছিল আজি ফ্লাই অ'ভাৰ হোৱা কাৰণে তাৰ ৰাষ্টা বিলাকৰ কিমান উন্নতি হৈছে। জালুকবাৰী হৈ আগতে এয়াৰপোৰ্টলৈ য্যওতে কিমান সময় খৰছ হৈছিল আজি আমি কম সময়তে যাব পাৰিছো।

★ Speech not corrected

আজি গুৱাহাটীত তিনিখন ফ্লাই অ'ভাৰ হৈছে অৱশ্যে ইয়াৰ কাম আগতে আৰম্ভ হৈছিল কিন্তু কাম বিলাক লেহেম গতিত চলি আছিল এই চৰকাৰৰ দিনত খৰতকীয়া ব্যৱস্থা লৈ ফ্লাই অ'ভাৰ বিলাক সম্পূৰ্ণ কৰা হৈছে।

* ড° জয়নাথ শৰ্ম্মা ঃ চাৰ পইন্ট অৱ অৰ্ডাৰ-কৰ্ত্তন প্ৰস্তাৱটো আছিল একাদশ বিত্ত আয়োগৰ অনুদানৰ ওপৰত কিন্তু গণ পৰিষদৰ দিনৰ ফ্লাই অভাৰৰ কথা কেনেকৈ আহিল?

* ডঃ ইদ্ৰিছ আলী ঃ আগৰ কথা তুলনাক্ৰমে আহিছে।

* ড° জয়নাথ শৰ্ম্মা ঃ কংগ্ৰেছ চৰকাৰৰ যিমান বেয়া কাম হ'ব লাগে সিমান বেয়া কামেই হৈ আছে। মই ভাল কাম কৰা বুলি কোৱা নাই যিমান বেয়া কাম আছে সিমান বেয়া কাম হৈছে বুলি কৈছো।

* ডঃ ইদ্ৰিছ আলী ঃ অধ্যক্ষ মহোদয়, মোক কবলৈ সুযোগ দিয়ক, মই কি কবলৈ ওলাইছোঁ শুনক, মোক আপোনালোকে কবলৈ সুযোগ দিয়ক। মই আমাৰ চৰকাৰকে কিছুমান চাজেশ্যন দিবলৈ ওলাইছোঁ। (ভইচঃ .... আপুনি মন্ত্ৰী মহোদয়ক কওক মোলৈ চাই কৈছে কিয়?) আপুনি উঠিছে কিয়? আপুনি থিয় হোৱাৰ কাৰণেহে আপোনালৈ চাব লগীয়া হৈছে।

মাননীয় অধ্যক্ষ ঃ আপুনি মোলৈ চাই কথা কওঁক।

* ডঃ ইদ্ৰিছ আলী ঃ মাননীয় সদস্য গোস্বামী ডাঙৰীয়াই কৈছে কাম হৈছে বুলি কিন্তু লগতে তেখেতে দুৰ্নীতি ও হৈছে বুলি কৈছে। সেয়ে মই দুৰ্নীতিৰ সম্পৰ্কত কব খুজিছোঁ যে দুৰ্নীতি হৈছে যদি সেই ক্ষেত্ৰত তদন্ত হব লাগে। প্ৰয়োজন সাপেক্ষে ব্যৱস্থা লবও লাগে। মাননীয় সদস্য শইকীয়া ডাঙৰীয়াই আৰু এটা কথা কৈছে যে লাল গণেশ ৰাস্তাটোৰ ক্ষেত্ৰত ১০ কোটি টকা দিছে কিন্তু সেই ৰাস্তাটোৰ কাম কৰি আছে কোনো প্লেন এষ্টিমেট আদি নোহোৱাকৈ।

---

★ Speech not corrected

মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো। যদি সচাঁকৈ এইদৰে প্লেন এষ্টিমেট আদি নকৰাকৈ কাম কৰিছে তেন্তে অন্যায় হৈছে এই ক্ষেত্ৰত। মন্ত্ৰী মহোদয়ে, এই ক্ষেত্ৰত আমাক এটা স্পষ্ট ধাৰনা দিব লাগে। মই নগাওঁৰ কথা কব খুজিছো, যিহেতু মই নগাঁৱৰ পৰা আহিছো, আগতে নগাঁৱৰ কি অৱস্থা আছিল আৰু আজি কি হৈছে চাওক। যোৱা চাৰি বছৰে কিমান ৰাস্তা ঘাটৰ অৱস্থা কিমান ভাল হৈছে। যদি একো কাম এই চৰকাৰে কৰাই নাই তেন্তে এই ৰাস্তা ঘাট বিলাক ভাল হ'ল কেনেকৈ? যোৰহাটৰ কথা কওঁতে গোস্বামী ডাঙৰীয়াই কাম হোৱা নাই বুলি কোৱা নাই, কিন্তু দুৰ্নীতি হৈছে বুলি কৈছে।

* শ্ৰী প্ৰমীলা ৰাণী ব্ৰহ্ম ঃ অধ্যক্ষ মহোদয়, কাট মোশ্যনৰ ওপৰত কওঁতে এনে ধৰণৰ ডিচকাশ্যন হব নোৱাৰে। অকল কাট মোশ্যনৰ ওপৰতে কব লাগে।

* ডঃ ইদ্ৰিছ আলী ঃ কাট মোশ্যনৰ ওপৰতো কৈছো কিন্তু আপোনালোকে চৰকাৰক যিবোৰ কথা কৈছে সেইবোৰ আমি খণ্ডন কৰিব নালাগিব নেকি? আপোনালোকে যি কৈছে আমি শুনি বহি থাকিম নেকি? যি খিনি সমালোচনা আপোনালোকে চৰকাৰক কৰিলে আমি চৰকাৰৰ সদস্য হিচাপে খণ্ডন কৰিব লাগিব, মই কৰিম। মই নতুন নহয় যোৱা চাৰি বছৰ ধৰি সদস্য হৈ আছো।

* ড° জয়নাথ শৰ্ম্মা ঃ আমি কৈছো একাদশ বিত্তীয় আয়োগৰ পুৰস্কৃত টকাৰ ওপৰত আপুনি আলোচনা কৰক।

* ডঃ ইদ্ৰিছ আলী ঃ এই কথাখিনি একাদশ বিত্তীয় আয়োগৰ কথা কবলৈ যাওঁতেই কৈছো।

* ড° জয়নাথ শৰ্ম্মা ঃ যেতিয়া কব লাগে সেই সময়ত আপোনালোক শুই আছিল নেকি তেতিয়া নকলে কিয়?

---

★ Speech not corrected

* ডঃ ইদ্ৰিছ আলী ঃ আপোনালোকে যি পায় তাকে চৰকাৰৰ বিৰুদ্ধে কৈ থাকিব আৰু আমি বহি থাকিম নেকি?

* শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ চাৰ, পইন্ট অৱ অৰ্ডাৰ, আনন্দ জৈনে কোনো প্লেন এষ্টিমেট নোহোৱাকৈ কাম কৰিছে। সেয়ে মন্ত্ৰী মহোদয়ৰ পৰা আমি জানিব বিচাৰিছো যে কথাটো সঁচা নেকি? প্লেনএষ্টিমেট আদি কৰিহে কাম কৰিব লাগে সেইটো আমি বুজো।

* ডঃ ইদ্ৰিছ আলী ঃ তেখেতে যিটো অভিযোগ আনিছে প্লেন এষ্টিমেট আদি নোহোৱাকৈ কাম কৰা বুলি এই ক্ষেত্ৰত আমিও মন্ত্ৰী মহোদয়ৰ পৰা এটা স্পষ্ট ধাৰনা দিব লাগে বুলি অনুৰোধ কৰিলো। এই কথাখিনি ক'ত অযুক্তি হ'ল মই বুজি নাপালো।

* ড° জয়নাথ শৰ্ম্মা ঃ দিলীপ শইকীয়াই কব বিচাৰিছে যে আনন্দ জৈন নামৰ ঠিকাদাৰজনে মন্ত্ৰীক কেনেকৈ চলাইছে? ঠিকাদাৰে চৰকাৰ চলায় নেকি? (কেইবাজনো সদস্যই একেলগে কবলৈ লয় ভাল দৰে বুজা নাযায়)।

* শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ আজি অসম বিধান সভাৰ বাসগৃহৰ পিচফালৰ ড্ৰেইনটো ভাঙি নতুনকৈ কৰিলে সেইটো আকৌ এতিয়া কৰিব লগীয়া হৈছে। কিয় বাৰে বাৰে কৰিবলগীয়া হৈছে?

* ড° জয়নাথ শৰ্ম্মা ঃ অধ্যক্ষ মহোদয়, ঠিকাদাৰে চৰকাৰ চলায় আৰু মন্ত্ৰী মনে মনে বহি থাকে, এই কথাটো আমি কৈছো। এইটো কেনে ধৰনৰ কথা?

মাননীয় অধ্যক্ষ ঃ সদনত বক্তব্য ৰখাৰ অধিকাৰ সকলোৰে আছে, গতিকে তেওঁক আপোনলোকে কবলৈ দিয়ক।

* ডঃ ইদ্ৰিছ আলী ঃ আপোনালোকে সদনৰ জেষ্ঠ্য সদস্য হৈ আমাক কথা কেনেকৈ কব লাগে, কতিয়া কব লাগে শিকাব লাগে।

★ Speech not corrected

আপোনালোকে যদি এইদৰে বাৰে বাৰে কথা কোৱাৰ সময়ত ডিষ্টাৰ্ব কৰি থাকে তেন্তে আমিও তাকে শিকিম আৰু আমিও আপোনালোকে কথা কওঁতে ডিষ্টাৰ্ব কৰিম।

মাননীয় অধ্যক্ষ মহোদয়, মই এই পৱিত্ৰ সদনত যিটো কথা কবলৈ ওলাইছো তাত আপোনালোকে ইনটাৰফেয়াৰ কৰিলে মোৰ কব লগা কথাবোৰ হেৰাই যায়। মই আপোনালোকক এটা পৰামৰ্শ দিব বিচাৰিছো যে একেখন ভাৰতবৰ্ষত গঠন হোৱা পঞ্চায়তী ৰাজে ডেভলপ কৰিছে। কেন্দ্ৰীয় চৰকাৰে নিৰ্দ্দিষ্ট সময়ত বা পিচত আবন্টন দিয়ে। যি সকল দুখীয়া মানুহ আছে তেওঁলোকে নিৰ্দ্দিষ্ট সময়ত পায় বাবে নিৰ্দ্দিষ্ট সময়মতে কাম-কাজ হৈ আছে। মই মাননীয় সদস্য গৰাকীক এটা কথা জনাব বিচাৰিছো যে গাওঁ-ভূঁইতে হওক বা চহৰ অঞ্চলতে হওক এবছৰৰ মুৰে মুৰে চৰকাৰে টাউন কমিটি কৰ্পোৰেচনক, মিউনিচিপালটি সকলক নিৰ্দ্দিষ্ট সময়ত জনাই দিয়ে। মোৰ সৈতে আমাৰ মাননীয় সদস্য সকলে একমত হৈ হাউচত এটা প্ৰস্তাৱলৈ কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনাব পাৰো। প্ৰত্যেক জিলা পৰিষদ, গাওঁসভাই বছেৰেকীয়া বাজেট হিচাব নকৰা অঞ্চলৰ কাৰণে টকা অহা নাই। যাৰ কাৰণে গাওঁসভা, চহৰ অঞ্চলত টকা অহা নাই। গাওঁ আৰু পঞ্চায়ত বিলাকত যি হাৰত উন্নয়নৰ কাৰণে টকা দি আছে চহৰ অঞ্চলৰ কাৰণেও এনেকুৱা ধৰণৰ টকা দিব লাগে। হাউচৰ ফালৰ পৰা কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনাব বিচৰিছো যে আমি সকলো মাননীয় সদস্যই একমতত উপনিত হৈ তেনেকুৱা এটা প্ৰস্তাৱ দিয়া উচিত। আজি আমি প্লেনিংৰ ওপৰতে বেছি নিৰ্ভৰ কৰিবলগীয়া হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, মই যোৱাবাৰৰ কথা এটা

কৰ বিচাৰিছো, ৪-৫ প্ৰত্যেক টাউন কমিটিক মিউনিচিপালটী কৰ্পোৰেচনক টকা দিয়ে। কৰবাত ৫০ (পঞ্চাশ) লাখ, কৰবাত ১ (এক) কোটি, ২ (দুই) কোটি টকা দিয়া হৈছে। কিন্তু যিবিলাক চাব-ডিভিজন হেড কোৱাৰ্টাৰ নহয় তেনেকুৱা বিলাকত টকা পোৱা নাই। যোৱা বাৰ মৰিগাওঁৱে টকা পাইছে নগাওঁৱে এক কোটি ৫০ লাখ টকা পাইছে, ধিং টাউন কমিটিয়ে পোৱা নাই, লক্ষীমপুৰে টকা পোৱা নাই। গুৱাহাটী কৰ্পোৰেচন টকা পাইছে। মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যে যিবিলাক টাউন কমিটিয়ে টকা পোৱা নাই সেই সকলক টকা দিয়াৰ ব্যৱস্থা কৰিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটী চহৰত খোৱা পানীৰ সমস্যা সমাধান কৰিবৰ কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। শিলচৰ চহৰতো খোৱা পানীৰ অভাৱ হৈছে। নগাওঁ অঞ্চলত পাইপৰ পানী যি ধৰণে পায়, শিলচৰত সেই ধৰণে নাপায়। সেইবিলাক অঞ্চলত বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা অতি সোনকালে কৰিব লাগে। গোটেই অসমত যিমান বিলাক চহৰ আছে সৰু-ডাঙৰ সকলোতে কৰ্পোৰেচন হব লাগে আৰু চৰকাৰৰ অনুমোদন হয় তাৰ কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। আমি বহুত কাম কৰিবলগীয়া আছে তাৰ কাৰণে অধিক টকা দিয়া হয়। কৰ্ত্তন প্ৰস্তাৱ উঠাই অধিক টকা দিয়া ব্যৱস্থা কৰিব বুলি আশা কৰি মই মোৰ বক্তব্য ইমানতে সামৰণি মাৰিছো।

* শ্ৰীপ্ৰেমধৰ বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, মই কৰ্ত্তন প্ৰস্তাৱ দিয়া নাই। মাননীয় মন্ত্ৰী মহোদয়ৰ লগত মোৰ সদভাৱ আছে। আমাৰ বুৰক্ৰেট চিচটেম এনেকুৱা আমাৰ বহুত কাম কৰিবলৈ বাকী আছে। মোৰ সমষ্টি বিহপুৰীয়াত যিটো পানী যোগানৰ ব্যৱস্থা

★ Speech not corrected

কৰা আজি প্ৰায় তিনি বছৰে হ'ল, এবছৰৰ ভিতৰত তাত টেপ এটা খুলি দিয়াত এতিয়া তাত পানী নাই।

দ্বিতীয়তে, তেখেতক মই ধন্যবাদ্ জনাইছো, নাৰায়ণপুৰক টাউন বুলি যোৱা পোন্ধৰ আগষ্টত ঘোষণা কৰিছিল যদিও আজিলৈ একো ফাংচনিং হোৱা নাই। অহা ১৫ আগষ্টত এবছৰে হব।

* শ্ৰী কৰেন্দ্ৰ বসুমতাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থনত মই চৰকাৰক জনাওঁ যে আমাৰ ওডালগুৰি জিলাত হেড কোৱাৰ্টাৰ হৈছে যদিও ড্ৰেইন চিচটেম এটাও হোৱা নাই। নগৰৰ ছয়টা ওৱাৰ্ডৰ এটাৰো কাম হোৱা নাই। আনকি সৰু সৰু কালভাৰ্ট আদিও হোৱা নাই। ওডালগুৰিক চাৰি বছৰে উন্নয়নৰ কামৰ কাৰণে টকা দিয়া নাই। তাত কৰ্ত্তন প্ৰস্তাৱ নাই জেনেৰেল বাজেট ও নাই। ওডালগুৰিত ৰাস্তা-ঘাট, বিজুলীবাতি, পকী দলং, হস্পিতাল আদিৰ কাৰণে টকা দিয়া নাই। নগৰ উন্নয়নৰ কাৰণে টকা পোৱা নাই। সেইকাৰণে টাউন কমিটিখন ফেইলাৰ হোৱা বুলি মই কব বিচাৰিছো। ওডালগুৰিৰ চাৰিটা বছৰ নগৰ উন্নয়নৰ কাম কৰিব পৰা নাই এই জিলাখন এচ, টি এলেকাৰ কাৰণে চৰকাৰে মনোযোগ দিব লাগে। এই ব্লকটো গান্ধী ব্লক হিচাবে এক কোটি টকা আছে। বি, টি চি এলেকা ড্ৰেনেজ চিচটেমৰ আঁচনি হাতত লব লাগে। এইবিলাক চাবৰ কাৰণে মাননীয় মন্ত্ৰী মহোদয়ে এবাৰ ওডালগুৰি জিলাখনলৈ আহিবৰ বাৰে অনুৰোধ জনালো।

* শ্ৰীহেম প্ৰকাশ নাৰায়ণ ঃ মাননীয় অধ্যক্ষ মহোদয়, পোন প্ৰথমে মাননীয় সদস্য কেইগৰাকীয়ে আগবঢ়োৱা পৰামৰ্শৰ বাবে মই তেখেত সকলক ধন্যবাদ জনাইছো। আমি চৰকাৰৰ ফালৰ পৰা দুশ

★ Speech not corrected

উনত্ৰিশ কোটি চোৱাল্লিশ লাখ টকা অনুমোদন দিছিলো। এঘাৰতম বিত্ত আয়োগে আমাক দুশ আঠসত্তৰ কোটি বাৰন্ন লাখ টকা অনুমোদন জনাইছে। প্ৰথমে এক হেজাৰ এক লাখ টকা অনুমোদন দিয়ে তাৰ পিচত ৰাজ্য চৰকাৰে বিভিন্ন আবেদন লৈ টকা ৰিলিজ কৰি দিয়ে। ইয়াৰ পিচত দুশ উনত্ৰিশ দশমিক চাপন্ন লাখ টকা এডভান্স কনটিজেনচি হিচাপ লোৱা হয়। এই সম্পৰ্কে আপোনালোকে ৰিজলিউচন এটা অনা বাবে মই ভাল পাইছো। এই বিভাগটোৱে আগৰ কামখিনি কৰিবৰ কাৰণেও সুবিধা পাইছে।

প্ৰথম কথা হ'ল আমাৰ যিটো সমস্যা আছে নগৰ সমূহত এই সমস্যা বিলাক সমাধান কৰিবলগীয়া হৈছে। ১৯৭৩/৭৪ চনত পি এন্ড আৰ ডিয়ে অনুমোদন কৰাৰ পাচত ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰে যি বাজেট আবন্টন দিছে তাৰ পাচৰ পৰা বছৰ বছৰ ধৰি সমস্যা বঢ়িছে। বহুত সমস্যা বাঢ়িছে নগৰসমূহত বিশৃংখলতাৰ কাৰণে সমস্যা বিলাক সমাধান কৰিব পৰা হোৱা নাই। নগৰ সমূহত বিশুদ্ধ পানীৰ যোগান আৱশ্যক অনুযায়ী দিব পৰা নাই। ১৯৮৯/৯০ চনত আৰবান ওৱাটাৰ চাপ্লাই কৰিছে। আজিৰ তাৰিখত বেলেগ কথা কাম কৰাতো। সেই বোৰ্ডে যি কাম কাজ হাতত লৈছে তাৰ বিতৰত ২৮ টা বিভিন্ন নগৰ সমূহত পানী যোগানৰ যি আঁচনি ললে সেই কাম ১৯৯২ চনতো শেষ নহল। কাম চলি থাকিল। তাৰ ভিতৰত মৰিয়নিৰ যিটো পানী যোগান আঁচনি সেইটোত বৰ বেয়াকৈ টকাটো আত্মসাত হোৱা বুলি ধাৰনা কৰা হৈছে। এই সকলো বিলাক আঁচনিৰ বাবদ আৰু বহুত বহুত টকা ভৰিব লগা হৈছে। তাৰোপৰি গোলাঘাটৰ ডি, চিৰ প্ৰাইভেট চেক্ৰেটাৰীয়ে টকাটো উঠাই লৈ গ'ল ডি, চিয়ে পালে নে নাপালে টকাটো কি হল এতিয়ালৈকে চলি আছে। সেই বিষয়ে অনুসন্ধান চলি আছে।

অসম চৰকাৰে ওৱাৰ্ল্ড বেংকৰ লগত এই বিষয়ে আলোচনা কৰিছে। কি হৈছে সেইটো চাবলৈ সময় পোৱা নাই। এনেধনৰ সমস্যাই বিশৃংখলাৰ সৃষ্টি কৰিছে। মৰিয়নীৰ যিটো খোৱাপানীৰ আঁচনি সেইটো সম্পূৰ্ণ বেয়া হৈ গৈছে। যোৱা চাৰি বছৰে টকা দি দি কোনোমতে ৰাইজৰ ব্যৱহাৰৰ যোগ্য কৰা হৈছে। মাননীয় সদস্য আলোক ঘোষে যিটো কথা কৈছে সেইটোত মই অতি দুখ পাইছো। যোৱা চাৰি বছৰত বহুত দিনৰ আগৰে পৰা চলি থকা ৰেলৰে মাটি আৰু নগৰ উন্নয়নৰ ভিতৰৰ মাটি সেই বিষয়ে নিশ্চিত কৰাৰ কথাটো নকৰা কাৰণে যিটো কলে সেইটোত দুখিত। সেইটো ড্ৰিচট্ৰিক্ট অথোৰিটিয়ে ডিমাৰকেচন কৰিব পৰা নাই। তেওঁলোকে ঠিক ঠাক কৰি নিদিলে সেইটো মই কেনেকৈ ঠিক কৰিব পাৰো। কাম খিনি আমি কৰি গৈছো। সকলোৰে অলপ ভাবি চিন্তি কথা কলে ভাল হয়। মাননীয় সদস্য গোস্বামী ডাঙৰীয়াই যি খিনি কথা কৈছে যোৰহাট ডেভেলাপমেন্ট অথোৰিটিৰ কথাটো। সেই বিষয়ে মই কব খোজো যে এই মিনিচিপালটি বোৰ্ডৰ এম, পি এম, এল, এ সকলোৰে মেম্বাৰ। তেখেতে তাৰ লোকেল এম এল, এ হিচাবে তাত হোৱা মিটিং সমূহত উপস্থিত থাকে তেখেতৰ কবলগীয়া খিনি কব পাৰে। আৰু মই ভাৱো তেখেতৰ এইটো কৰ্ত্তব্য। কিন্তু তেনে পৰামৰ্শ মই আজিলৈকে পোৱা নাই। আৰু এই বোৰ্ডত বহুতো এস্কচেচ এপইন্টমেন্ট হৈছে। যাৰ ফলত উন্নয়নৰ টকা ডাইভাৰ্ট কৰি দৰমহাতেই শেষ হৈ যায়। তাৰ ওপৰি যোৱা ৭/৮ বছৰে কেন্দ্ৰীয় চৰকাৰক টকা খৰছৰ হিচাব দিব পৰা নাই বাবে ২০০২, ২০০৩, ২০০৪ চনত একো টকা পোৱা নাই। টকা খৰছৰ হিচাব দিব পৰা নাই বাবে কোনো টকাৰ চেংচন পোৱা নাই। গতিকে সীমিত টকাৰ ওপৰতহে কাম বিলাক কৰা গৈছে। আজি গোস্বামী ডাঙৰীয়াই পাৰাৰৰ কথা কৈছে। এইটো কেৱল যোৰহাট মৰিয়নিৰ কথা নহয়। সমগ্ৰ অসমৰ কথা।

মুঠ ডেৰ কোটি টকা ইলেকট্ৰিচিটি বোৰ্ডক দিব লগা আছে। ইমান টকা চাৰি বছৰত পোৱা নাই। বিশেষকৈ ষ্ট্ৰীট লাইট বিলাকৰ টকা দিব লগা আছে। এই ক্ষেত্ৰত মই কব খোজো যে যিবিলাক হোলডিং নাম্বাৰ আছে অৰ্থাৎ হোলডিং টেক্স আছে আৰু আন আন টেক্স সমূহ ১৯৮৫ পৰা এতিয়ালৈকে এক পইচাও পোৱা নাই। ৰেভিনিউ ক'ৰ পৰা হব? বাজেট ক'ৰ পৰা হব গতিকে মাননীয় সদস্য সকলে চিন্তা কৰিব লাগে। চিন্তা কৰিবলৈ অনুৰোধ কৰিলো। ওৱাটাৰ চাপ্লাইৰ এটা কেচ চলি আছে আৰু তাতে আমি সৰ্ব্বশ্ৰান্ত হব ধৰিছো। এই কেচ চুপ্ৰিম কোৰ্টত চলি আছে। এই ধৰণৰ সমস্যা সমূহৰ কাৰণে আমি পৰ্য্যায়ক্ৰমে আগবাঢ়িব লগা হৈছে। ১৯৮৯/৯০ চনতে ২৩ কোটি দিছে বস্তী এলেকাৰ চাৰ্ভিচ লেট্ৰিন বিলাক উঠাই পকী লেট্ৰিন কৰাৰ বাবে। ১৬ কোটি আৰু ১০ কোটি চাবচিডি। কিন্তু এইটো পোৱা নাই। কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰিছে। গতিকে টকাটো কলৈ গ'ল কি কাৰণে কব নোৱাৰো। গতিকে এডিচনেল টকাৰ কথা কব নোৱাৰি। গতিকে বস্তীৰ এলেকাৰ লোকে দুৰ্ভোগ ভুগিব লাগিব। ১৯৯৭/৯৮ চনত দিয়া ১৯ কোটি টকাৰ ভিতৰত আজিও ৭ কোটি টকাৰ ইউটিলাইজেচন চাৰ্টিফিকেট পোৱা নাই।

আমি এটা কথা কৈছো যে কিছুমান ক্ষেত্ৰত কাম কৰা হৈছে, টকা খৰচ কৰা হৈছে যদিও সেই টকাৰ ইউটিলাইজেচন চাৰ্টিফিকেট দিব পৰা নাই আৰু সেই কাৰণে আমি কিছুমান স্কীমত পৰৱৰ্ত্তী টকা পোৱাত অসুবিধা হৈছে। গতিকে আমি পৌৰ সভা, পৌৰ নিগম, নিকায় আদিৰ ক্ষেত্ৰত টকাবোৰ ঠিকমতে যাতে খৰচ কৰিব পৰা হয় তাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছো। মাননীয় সদস্য শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ডাঙৰীয়াই যোৰহাটৰ বিষয়ে কিছুমান কথা উৎথাপন কৰিছে। তেখেতে অভিযোগ

কৰিছে যে মন্ত্ৰীৰ পৰা অনুমোদন নোলোৱাকৈ তাত ইতিমধ্যে বহুতো টকা খৰচ কৰা হৈছে যিবোৰ ঠিকমতে খৰচ হোৱা নাই বুলি কৈছে। এই ক্ষেত্ৰত আমি ব্যৱস্থা গ্ৰহণ কৰিবলৈ লৈছো আৰু জিলাৰ উপায়ুক্তৰ পৰা প্ৰতিবেদন অনা হৈছে। তেখেতে যিখিনি কথা কৈছে সেইখিনি মিছা বুলি মই নকওঁ। মই এটা কথা কওঁ যে আমি ৰাজ্য খনৰ নগৰ-চহৰ, পৌৰ সভা আদিৰ উন্নয়নৰ কাৰণে যথেষ্ট ব্যৱস্থা হাতত লৈছো আৰু যিখিনি টকা যোগান ধৰা হৈছে সেইখিনি টকা যাতে ঠিকমতে খৰচ হয়, খৰচ নোহোৱাকৈ যাতে গুচি যাব লগা নহয় তাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছো। আমি জিলাৰ উপায়ুক্ত সকলকো এই ক্ষেত্ৰত জড়িত কৰিছো আৰু তেওঁলোকক লৈ একোখন মনিটৰিং কমিটি পাতি দিছো যাতে টকা পইচাবোৰ ঠিকমতে খৰচ কৰা হয় আৰু তাৰ পৰা ৰাইজ উপকৃত হয়। এই টকা পইচাবোৰ খৰচ কৰাৰ কাৰণে আমি নিশ্চয় বিধান সভাৰো অনুমোদন লব লাগিব। বিধাৰ সভাৰ পৰা অনুমোদন লওতে মাননীয় সদনে যি ধৰণে দিহা পৰামৰ্শ দিয়ে আমি সেইমতে কামবোৰ কৰিবলৈ যত্নপৰ হব লাগিব এই ক্ষেত্ৰত মাননীয় সদস্য শ্ৰী দিলীপ কুমাৰ শইকীয়া ডাঙৰীয়াই যি সহায় সহযোগিতা আগ বঢ়োৱাৰ পৰামৰ্শ দিছে তাৰ কাৰণে মই তেকেতক ধন্যবাদ জনাইছো। আমাৰ আৰু বহুতো কথা আছে যিবিলাক কথা সদনত কব নোৱাৰি। এই বিলাকৰ কিছুমান বাধা আছে। কিছুমান কাম কৰিবলৈ যাওঁতে আমি নানা ধৰণৰ অসুবিধাৰ সন্মুখীন হব লাগে যিবোৰ অসুবিধাৰ কথা নিশ্চয় আপোনালোক সকলোৱে অনুভৱ কৰিব পাৰিব। মই কব খুজিছো যে শিলচৰ প্ৰজেক্টটোৰ ক্ষেত্ৰতত আমি বহুতো অসুবিধাৰ সন্মুখীন হৈছো। তাত আমাৰ বহুতো কৰণীয় বাকী আছে। এই প্ৰজেক্টটোৰ কাৰণে ইয়াৰ আগতে এন, এই, পি, ক চইল টেষ্টৰ দায়িত্ব দিয়া হৈছিল

যদিও তেওঁলোকৰ টেষ্টিং ভুল হোৱা কাৰণে পুনৰ এই, এই, টিক চইল টেষ্ট কৰিবলৈ দিয়া হৈছে। সেই কাৰণে আমি কামটোৰ কাৰণে কথা দিও কথা ৰাখিব পৰা নাই। সেই কাৰণে সোনকালে চইল টেষ্টৰ কাম শেষ কৰি প্ৰজেক্টটোৰ কাম সম্পূৰ্ণ কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিভাগক নিৰ্দ্দেশ দিছো। এই প্ৰজেক্টটোৰ ক্ষেত্ৰত প্ৰয়োজন হোৱা বিদ্যুৎ পৰিবাহী লাইন নিব নোৱাৰো কাৰণেও এটা ডাঙৰ অসুবিধা হৈছে। এই কথা খিনি মই অতি আন্তৰিকতাৰে সদনক জনাব খুজিছো যে আমি ৰাজ্য খনৰ নগৰ সমূহৰ উন্নয়নৰ কাৰণে কাম কৰিবলৈ দায়বদ্ধ আৰু আমি কাম কৰাৰ কাৰণে যথেষ্ট ব্যৱস্থাও হাতত লৈছো।

* শ্ৰী বিমলাংশু ৰয় ঃ অধ্যক্ষ মহোদয়, আই আই টি য়ে চইল টেষ্টিং সম্পৰ্কত ৰিপৰ্ট দাখিল কৰিছে। গতিকে এই ক্ষেত্ৰত কি ব্যৱস্থা লোৱা হৈছে সেই সম্পৰ্কে মন্ত্ৰী মহোদয়ে কলে ভাল হয়।

* শ্ৰী হেম প্ৰকাশ নাৰায়ন (মন্ত্ৰী) ঃ এই বিষয়ত মই ভালদৰে জানিব পৰা নাই। যদি ৰিপৰ্ট দিছে ভাল হৈছে। তেওঁলোকে কি ৰিপৰ্ট দিছে সেই বিষয়ে আমি চোৱা চিতা কৰিম আৰু কামটো সোনকালে কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিম। আজি পবিত্ৰসদনত মাননীয় সদস্য সকলে যি দিহা পৰামৰ্শ আগ বঢ়াইছে সেই আটাইখিনি পৰামৰ্শ মই আন্তৰিকতাৰে গ্ৰহণ কৰিছো। আমাৰ আটাইতকৈ ডাঙৰ অসুবিধা হৈছে - আমাৰ পুঁজি অতি সীমিত। যোৱা বছৰটোত আমি অতিৰিক্ত পুঁজি পোৱা নাই। যিখিনি টকা পাইছো সেইখিনিৰে সময় টকা পোৱাত অসুবিধা হৈ আহিছে। কামৰ কাৰণে দিয়া টকা বহুতো সময়ত কৰ্মচাৰীক দৰমহা দিওতে শেষ হৈ যায়।

* শ্ৰী বিমলাংশু ৰয় ঃ মন্ত্ৰী মহোদয়ে ড্ৰেইনেজৰ ওপৰত অলপ কলে ভাল হয়।

* শ্ৰী হেম প্ৰকাশ নাৰায়ন (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, ড্ৰেইনেজৰ কথা কবলৈ

★ Speech not corrected

গলে বহুতো কথা আহি পৰে। আজি নগৰ সমূহত যি বিলাক জাবৰ জোঠৰ পেলোৱাৰ ব্যৱস্থা হৈ আহিছে সেই ফালৰ পৰা নগৰ সমূহৰ নলা নৰ্দমাৰ অৱস্থাৰ কথা কৈ শেষ কৰিব নোৱাৰি। যিবিলাক নাৰ্চিং হোম আছে তেওঁলোকে যিবোৰ বায়'কেমিকেল প্ৰডাক্ট আৱৰ্জনা হিচাবে পেলাব লাগে সেইবোৰ ঠিকমতে উপযুক্ত স্থানত নেপেলোৱা কাৰণে আৰু অন্যান্য ক্ষেত্ৰততো জাবৰ জোথৰ বোৰ উপযুক্ত স্থানত নেপোলোৱা বা পেলোৱাৰ ব্যৱস্থা নথকা কাৰণে বহুতো সময়ত নলা নৰ্দমাবোৰ বন্ধ হৈ যোৱাৰ ফলত সেইবোৰেৰে পানী নিস্কাষণ কৰাত অসুবিধা আহি পৰে আৰু তাৰ ফল স্বৰুপে বহুতো ঠাইত আৱৰ্জনাৰ পৰা নানা ধৰণৰ সমস্যাই সৃষ্টি কৰে। মাননীয় সদস্য সকলে এই বিষয়ত যিখিনি কথা কৈছে সেই ক্ষেত্ৰত মই কেইবাখনো নগৰৰ কথা নোট কৰিছো আৰু আজি পুঁজি সাপেক্ষে কাম বিলাক কৰাৰ কাৰণে চেষ্টা কৰিছো। ৰেলৱেৰ মাতি সম্পৰ্কেও আমি কিছুমান ব্যৱস্থা লব লগীয়া আছে। সেই কাৰণে আমি ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ৰ লগতো এই বিষয় বিলাক আলোচনা কৰিছো আৰু এইবিলাক ক্ষেত্ৰত আমি আৰু বহুতো ব্যৱস্থা লব লগীয়া আছে। মই গোস্বামী ডাঙৰীয়াক পুনৰ বাৰ কব খুজিছো যে আমি যি খিনি কাম কৰিবলৈ লৈছো সেইখিনি নগৰ উন্নয়নৰ কাৰণেই কৰা হৈছে। কাম কৰোতে ক'ৰবাত কিবা ত্ৰুটি হব পাৰে, সেইখিনি দেখুৱাই দি আমাক সহায় কৰিলে সুখী হম। আমি যোৰহাট নগৰৰ উন্নয়নৰ কাৰণে প্ৰায় ১৮ কোটি টকা অনুদান দিছো। তাত নলা নৰ্দমা আদিৰ কামত যথেষ্ট গুৰুত্ব দিয়া হৈছে আৰু এই ক্ষেত্ৰত জিলাৰ উপায়ুক্তৰ পৰা সকলো কথা চোৱা চিতা কৰি এটা ৰিপৰ্ট বিচৰা হৈছে। উপায়ুক্তৰ পৰা ৰিপৰ্ট পোৱাৰ পিচত আমি অন্যান্য ক্ষেত্ৰ সমূহত ব্যৱস্থা লবলৈ সুবিধা হব? মিউনিচিপালটিৰ ঘৰ সাজিবলৈ ইতিমধ্যে ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

নগৰ সমূহৰ ৰাস্তা ঘাট আদিৰ ক্ষেত্ৰতো ব্যৱস্থা লোৱা হৈছে। নগৰৰ ৰাস্তা ঘাট সমহ যাতে কিছু বহল হয়, সেইবোৰেৰে যাতে অগ্নি নিৰ্বাপক বাহিনীৰ গাড়ী চলাচল কৰিব পাৰে তাৰ কাৰণে ব্যৱস্থা হাতত লৈছো আৰু এই ক্ষেত্ৰত লকেল চেল্‌ফ গভৰ্মমেন্ট সমূহে কাম কৰিব নোৱাৰাৰ কোনো কাৰণ নাই।

* শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ অধ্যক্ষ মহোদয়, ধেমাজী টাউন কমিটি খন অহা নবেম্বৰ মাহৰ প্ৰথম ভাগতে ঘোষণা কৰাৰ কাৰণে মন্ত্ৰী মহোদয়ে ব্যৱস্থা গ্ৰহণ কৰিব নে বা আশ্বাস দিব নে?

* শ্ৰী হেম প্ৰকাশ নাৰায়ন (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মই আশ্বাস দিব নোৱাৰো যদিও আমি যিমান পাৰো চেষ্টা কৰিম। অধ্যক্ষ মহোদয়, আমি লকেল চেল্‌ফ গভৰ্ণমেন্ট সমূহৰ জৰিয়তে কাম কাজ বিলাক কৰাৰ কাৰণে যত্নপৰ হৈছো আৰু সেই ক্ষেত্ৰত এন, বি, চি, ৰ পৰাও টকা আহৰণ কৰি নগৰ সমূহত ৰাইজৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি কামবোৰ কৰাৰ কাৰণে ব্যৱস্থা হাতত লৈছো। মাননীয় সদস্য শ্ৰী শইকীয়া ডাঙৰীয়াই কিছু কথা কৈছে। তেখেতক মই জনাব খুজিছো যে ধেমাজী, চিলাপথাৰ আদি নগৰ সমূহলৈ আমি যথেষ্ট টকা দিছো।

মই আশা কৰিছো আপোনালোকে এই বিষয়ে গুৰুত্ব সহকাৰে লৈছে......

* শ্ৰী অলক ঘোষ ঃ অধ্যক্ষ মহোদয়, ড্ৰাফ্‌টটো গোলাঘাটৰ ডি চি লৈ পঠাইছে। যোৰহাটৰ ডি, চিয়ে ইতিমধ্যে চিঠি পঠাইছে Letter No. JC/1/2004/dtd. 31st October, 2004, revenue earining Town. তেখেতে মোক কলে গোলাঘাটৰ ডি, চিৰ লগত কন্‌ফাৰ্ম কৰক।

মাননীয় অধ্যক্ষ ঃ গ্ৰান্টৰ ওপৰত যিটো বিচাৰিছে সেইটোৰ ওপৰত কওক।

* শ্ৰী অলক ঘোষ ঃ অধ্যক্ষ মহোদয়, ৫ হেজাৰটা ড্ৰাফট কৰা হৈছে।

★ Speech not corrected

* শ্ৰী হেম প্ৰকাশ নাৰায়ণ (গ্ৰাম্য উন্নয়ন মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটোৰ ওপৰত আলোচনা নকৰিলেও হব যে গোলাঘাটৰ এখন আৰু মৰিযণিৰ এখন ড্ৰাফট মই নিজে লৈ গৈছোঁ। গোলাঘাটৰ খন গোলাঘাটৰ ডি, চি, ক দিছো, যোৰহাটৰ খন যোৰহাটৰ আৰু মৰিয়ণীৰ খন মৰিয়ণি ডি, চি ক দিয়া হৈছে। যদি কিবা কাৰণে মিচিং হৈছে সেইটো ভুলকৈ হৈছে। আমি জইন কৰাৰ মূহুৰ্ত্তত দাষ্টবিনকম পাইছো। সেইটোৰ অনুসন্ধান কৰিবলৈ বিভাগক দিয়া হৈছে। এই বিষয়ত আপোনালোক বেছি সচেতন।

বৰাক ভেলিৰ পানীৰ সমস্যাৰ কথা ঘোষ ডাঙৰীয়াই কৈছে। এই সম্পৰ্কত আমি পি এইচ চি আৰু মিনিচিপালটি এডমিনিষ্ট্ৰেচনৰ লগত আলোচনা কৰিম বুলি ভাবিছোঁ।

ওডালগুৰিৰ সম্পৰ্কত মাননীয় সদস্যা আৰু বিধায়িকা বাইদেৱে যি কথা কলে সেইটোৰ বিষয়ে আমি চেষ্টা কৰিম আশাকৰো এই আলোচনা বিলাকে গুৰুত্ব পাব। আপোনালোকে আধাঘন্টা জুৰি আলোচনা কৰিছে। বৰা ডাঙৰীয়াৰ প্ৰতিটো কথাৰ লগত গোটেই বিভাগটো জড়িত আছে। আমি দায়িত্বলৈ সকলো খিনি কাৰ্য্যক্ষম কৰাৰ কাৰণে নুন্যতম সুবিধা খিনি লবলৈ চেষ্টা কৰিম। আগৰ যিবিলাক খেলি মেলি আছিল সেইবোৰ পুণৰ কাৰ্য্যকৰী কৰিবলৈ চেষ্টা কৰা হৈছে।

১৯৯১-৯২ চনত আৰম্ভ কৰা খোৱা পানীৰ আঁচনি এতিয়ালৈকে ১২ টা লোৱা হৈছে। খোৱা পানীৰ কেতিয়াবা কিবা কাৰণত অসুবিধা হলে সেই সম্পৰ্কে আমাৰ আগত কোৱাটো আৱশ্যক বোধ নকৰিলে। এই বছৰ বন্ধ হৈ গল, আগতে কব লাগিছিল এতিয়া কি কৰিব পৰা হয় চাম। বৰা ডাঙৰীয়াই কোৱা আঁচনিখনৰ কথাটো কওঁ যে ১৫ আগষ্টটত পানী দিয়াৰ চেষ্টা

★ Speech not corrected

কৰা হব।

* শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই যিটো পইছা বিচাৰিছে তাৰ ওপৰত কি কি প্ৰজেক্ট কৰা হব আৰু কি কি আঁচনিত খৰচ কৰিব তাৰ বিতং হিচাপ আমাক দিয়া নাই। আপুনি ওপৰে ওপৰে কথা খিনি কৈছে। বোকাজানত খোৱা পানীৰ কাৰণে বৰ্ডে পইছা ৰিলিজ কৰি দিছে, তাৰ ওপৰত ব্যৱস্থা লোৱা নাই। মই কোৱা এটা কথাও আপুনি কোৱা নাই। আমাৰ সদনতে যদি আমাক এনে ধৰণেৰে অবজ্ঞা কৰা হয় তেতিয়া হলে বিষয়া সকলে নকৰিব কিয়?

* শ্ৰী হেম প্ৰকাশ নাৰায়ণ (গ্ৰাম্য উন্নয়ন মন্ত্ৰী) ঃ ইতিমধ্যে আমি ১২৯.৪৪ লাখ টকা মোকোলাই দিছো, মাত্ৰ ৰেগুলাৰ কৰিব পৰা নাই। বি এ চি গঠন হোৱাৰ আগতে আঁচনি কৰা হৈছে। কি কাৰণত কি হৈ আছে মই চাম। বাকী আঁচনিৰ ক্ষেত্ৰত বিভাগৰ লগত আলোচনা কৰি তেখেতক জনাম।

* শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি কাট মোচনটো আনিছিলো টকাতো খৰচ কৰা নাই বুলি। টকাতো যাতে ভালদৰে খৰচ কৰা হয় সেইটো আলোচনা কৰাৰ কাৰণে আমি কাট মোচনটো আনিছিলো। কিন্তু ইতিমধ্যে টকাতো খৰচ কৰিছে। নিয়মীয়া কৰাৰ কাৰণেহে এইটো ইয়াত আনিছে। এই টকাতো আমি কিয় দিছো? যিবিলাক টকা দিয়া হৈছে তাত দুৰ্নীতি হৈছে। একোখন ঠেলাৰ দাম ২ হাজাৰ টকা কিন্তু ৪ হাজাৰ টকা দিয়া হৈছে, ঠিক তেনেদৰে একোটা ডাষ্টবিনৰ দাম ৮০০ টকা কিন্তু ২ হাজাৰ টকা দিয়া হৈছে। আমি ভাবিছিলো এই টকাৰ দুৰ্নীতি নহব। ইতিমধ্যে মাননীয় মন্ত্ৰী মহোদয়ে টকাতো দিলে বুলিয়েই কলে। গতিকে আমাৰ আলোচনাই এই ক্ষেত্ৰত বিশেষ

★ Speech not corrected

সহায় নকৰে। এই ক্ষেত্ৰত আপুনি অলপ সাবধান হব। আপুনি কিছুমান ক্ষেত্ৰত হেল্পলেচ বুলি কৈছে। দুৰ্নীতিৰ ক্ষেত্ৰত বাধা দিবলৈ চেষ্টা কৰিছে কিন্তু পৰা নাই। এই দুৰ্নীতি পৰায়ণ বিষয়া কৰ্ম্মচাৰী সকলক চিনাক্ত কৰিব লাগিব। আমাৰ তাত ১৭ কোটি টকা পাইছো। কিন্তু নিম্ন হাৰত যিবিলাকে টেণ্ডাৰ কৰিলে তেওঁলোকক নিদি উচ্চহাৰত টেণ্ডাৰ কৰা সকলকহে দিছে। যিবিলাকে এই কাম বিলাক কৰিলে তেওঁলোকৰ ওপৰত বিহিত ব্যৱস্থা লব লাগে। ডেভেলপমেন্ট অথৰিটিৰ যি জন চেক্ৰেটাৰী আৰু টাউন এন্ড কানট্ৰি প্লেনিংৰ যি জন বিষয়া এই ক্ষেত্ৰত জড়িত আছে তেওঁলোকৰ ওপৰত কোনো একচন চৰকাৰে নললে। সেই বিষয়া কেইজনক এতিয়াও চাচপেণ্ড কৰিব পৰা নাই। আপুনি ডি, চি ৰ দ্বাৰা এনকুৱাৰী কৰিব লাগিব বুলি কৈছে। আমি ডেভেলপমেন্ট অথৰিটিৰ মেম্বাৰ এম, এল, এ জনক কৰাৰ কথা কৈছো। কিন্তু য'ত ৰুলিং পাৰ্টীৰ এম, এল, এ নাই তাত ৰুলিং পাৰ্টীৰ পৰাজয়বৰণ কৰা এম, এল, এ প্ৰাৰ্থী জনকেই মেম্বাৰ কৰে। ডেভেলপমেন্ট অথৰিটি বুলিলে বিশেষ এটা একাউন্টবিলিটি থাকিব লাগিব। হয়, এম, এল, এ জনক নহয় ডি, চি জনক ডেভেলপমেন্ট অথৰিটি চেয়াৰমেন পাতিব লাগে। কিন্তু পৰাজয় বৰণ কৰা মানুহ এজনে সহায় কৰাৰ পৰিবৰ্তে টকা পইচা নষ্টহে কৰিছে। আপুনি একো কৰিব নোৱাৰে বুলি কৈছে। কিন্তু পইচা নষ্টহে কৰিছে। আপুনি একো কৰিব নোৱাৰে বুলি কৈছে। কিন্তু দুৰ্নীতি কৰাতো যিহেতু সত্য গতিকে একচন লব লাগে। ভৱিষ্যতেও একাদশ বিত্ত আয়োগৰ পৰা টকা আহিব। সেই টকা বিলাক কিহত খৰচ কৰিব সেই কথা বিলাক ভালদৰে চাব লাগে।

* শ্ৰী মদন কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, ২০০১ চনত নলবাৰীত পানী

★ Speech not corrected

যোগানৰ কাৰণে ৭ কোটি টকা নিৰ্দ্ধাৰিণ কৰা হৈছিল। তাৰে চাৰে তিনি কোটি টকা দিয়া হৈছে আৰু চাৰে তিনি কোটি টকা ৰাজ্য চৰকাৰৰ ফালৰ পৰা দিবলৈ আছে। মই বহু দিনৰ পৰা এই আঁচনি খনৰ কাৰণে লাগি লাগি ভাগৰি পৰিছো। আজি কেইদিন মান আগতে এই আঁচনি খন আৰম্ভ কৰাৰ কথা কৈছে। নলবাৰীত খোৱা পানীৰ অৱস্থা বৰ বেয়া। গতিকে এই আঁচনি খনৰ আধাৰশিলা সোনকালে স্থাপন কৰিব লাগে। নলবাৰী চহৰত ড্ৰেইনেজ চিচটেম নাই। গতিকে নলবাৰীৰ কাৰণে বিশেষ ভাৱে টকা আবন্টন দিয়াৰ ব্যৱস্থা কৰিব নেকি? নলবাৰী চহৰত এজাক বৰষুণ দিলেই পানী হয়। নলবাৰী চহৰ খন এখন ঐতিহ্যমণ্ডিত চহৰ। গতিকে ড্ৰেইনেজ চিচটেম আৰু পানী যোগান ধৰাৰ ব্যৱস্থা সোনকালে কৰাৰ কাৰণে অনুৰোধ জনাইছো।

* শ্ৰীহেম প্ৰকাশ নাৰায়ণ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, নলবাৰীৰ পানী যোগানৰ কাম আৰম্ভ কৰিবলৈ আগবাঢ়িছো। ইতিমধ্যে টকা দিয়া হৈছে। বিজনী, কোকৰাঝাৰ, গোসাইগাওঁ আদি চহৰৰ কাৰণে টকা দিয়া হৈছে। আমি টকাতো দিছো আৰু প্ৰয়োজন সাপেক্ষে তেওঁলোকে উন্নয়ন মূলক কাম বিলাক কৰিব।

* শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম ঃ কি আঁচনিৰ ওপৰত এই পইচা বিলাক খৰচ কৰিবলৈ দিছে।

শ্ৰী হেম প্ৰকাশ নাৰায়ন (নগৰ উন্নয়ন মন্ত্ৰী) ঃ চাৰ, আঁচনি আমি নলও। আঁচনি তেখেত সকলে লব। বিজনী, কোকৰাঝাৰ, গোসাইগাওঁ, বাসুগাওঁ আদি টাউনৰ কাৰণে আমি টকা দিছো। গতিকে মই মাননীয় সদস্য সকলক এই কাট মোচনটো উইথড্ৰ কৰাৰ কাৰণে অনুৰোধ জনাইছো।

* শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম ঃ চাৰ, গুৱাহাটীৰ পানীতো জন্ডিচ্ এফেকটেড্।

★ Speech not corrected

গতিকে জড্ডিচ্ এফেকটেড্ ফ্রি কৰাৰ কাৰণে আপুনি কিবা ব্যৱস্থা লৈছে নেকি?

* শ্ৰীহেম প্ৰকাশ নাৰায়ন (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটীত পানী যোগানৰ কাৰণে ৩৯৩ কোটি টকা দিয়া হৈছে। সেই টকাৰে প্ৰজেক্টৰ কাম আৰম্ভ কৰা হৈছে। সেই টকাৰে গুৱাহাটীৰ পানী যোগান আঁচনি ঠিক কৰিব পৰা যায়। গুৱাহাটী নগৰ খনৰ প্ৰশাসনীয় ব্যৱস্থাটো মই নেচাও। সেইটো জি, এম, ডি, এ চায়। এই যিখিনি টকা চেংচন কৰা হৈছে তাৰ বিপৰীতে যদি আঁচনি লোৱা হোৱা নাই তেতিয়া হলে আঁচনি কিয় লোৱা নাই সেই বিষয়ে মই আলোচনা কৰিম আৰু যিখিনি সমস্যাৰ কথা ডাঙি ধৰিছে সেই বিষয়েও মই আলোচনা কৰিম।

* শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, হাউচৰ যিটো চেন্টিমেন্ট সেই চেন্টিমেন্টটো আমাৰ অসম চৰকাৰৰ আগত আপুনি বেকত কৰিব। আমি কাট মোচনটো উইথড্ৰ কৰিছো।

Mr. Speaker : Now, Shri Dilip Kumar Saikia, Shri Hitendra Nath Goswami, Shri Pabindra Deka, Shri Mission Ranjan Das, Shri Bimalangshu Roy, Shri Dinesh Chandra Sarkar, Shri Ranjit Dutta, Shri Parimal Suklabaidya, Shri Kaliranjan Deb, Shri Rameswar Teli, Shri Sushil Dutta, Smt. Pramila Rani Brahma, Shri Matindra Basumatary, Shri Karendra Basumatary, Shri Biswajit Daimary and Smti. Kamali Basumatary -

Will you withdraw the cut motion?

(Voice : Yes, Yes)

★ Speech not corrected

Is it the pleasure of the House to grant leave to withdraw the Cut-Motion?

The Cut-motions are withdrawn.

I, now, put the motion before the House the Motion is that an additional amount of Rs. 229.44 lakh be granted to the Minister in-charge to defray certain charges which will come in the course of payment during the year ending 31st March, 2006 in connection with "Urban Development (MAD).

Those who are in favour say, "Ayes";

Those who are against, say, "Noes";

"Ayes" have it; "Ayes" have it, "Ayes" have it.

The Grant No. 34 is passed.

Now, Grant No. 29. Hon'ble Minister Health is to move, Dr. Bhumidhar Barman (Minister Health) : Hon'ble Speaker, I beg to move that an additional amount of Rs. 14762.66 lakh be granted to the Minister in-charge to defry certain charges which will come in the course of payment during the years ending 31st March, 2006 in connection with "Medical and Public Health."

Mr. Speaker : There are as many as 4 Cut-Motions against grant No. 29 standing in the name of Hon'ble Members - Shri Dilip Kr. Saikia, Shri Hitendra Nath Goswami, Shri Pabindra Deka, Shri

Bimalangshu Roy, Shri Mission Ranajan Das, Shri Dinesh Chandra Sarkar, Shri Ranjit Dutta, Shri Parimal Sukla Baidya, Shri Kali Ranjan Deb, Shri Rameswar Teli, Shri Susil Dutta, Shri Matindra Basumatry, Shri Hemendra Nath Brahma, Shri Tijen Basumatary, Smt. Pramila Rani Brahma, Shri Romio Brahma.

I now, request the movers to move the cut-motion one by one.

Shri Dilip Kumar Saikia : Mr. Speaker Sir, I beg to move that the total provision of Rs. 14762.66 lakh under Supplementary Demand for grants No. 29 in respect of "Medical and Public Health" at pages 30-32 of the list of Supplementary Demands be reduced by Rs. 100.00 i.e. the amount of the whole Supplementary Demand of Rs. 14762.66 lakh do stand reduced by Rs. 100.00.

*শ্ৰী বৃন্দাবন গোস্বামী ঃ মাননীয় অধ্যক্ষ মহাশয়, পৰিপূৰক দাবী মঞ্জুৰীৰ ওপৰত শিলচৰ মেডিকেল কলেজৰ ওপৰত সদনত মাননীয় স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াই যি মন্তব্য দিলে আৰু তাৰ ওপৰত মই কবলৈ বিচাৰিছো যে তেখেতে শিলচৰ মেডিকেল কলেজ খনৰ ওপৰত যি ধৰনৰ মন্তব্য চিকিৎসা মহাবিদ্যালয়খনৰ উন্নতিকল্পে যি ধৰণৰ কামত আগবঢ়িছে আমি তাত আস্বস্ত হব পৰা নাই। অধ্যক্ষ মহাশয়, মই মাননীয় মন্ত্ৰী মহাশয়ৰ দৃষ্টি আকৰ্ষণ কৰি কব খুজিছো যে স্বাস্থ্য বিভাগটোৰ ওপৰত সময়ে সময়ে বিভিন্ন সংবাদ পত্ৰত ঔষধ ক্ৰয়কে ধৰি নিম্ন মানৰ ঔষধ ক্ৰয় আৰু

★ Speech not corrected

অবৈধ ভাৱে গঢ়ি উঠা ফাৰ্মক যি ধৰণৰ গুৰুত্ব দি কাম দিয়া হৈছে তাত অবৈধভাবে বহুতো লেনদেন হোৱাটো গুৰুতৰ অভিযোগ আমাৰ তাত আছে। স্বাস্থ্য বিভাগৰ দৰে এটা গুৰুত্বপূৰ্ণ বিভাগত যি ধৰণে অনিয়ম হৰলৈ ধৰিছে সেইটোৰ প্ৰতি মাননীয় মন্ত্ৰী মহাশয়ে কি ধৰণে পদক্ষেপ লৈছে আজিৰ সদনত তেখেতে অলপ বাখ্যা দিলে আমি কিছু পৰিমাণে হলেও সুখী হলোহেতেন। মাননীয় অধ্যক্ষ মহাশয়, স্বাস্থ্য বিভাগৰ বিভিন্ন অনিয়ম আমি বহুদিনৰ পৰাই দেখি আহিছো চৰকাৰে ডিব্ৰুগড় মেডিকেল কলেজৰ স্বীকৃতি বাতিলকে ধৰি বিভিন্ন বিতৰ্ক চলি থকাটো আমাৰ ৰাইজৰ দৃষ্টি গোচৰ হৈছে। এই বিষয়ত আমাৰ ৰাইজৰ আচস্ত হোৱাটো পৰিলক্ষিত হৈছে। ইতিমধ্যে মাননীয় মন্ত্ৰী মহাশয়ে ১২২ টা নতুন পদ সৃষ্টি কৰা বুলি কোৱাত আমি অলপ শুনিবলৈ পাই সুখী হৈছো। আজি অসমৰ মেডিকেল কলেজ কেইখনক লৈ অসমৰ জনসাধাৰণৰ মাজত উদ্বিগনতা বহু দিনৰ পৰাই প্ৰকাশ পাই আহিছে। মেডিকেল কলেজৰ স্বীকৃতি বাতিলকে ধৰি বিভিন্ন সমস্যাৰ পৰিপ্ৰেক্ষিতত আমি স্বাস্থ্য বিভাগটোৰ কাম-কাজৰ সমালোচনা কৰিবলৈ বাধ্য হৈছো। এই বিভাগটোৱে আমাৰ দুখীয়া জনসাধাৰণৰ আশা আকাংখ্যাৰ মূল। এনেকুৱা এটা বিভাগৰ কাৰণে আমি সকলোৱে চিন্তা চৰ্চা কৰাটো প্ৰয়োজন হৈ পৰিছে। আনকি ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়ত অস্ত্ৰোপ্ৰচাৰ কৰি থকা অৱস্থাত বিদ্যুৎ সংকট হোৱাটো সেই চিকিৎসা মহাবিদ্যালয়ৰ কনিষ্ঠ চিকিৎসকে কৈছে। এনেকুৱা ধৰণৰ যদি হৈছে বৰ গুৰুত্বপূৰ্ণ কথা হৈছে আৰু এই ক্ষেত্ৰত বিভাগীয় মন্ত্ৰী হিচাবে তেখেতৰ কৰিবলগীয়া বহু কামেই আছে। অধ্যক্ষ মহাশয়, দ্বিতীয়তে কবলৈ বিচাৰিছো যে, গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ আজি পৰিচালনাত বহুতো ক্ৰুটি থকাটো আমাৰ দৃষ্টি গোচৰ হৈছে। গুৱাহাটী চিকিৎসা

মহাবিদ্যালয় খন আমাৰ কাৰণে অতি গুৰুত্বপূৰ্ণ। এই চিকিৎসা মহাবিদ্যালয়খন উন্নতি কৰাৰ কাৰণে বিভাগীয় মন্ত্ৰী হিচাবে এই বিভাগটোৰ কাৰণে চিন্তা চৰ্চা কৰাটো ভাল। অধ্যক্ষ মহাশয়, মই আৰু এটা কথা সদনত কবলৈ বিচাৰিছো যে পাঞ্জাবাৰীত থকা গুৱাহাটী হোমিওপ্যাথিক চিকিৎসালয়খন যোৰহাটলৈ স্থানান্তৰ কৰাৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা হাতত লৈছে নেকি? এই বিষয়েও আমি জানিব লাগিব। অধ্যক্ষ মহাশয় এইটো যাতে কোনো প্ৰকাৰে নহয় সেইটো অকণমান নজৰ দিলে ভাল হয়। অধ্যক্ষ মহাশয় মই আৰু এটা কথা এই সদনতেই জনাবলৈ বিচাৰিছো যে তেজপুৰত থকা লোকপ্ৰিয় গোপীনাথ বৰদলৈ মানসিক চিকিৎসালয়খন বৰ্ত্তমানে এন ই চিয়ে লৈছে মই যেতিয়া প্ৰথমবাৰ বিধায়ক হৈ আহো আৰু সেই সময়তেই মোৰ লক্ষ্য আছিল যে এই চিকিৎসালয়খনক উন্নতি কৰিব লাগে আৰু সেই হিচাবে মই যথেষ্ট কৰিছো বুলিয়েই কবলৈ বিচাৰিছো। এই চিকিৎসালয় খন আমাৰ ৰাজ্যখনৰ কাৰণে এটা সম্পদ। কিন্তু দেখা গৈছে এতিয়া উত্তৰ পূৰ পৰিষদে লোৱাৰ পিচত এটা তাত যিখিনি কৰ্ম্মচাৰী অৱসৰ ললে তেওঁলোকৰ আজিলৈকে পেনচন হোৱা নাই। গতিকে মই কব বিচাৰিছো যে আমাৰ চৰকাৰে এই ক্ষেত্ৰত কিবা বিহিত ব্যৱস্থা লৈছে নেকি?

মাননীয় অধ্যক্ষ মহাশয়, অৱসৰ পোৱা মানুহখিনিৰ কাৰণে কিবা কৰিছে নেকি? বিষয়টো অতি গুৰুত্বপূৰ্ণ চাৰ। আজিলৈকে যিখিনি মানুহ অৱসৰ পালে তেওঁলোকৰ আজিলৈকে পেনচন হোৱা নাই আৰু যিখিনি মানুহ অৱসৰৰ কাৰণে চমু চাপিছে তেওঁলোকৰ কাৰণেও চিন্তা কৰাটো আমাৰ কাৰণে দৰকাৰ। উত্তৰ পূৰ পৰিষদে লোকপ্ৰিয় গোপীনাথ বৰদলৈ মানসিক চিকিৎসালয়খন ৰাষ্ট্ৰীয় পৰ্য্যায়লৈ উন্নীত কৰিব বুলি আমি বহুদিনৰ

পৰাই শুনি আছিলো যদিও আজিলৈকে সেইটো হৈ উঠা নাই। অধ্যক্ষ মহাশয়, সময় একেবাৰে কম যেতিয়া মই আৰু এটা মাত্ৰ কথা কবলৈ বিচাৰিছো যে গুৱাহাটীৰ যিবিলাক যাবৰ জোথৰ আছে সেই বিলাকৰ পৰা আমাৰ মেলেৰিয়া গেছট্ৰ' এনটাইচিটি ৰোগৰ প্ৰাদূৰ্ভাব হোৱাটো অসম বিজ্ঞান সমিতিয়ে এটা সমীক্ষাত কৈছে। সেই কাৰণেই চাৰ গুৱাহাটীৰ জাবৰ জোথৰ বিলাক নিস্কাষণ কৰাৰ কাৰণে কিবা ব্যৱস্থা চৰকাৰৰ তৰফৰ পৰা লোৱা হৈছে নেকি মই আজিৰ সদনৰ জৰিয়তে জানিব বিচাৰিছো। চাৰ বাগান বিলাকতেই সাধাৰনতে মেলেৰীয়া বেছিকৈ হোৱা দেখা যায়। সেই কাৰণেই সেই অঞ্চল বিলাকত মেলেৰীয়া ৰোগ যাতে বিয়পিব নোৱাৰে আন ঠাইলৈ তাৰ কাৰণে চৰকাৰৰ ফালৰ পৰা ব্যৱস্থা আগতীয়াকৈ কৰিব লাগে। আমাৰ ৰাজ্যখনৰ মূল সমস্যা দুটা হৈছে মেলেৰীয়া ৰোগ আৰু গেছট্ৰ' এনটাইচিটি ৰোগ এই ৰোগৰ পৰা পৰিত্ৰান পোৱাৰ কাৰণে চৰকাৰৰ ফালৰ পৰা ব্যৱস্থা গ্ৰহণ কৰিব লাগে। স্বাস্থ্য মন্ত্ৰী বেলেগ, জনস্বাস্থ্য মন্ত্ৰী বেলেগ। জনস্বাস্থ্য মন্ত্ৰী সৰ্ব্বাধিক গুৰুত্ব পাব লাগে। এই ক্ষেত্ৰত মন্ত্ৰী এজন থকা দৰ্কাৰ। এই দুয়োটা বিভাগ ওত:প্ৰোত ভাবে জৰিত। অপাৰেশ্বনৰ সময়ত লাইট নোহোৱা হয়, এইটো হব নেলাগে। খোৱা পানী ভাল ধৰণে পোৱা নাই, চাহ বাগিছা সমূহত এতিয়াও খোৱা পানীৰ সমস্যা আছে। এইটো সমস্যালৈ চৰকাৰে চকু দিবলৈ অনুৰোধ কৰিছো। মেলেৰীয়া প্ৰতি বছৰে হৈ আছে। গ্ৰীস্মকাল অহাৰ লগে লগে তামুলপুৰ অঞ্চলত মেলেৰীয়া আৰম্ভ হয়। উত্তৰ -পূৰ অঞ্চলত এইটো বৰ ডাঙৰ সমস্যা। এই সমস্যাই মানুহক সন্ত্ৰাসৰ সৃষ্টি কৰিছে। এসময়ত প্ৰাক্তন মুখ্য সচিব হৰেন দাস ডাঙৰীয়াই এখন কমিটি কৰিছিল। আৰ্ম্মিৰ ডিফেনসে লেব'ৰেটৰী তাৰ কাৰণে ব্যৱস্থা কৰিছে। অসম চৰকাৰ আৰু ডিফেন্স লেব'ৰেটৰী এটা কো-অৰ্ডিনেশ্বন কৰি এই সমস্যা সমাধানৰ

কাৰণে আগ ভাগ লব লাগে। কেন্সাৰৰ বাহিৰেও এইডচ্ বেমাৰ হৈছে। এইডচ্ নিবাময়ৰ কাৰণ কি ব্যৱস্থা লোৱা হৈছে। আমি খবৰ পাইছো, সত্য নে অসত্য নাজানো, মন্ত্ৰী ডাঙৰীয়াই নিশ্চয় জানে। তেখেতৰ সমষ্টি বৰক্ষেত্ৰীৰ এন, জি, অ, ৰ নামত বহুত টকা গৈছে। বাতৰি কাকত ওলাইছে। এই কথাখিনি মন্ত্ৰী ডাঙৰীয়াই চাব লাগে। মই দীঘলীয়া নকৰো, যি কি নহওঁক, এই কথাটো আমাৰ মূল প্ৰশ্ন। এই ক্ষেত্ৰত ব্যাপক দুৰ্নীতি হৈছে, ঔষধ পাতি নাই, কেলেংকাৰী হৈছে। চৰকাৰৰ পাব্লিছিটি ডিপাৰ্টমেন্ট আছে, এই বিলাক কোনো প্ৰতিবাদ কৰা দেখা নাই। আজি আমি পোনপতীয়া ভাবে মন্ত্ৰী ডাঙৰীয়াক পাইছো, আজি প্ৰশ্ন কৰিছো। মোৰ শেষ প্ৰশ্ন হৈছে অসমত তিনিখন মেডিকেল কলেজ কৰিম বুলি ঘোষণা কৰিছিল। তিনি বছৰীয়া কোৰ্চৰ বাবে ডাক্তৰ, কোম্পাউন্দাৰ হব নে। তেজপুৰত মেডিকেল কলেজ হব বুলি প্ৰস্তাৱ পাইছিলো। ৰাইজেও মেডিকেল কলেজ বিচাৰিছিল। তাত প'লিটেক্নিক আৰম্ভ কৰিছিল। তাত ঘৰ মাটি আছে। ইঞ্জিনিয়াৰিং কলেজ নহ'ল। তাত যি ঘৰ আছে ওৰলি যাব ধৰিছে। চৰকাৰে চাৰিখন মেডিকেল কলেজ কৰক, এইখিনি কৈয়ে মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীকৰেন্দ্ৰ বসুমতাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মেলেৰীয়া আহিলে ব্যৱস্থা লবৰ কাৰণে মই চৰকাৰক অনুৰোধ জনাইছো। ওডালগুৰি জিলাৰ মাজবাট প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত কেবাখনো গাঁৱত মেলেৰীয়া, জণ্ডিচ ৰোগত শতাধিক লোখ আক্ৰান্ত হোৱাৰ বাতৰি পোৱা গৈছে। ইতিমধ্যে আমাৰ মাজৰ পৰা তথ্য অনুসৰি কেবাজনো লোকৰ মৃত্যু হৈছে। বাতৰি মতে দেৱালখণ্ড লালী দৈমাৰী, খুচুৰাবাৰী পূজা ৰাভা, পাচনৈগুটিৰ ৰিম্পি ভৌমিক, ভালুকমাৰীৰ ৰাণু লাক্ৰা, দেওচানিৰ অনুচুল বসুমতাৰী, খামতৌবাৰীৰ দেওবাৰী

★ Speech not corrected

বসুমতাৰী, বাহাদুৰ আদৰ্শ গাঁৱৰ চুনিৰাম বসুমতাৰী, জাৰু বসুমতাৰী, লালপানীৰ জয়া ছানী, লামাবাৰীৰ মন্নি চানী, মাজবাট টাউনৰ মন মোদক, ৰাণী দেৱী, ৰাজেস বৰা, ধনশ্ৰী গাঁৱৰ ললিতা মুৰ্ম্মু আদি আছে। এনেকুৱা ১৩ জন মান আছে। মাজবাট পি, এইচ, চি, ত ডাক্তৰ নাই এইটো তদন্ত কৰি ব্যৱস্থা কৰিব নেকি ?

ডাঃ ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, বিৰোধী দলৰ নেতা শ্ৰীগোস্বামী ডাঙৰীয়া, আৰু মাননীয় জেষ্ঠ সদস্য কৰেন্দ্ৰ বসুমতাৰী ডাঙৰীয়াই যিখিনি কথা কৈছে, মই তাৰ ওপৰত কব বিচাৰিছো যে অপ্ৰয়োজনীয় নিম্নমানৰ ঔষধ দিয়া বুলি কৈছে। আমি নিম্ন মানৰ কোনো ঔষধ দিয়া নাই। বৰঞ্চ আজিলৈকে ভাল ভাল ঔষধ Ranbxy এনেকুৱা ডাঙৰ ৰেপুটেড ফাৰ্ম্মৰ ঔষধ আনিছো। এইবাৰ পোন প্ৰথমবাৰৰ কাৰণে এই ৰেপুটেড ফাৰ্ম্মৰ পৰা ঔষধ কিনিছো। আগতে মই নিজে স্বাস্থ্য মন্ত্ৰী আছিলো, তেনেকুৱাৰ পৰা কিনা হোৱা নাছিল। এইবাৰ যিখিনি কিনিব লাগে আমি কিনিবলৈ বাধ্য। সেইখিনি বাহিৰৰ পৰা যাতে নিকিনে। আমি ভূৱা অনুষ্ঠানৰ পৰা ঔষধ কিনা নাই। এইবাৰ টেনডাৰ চিষ্টেম কৰিছো। মেডিকেলৰ কথা কোৱা হৈছে, পেপাৰতো ওলাইছে। অসম মেডিকেলৰ কাৰণে ৩৪ টা দিছিল, তাৰে দহটা আপগ্ৰেড কৰা হৈছে। ২০ টা থাৰ্ডগ্ৰেড ফিক্স পে দিছিল। তিনিওখন মেডিকেল কলেজৰ কাৰণে ১৫০ টা পোষ্ট ক্ৰিয়েট কৰিবলৈ লোৱা হৈছে। এইটো মাননীয় মূখ্যমন্ত্ৰী মহোদয়ৰ সিদ্ধান্ত মৰ্ম্মে সিদ্ধান্ত লোৱা হৈছে। শিলচৰৰ বাবে ৫০ টা পোষ্ট আছে। ইনফ্ৰাচট্ৰাকচাৰ মতে এইটো কৰা হৈছে। অপাৰেশ্বনৰ সময়ত লাইট যোৱাৰ কথা কৈছে। হয়, এইটো সচা কথা, লাইট যায় আমি লগে লগে ইয়াৰ ব্যৱস্থা কৰিছো।

Mr. Speaker : Now, It is 1.30 P.M. and I guillotine all the

remaining grants Nos. 29, 30, 71, 1.3, 4, 6, 9, 11, 12, 13, 16, 17, 19, 26, 27, 35, 36, 37, 38, 39, 42, 44, 45, 48, 49, 50, 55, 56, 58, 64, 65, 70, 73, 74 and 75.

Now, I put the grants before the House for approval.

Those who are in favour, say, "Ayes";

Those who are against, say, "Noes";

"Ayes" have it, "Ayes" have it, "Ayes" have it.

Grants No. 29, 30 ,71, 1, 3, 4, 6, 9, 11, 12, 13, 16, 17, 19, 26, 27, 35, 36, 37, 38, 39, 42, 44, 45, 48, 49, 50, 55, 56, 58, 64, 65, 70, 73, 74 and 75 are Passed.

## INTRODUCTION, CONSIDERATION AND PASSING OF "THE ASSAM APPROPRIATION (NO.V) BILL, 2005"

Mr. Speaker : Now, item No. 4 (a). Hon'ble Chief Minister to introduc "The Assam Appropriation (No. V) Bill, 2005.

Shri Himanta Biswa Sarma (Minister of State, Finance) : Sir, I beg leave to introduce "The Assam Appropriation (No. V) Bill, 2005" on behalf of Hon'ble Chief Minister

Mr Speaker : Is it the pleasure of the House to grant leave to introduce the Bill ?

The leave is granted.

There is a message from the Governor of Assam, dtd. 9-8-2005.

Raj Bhavan
Guwahati
Dtd. 9-8-2005

**ORDER**

"Under the provision of Article 207 (I) of the Constitution of India, I, Lt. Gen. (Retd), Ajay Singh, PVSM, AVSM, Governor of Assam recommend the introduction of The Assam Appropriation ( No. V) Bill, 2005 in the Assam Legislative Assembly.

Sd/-
Lt. Gen (Retd), Ajai Singh,
PVSM, AVSM,
Governor of Assam."

Now, Hon'ble Chief Minister to introduce the Bill.

Shri Himanta Biswa Sarma (Minister of State, Finance) : Sir, on behalf of Hon'ble Chief Minister I beg to introduce "The Assam Appropriation (No. V) Bill, 2005.

Secretary, Assam Legislative Assembly. : The Title of the Bill is "The Assam Appropriation (No.V) Bill, 2005.

Mr. Speaker : Now, item No. 4 (b).

There is a message from the Governor of Assam, Rajbhavan, Guwahati, dtd. 9-8-2005.

ORDER

"Under the provison of Article 207 (3) of the Constitution of India, I, Lt. Gen. (Retd), Ajai Singh, PVSM, AVSM, Governor of Assam recommend that the "The Assam Approptiation (No.V) Bill, 2005 be taken into consideration" in the Assam Legislative Assembly.

Sd/-
Lt. Gen, (Retd), AJai Singh,
PVSM, AVSM,
Governor of Assam."

Now, Hon'ble Chief Minister to move.

Shri Himanta Biswa Sarma : ( Minister of State, Finance) Sir, on behalf of Hon'ble Chief Minister I beg to move that "The Assam Appropritaion (No.V) Bill, 2005 be taken into consideration.

* শ্ৰী পবিন্দ্ৰ ডেকা ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱাবাৰ শিক্ষা সম্পৰ্কে মই এটা কথা উত্থাপন কৰিছিলো। যোৱা দুবছৰ ধৰি নলবাৰী জিলাৰ ডি, আই অফিচৰ পৰা অবৈধ ভাৱে শিক্ষক নিযুক্তি হৈ আছে। ১৯৯৮-৯৯ চনতে নিযুক্তি হোৱা দেখুৱাইছে। বাস্কা জিলাৰ

★ Speech not corrected

স্কুলৰ হেড্‌মাষ্টাৰৰ লগত বুজাবুজি কৰি জইন কৰা দেখুৱাইছে। যোৱাবাৰ টিহুৰ বিষয়ে মই এটা কথা কৈছিলো। শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত নলবাৰী জিলাত কিমান হুলস্থূল হৈ গৈছে। সেইটো আকৌ চলি আছে। টিহুৰ কথাটো তেতিয়া মন্ত্ৰী মহোদয়ে অনুসন্ধান কৰিম বুলি কৈছিল কিন্তু কৰা নাই। অনসন্ধান কৰিব নেকি?

* শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয় ট্ৰেজাৰীয়ে বিল পাচ কৰোতে শিক্ষক সকলৰ পৰা পইচা বিচাৰে। আনকি আমাৰ বিধায়ক সকলৰ দৰমহা দিওতেও দিগদাৰ কৰে। দিশপুৰ ট্ৰেজাৰীয়ে সময়মতে বিল পাচ নকৰে। ট্ৰেজাৰীত পইচা নিদিলে বিল পাচ নহয়। সমগ্ৰ অসমত এইটো চলি আছে। এই ক্ষেত্ৰত ব্যৱস্থা লব লাগে।

* শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাষ্ট্ৰীয় ক্ৰীড়াৰ ক্ষেত্ৰত চৰকাৰৰ দৃষ্টিভংগী কি, কেতিয়া পাতিব। নিৰ্মাণ কাৰ্য্য যেনেদৰে হব লাগে তেনে ধৰণে হোৱা নাই। ডেৰ কৌটি টকা কম হৈছে। দুটা স্পষ্ট অভিযোগ উঠিছে। শতকৰা ৭৫ ভাগৰ ওপৰত দিয়া বুলি কৈছে। কেন্দ্ৰীয় চৰকাৰে যি ৰেট কৈছে বহুত ওপৰত হৈছে। নেচনেল গেমচত দুৰ্নীতি হ'ব নোৱাৰে। খোৱা পানীৰ ওপৰত কি ব্যৱস্থা কৰিছে জনাব লাগে।

Mr. Speaker : Now, Hon'ble Minister to reply.

* শ্ৰী হিমন্ত বিশ্ব শৰ্ম্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী পবিন্দ্ৰ ডেকা আৰু দিলীপ কুমাৰ শইকীয়া আৰু হিতেন্দ্ৰ নাথ গোস্বামী ডাঙৰীয়াই তিনিটা কথা কৈছে। মই মাননীয় সদস্য পবিন্দ্ৰ ডেকাক জনাও যে টিহু ট্ৰেজাৰীত অবৈধ কাম কাজ হোৱাটো দৃষ্টিগোচৰ হৈছে। বিভাগে কাম কাজ আৰম্ভ কৰিছে। মই পবিন্দ্ৰ ডেকাক আশ্বাস দিব খুজিছো যে ফিচকেল ৰিফৰ্ম

★ Speech not corrected

১ চেপ্তেম্বৰৰ পৰা হ'ব। টিহু ট্ৰেজাৰীতো ব্যৱস্থা লোৱা হ'ব।

*শ্ৰী পবিন্দ্ৰ ডেকা ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৯৯ চনৰ শিক্ষকক অবৈধ ভাবে দি আছে। এইটো বন্ধ কৰিব নেকি।

*শ্ৰী হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই কথাটো বাতৰি কাকতত ওলাইছে আৰু বাস্কাৰ বিষয়ে তদন্ত হৈ আছে। এই ক্ষেত্ৰত তদন্তই নহয়, শাস্তিৰ ব্যৱস্থাও কৰিছো। ২য়তে ট্ৰেজাৰীৰ ক্ষেত্ৰত দিলীপ (কুমাৰ) শইকীয়া ডাঙৰীয়াই বিধায়ক সকলে দৰমহা পোৱাত দিগদাৰ হোৱা বুলি কৈছে। পেন্সনাৰ সকলৰ যিটো কথা বাতৰি কাকতত ওলাইছে তাৰে ৯০ শতাংশ সচাঁ নহয়, কিন্তু ১০ শতাংশ সচাঁ হ'ব পাৰে। মাননীয় মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিছিল মিটিং কৰিব লাগে। এইটো যাতে নহয়, তাৰ ব্যৱস্থা লব লাগে। যোৱা মাহত মিটিং কৰি এইটো সিদ্ধান্ত হৈছে যে ছেপ্তেম্বৰ মাহত ফিকচ্ কৰি দিয়া হ'ব, পেন্সনাৰ, শিক্ষক সকলে কিমান দিনৰ ভিতৰত দৰমহা পাব লাগিব। এই বিত্ত সচিবে কাম কৰি আছে। গোটেই পেমেন্ট চেক্ যোগে হ'ব।

মাননীয় অধ্যক্ষ মহোদয়, এই কথাটো আমাৰ দৃষ্টিগোচৰ হৈছে। আনকি আমি ৰিপোৰ্ট পাইছো যে প্ৰাক্তন মন্ত্ৰী ইদ্ৰিছ চাহাবৰ বিধবা পত্নীয়ে পেঞ্চনৰ টকা উলিয়াবলৈ যাওঁতে ট্ৰেজাৰীত হাৰাশাস্তি হোৱা বুলি। গতিকে আমি ট্ৰেজাৰীৰ কাম কাজত কিছুমান পৰিবৰ্ত্তন আনিব বিচাৰিছো আৰু অহা চেপ্তেম্বৰ মাহৰ পৰা আপোনালোকে দেখিবলৈ পাব। যিবিলাক অভিযোগ পাওঁ আৰু যিসকল ইয়াৰ লগত জড়িত থাকে তেওঁলোকৰ ওপৰত একচন লোৱা হ'ব আনকি যিসকলে ইনচ্‌পায়াৰ কৰে তেওঁলোকৰ ওপৰতো লোৱা হ'ব। কাৰণ তেওঁলোকো সমানে দায়ী। কিছুমান কাম ট্ৰেজাৰী বিলাকত ইমান দিন পৰি থাকে যে ট্ৰেজাৰী অফিচাৰজন বদলি হৈ যায়, কিন্তু কেৰাণীজন নহয়, গতিকে

★ Speech not corrected

তেওঁলোকে বহু দিন ধৰি কামবিলাক পুট আপ নকৰে। গতিকেই এটা পৰিবৰ্ত্তন আনিব খোজা হৈছে। এই ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াও যথেষ্ট পাৰ্টিকুলাৰ।

* শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি দেখিবলৈ পাইছো যে ঠিকাদাৰ সকলৰ বিল বিলাক সকলোৰে আগতে পাছ হয় আৰু তেওঁলোকে আগতে পায়, শিক্ষক সকলৰ বিল বিলাক পাছ কৰোতে তেওঁলোকে বহুত সময় লয় আনকি আমাৰ বিধায়ক সকলৰ বিল বিলাকো আমি সময়মতে নাপাওঁ। ৰাইজৰ প্ৰতিনিধি হৈয়ো যদি আমাৰ অৱস্থা এনে হয়, এইটো বৰ সাংঘাটিক কথা হৈছে। গতিকে এই ক্ষেত্ৰত অলপ কঠোৰ হোৱা প্ৰয়োজন হৈছে। শিক্ষক সকলে আৰু পেঞ্চনাৰ সকলে যাতে আগে পাব পাৰে তাৰ ব্যৱস্থা লোৱাৰ বাবে আমাৰ ফালৰ পৰা দাবী জনাইছো।

* শ্ৰী হিমন্ত বিশ্ব শৰ্ম্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী দিলীপ কুমাৰ শইকীয়াদেৱে উত্থাপন কৰা বিষয়টো মই গুৰুত্ব সহকাৰে লৈছো। ঠিকাদাৰসকলে আগতে বিল আদায় পোৱাৰ কাৰণটো হৈছে, পূৰ্বতে ৰাজ্যখনত যি বিত্তীয় সংকট আছিল আমি মাত্ৰ ৫/৬ দিনৰ কাৰণে বিত্তীয় লেনদেন খুলি দিছিলো। গতিকে বিলবিলাক পাছ কৰাবৰ কাৰণে সকলোৰে দৌৰা-দৌৰি লাগিছিল। যোৱা বছৰ মাৰ্চ মাহৰ পৰাহে এই অৱস্থাৰ উন্নতি হৈছে। এতিয়া ১০ দিনৰ কাৰণে খোলা থাকে, প্ৰথম ৫ দিনৰ দৰমহা আৰু পেঞ্চন আৰু পিচৰ ৫ দিনত বাকীবিলাকে লব পাৰিব। আমি চাইছো যাতে অৱসৰপ্ৰাপ্ত শিক্ষকসকল আৰু ঠিকাদাৰ সকলে একেলগে যাতে যাব নোৱাৰে।

* শ্ৰী প্ৰেমধৰ বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা বছৰ ১৫ আগষ্ট তাৰিখে মাননীয় মূখ্যমন্ত্ৰী ডাঙৰীয়াই ভেঞ্চাৰ স্কুল কেইখনমানক কিছু

★ Speech not corrected

আৰ্থিক সাহায্য দিয়াৰ কথা ঘোষণা কৰিছিল, আমাৰ পৰা লিষ্টো বিচাৰিছিল, কিন্তু আজি ১ বছৰ হ'ল সেই কাম হৈ নুঠিল। এলিমেন্টৰী স্কুল বেচিঁকৈ লব লাগে। কাৰণ সকলো সমষ্টিত সমান অনুপাতে স্কুল নাই। পিছপৰা অঞ্চল, পাহাৰীয়া অঞ্চল, চৰ অঞ্চল বিলাকৰ সমানে যদি লোৱা হয় তেতিয়া হলে গুৱাহাটীত ৩ খনহে ওলাব। গতিকে এখন চাব-কমিটি গঠন কৰি দিব লাগে। এই চাব-কমিটিয়ে নিৰ্বাচিত কৰি দিয়া স্কুল কেইখন মঞ্জুৰীৰ বাবে লব লাগে। চৰকাৰে ভিজিলেঞ্চৰ কথা কৈ আছে আজিও ৩ বছৰে ভিজিলেন্সৰ কোনো ৰিপোৰ্ট পোৱা নাই। মন্ত্ৰী মহোদয়ে মোৰ সমষ্টিত এটা ফাউণ্ডেচন কৰি আহিছে মই তাৰ কাৰণে মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। গড় কাপ্তানি বিভাগক যি টকা দিয়া হৈছে সি কম হোৱাৰ বাবে কাম হোৱা নাই।

মাননীয় অধ্যক্ষ মহোদয়, মই আৰু এটা কথা কব খুজিছো কলাক্ষেত্ৰ সম্পৰ্কে। কলাক্ষেত্ৰখন আমাৰ অসম চুক্তিৰ আধাৰত স্থাপন হৈছে। মহাপুৰুষ শংকৰদেৱে প্ৰথমে সনাতন ব্ৰহ্মৰুপি বুলি কৈছিল। সেইজন মহাপুৰুষৰ কলাক্ষেত্ৰ খন যেনে ধৰণে আজি পৰিচালনা হব লাগিছিল তেনেধৰণে হোৱা নাই। কলাক্ষেত্ৰ খনৰ বাজেট তিনি কোটি টকা। সদায় এক লাখকৈ টকা কলাক্ষেত্ৰখনত খৰছ হয়। ইয়াৰ এটা ভাল অনুসন্ধান কৰিব লাগে। জাতি ধৰ্ম্ম বৰ্ণ মিলি একেখন অসমতে সকলোৱে বসবাস কৰে। এই কলাক্ষেত্ৰ খনৰ যাতে ভালধৰণে পৰিচালনা হয়। সাংস্কৃতিক সম্পৰ্ক এটা থাকে তাৰ বাবে মই অনুৰোধ জনাইছো।

* শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, আজান পিৰৰ দৰগাহৰ কি কাম চৰকাৰে কৰিছে।

শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২৫ তাৰিখে দৈনিক বাতৰি কাকতত এটা বাতৰি ওলাইছিল যে শিক্ষক নিযুক্তিৰ

★ Speech not corrected

নামত লক্ষীমপুৰত এটা দুৰ্নীতি হৈছে। ২০০৪ লৈকে ৮০৪ টা পদ সৃষ্টি কৰা বুলি আৰু ইয়াৰ নামত ২০ কোটি টকা দিশপুৰৰ পৰা আনিলে বুলি কৈছে। ইয়াত কৈছে যে (বাতৰিটো পঢ়ি দিয়ে) দিশপুৰত বিত্তমন্ত্ৰীৰ দায়িত্বত থকা যুৱমন্ত্ৰী এজন থাকোতে এই জালিয়াতি কেনেকৈ চলি আছে বুলি কৈছে। মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে মই মাননীয় বিত্তমন্ত্ৰীৰ ৰিয়েকশ্যন কি জানিব বিচাৰিছো। বিভাগৰ ওপৰত চৰকাৰৰ কন্ট্ৰ'ল থাকিব লাগে। এই ৰিষয়ত তেখেত অৱগত হৈছে নে নাই, দোষী সকলৰ ওপৰত অতি সোনকালে বিহিত ব্যৱস্থা লব নে নাই এটা স্পষ্টীকৰণ দিয়ক।

শ্ৰী হিমন্ত বিশ্ব শৰ্ম্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ট্ৰেজাৰীৰ পিচত মাননীয় হিতেন গোস্বামী ডাঙৰীয়াই নেচনেল গেমচ্‌ৰ ওপৰত প্ৰশ্ন কৰিছিল। আমি নেচনেল গেমচৰ বিষয়ে কিমান চিৰিয়াচ সেইটো চাবলৈ গলে নেচনেল গেমচ্‌ৰ কাৰণে একেবাৰে ৪০০/৫০০ কোটি টকা কেন্দ্ৰীয় চৰকাৰে তেতিয়া আমাক দিছিল কিন্তু আমি নিজৰ বাজেটৰ পৰা এই গেমচ পাতিবলৈ আগবাঢ়িছিলো। এতিয়া কথা হ'ল গেমচ্ সময় মতে হব নে নাই সেইটো অল আসাম অলিম্পিক এচছিয়েশ্যন আৰু ইণ্ডিয়ান অলিম্পিক এচছিয়েশ্যন ঠিক কৰিব। নৱেম্বৰত হাইদৰাবাদত হৈছে। কিন্তু হাইদৰাবাদত এবছৰ পিছুৱাই পেলাইহে হৈছে। আমাক ইণ্ডিয়ান অলিম্পিক এচছিয়েশ্যনে ডেট দিব। নবেম্বৰত নেচনেল ষ্টেডিয়ামৰ কাম সম্পূৰ্ণ কৰিম। গেমচ্ ভিলেজৰ ক্ষেত্ৰত আমাৰ চৰকাৰৰ এটা অসুবিধা আছিল। হাইকোৰ্টত কেচ হৈছিল। আমি তাত জিকিলো। তাৰ পিচত চুপ্ৰিম কোৰ্টত গলো। তাতো আমি জিকিলো হাইকোৰ্টৰ এটা ন্যায়িক প্ৰক্ৰিয়া আছে। আজি এইটো কথা আমি স্পষ্টকৈ কব পাৰো নেচনেল গেমচৰ কাম আমি অহা ৩১ ডিচেম্বৰৰ ভিতৰত

শেষ কৰিম।

* ড° জয় নাথ শৰ্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, নেচনেল গেমচ নবেম্বৰত হব বুলি সকলোৰে জানে। যদি ডিচেম্বৰৰ ৩১ তাৰিখে কাম শেষ হয় তেতিয়া হলে নেচনেল গেমচ নহব।

* শ্ৰী হিমন্ত বিশ্ব শৰ্ম্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো অসমৰ মানুহৰ চিন্তাধাৰাৰ ওপৰৰ কথা। ৩১ তাৰিখে নে ১ তাৰিখে হব। এজন মানুহে কব ২০০৫ ত নে ২০০৬ ত হল এইটো মানুহৰ মানসিকতাৰ ওপৰত হব। মাননীয় অধ্যক্ষ মহোদয়, গেমচ কেতিয়া হব সেইটো ঠিক কৰিব ইণ্ডিয়ান অলিম্পিক এচছিয়েশ্যনে। অসম চৰকাৰে ৩১ ডিচেম্বৰৰ ভিতৰত নেচনেল গেমচৰ কাম সম্পূৰ্ণ কৰি চাবি-কাঠি আমি এচছিয়েশ্যনক গতাই দিম। ৩১ আৰু ১ তাৰিখ। মাজত ১ বছৰ দেখুৱাইছে। এইটো ভাল কথা নহয়। দ্বিতীয়তে, নেচনেল গেমচৰ কাম বেছি ৰেটত দিয়া হৈছে। এতিয়া কামৰ টেণ্ডাৰ দিয়া হৈছে। নৱেম্বৰত আমাৰ কাম শেষ হব। ডেট আমি দিব নোৱাৰো। কথাটো এনে ধৰণে কব নেলাগে নবেম্বৰত কাম শেষ কৰিম ডেট তেওঁলোকে দিব, আমি সাজু বুলি চিঠিখন দিব পাৰিম। ২২ ডিচেম্বৰত দিলে ২২ ডিচেম্বৰত পাতিম। জানুৱাৰীত দিলে জানুৱাৰীত পাতিম। সদনত মাননীয় অধ্যক্ষ মহোদয় আমি এইটো কব নোৱাৰো। ডেট দিব নোৱাৰো। দ্বিতীয়তে মাননীয় অধ্যক্ষ মহোদয়, গেমচ ভিলেজ আমি পাতিম। প্ৰয়াত কেন্দ্ৰীয় ক্ৰীয়ামন্ত্ৰী শ্ৰী সুনীল দত্ত ডাঙৰীয়া দেৰ আহিছিল গেমচ ভিলেজৰ কাম চাবলৈ। তেখেতে কৈছিল যে অসমৰ দৰে ৰাজ্য এখনত এইদৰে ইনফ্ৰাষ্টাকচাৰ কৰিব পাৰিছে।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাষ্ট্ৰীয় গেমচৰ কাম সুন্দৰকৈ আৰম্ভ হয়। কিন্তু কিছুমান পেপাৰত লেখিছে ৬৬°/০ কাম হৈছে কিছুমানত লিখিছে ৬৬°/০ আৰম্ভ হোৱাই নাই।

★ Speech not corrected

এইবিলাক নিজৰ নিজৰ মানসিকতাৰ কথা। দ্বিতীয়তে কথা হৈছে গেমৰ আৰু এল এনটিৰ কাম পোৱাৰ ওপৰত। এই ক্ষেত্ৰত সম্পূৰ্ণ ভাবে নিয়মৰ মাজত চলা হৈছে। ৰাষ্ট্ৰীয় ৫, ৬ খন পেপাৰত টেণ্ডাৰৰ কথা দিয়া হৈছিল। মাননীয় অধ্যক্ষ মহোদয়, প্ৰেমধৰ বৰা ডাঙৰীয়াই ভেঞ্চাৰ স্কুলৰ লিষ্টৰ কথা কৈছিল। ভেঞ্চাৰ স্কুলৰ লিষ্ট ৰেডি হৈ আছে। হাইকোৰ্টৰ ক্লিয়াৰেন্সপালেই লিষ্ট খন উলিয়াম। ইয়াত সংস্কৃত টোল মাদ্ৰাচা, হাইস্কুল, হাইয়াৰ চেকেণ্ডাৰী স্কুল, এম ই স্কুলৰ লিষ্ট ফাইনেল হৈ আছে। এলপি স্কুলৰ ক্ষেত্ৰত ১৫ আগষ্টৰ ভিতৰত ফাইনেল কৰিম। ৰাজনৈতিক ভাবে কিছুমান ষড়যন্ত্ৰ আছে। মই কোৱা নাই যে হাউচৰ ভিতৰৰ পৰা। বাহিৰৰ পৰাও হয়। আমিও উৎকণ্ঠিত বৰা ডাঙৰীয়াৰ দৰে। হাইকোৰ্টৰ কিলৰাৰেঞ্চৰ পিচত লিষ্ট ওলালে এলপি স্কুল বঢ়াই কমাই লব পাৰি। পংকজ বৰা ডাঙৰীয়াৰ ২ খন এলপি মোৰো তেনেকুৱা। গতিকে বিতৰণৰ কম বেচি কৰিব পাৰি। প্ৰথমে মই কম যে আমাৰ আঁচনি ভাল। আমি সকলোৰে পৰা সহায়-সহযোগিতা বিচাৰিছো।

* শ্ৰী দিলীপ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, কথাতো ক্লিয়াৰ কৰি দিয়ক।

* শ্ৰী হিমন্ত বিশ্ব শৰ্ম্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, গেমৰ ইণ্ডিয়াৰ ক্ষেত্ৰত পি এ চিয়ে গোটেই কথাতো চাইছে। অতিৰিক্ত মুখ্যসচিবৰ অধ্যক্ষতাত কমিটি গঠিত হৈ ৬ মাহ Cabinet has taken a collective decision দ্বিতীয়তে কথা হৈছে ভেঞ্চাৰ স্কুল কলেজৰ ক্ষেত্ৰত আমাৰ নীতি ষ্ট্ৰং।

* শ্ৰী প্ৰেমধৰ বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰীয়ে ৫ খন এম ই স্কুলৰ কথা কৈছে আমি ১০ খন দিবলৈ কৈছো।

শ্ৰী হিমন্ত বিশ্ব শৰ্ম্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, বিধান সভাৰ বাজেট

★ Speech not corrected

থাকিলে এম ই স্কুলৰ কথা চাব পাৰি। লিষ্ট খন ওলাব লাগিব।

শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম ঃ মাননীয় অধ্যক্ষ মহোদয়, লিষ্টখন পাব্লিচ হব লাগে।

* শ্ৰী হিমন্ত বিশ্ব শৰ্ম্মা (মন্ত্ৰী) ঃ মাননীয়, অধ্যক্ষ মহোদয়, কলাক্ষেত্ৰৰ কথা উঠিছে। কলাক্ষেত্ৰ খন সুন্দৰকৈ ৰখাতোৰ ক্ষেত্ৰত অসম চৰকাৰ অঙ্গীকাৰবদ্ধ। এতিয়া তাত তিনিটা প্ৰেক্ষাগৃহৰ কাম চলি াছে। কেন্দ্ৰীয় চৰকাৰে কিছু টকা দিছে। অসম চৰকাৰেও দিছে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়েও এই কলাক্ষেত্ৰৰ ওপৰত নজৰ ৰাখিছে। আমাৰ মাননীয় সদস্য শ্ৰীপ্ৰেমধৰ বৰা ডাঙৰীয়াই যি গঠন মূলক পৰামৰ্শ দিছে সেয়া আমি গ্ৰহণ কৰিছো। আপোনালোক আটায়ে আজানপীৰৰ কথা কয় । আজানপীৰৰ ভিতৰত হলে কি আছে নাজানে। জাতীয়তাবোধ কি আমি নাজানো। আপোনালোকে বেছি জাতীয়তাবোধৰ কথা কয়। কিন্তু আজানপীৰৰ দৰগাহ ভাল কৰিবৰ কাৰণে ইতিমধ্যে আমাৰ মূখ্যমন্ত্ৰী মহোদয়ে ২০ লাখ টকা আগ বঢ়াইছে। আজানপীৰৰ স্মৃতি ৰক্ষাৰ্থে ইয়াৰ এৱাৰ্ড ইনিচ্ছটিটিউট ব্যৱস্থা কৰা হৈছে। কলাক্ষেত্ৰতো ইয়াৰ স্মৃতি ৰক্ষা ততকালেই কৰা হব।

মাননীয় সদস্য দিলীপ শইকীয়া ডাঙৰীয়াই কলেজ শিক্ষক ৰ পেন্সনৰ কথা উল্লেখ ভালেই কৰিছিল কিন্তু এই বিল অনাৰ পিচত কি হ'ল? আইনো হ'ল পেন্সন কিন্তু নাপালে। ইয়াৰ প্ৰভি জন বিলাক আমি মুখ্যমন্ত্ৰী মহোদয়ৰ সৈতে চাই আচৰিত হৈছো। শিক্ষক সকলেও দিব লাগিব আৰু দিব লাগিব তেতিয়াহে শিক্ষকে পেন্সন পাব। এতিয়া আমি বিষয়টো বিশদভাৱে আলোচনা কৰিব লগা হৈছে। মুখ্যমন্ত্ৰী মহোদয়ে তেখেতক পঢ়োৱা গুৰুসকলৰ পেন্সনৰ কথা এতিয়া চিন্তা কৰিব লাগিব। এইটো বৰ ডাঙৰ কথা আমি কথা বিলাক চালিজাৰি চাবলগীয়া হৈছে এতিয়া। আমি

★ Speech not corrected

চাই চিতি তেখেত সকলৰ লগত আমি তিনিবাৰ আলোচনাত বহিছোঁ। এতিয়া গৌৰৱেৰে কব খুজিছো তেখেতসকলে বিচৰামতে অসম চৰকাৰে অৱসৰপ্ৰাপ্ত শিক্ষকসকলক চৰকাৰী চাকৰিয়ালৰ দৰে পেন্সন দিব।

* শ্ৰী বৃন্দাবন গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, কলেজ শিক্ষক পেঞ্চন দিয়াৰ ক্ষেত্ৰত উচ্চ শিক্ষানুষ্ঠানৰ চেনচিটী যিটো আছে সেইটো বজাই ৰখা হবনে?

* শ্ৰীহিমন্ত বিশ্ব শৰ্ম্মা (মন্ত্ৰী) ঃ কলেজ শিক্ষক সন্থাই বিচৰামতেই পেঞ্চন দিয়া হব। সেই কাৰণে এই বিষয়টো তেখেতসকলৰ লগত আলোচনা কৰা হৈছে। এই ক্ষেত্ৰত আমি মাত মতা উচিত নহব। উচ্চ শিক্ষানুষ্ঠানৰ চেনচিটি নিশ্চয় বজাই ৰখা হব। শিক্ষকৰ নিযুক্তিত আমি কোনো দিনেই ইন্টাৰ ফেয়াৰেন্স হব দিব নোৱাৰো। অন্য কৰ্ম্মচাৰী সকলে যেনেকৈ পেঞ্চন পায় তেওঁলোকেও পাব প্ৰচলিত নিয়ম অনুসাৰে।

* শ্ৰীবৃন্দাবন গোস্বামী ঃ ১৯৮৫ চনত ময়ো শিক্ষা মন্ত্ৰী আছিলো। চৰকাৰীকৰণ কৰাত বহুত আসোঁৱাহ থাকি গল। হাফলং, ডিফু কলেজত পেঞ্চনৰ ক্ষেত্ৰত বহুত খেলিমেলি থাকিল। এতিয়া চৰকাৰীকৰণ কৰি দিব নে নকৰাকৈ দিব?

* শ্ৰী হিমন্ত বিশ্ব শৰ্ম্মা ঃ কলেজ শিক্ষক সন্থাৰ লগত আলোচনা মৰ্ম্মেই কৰা হব। প্ৰাদেশীকিকৰণ সকলোৱে নিবিচৰা নহয়। কোকৰাঝাৰে এতিয়া দাবী কৰিছে। আগৰ মানসিকতাৰ অলপ পৰিবৰ্ত্তন হৈছে। আলোচনা কালত প্ৰাদেশীকৰণৰ কথা আহিব পাৰে। আমি আগষ্ট মাহৰ ভিতৰতে আশা ৰাখিছো কলেজ শিক্ষক সকলৰ মান মৰ্য্যদা অক্ষুন্ন ৰাখিব পাৰিম। মাননীয় সদস্যা শ্ৰী প্ৰমীলা ৰানী ডাঙৰীয়ানীয়ে ৮০৪ জন লক্ষীমপুৰ জিলাৰ শিক্ষকৰ বেতনত

★ Speech not corrected

দুৰ্নীতিৰ কথা উল্লেখ কৰিছে। তেখেঁতে কোটি কোটি টকাৰ কথা কৈছে। বাতৰি কাকতখন মই পঢ়া নাই। বাইদেউৱে কৈছে যেতিয়া উপযুক্ত তদন্ত কৰিম। পেপাৰৰ মালিক সকলে লাখ বা হাজাৰৰ কথা নকয় মাত্ৰ কোটি টকাৰ কথাহে কয়। ৮০৪ জন শিক্ষকৰ নিযুক্তিত ২০ কোটি টকা ইনভলভ হব বুলি ভাবিব নোৱাৰি। পেপাৰৰ মালিক সকলে কোটি টকাৰ কথা কয়ে।

* শ্ৰীমতী প্ৰমীলা ৰানী ব্ৰহ্ম ঃ এইটো ধেমালি কৰা কথা নহয়।

শ্ৰী হিমন্ত বিশ্ব শৰ্ম্মা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, ধেমালি কৰা নাই তদন্ত কৰি আপোনাক জনাইছো। মাত্ৰ কোটি টকাতো অতিৰঞ্জিত হোৱা বুলিহে কৈছোঁ। আকৌ হেমেন ব্ৰহ্ম ডাঙৰীয়াই কৈছিল সৰুসজাইৰ মাটি অধিগ্ৰহনৰ ক্ষতিপুৰণ দিয়াৰ কথা কৈছে। টকা নিশ্চয় দিয়া হব কাৰণ টকাৰ অভাব নাই। মই জিলা উপায়ুক্তক মই অতি সোনকালেই কামখিনি কৰি শেষ কৰিবলৈ কম। বিনিয়োজন বিলৰ ওপৰৰ বিতৰ্কত অংশ গ্ৰহণ কৰাৰ বাবে সকলোকে ধন্যবাদ জনাইছো। আপোনালোকৰ পৰামৰ্শখিনিয়ে দেশৰ উন্নয়নৰ দিশ নিৰ্ণয় কৰে।

Mr. Speaker : I, now, put the motion before the House. The motion is that- The Assam Appropriation. (No.V) Bill, 20005 be taken into consideration.

Those who are in favour, say, "Ayes";

Those who are against, say, "Noes";

"Ayes" have it, "Ayes" have it, "Ayes" have it.

The Motion is passed.

**Now, item No. 4 :** I, now, put the Clauses 2, 3 and Schedule of the Bill before the House.

★ Speech not corrected

The question is that Clauses 2, 3 and Schedule of the Bill do stand part of the Bill.

Those who are in favour, say, "Ayes";

Those who are against, say, "Noes";

"Ayes" have it, "Ayes" have it, "Ayes" have it.

Clauses 2,3 and Schedule of the Bill do form part of the Bill.

Now, I put Clause I, Enacting Formula and Short Title of the Bill before the House.

The Question is that -

Clause I, Enacting Formula and Short Title do stand part of the Bill.

Those who are in favour, say, "Ayes";

Those who are against, say, "Noes";

"Ayes" have it, "Ayes" have it, "Ayes" have it.

Clause I, Enacting Formula and Short Title of the Bill do form part of the Bill.

**Now item No. 4 (d) .** Hon'ble Chief Minister to move.

Shri Himanta Biswa Sharma (Minister of State) : Sir, on behalf of Chief Minister I, beg to move that "The Assam Appropriation (No.V) Bill, 2005" be passed.

Mr. Speaker : I, now, put the motion before the House for approval.

The motion is that -

"The Assam Appropriation (No.V) Bill, 2005' be passed.

Those who are in favour, say, "Ayes";

Those who are against, say , "Noes";

"Ayes" have it, "Ayes" have it, "Ayes" have it.

**The Motion is passed, The Bill is passed.**

## STATEMENT BY MINISTER OF STATE

Mr. Speaker : Now, Statement by the Minister of State.

* শ্ৰী ৰকিবুল হুচেইন (ৰাজ্যিক গৃহ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম গণপৰিষদৰ মাননীয় সদস্যসকলে উৎথাপন কৰা আলফাৰ চেয়াৰম্যানলৈ এম এইচ চৌধুৰীয়ে এক পত্ৰ প্ৰেৰণ কৰা বুলি একাংশ বাতৰি কাকতৰ কথা উল্লেখ কৰা আৰু সেই চিঠিৰ ফটো কপি সদনত দাখিল কৰা বিষয়টোৰ ওপৰত চৰকাৰৰ স্পষ্ট বক্তব্য এনে ধৰণৰ - এম এইচ চৌধুৰীয়ে চৰকাৰক লিখিতভাৱে জনাইছে যে তেওঁ তেনে কোনো চিঠি আলফালৈ প্ৰেৰণ কৰা নাই। এইটো এটা আচৰ্য্যৰ বিষয়। বিৰোধী পক্ষৰ মাননীয় সদস্য সকলে এই চিঠিৰ নকল কৰ পৰা পালে? সামগ্ৰিক ভাৱে কংগ্ৰেছ চৰকাৰ দলৰ বিৰুদ্ধে এয়া যে ষড়যন্ত্ৰ এইটো স্পষ্ট হৈ পৰিছে। চৰকাৰৰ কোনো মন্ত্ৰীয়ে নিষিদ্ধ ঘোষিত আলফালৈ কোনো ধৰণৰ ধনৰ লেনদেন কৰা নাই। আমি দায়িত্ব সহকাৰে কৈছো এইটো এটা

★ Speech not corrected

অপপ্ৰচাৰহে। গণপৰিষদৰ মাননীয় সদস্য সকলে এই চিঠিখন কোন তাৰিখে লিখা উল্লেখ কৰা নাই। তাৰোপৰি চিঠিখন অসমীয়াতে লিখা আৰু ইয়াৰ স্বাক্ষৰ ইংৰাজীত কৰা। এইটোৱেই প্ৰমাণ কৰে যে এই চিঠিৰ কোনো সত্যতা নাই।

মাননীয় অধ্যক্ষ ঃ এতিয়া সদন আজি আবেলি চাৰি বজালৈ স্থগিত ৰখা হল।

(The House Re-Assembled at 4.00 p.m with Hon'ble Speaker in the Chair)

Mr. Speaker :- Now, Item No. 5(a).

There is a message from the Governor of Assam Raj Bhawan,Guwahati.August , 6, 2005.

ORDER

"Under the provision of Article 207 (3) of the Constitution of India I, Lt. Gen. (Retd) Ajay Singh, PVSM, AVSM, Governor of Assam, recommend that The Assam Value Added Tax (second Amendment) Bill, 2005 be taken into consideration by the Assam Legislative Assembly.

Sd/-

Lt. Gen (Retd) Ajay Singh,
PVSM, AVSM,
Governor of Assam."

Now, Hon'ble Minister, Finance to move the motion for consideration.

Shri Himanta Biswa Sarma :- ( Minister of State, Finance) Sir, I beg to move that the Assam Value Added Tax (Second Amendment) Bill, 2005 be taken into consideration.

Mr. Speaker : I, now, put the motion before the House.

The Motion is that-" The Assam Value Added Tax (Second Amendment) Bill, 2005, be taken into Consideration.

Those who are in favour, Say, "Ayes';

Those who are against, say " Noes";

'Ayes' have it, 'Ayes' have, 'Ayes' have it.

The Moton is passed.

Now, item No.5(b).

There is no Amendment in Clause 2, 3, 4, 5, 6, 7, 8, 9, 10, 11, 12, 13, 14, 15, 16, 17, 18, and 19 of the Bill.

I, now, put Clauses 2, 3, 4, 5, 6, 7, 8, 9, 10, 11, 12, 13, 14, 15, 16, 17, 18, and 19 of the Bill before the House.

The question is that -

Clauses 2, 3, 4, 5, 6, 7, 8, 9, 10, 11, 12, 13, 14, 15, 16, 17, 18, & 19 do stand part of the Bill.

Those who are in th favour, say, " Ayes";

Those Who are against, say, "Noes";

'Ayes' have it, 'Ayes' have it, 'Ayes' have it.

Clauses 2, 3, 4, 5, 6, 7, 8, 9, 10, 11, 12, 13 ,14, 15, 16., 17, 18 & 19 do form part of the Bill.

I, now, put Clause 1, Preamble , Enacting Formula and Short Title of the Bill before the House.

The Question is that -

Cluase 1, Preamble, Enacting Formula and Short Title do stand part of the Bill.

Those who are in favour, Say'Ayes";

Those who are against, say " Noes";

"Ayes" have it, "Ayes" have it, "Ayes" have it.

Clause I, Preamble, Enacting Furmula and Short Title do form part of the Bill.

Now Item No.5(c). Hon'ble Minister, Finance to move the Motion for passing of the Bill.

Shri Himanta Biswa Sarma :- (Minister of State, Finance) : Sir, I beg to move that- " The Assam Value Added Tax (Second Amendent) Bill, 2005" be passed by the Assan Legislative Assembly.

Mr. Speaker :- I, now, put the Motion before the House for approval.

The question is that -

"The Assam Value Added Tax (Second Amendment) Bill. 2005," Be passed.

Those who are in favour, say,"Ayes";

Those Who are against, say,"Noes";

'Ayes' have it, 'Ayes' have it, 'Ayes' have it.

The Motion is passed.

The Bill is passed.

* শ্ৰীহিমন্ত বিশ্ব শৰ্মা ঃ- চাৰ, এটা কথা কব বিচাৰিছো যোৱা এইটো সময়ত টেক্স সংগ্ৰহ হৈছিল এশ সাতল্লিশ কোটি টকা। ভেট পিছত আহিছে। তাৰ পিছত হৈছে ১৯৬.৫৬ কোটি টকা। শতকৰা বিশ ভাগ বেছি হৈছে। এইখিনি সদনৰ জ্ঞাতাৰ্থে জনালো।

* শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম ঃ আমি মূল্যমান কম পাইছো। ইয়াৰ প্ৰতিক্ৰিয়া ৰাইজৰ ওপৰত যাতে নপৰে তাৰ ব্যৱস্থা কৰিবৰ কাৰণে সাধাৰণ মানুহৰ কাৰণে টেক্স লেচাৰ কৰাৰ ব্যৱস্থা কৰা হোৱা নাই।

* শ্ৰীহিমন্ত বিশ্ব শৰ্মা ঃ (মন্ত্ৰী) ঃ- যোৱাবাৰ সদনত মূল্যবৃদ্ধিৰ ওপৰত আলোচনা কৰা হৈছিল। আমি এচেচমেন্ট কৰিছো যোৱা মাহত কেইটামান নিত্য ব্যৱহাৰ্য্য সামগ্ৰীৰ মূল্য স্থিৰ আছিল। ভেট লগোৱাত কমি আহিছে। যোৱা তিনিটা কেবিনেটতো মিটিঙত টেক্স জিৰো কৰি ৰাখিছে। আল বেম্ব কেন আদিৰ দাম কমিছে, চিৰা মুড়ি আদিৰ দামো কমিছে। টেক্স সংগ্ৰহ গ্ৰোথ হোৱাৰ লগে লগে নিত্য ব্যৱহাৰ্য্য বস্তুৰ আৰু কমিব পাৰে। ভেটৰ পিছত যথেষ্ট ব্যৱস্থা হৈছে যাতে মূল্যবৃদ্ধি নহয়।

মাননীয় অধ্যক্ষ মহোদয়, এটা কথা ঠিক যে সকলোৱে ভাবিছে যে বস্তুৰ মূল্য যথেষ্ট বৃদ্ধি কৰিছে। এই খিনিতে মই কব

★ Speech not corrected

বিচাৰিছো যে অত্যাৱশ্যকীয় সামগ্ৰী বিলাকৰ মূল্যৰ মান স্থিৰ অৱস্থাতে আছে। মূল্যমান বঢ়া নাই। আমি কেচ মেমো লওঁতে আগতে 'চেল টেক্সৰ কথা লিখিছিলো। ৪ শতাংশ লোকেল টেক্সৰ কথা লিখিছিলো। আচলতে আপুনি যদি চায় আমাৰ মূল্যমান স্থিৰ আৰু বস্তুবিলাকৰ দাম আগতকৈ কিছু কমিছেহে।

**Mr. Speaker :- Now, item No.6(a).**

Hon'ble Chief Minister to move the motion for consideration.

Shri Himanta Biswa Sarma :- (Minister of State, P&D) :- Sir, on behalf of Hon'ble Chief Minister, I beg to move that The Guwahati Municipal Corporation (Amendment) Bill, 2005 be taken into considertion.

Mr. Speaker :- I, now, put the motion before the House.

The Motion is that -The Guwahti Municipal Corporation (Amendment) Bill, 2005 be taken into consideration.

Those who are in favour, say, 'Ayes';

Those who are against, say. 'Noes';

"Ayes" have it, "Ayes" have it, "Ayes" have it.

The motion is passed.

Now, Item No. 6(b).

There is no Amendment in Clause 2 and 3 of the Bill,

I, now, put Clauses 2 and 3 of the Bill before the House.

The question is that -

Clauses 2 and 3 do stand part of the Bill.

Those who are in favour , says, "Ayes";

Those who are against, say, "Noes";

"Ayes" have it, "Ayes" have it, "Ayes" have it.

Clauses 2 and 3 do form part of the Bill.

I, now, put Clause 1, Preamble, Eancting Formula and Short Title of the Bill before the House.

The question is that -

Clause 1, Enacting Formula and Short Title do stand part of the Bill.

Those who are in favour, say, "Ayes";

Those who are against, say, "Noes";

"Ayes" have it, "Ayes" have it, "Ayes" have it.

Clause 1, Preamble, Enacting Formula and Short Title do form part of the bill.

Now, item No.6(c).

Hon'ble Chief Minister to move the motion for passing of the Bill.

Shri Himanta Biswa Sarma :- (Minister of State, P&D) :- Sir, on behalf of Hon'ble Chief Minister, I beg to move

that The Guwahati Municipal Corporation (Amendment) Bill, 2005 be passed.

Mr. Speaker :- I, now, put the Motion before the House for approval.

The motion is that-

The Guwahati Municipal Corporation (Amendment) Bill, 2005 be passed.

Those who are in favour, say, "Ayes';

Those who are against, say, " Neos";

"Ayes" have it , "Ayes have it, "Ayes" have it.

The motion is passed: The Bill is passed.

Now, item No. 7 (a).

Now, Hon'ble Cheif Minister to move the motion for consideration.

Shri Himanta Biswa Sarma :- ( Minister of State, P&D) :- Sir on behalf of Hon'ble Chief Minister, I beg to move that The Guwahati Metropolitan Development Authority (Amendment) Bill, 2005 be taken into consideration.

Mr. Speaker :- I, now, put the motion before the House.

The Motion that-

The Guwahati Metropolitan Development Authority (Amendment) Bill, 2005 be taken into consideration.

Those who are infavour, say, "Ayes";

Those who are against, say, "Noes";

"Ayes" have it. "Ayes" have it. "Ayes" have it.

The motion is passed.

Now, item No. 7 (b).

There is no amendment in Clause 2 of the Bill.

I, now, put Clause 2 of the Bill before the House.

The question is that -

Clause 2 do stand part of the Bill.

Those who are favour, say, "Ayes";

Those who are against, say, " Noes";

"Ayes" have it. "Ayes" have it. "Ayes" have it.

Clause 2 do form part of the Bill.

I, now, put Clause 1, Preamble, Enacting Formula and Short Title of the Bill before the House.

The Questions is that-

Clause 1, Preamble, Enacting Formula and Short Title do stand part of the Bill.

Those who are favour, say, "Ayes";

Those who are against, say, " Noes";

"Ayes" have it, "Ayes" have it, "Ayes" have it.

Clause 1, Preamble, Enacting Formula and Short Title do form part of the Bill.

Mr. Speaker : Now, item No. 7 (c).

Hon'ble Chief Minister to move the motion for passing of the Bill.

Shri Himanta Biswa Sarma : ( Minsiter of State , P&D) : Sir, on behalf of Hon'ble Chief Minister, I beg to move that The Guwahati Metropolitan Development Authority (Amendment) Bill, 2005 be passed.

Mr. Speaker :- I, now, put the motion before the House for approval.

The motion is that -

The Guwahati Metropolitan Development Authority (Amendment) Bill, 2005 be passed.

Those who are in favour, say, "Ayes";

Those who are against, say, "Noes";

"Ayes" have it."Ayes" have it. "Ayes" have it.

The Motion is passed .The Bill is passed.

Now, item No. 8 (a).

Now, Hon'ble Chief Minister to move the motion for consideration.

Shri Rockybul Hussian ( Minister of State, GAD) Sir, on behalf of Hon'ble Chief Minister, I beg to move that the Assam Cinema (Regulation) (Amendment) Bill, 2005 be taken into consideration.

Mr. Speaker :- I, now, put the motion before the House.

The motion is that -

The Assam Cinema (Rugalation) (Amendment) Bill, 2005 be taken into consideration.

Those who are in favour, say, "Ayes";

Those who are against, say, "Noes";

"Ayes" have it."Ayes" have it. "Ayes" have it.

The motion is passed.

Now, item No. 8 (b).

There is an amendment in Clause 2 of the Bill standing in the name of Hon'ble Member, Dr. Zoii Nath Sarma.

I, now, call upon the Hon'ble Member, Dr. Zoii Nath Sarma to move his amendment and to speak on it.

Dr. Zoi Nath Sarma is absent.

I, now, put the Amendment before the House.

The question is that -

Clause 2 do form part by the Bill.

Those who are in favour, say, "Ayes";

Those who are against, say, "Noes";

"Ayes" have it."Ayes" have it. "Ayes" have it.

Clause 2 do form part of the Bill.

I, now, put Clause I, Preamble, Enacting Formula and Short Title of the Bill before the House.

The question is that -

Clause I, Preamble, Enacting Formula and Short Title do stand part of the Bill.

Those who are in favour, say, "Ayes";

Those who are against, say, "Noes";

"Ayes" have it, "Ayes" have it, "Ayes" have it.

Clause I, Preamble, Enacting, Formula and Short Title do form part of the Bill.

Now, item No. 8 (c).

Hon'ble Chief Minister to move the motion for passing of the Bill.

Shri Rockybul Hussin (Minister of State, GAD) :- Sir, I beg to move that The Assam Cinema (Regulation)

( Amendment) Bill, 2005 be passed.

Mr. Speaker : I, now, put the motion before the House for approval.

The motion is that -

The Assam Cinema (Regulation) (Amendment) Bill 2005 be passed.

Those who are in favour, say, "Ayes";

Those who are against, say, "Noes";

"Ayes" have it,"Ayes" have it, "Ayes" have it.

The Motion is passed. The Bill is passed.

Now, item No. 9 (a).

Now, Hon'ble Minister, Labour & Employment to move the motion for consideration.

Shri Rameswar Dhanowar :- (Minister, Labour) :- Sir, I beg to move that The Assam Tea plantations Provident Fund and Pension Fund and Deposit Linked Insurance Fund Scheme (Amendment) Bill, 2005 be taken into consideration.

* শ্ৰীবৃন্দাবন গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, যিখন বিল আজি এমেণ্ডমেন্টৰ কাৰণে সদনত উত্থাপন কৰিছে তাত মোৰ কোনো আপত্তি নাই। তথাপি মই কব বিচাৰিছো যে তিনি হাজাৰ কোটি টকা তেখেত সকলৰ হাতত আছে। বাগিছাৰ শ্ৰমিক সকলৰ চেয়াৰ ইয়াত আছে। সেয়েহে আপত্তি তোলাত তেওঁলোকক ঘূৰাই পঠাইছে। এই কথাও মাননীয় মন্ত্ৰী মহোদয়ে জানে। অজস্ৰ শ্ৰমিকৰ ধন, এই টকা খিনি মালিক পক্ষই ৰাখি থৈছে, যিটোৰ কাৰণত বাগানৰ শ্ৰমিক সকলে বাৰ বাৰ আন্দোলন কৰিবলগীয়া হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, বাগিছাৰ মালিক পক্ষই বাগিছাৰ শ্ৰমিক পক্ষক যিখিনি চেয়াৰৰ ধন দিব লগীয়া হৈ আছে সেইখিনি দিয়া হোৱা নাই। টকাটো ন্যাসত থকা ফলত ডাইৰেক্ট ইনভেষ্ট কৰা অসুবিধা হৈছে। টকাটো ন্যাসৰ কতৃপক্ষই লোৱা বুলি অভিযোগ উঠিছে। এই বিষয়ত উত্তৰ দিবৰ বাবে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো।

★ Speech not corrected

* শ্ৰী ৰামেশ্বৰ ধানোৱাৰ (শ্ৰম মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী দলৰ দলপতি শ্ৰীবৃন্দাবন গোস্বামী ডাঙৰীয়াই যিটো কথা কৈছে সেইটো সত্য নহয়। ইয়াত দুটা ভাগ আছে। এটা হৈছে ওৱাকাৰ্চ কনট্ৰিবিউচন আৰু আনটো হৈছে মেনেজমেন্ট কনট্ৰিবিউচন। এইটো যে সময়মতে দিয়া নাই তাকে আপোনালোকে কব বিচাৰিছে। এইটো হলে আমি কিছু টকা ৰিলিজ কৰিব লগা কথা আহি পৰিব। এই ক্ষেত্ৰত অলপ পলম হব পাৰে কিন্তু আমাৰ লোকচান নহয়। এইটো কেতিয়াবা ইনষ্টলমেন্ট হিচাবে হলেও আদায় কৰে। এইটো মেনেজমেন্টে শতকৰা ১৫ হাৰ সূদ দিব লাগে। এই ক্ষেত্ৰত মই আপোনালোকক কব বিচাৰিছো যে ওৱাৰ্কাচ বিলাকৰ প্ৰভিডেন্ট ফাণ্ডৰ কামবোৰ চেটেল কৰোতে কিছু পলম হয়। কিন্তু পলম হলেও আমি কামবোৰ কৰিবলৈ যথেষ্ট চেষ্টা চলায় আছো আৰু এইটোও আমি এতিয়া চেন্ট্ৰেল গভৰ্ণমেন্টৰ নীতি নিদেৰ্শনা অনুসৰি কৰি আছো। আমি ওৱাৰ্কাচ আৰু মেনেজমেন্ট কিমান দিনলৈ কনট্ৰিবিউট কৰিছে তাৰ ওপৰত ভিত্তি কৰিহে পেমেন্ট দিব লাগিব। এইখন আমি এতিয়া এমেণ্ড কৰিছো আৰু সেইমতে যিখিনি ওৱাৰ্কাচ ৰিটায়াৰমেন্টত যাব সেইখিনি মানুহৰ পেমেন্ট খিনিৰ বাবে চালান দিপজিট দিলে সেইমতে আমি আদায় দিম। আজি যদি কোনো এজন মানুহৰ কোনো আকস্মিক দুৰ্ঘটনাত মৃত্যু হয় তেনেহলে তেওঁৰ ডাঙৰ ল'ৰাজনক বা ডাঙৰ ছোৱালী জনীক কমপেনচেচন এক্টৰ মতে মেনেজমেন্টে যাৱতীয় ফৰ্ম আদি ফিল আপ কৰি দিয়াৰ পিচত ২০ হাজাৰ টকা এককালীন সাহাৰ্য্য হিচাবে আদায় দিয়া হয়। এই ক্লেইমটো আহি পালেই টকাখিনি দিও আৰু সেই টকা খিনি আমাৰ ফাণ্ডৰ পৰা যায়।

* শ্ৰী বৃন্দাবন গোস্বামী ঃ ন্যাসৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে কি কৰিছে সেইটো জনালে ভাল পাম।

★ Speech not corrected

* শ্রী ৰামেশ্বৰ ধানোৱাৰ (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, আমাৰ এটা পোষ্টেল টাইম ডিপজিট আছিল। কিন্তু চেন্ট্ৰেল গভৰ্ণমেন্ট এখন অৰ্ডিনেন্স দি এই টকাটো পোষ্টেল টাইম দিপজিটত ৰাখিব নালাগে বুলি কৈছে। সেইটোৰ পৰা আমাৰ অলপ লোকচান হৈছে। তাৰ কাৰণে আমি এটা আপিল কৰিছো যাতে আমাক ইয়াৰ পৰা ৰেহাই দিয়ে। যিহেতু এই ট্ৰাষ্টটো ওৱাৰ্কাচ্ ট্ৰাষ্ট নহয় আৰু ইয়াত টকা থলে ওৱাৰ্কাচৰ লোকচান হব সেই কাৰণে আমি আগৰ পৰা যি ধৰণে চলি আহিছে তেনে ধৰণে চলাই থাকিবলৈ তেওঁলোকক অনুৰোধ জনাইছো। এই ক্ষেত্ৰত ৯৬ কোটি টকা আমি পোষ্টেল টাইম ডিপজিটৰ পৰা উঠাই আনি নেচনেলাইজড্ বেংকত চৰ্ট টাইম ডিপজিট হিচাবে ৰখা হলে আমি ৬.৮০ শতাংশ হিচাবে সুদ পালোহেতেন কিন্তু ট্ৰাষ্টত থলে আমি কিছু টকা হেৰুৱাব লগা হব পাৰে।

* শ্রী দীলেশ্বৰ তাঁতী ঃ অধ্যক্ষ মহোদয়, এই বিষয়টোত মই চৰকাৰক ধন্যবাদ জনাইছো। মাননীয় মন্ত্ৰী মহোদয়ে যি ডিপজিট লিংক ইনচুৰেঞ্চৰ কথা কৈছে সেই ক্ষেত্ৰত নিশ্চয় কাম কৰি থকা অৱস্থাত কোনো এজন লোকৰ মৃত্যু হলে চৰকাৰে ঘোষণা কৰা নীতিমতে তেওঁৰ পৰিয়ালৰ লোকে এই স্কিমৰ পৰা টকা পাব। কিন্তু কথা হৈছে কোনো এজন মানুহৰ স্বাভাৱিক মৃত্যু বা কোনো দুৰ্ঘটনাত মৃত্যু হলে বাগান বিলাকৰ সময়মতে যি ফৰ্মাদি ফিল আপ কৰি পঠিয়াব লাগে সেইবোৰ সময় মতে নকৰাৰ কাৰণে টকা পইচা পোৱাত বহুতো অসুবিধা হোৱা দেখা গৈছে। আজি বহুতো বাগানত কৰ্মচাৰীৰ সংখ্যা কমি হৈছে। সেই কাৰণেও বাগানৰ লোক সকলে পাব লগীয়া প্ৰভিডেন্ট ফাণ্ড, পৰিয়াল পেঞ্চন, গ্ৰেচুইটি আদিৰ কামবোৰ কৰোতে বহুতো পলম হোৱা দেখা যায় আৰু সেই কাৰণে এই টকা বিলাক পাওঁতে বহুতো পলম

★ Speech not corrected

কিম্বা অসুবিধা হয়। আকৌ কেতিয়াবা এনেকুৱা হোৱাত দেখা যায় যে অফিচৰ কৰ্মচাৰীয়ে দুই এটা কাম নকৰি পেলাই থৈ একেলগে ২০/২৫ টা হলেহে ৬/৭ মাহ পিচত প্ৰভিডেন্ট অফিচলৈ পঠোৱা কাৰণে এই কাম বিলাক অযথা পলম হৈ যায়। গতিকে ডিষ্ট্ৰিক্ট প্ৰভিডেন্ট ফাণ্ডৰ অফিচ সমূহে এনে ধৰণৰ কাম বিলাক বা পেণ্ডিং হৈ থকা কাম বিলাক সোনকালে কৰাৰ কাৰণে ব্যৱস্থা হাতত লব লাগে। আন এটা কথা হ'ল যে এজন মানুহে ৰিটায়াৰ কৰাৰ ৬ মাহৰ ভিতৰত টকা পইচাবোৰ পাব লাগে। কিন্তু এই টকা পইচাবোৰ পাওঁতেও যথেষ্ট পলম হয়। গতিকে এই কাম বিলাক ভালদৰে চোৱা চিতা কৰাৰ কাৰণে ডিষ্ট্ৰিক্ট মেচিনেৰী সমূহ আৰু পৰিদৰ্শক সকলক বাগান সমূহ সঘনে পৰিদৰ্শন কৰি কাম বিলাক চোৱা চিতা কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা ৰাখিলো।

* শ্ৰীমনিলাল গোৱালা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জি, এল আই বঢ়াই দিয়া কাৰণে মই মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। এটা পৰিয়ালৰ আৰনিং মেম্বাৰ জনৰ মৃত্যু হোৱাৰ লগে লগে গোটেই পৰিয়ালটো অসহায় হৈ যায়। এইটো এনে হেন কৰা কাৰণে ভাল পাইছো। মাননীয় সদস্য দীলেশ্বৰ তাতীয়ে যেনেকৈ কৈছে টাইমবাউণ্ডৰ ভিতৰত ৰিলিজ কৰিব লাগে যিহেতুকে এইটো এটা ৰিলিফৰ নিচিনা গতিকে সময়ৰ ভিতৰত দিলেহে ৰিলিফ হব পাচত দিলে ইয়াৰ ইমপৰটেন্স টো কমি যায়। তাৰোপৰি আৰু এটা কথা মই কব বিচাৰিছো। যি বিলাক লেবাৰ অফিচাৰ আছে তেওঁলোক ফিল্ডত নাযায়। তেওঁলোকে কয় যে গাড়ী নাই কেনেকৈ যাব। যেতিয়া যাব লগা হয় বাগানৰ মালিকে গাড়ী দিব লগা হয় আৰু মেনেজাৰে চাহপাত এপেকেট দিয়াৰ পাচত তেওঁ মেনেজমেন্টৰ হৈ কব নে লেবাৰৰ বাবে কব? গতিকে এই

★ Speech not corrected

বিষয়টো লক্ষ্য ৰাখি মন্ত্ৰী মহোদয়ক কিবা প্ৰকাৰে ব্যৱস্থা লোৱাৰ বাবে অনুৰোধ জনালো। যাতে এমাহৰ মুৰে মুৰে এই বাগান বিলাক ইন্সপেকচন কৰি ৰিপোৰ্ট দিয়ে। তাৰোপৰি পি, এফৰ যিটো টকা ৬ মাহ এবছৰলৈ তেওঁলোকে আদায় নিদিয়ে। লেবাৰ অফিচাৰ সকলে ফিল্ডত গৈ তদাৰক নকৰাৰ ফলতেই এনে ধৰণৰ ঘটনা বিলাক হয়। কিছুমান ঠাইত দেখিছো শ্ৰমিক সকলে কনট্ৰিবিউচন দিলেও মেনেজমেন্ট কন্ট্ৰিবিউচন নিদিয়ে। গতিকে এইটো ক্লিয়াৰ হব লাগে। যাতে ৬ মাহৰ ভিতৰত টকাটো দিয়াৰ ব্যৱস্থা হয়। তাৰোপৰি যিবিলাক চাহবাগিছা ১০ হেক্টৰ মাটিত আছে সেই বিলাকত প্ৰভিডেন্ট ফাণ্ডটো ইমপ্লিমেন্ট কৰিব নোৱাৰি, এইটো কৰাৰ ব্যৱস্থা কৰিব লাগে। তাৰ লেবাৰ বিলাক এস্কজেমটেড হৈ আছে গতিকে ইমপ্লিমেন্ট কৰিব লাগে। এই খিনি কৰিলে ভাল হব। এই খিনিকে কৈ মই ব্যক্তব্যৰ সামৰণি মাৰিলো।

Mr. Speaker : Now, Hon'ble Member, Rameswar Teli.

* শ্ৰীৰামেশ্বৰ তেলী ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জী, এল, আইটো ১৫ হাজাৰৰ পৰা বঢ়াই ২০ হাজাৰ কৰিছে। ভাল কথা আৰু আমি চৰকাৰক ধন্যবাদ জনাইছো। লগতে এটা কথা কব বিছাৰিছো আৰু অলপ বঢ়াব নোৱাৰি নেকি? এজন মানুহ মৰি গলে আজিৰ দিনত ২০ হাজাৰ টকাটো একো ডাঙৰ এমাউন্ট নহয়। চাহ বাগিছাৰ মানুহৰ অৱস্থা সকলো অসমৰ মানুহে গম পায়। ৪৯ টকা হাজিৰা পোৱা মানুহ এজন যদি মৰে জমা আচনিৰ যোগেদি ২০ হাজাৰ টকা পাব। মাননীয় অধ্যক্ষ মহোদয়,আপোনাৰ যোগেদি অনুৰোধ কৰিছো যে ৩০ হাজাৰ কৰক। মই ৫০ হাজাৰ বা এক লাখ কৰাৰ কথা কোৱা নাই। কাৰণ মইও জানো এইটো সম্ভৱ নহয়। মই চাহ বাগিছাৰ

★ Speech not corrected

বিধায়ক হিচাবে আপোনাৰ যোগেদি ৩০ হাজাৰ কৰাৰ কাৰণে অনুৰোধ জনালো। আৰু এটা কথা কব বিচাৰিছো ভৱিষ্য নিধিৰ টকাটো মালিক সকলে কনট্রিবিউচন নিদিয়াৰ কাৰণে শ্রমিক সকলৰ টকাটো নপঠায়। উদাহৰণ স্বৰূপে মই মায়াজান বাগানৰ কথা কব পাৰো। শ্ৰমিকৰ অংশটো জমা হৈ আছে কিন্তু মালিকৰ অংশটো নিদিয়াৰ কাৰণে টকাটো দিয়া নাই। গতিকে এই বিলাক ক্ষেত্ৰত আইনগত ব্যৱস্থা লব লাগে। মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাই ব্যক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীভীমা তাতী ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো ভৱিষ্য নিধিৰ টকাটো বঢ়াই দিয়াৰ কাৰণে। আমাৰ মাননীয় সদস্য তাতী ডাঙৰীয়াই কৈছে যে লেবাৰ-ই ন্সপেক্তৰ সকলে যিবিলাক ইন্সপেকচন কৰে তাৰ ৰিপোৰ্টটো তেওঁলোকে ফাইলত ৰাখি থয়। সেইটো আমি দেখিবলৈ নাপাও। সেয়ে সেই বাগান বিলাকত কি আসোৱাহ আছে সেইটো আমি জানিব নোৱাৰো। ফলত কোনো একচন নহয়। তেওঁলোকে তাত কি আসোৱাহ পালে কি একচন ললে নে নাই সেইটো একো জানিব পৰা নাযায়। ফলত সকলো খিনি বিভাগৰ ভিতৰতেই থাকে আমাক জানিব নিদিয়ে। বাকী যাই আদায় কৰি লৈ যায়। আৰু যিটো গ্ৰেচুইটি সেইটো ৰিটেয়াৰ হোৱাৰ ৩০ দিনৰ ভিতৰত দিব লাগে কিন্তু তেওঁলোকে নিদিয়ে। সেয়ে ১৫ শতকৰা দিয়াৰ ব্যৱস্থা কৰিব লাগে। ইন্টাৰেষ্ট দিয়াৰ ব্যৱস্থা কৰিলেহে তেওঁলোকে সোনকালে টকাটো দিয়াৰ ব্যৱস্থা কৰিব। এই বিষয়ত মন্ত্ৰী মহোদয়ে এটা নিৰ্দেশ দিয়াৰ ব্যৱস্থা কৰিব লাগে। পি, এফৰ টকাটো মেনেজমেণ্টক এপিল কৰিলেও পোৱা যায়। কিন্তু গ্ৰেচুইটিৰ টকাটো নিদিলে বহুত অসুবিধা হয়। সেয়ে এইক্ষেত্ৰত মন্ত্ৰী মহোদয়ে বিশেষ এটা

★ Speech not corrected

নিৰ্দেশ দিব লাগে। পি এফ ক্ষেত্ৰত যিবিলাক শ্ৰমিকক ফাল্টু বুলি কোৱা হয় তেওঁলোক ৯০ দিন হলে পি, এফৰ ব্যৱস্থা কৰিব লাগে। কিন্তু এই ক্ষেত্ৰত তেওঁলোক সদায় বঞ্চিত হৈ থাকে। গতিকে এইটো কৰিবলৈ বাধ্য কৰিব লাগে। আইনৰ ব্যৱস্থা নথকাৰ সুবিধা লৈ এনেবোৰ হয়। গতিকে মন্ত্ৰী মহোদয়ে এই বিষয়ে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আৰু এই সুযোগতে মই এটা কথা কব খুজিছো। কিছুমান বাগানত এক্সচিডেন্ট হয়। ফলত তেওঁলোকে পাব লগা টকা খিনি নাপায় বা দিলে হয়। মই মাননীয় মন্ত্ৰী মহোদয়ক তৎপৰতাৰে বিহিত ব্যৱস্থা লোৱাৰ কাৰণে অনুৰোধ জনালো।

ডাঃ ভুমিধৰ বৰ্মণ (স্বাস্থ্য মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ চাহ বাগান বিলাকৰ বিষয়ে বহুত আলোচনা হৈছে। এই খিনিতে মই এটা কথা কব খুজিছো যে আনৰ তুলনাত চাহ বা বাগান বিলাকত মানুহে বেছি বেমাৰত মৰে। গেচট্ৰ এন্টাৰাইটিচ, দিচেন্ট্ৰি আদি বেমাৰত বেছিকৈ মানুহ মৰে। আজিকালি আন ঠাইবিলাকত এই বেমাৰত মানুহ কম মৰে কাৰণ আন জিলা বিলাকত ডাক্তৰ বাগান বিলাকলৈ যাব নোখোজে। আমি এম বি বি এচ ডাক্তৰৰ ঠাইত আয়ুৰ্বেদিক ডাক্তৰ লোৱাৰ বাবে ইনচিষ্ট কৰি আছো কিন্তু তেওঁলোকক নলয়। আয়ুৰ্বেদিক ডাক্তৰ একোজন থাকিলে অন্ততঃ প্ৰাথমিক চিকিৎসা খিনিকে পাব পাৰে।

* শ্ৰীজোচেফ টপ্প ঃ মাননীয় অধ্যক্ষ মহোদয়, ডাঙৰ বাগিচাত কাম কৰি লেবাৰে যিখিনি টকা পায় আমাৰ শ্ৰমিকে কিন্তু তাতকৈও কম পায়। টি প্লেন্টেচন এক্ত মতে চাহ বাগিচাৰ যিজন মালিক তেওঁৰ যি ইচ্ছা সেই মতেহে টকা দিব । কিন্তু কোম্পানী বিলাকত কত কাম কৰিলে স্বাস্থ্য, ঘৰ-দুৱাৰ আদি গোটেই খিনি পায়। আজিকালি বাগিছা বিলাকত ভাল হৈছে কিন্তু এফালৰ পৰা

★ Speech not corrected

শোষন বেছি হৈছে। সৰু সৰু বাগান বিলাকৰ ক্ষেত্ৰত এজন এজন মানুহৰ বহুত খন বাগিছা থাকে, সৰু বুলি কয় হয় কিন্তু কেইবাখনো থাকে। এইবোৰ এক্টৰ ভিতৰত নপৰে, এই সুবিধা তেওঁলোকে লৈছে। কিবা এটা ব্যৱস্থা কৰি চৰকাৰে এইবোৰ প্লেন্টেশ্যন লেবাৰ এক্টৰ ভিতৰত সামৰি লব পাৰে। এই বাগানবোৰত লেবাৰে মালিকৰ কাৰণে কাম কৰি দিয়ে কিন্তু নিজে একো নাপায়। এইদৰে ডাঙৰ ডাঙৰ বাগিছাবোৰে তেওঁলোকক শোষন কৰি আছে। প্ৰত্যেক লেবাৰে ১০ টকা ১০ টকাকৈ গোটেই বাগিছা বিলাক চলাই আছে। এইটো চান্দা দিয়াৰ নিচিনা। কেইটো কেতিয়াবা ঘুৰাই দিব নেকি বুলি সুধিলে একো নকয়। এইটোও এটা শোষন।

স্বাস্থ্যৰ কথা মন্ত্ৰী মহোদয়ে কৈছে। খোৱাপানী আৰু লেট্ৰিনৰ কাৰণেই গেষ্ট্ৰএন্টাৰাইটিচ্ আৰু গ্ৰহণী বেমাৰ হয় আমাৰ যিবিলাক ইন্সপেক্টৰ আছে তেওঁলোকে ভালকৈ চেক কৰিলে নিশ্চয় ভাল হব। বৃটিছৰ দিনৰে ঘৰবিলাক এতিয়াও একে ধৰণেৰে হৈ আছে, ড্ৰেইনৰ কোনো ভাল ব্যৱস্থা নাই। স্বাস্থ্য মন্ত্ৰীয়ে কথা কেইটা কোৱাত ভালেই হৈছে। এই অৱস্থা পৰিবৰ্ত্তন কৰিবলৈ কিবা এটা উদ্ভাৱন কৰক। গেচট্ৰ এন্ট্ৰাৰাইটিচত দিনে দিনে মানুহ মৰি আছে, এই বিষয়ে স্বাস্থ্য মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো।

* শ্ৰীশৰৎ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, চাহ বাগান সম্পৰ্কত যি আলোচনা হৈছে সি সময়োপযোগী হৈছে। চাহ বাগান এমেন্দ এক্ট ১৯৫১ চনত হৈছিল। আজি চাহ বাগানৰ মানুহৰ যিটো অৱস্থা সেইটো বৰদুখ লগা। এওঁলোকৰ প্ৰভিদেন্দ ফান্দৰ বাবে স্বৰ্গীয় অমিয়কুমাৰ ডাঙৰীয়া, বিজয় ভাগৱতী আদি

★ Speech not corrected

নেতা সকলে বিশেষ ব্যৱস্থা কৰিছিল। জি পি এফ হোৱাৰ পৰা এই মানুহ খিনিৰ বিশেষ সুবিধা হৈছে ইয়াৰ বাবে এতিয়া তিনি হেজাৰকোটি টকা জমা আছে। শতকৰা ৫০ ভাগ শ্ৰমিকে দিব লাগে আৰু শতকৰা ৫০ ভাগ মালিকে দিব লাগে। শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে ভাবে আইন বলবত কৰিলে কোনো মালিক সাৰি যাব নোৱাৰে। পাৰ্লিয়ামেন্টত ইয়াৰ সংশোধনী আনিলে অসমতে আতাইতকৈ বেছি বিপদ হব। ১৯৯৬ চনত জি পি এফৰ ৬ . ৮ পাৰচেন্ট নেচনেল বেংকৰপৰা পোৱাৰ ব্যৱস্থা আছে। বাগান বিলাকতো এই ব্যৱস্থা কৰক। আমাৰ মাননীয় সদস্য এগৰাকীয়ে ৩০ হাজৰ টকালৈ বঢ়োৱাৰ যিটো কথা কৈছে সেইটো কৰিলে আমাৰ বহুত সংখ্যক লোক উপকৃত হব। সেই বীমা আচনিত আমাৰ চাহ বাগিছাৰ পাৰ্মানেন্ট লেবাৰৰ উপৰিও কেজুৱেল লেবাৰকো সামৰি লব লাগে। কাৰণ আমাৰ কেজুৱেল লেবাৰ থাকি গৈছে। আমাৰ মাননীয় শ্ৰম মন্ত্ৰী এজন শ্ৰমিক নেতা। তেখেত চাহ মজদুৰ সংঘৰ বিষয় বাবতো আছে। তেখেতে গোটেই বিষয়টো জানে। গতিকে কভাৰেজটো বঢ়োৱাৰ ব্যৱস্থা কৰিব লাগে। এইখিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, এইখিনিতে মই এটা কথা কব বিচাৰিছো যে আমাৰ মাননীয় স্বাস্থ্য মন্ত্ৰী গৰাকীয়ে আক্ষেপ প্ৰকাশ কৰিছে যে ডাক্তৰ সকল চাহ বাগিছাত কাম কৰিবলৈ নাযায়। চাহ বাগানৰ লগত মোৰো সম্পৰ্ক আছে। আমাৰ মাননীয় ৰাজ্যিক মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰায়েই মোক নগাঁৱৰ স্থায়ী নহয় বুলি এটা অভিযোগ কৰে।

* শ্ৰী হিমন্ত বিশ্ব শৰ্মা (ৰাজ্যিক বিত্ত মন্ত্ৰী) ঃ আপুনি নগাঁৱৰ নহয় কিন্তু নগাঁৱৰ প্ৰতি আপোনাৰ বহুত মৰম আছে।

★ Speech not corrected

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ চাৰ, আমাৰ যি সকল চাহ শ্ৰমিক আছে সেই সকল অসমৰ এটা এৰাব নোৱাৰা অঙ্গ। আমাৰ প্ৰায় ৮০০ খনৰো বেছি চাহ বাগান আছে। সেই চাহ বাগান বিলাকত প্ৰায় শতকৰা ৫০ ভাগ চিকিৎসক নাই। চাহ বাগান কতৃপক্ষই চিকিৎসক সকলক পোন পটীয়াকৈ নিযুক্তি দিব নিবিচাৰে। মই এই কথাটো কব বিচাৰিছো যে চৰকাৰে গাওঁলৈ চিকৎসক যাবলৈ বাধ্য কৰাৰ কাৰণে এখন আইন প্ৰণয়ন কৰাৰ দৰে চাহ বাগান এলেকাতো চিকিৎসকক যাবলৈ বাধ্য কৰাৰ কাৰণে তেনেকুৱা এখন আইন প্ৰণয়ন কৰিব লাগে। মোৰ দেউতা অৱসৰ পোৱাৰ প্ৰায় ১৮ বছৰেই হ'ল। কিন্তু এতিয়াও তাত স্থায়ী ভাবে এজন ডাক্তৰ নাই। কলকাতাৰ পৰা ফাৰ্মাচিষ্ট পাচ কৰি অহা এজন লোকে তাত চিকিৎসা কৰি আছে। মই ভাবো আমাৰ স্বাস্থ্য মন্ত্ৰী মহোদয়ে এই কথাটোৰ ওপৰত বিশেষ ভাৱে গুৰুত্ব দিব। মই আৰু এটা কথা কবলৈ বিচাৰিছো । সদনত আমাৰ মাননীয় মুখ্য মন্ত্ৰীও উপস্থিত আছে। গতিকে মই আজি সমগ্ৰ অসমতে সমষ্টি পুনৰ নিৰ্দ্ধাৰিণৰ যিটো কথা চলি আছে সেইটো সদনৰ দৃষ্টি আকৰ্ষণ কৰিছো।

* শ্ৰীকৰেন্দ্ৰ বসুমতাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মই পুনৰ বাৰ বীমা আচনিখন ৩০ হাজাৰ টকালৈ বঢ়াবলৈ অনুৰোধ জনাইছো। ৩০ হাজাৰ টকালৈ বঢ়োৱাত অনুমোদন জনালে আমাৰ চাহ শ্ৰমিক সকল উপকৃত হব। চাহ শ্ৰমিক সকল ৬০ বছৰ হোৱাৰ পিছত অৱসৰ লবলগীয়া হয় আৰু গাঁওলৈ যাব লগীয়া হয়। তাৰ পিছত তেখেত সকলৰ জীৱনৰ মানদণ্ড বতাঁই ৰখাৰ কাৰণে আৰু জীৱিকাৰ কাৰণে হাহাকাৰ লাগে। সেই কাৰণে ৩০ হাজাৰ টকালৈ বঢ়ালে তেওঁলোক উপকৃত হব। চাহ বাগিছাৰ ল'ৰা-ছোৱালী বিলাকে পঢ়া শুনা কৰাৰ কাৰণে তেনেকুৱা কোনো বিশেষ সুবিধা নাই তেওঁলোকৰ ল'ৰা-ছোৱালীবোৰে

★ Speech not corrected

কিতাপ পঢ়িব নেলাগে নেকি বা লিখা পঢ়া কৰিব নেলাগে নেকি? চাহ বাগিছাৰ স্কুল নাই। ওৰাং চাহ বাগিচাত এখন এল পি স্কুল আছে। তাত ৩৭৫ জন ছাত্ৰ-ছাত্ৰী আছে। তাত মাত্ৰ দুজন শিক্ষকহে আছে। মই তাত এম, এল, এ ফাণ্ডৰ টকাৰে স্কুল বনাই দিম বুলি ভাবিছো। কিন্তু মেনেজাৰে মাটি নিদিয়ে। কোম্পানীৰ অধীনত তেওঁলোকে স্কুলত পঢ়িব লাগে আৰু তাত কাম কৰা শিক্ষক সকলে ফিস্কপে পায়। তেওঁলোকে মাত্ৰ ৫/৬ হাজাৰ টকা দৰ্মহাহে পায়। ভাৰত সেৱা সমিতি নামে অসমত এখন সেৱা সমিতি আছে। সেই সমিতিৰ অধীনত অসমত কেইবাখনো কল্যাণ মূলক আচনি আছে। বি, কে, নেহৰুৱে সেই সমিতিখন স্থাপন কৰিছিল। সেই কল্যাণ সমিতিয়ে চাহ বাগানৰ ছাত্ৰ-ছাত্ৰী সকলক পঢ়ুৱাইছে। মইও তাত পঢ়িছিলো। প্ৰথমতে তাত মাহে ৫ টকা আৰু ২০ কেজি চাউল দিয়া হৈছিল। সেইখন স্কুলৰ পৰাই দিবাকৰ চণ্ডী নামৰ এজন লোকে অল ইণ্ডিয়াৰ ভিতৰত প্ৰথম হৈ ইঞ্জিনিয়াৰ পৰীক্ষাত পাচ কৰিছে। তেখেত এতিয়া আমেৰিকাত আছে। তেতিয়া তাত আমাৰ ৪০ জনমান ছাত্ৰ-ছাত্ৰী আছিল। সেই সময়ত জহা চাউলৰ ভাত আৰু শল মাছ খুৱাইছিল। সেই বি, কে, নেহৰুৰ দিনৰ সেই স্কুলখন জীৱিত অৱস্থাত আনিব পাৰি নেকি চাব লাগে। নহলে সেই কল্যাণ মূলক আচঁনিটো মৰিব। তাত কাৰপেনট্ৰিও শিকাইছিল। এস্ক টি গাৰ্ডেন শ্ৰমিকৰ যুৱক -যুৱতী সকলক চাহ পাত ছিঙা কামত লগাব লাগে। সেই কাৰণে স্মল টি ওৱাৰ্কৰ্চ লেবাৰ আইনৰ অধীনত অনাৰ ব্যৱস্থা কৰিব পাৰিনেকি সেইটো চাব লাগে।

* শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমত এখন আইন আনিব বিচাৰিছো। Assam Tea plantation Provident Fund and

★ Speech not corrected

Deposit linked Insurance Fund Scheme (Amendment) Bill, 2005 এই আইন খন ভাল। আমি এই আইন খনক ওৱেলকাম জনাইছো। মাননীয় মন্ত্ৰী ডাঙৰীয়াই এই যিবিলাক সুবিধা দিয়াৰ কথা কৈছে সেই বিলাক সময় মতে পালন কৰিলে ভাল। অসমত ৮৫৫ খন চাহ বাগিছা আছে। লেবাৰ প্ৰব্লেম কি কাৰণে হৈছে? মাননীয় অধ্যক্ষ মহাশয়, চাহ বাগান বিলাকৰ বিভিন্ন সমস্যা আছে। আজি চাহ বাগানৰ শ্ৰমিকে মালিকক মাৰি শেষ কৰিব ধৰিছে। এক অৰাজক পৰিস্থিতিৰ সন্মুখীন হোৱা দেখা গৈছে আজি কেবা বছৰৰ পৰা। আজি চাহ বাগানৰ শ্ৰমিকে যিখিনি সুবিধা পাব লাগে সেই সুবিধাৰ পৰা বঞ্চিত হৈ বহুতো বেয়া কাম কৰিবলৈ তেওঁলোকে আজি বাধ্য হৈছে। খোৱাপানী, চিকিৎসা, ৰেচন, বিদ্যুৎ, স্কুল, কলেজত পঢ়া আদি বিভিন্ন সমস্যাৰ কাৰণে আজি তেওঁলোকে বিভিন্ন ধৰণৰ কাম বিশেষকৈ কুটাঘাটমূলক কাম কৰিবলৈ আজি তেওঁলোকে বাধ্য হৈছে। মাননীয় অধ্যক্ষ মহোশয়, বিষয়টো অতি গুৰুত্বপূৰ্ণ, আজি অমসত আগৰ চাহ বাগানৰ তুলনাত ৭৫৫ খনতকৈ বাঢ়ি বাঢ়ি ৮৫৫ খন হৈছে। এনে ধৰণৰ বিভিন্ন সমস্যাৰ কাৰণে আজি তেওঁলোকে আন্দোলন আৰু অন্যান্য কাম কৰিবলৈ বাধ্য হৈছে। আজি বাগানৰ কৰ্মচাৰীয়ে ভাল খোৱাপানী এটুপি নাপায়, স্কুল কলেজত পঢ়াৰ কাৰণে এটা ভাল সুবিধা নেপায়। কিন্তু এইটো ঠিক যে আজি তেওঁলোকৰ মাজতো ভাল ভাল ছাত্ৰ-ছাত্ৰী ওলাই আছে আৰু বৌদ্ধিক সমাজত তেওঁলোকৰ স্থান বহুওপৰলৈ গৈছে। আজি এইটো কথা ও স্বীকাৰ কৰিব লাগিব যে বাগান এৰিয়া বিলাকতেই আটাইতকৈ মেলেৰীয়াৰ প্ৰাদুভাৰ্ব বেছি হৈছে। তাৰ কাৰণ হৈছে যে তেওঁলোকে উপযুক্ত চিকিৎসা পোৱাৰ পৰা আজি বঞ্চিত হৈছে। ডাঃ

নাই চিকিৎসালয়ত পৰ্য্যাপ্ত পৰিমানৰ ঔষধ নাই, এনে বিভিন্ন ধৰণৰ সমস্যা আজি তেওঁলোকৰ আছে। এই সমস্যা বিলাক আজি চৰকাৰেই সমাধান কৰিব লাগিব। এতিয়া অক্টোবৰ মাহত পূজা আহিছে বোনাচৰ কথা আছে আজি চৰকাৰে এই বিলাক কথা দকৈ ভাবি চিন্তি কাম কৰিলে হয়তো চৰকাৰৰ কাৰণেই ভাল হব। সমস্যাৰ শেষ নাই যদিও এইটো কথাও ঠিক যে তেওঁলোকৰ যিবিলাক আজি সমস্যা সেই সমস্যা বিলাক সমাধান কৰাৰ কাৰণে চৰকাৰৰ তৰফৰ পৰা চেষ্টা আৰু সহানুভুতি থকাটো দৰকাৰ। তেওঁলোক আমাৰেই মানুহ। তেওঁলোকে বাগানত থাকে বাগানত কাম কৰে আৰু আমি যেনিবা অন্য কাম কৰো। অধ্যক্ষ মহাশয়, আগৰ কংগ্ৰেছ চৰকাৰৰ দিনত কলিকতাৰ পৰা চাহৰ মুখ্য কাৰ্য্যালয় অনাৰ বাবে চেষ্টা চলোৱা হৈছিল যদিও আজিলৈকে হৈ নুঠিল। এইটো কিয় হৈ নুঠিল এইটো চিন্তা কৰিবলগীয়া কথা। অধ্যক্ষ মহাশয়, অসমৰ চাহৰ ৫০ শতাংশ অসমতেই উৎপন্ন হয়। ইয়াৰ পিছতো কলিকতাৰ পৰা অসমলৈ চাহৰ মুখ্য কাৰ্য্যালয় স্থানান্তৰ নহল। ইমানকে কৈ মোৰ বক্তব্য সামৰণি মাৰিলো। ধন্যবাদ।

* **শ্ৰীৰামেশ্বৰ ধানোৱাৰ (শ্ৰম মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহাশয়, মাননীয় সদস্য দিলিপ শইকীয়া, ৰামেশ্বৰ তেলি আদিয়ে বিভিন্ন পৰামৰ্শ দিলে তাৰ কাৰণে তেওঁলোকক ধন্যবাদ জনাইছো। মণিলাল গোৱালাই কেইটামান গুৰুত্বপূৰ্ণ পৰামৰ্শ দিছে তাৰ কাৰণে তেখেতক ধন্যবাদ জনাইছো। কথা হৈছে কাম কৰা আৰু কথা দি কাম কৰা এই দুয়োটাৰ মাজত পাৰ্থক্য আছে। এই গোটেই বিলাক কথা আৰু কাম আমি কৰাৰ আগতে কিছুমান কথা চালি জাৰি চাব লাগে। আজি বাগান বিলাকৰ বিভিন্ন সমস্যা আছে আৰু সেই বিলাক একেদিনাই সমাধান কৰাটো সম্ভৱ নহয়। এইটো

★ Speech not corrected

ঠিক যে পৰ্য্যায়ক্ৰমে আমি কৰি আহিছো আৰু কৰাৰ কাৰণে আমাৰ চেষ্টা অব্যাহত আছে। অধ্যক্ষ মহাশয়, মাননীয় সদস্য তেলি ডাঙৰীয়াই যি কেইটা কথা কলে সেই কেইটা কৰাৰ কাৰণে আমাৰ কিছুমান সমস্যা আছে যিবিলাকৰ কাৰণে আমি কৰিব নোৱাৰো। সমস্যা বিলাক সমাধান কৰাৰ কাৰণে আমাৰ সদিচ্চা নোহোৱা নহয় কিছুমান অসুবিধাৰ কাৰণে কৰা হোৱা নাই। প্ৰভিডেন্ট ফাণ্ডৰ কথা যি কৈছে সেই সকলো বিলাক আমি কিছু পৰিমাণে হলেও কৰিছো। একে বাৰে যেন কৰা হোৱা নাই সেইটো কব নোৱাৰো। এইটো ঠিক যে কিছুমান কাম কৰাৰ কাৰণে আমাৰ অসুবিধা নথকাও নহয়। আজি কালি দুবিঘা তিনিবিঘা মাটিত খেতি কৰিও বাগান এখন চলায়। এনেকুৱা হলে কেনেকুৱা হব। কথাবিলাক আমি আটায়ে ভাবি চিন্তি চাব লাগিব। সমস্যা বিলাক সমাধান কৰাৰ কাৰণে আমাৰ কি সদিচ্চা নাই নেকি? আজি চাহ বাগানাৰ কৰ্মচাৰীৰ কাৰণে ই এচ আই হস্পিতালৰ দ্বাৰা চিকিৎসা কৰি ৰোগী সকলক চোৱা চিতা কৰা হয়। কিছুমান কাম কৰাৰ কাৰণে কিছুমান অসুবিধাও নথকা নহয়। শ্ৰমিক এজেঞ্চিৰ দ্বাৰা সময় মতে পেমেন্ট কৰিব। কিছুমান চাহ বাগান আছে, গ্ৰেচুইটিৰ পিছতো পইচা পাব লাগে, বহুত দিন পিছতহে তেওঁলোকে পায়। কেতিয়াবা মৃত্যুৰ পিছতো শ্ৰমিক জনে নেপায়। এই ক্ষেত্ৰত আমি চিন্তা কৰিছো, মই এইটো সদনক জনাবলৈ পাই সুখী হৈছো যে আমি গ্ৰেচুইটিৰ ফাণ্ডৰ কাৰণে চিন্তা চৰ্চ্চা কৰি আছো। প্ৰত্যেকজন শ্ৰমিকে গ্ৰেচুইটি পাব।

* শ্ৰীদিলেশ্বৰ তাতী ঃ মাননীয় অধ্যক্ষ মহোদয়,অসম বিধান সভাত ক্ৰিয়েট কৰাৰ কাৰণে বিল আগতে পাছ হৈ গৈছে।

শ্ৰীৰামেশ্বৰ ধানোৱাৰ (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, আমি কাৰ্য্যকৰী কৰাৰ কথা

★ Speech not corrected

কৈছো, এই বিল আগতে পাছ হৈ আছে। কিন্তু কাৰ্য্যকৰী হোৱা নাই। তাৰ কাৰণে চাৰি কোটি টকা আমাক লাগিব। এই ব্যৱস্থাটো কৰিবলৈ আমি আগ বাঢ়িছো আৰু এই চৰকাৰৰ কাৰ্য্যকালতে কাৰ্য্যকৰী কৰিব পাৰিম। এই কথাটো মই আজি সদনৰ আগত ডাঙি ধৰিছো।

**Mr. Speaker** : I, now, put the motion before the House.

The Motion is that-

"The Assam Tea plantation Provident Fund and Pension Fund and Deposit Linked Insurance fund Scheme (Amendment) Bill, 2005 be taken into consideration.

Those who are in favour, say, "Ayes";
Those who are against, say, "Noes";
"Ayes" have it, "Ayes" have it. "Ayes" have it.

The Motion is passed.

Now, item No.9 (b).

There is no Amendment in Clause 2 of the Bill.

I, now, put Clause 2 of the Bill before the House.

The question is that -
Clause 2 do stand part of the Bill.
Those who are in favour, say, "Ayes";
Those who are against, say, "Noes";
"Ayes" have it, "Ayes" have it,"Ayes" have it.
Clause 2 do form part of the Bill.
I, now, put Clause 1, Preamble Enacting Formula and Short Title of the Bill before the House.
The question is that-

Clause I, Preamble, Enacting Formula and Short Title do stand part of the Bill.
Those who are in favour, say, "Ayes";
Those who are against, say, "Noes";
"Ayes" have it, "Ayes" have it,"Ayes" have it.
Clause I, Preamble, Enacting, Foumula and Short Title do form part of the Bill.

Now, item No.9(c).

Hon'ble Minister, Labour & Employment to move the Motion for passing of the Bill.

Shri Rameswar Dhanowar (Minister, Labour & Employment) : Sir, I beg to move that "The Assam Tea Plantation Provident Fund and Pension Fund and Deposit Linked Insurance Fund Scheme (Amendment) Bill, 2005 be passed.

Mr. Speaker : I, now, put the Motion before the House for approval.

The Motion is that -

"The Assam Tea Plantation Provident Fund and Pension Fund and Deposit Linked Insurance Fund Scheme (Amendment) Bill. 2005, be passed.
Those who are in favour, say, "Ayes";
Those who are against, say, "Noes".

"Ayes" have it, "Ayes" have it,"Ayes " have it.

The Motion is passed.

The Bill is passad.

# DISCUSSION ON DELIMITATION OF CONSTITUENCY.

* শ্ৰীপ্ৰেমধৰ বৰা ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া আপোনাৰ অনুমতি সাপেক্ষে সদস্য সকল জৰিত থকা সমস্যা এটাৰ স্পষ্টীকৰণৰ বিষয়ে কব বিচাৰিছো। আজি কেবামাহো ধৰি অসম উত্তপ্ত পৰিবেশত আছে। ৰাস্তা, বন্ধ, ঘাই পথ বন্ধ, ট্ৰেইনৰ আলি বন্ধ, বিক্ষোভ অত্যাচাৰ, সমষ্টিৰ নাম সলনি হলে আন্দোলন কৰিব কোন সমষ্টি এচ, চি, হব, এচ, চি, হলে আন্দোলন কৰিব এনে ধৰণৰ নানা কথাৰ বাবে পৰিবেশ বেয়া হৈছে। সেই কাৰণে মই অধ্যক্ষ ডাঙৰীয়াৰ জৰিয়তে সকলো মাননীয় সদস্যক অনুৰোধ কৰিছো এই ক্ষেত্ৰত সকলোৱে নিজৰ নিজৰ মন্তব্য প্ৰকাশ কৰক। এই ক্ষেত্ৰত কেন্দ্ৰলৈ সৰ্বদলীয় প্ৰস্তাৱ পঠাব পাৰে। অসম চৰকাৰ, ভাৰত চৰকাৰ আৰু আছুৰ মাজত ত্ৰিপাক্ষিক টক্ হৈছিল। এন, আৰ, চি, সন্মত হৈ কাম আৰম্ভ কৰিম বুলি কৈছিল। আছু আমচুই সৰ্বসন্মত হৈছে। এন, আৰ, চি, ৰ তথ্য হলে ভাল হয়। বৰ্ত্তমান ১২৬ টা সমষ্টিয়ে থাকিব। নিৰ্বাচনলৈ ৬/৭ মাহ আছে, ষ্টেটাচ মেনটেইন কৰি ৰাখক। বিৰোধী দল আছে, বড়োলেণ্ডৰ সদস্য আছে, বি. জে, পি আছে সকলোৱে সৰ্বসন্মত প্ৰস্তাৱ এটা বিধান সভাত লৈ আপোনাৰ জৰিয়তে গলে ভাল হয়। মই ইয়ালৈ সমষ্টিৰ পৰা আহোতে বাটত আগুৰি ধৰিছিল। মাননীয় গোস্বামী ডাঙৰীয়াকো চামুগুৰিত আগুৰি ধৰিছিল। আই, এম, ডি, টি ৰ কাৰণে উত্তপ্ত হৈছে। বিদেশী ১৯৭১ মাৰ্চ তাৰিখলৈ থকাৰ বাবে সিদ্ধান্ত হৈছে। গতিকে প্ৰস্তাৱ গ্ৰহণ কৰিব লাগে।

* শ্ৰী বৃন্দাবন গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, সমষ্টি পুনঃ নিৰ্দ্ধাৰণ কথাটোক লৈ যথেষ্ট হুলস্থুলৰ সৃষ্টি হৈছে। আমাৰ মাননীয় সদস্য বৰা ডাঙৰীয়াই কৈছে যে আমাৰ ৰাজ্যখনত বহুত হুলস্থুল হৈছে আৰু অশান্তি হৈছে। সেই কাৰণে মই কৈছো ১৯৭১ চনৰ ৩১ মাৰ্চৰ আগৰ পৰা ৰাষ্ট্ৰীয় পঞ্জী প্ৰস্তুত কৰিব লাগে। এই

★ Speech not corrected

কথাটোত কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মাজত আলোচনা হৈছে। তাত তেওঁলোক একমত হৈছে। আজি আমি এটা সিদ্ধান্তত উপনীত হৈছো। এই সময়ত সমষ্টি পুনঃ নিৰ্দ্ধাৰিণৰ বিষয়টোৱে মানুহৰ মনত শংকাৰ সৃষ্টি কৰিছে। সমষ্টি বিলাকৰ ২ খন মেপ ওলাইছিল। প্ৰথমবাৰৰ কাৰণে ওলাইছে যদিও যথেষ্ট তথ্য বিসংগতি আছে। খচৰা মেপ ওলোৱাৰ পিছত আকৌ ২য় মেপ ওলায়। এই ক্ষেত্ৰত জনসাধাৰণৰ মাজত আপত্তি হৈছে। সিদিনা মই চামুগুৰিলৈ যাওঁতে তাত ৰাইজে ৰাস্তা বন্ধ কৰিছে। কথাবিলাক ওলাইছিল। মই কৈছিলো ইয়াত কৈ লাভ নাই। কথাবিলাক ভুলকৈ ওলাইছে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই কথা বিলাক নিশ্চয় গম পাইছে। ১২৬ টা সমষ্টি যেনেকৈ আছে তেনেকৈয়ে থাকক। আমাৰ নিৰ্বাচনলৈ আৰু বেছিদিন নাই। এই ক্ষেত্ৰত আমাৰ ফালৰ পৰা বহুতো আলোচনা কৰিবলৈ আছে। বিধানসভাৰ অধিবেশন চলি থাকোতেই আমি আটাই বিলাক দল লগ হৈ আলোচনা কৰা ভাল হব। আমাৰ মাজত বুজাপৰা প্ৰয়োজন আছে। পাৰ্লিয়ামেন্টত অসমৰ ফালৰ পৰা ভাৰত চৰকাৰক বুজাব পাৰে। আমাৰ ৰাজ্য খনত নিৰ্বাচনৰ সময়ত সমষ্টি পুনঃ নিৰ্দ্ধাৰিণ হব নালাগে। যদিও সমষ্টিবিলাক বাঢ়ি নাযায়, ততাতৈয়াকৈ কৰিলে খেলিমেলি হব। এতিয়া বিধানসভা চলি আছে, আটাইকেইটা দলেই লগ হৈ আলোচনা কৰক। আন ৰাজ্যত সকলো জনগোষ্ঠীয়ে কথা কোৱাৰ সুবিধা পায়। কিন্তু আমাৰ ৰাজ্যখন পিকুলিয়াৰ। ডেলিমিটেচন হওঁক। আমি সময় পাম। আমাৰ বহুতো সমস্যা আছে। ততাতৈয়াকৈ নকৰি লাহে লাহে কৰক। হাজো, বৰচলা, নাওবৈচা, আদি সমষ্টি উঠি গৈছে। কিন্তু ভুল তথ্য কৰ পৰা পালে মই নাজানো, বিসংগতিপূৰ্ণ। মাজগাওঁ গহপুৰ বুলি দেখুৱাইছে। এই পৰিবেশৰ প্ৰতি লক্ষ্য

ৰাখি যদি কৰিছে তেতিয়া বেলেগ কথা। সকলো দিশ চালি জাৰি চায় ব্যৱস্থা কৰিব লাগে। আমি ৰাইজৰ প্ৰতিনিধি। আমি আলোচনা কৰি একমত হৈ সমষ্টি পুনঃ নিৰ্দ্ধাৰণৰ কথাটো নিৰ্বাচনৰ পিছত কৰিলে ভাল হয়। এই ক্ষেত্ৰত ভাৰত চৰকাৰক বুজাব পাৰিব লাগিব।

* শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি দুটা দলত ভাগ হৈ যাব লাগিব। এটা আপোনাৰ নেতৃত্বত আৰু মুখমন্ত্ৰী মহোদয়ে দলীয় নেতৃত্বত। ভাৰতবৰ্ষত প্ৰধান মন্ত্ৰীক লগ কৰিব লাগিব। পাৰ্লিয়ামেন্ট চলি থাকোতে যাব লাগিব। ডেলিমিটেচনৰ ক্ষেত্ৰত আমি দিল্লীত যদি আমি লগ নকৰো তেন্তে আমাৰ সমস্যাৰ সমাধান নহব। আমাৰ নেতা বৃন্দাবন গোস্বামী ডাঙৰীয়া, প্ৰমীলা ৰানী ব্ৰহ্ম ডাঙৰীয়ানি আদিকে ধৰি সকলো দলৰ সদস্য সকল যাব লাগিব। তাত যদি আমি একেলগে অনুৰোধ কৰো তেতিয়া কেন্দ্ৰীয় চৰকাৰে মানি লব। যদি যোৱা নহয় তেতিয়া হলে গুৰুত্ব নিদিয়ে । ২০০৬ চনৰ নিৰ্বাচনৰ আগতেই ১২৬ টা সমষ্টি একেলগে হব লাগে। এইটো মই অনুৰোধ জনাইছো। আপোনালোকৰ চৰকাৰ চলি আছে। ল' এণ্ড অৰ্ডাৰ মেনটেইন কৰিব লাগিব। আজি অসমত ৰাস্তা বন্ধ হৈছে, হুলস্থুল সৃষ্টি হৈছে। এই বিলাক বন্ধ হব লাগে। অধ্যক্ষ মহোদয়, সেই কাৰণে মই কৈছো আপোনাৰ নেতৃত্বত এটা সৰ্বদলীয় দল দিল্লীলৈ লৈ যাব লাগে। সেই দলটোত এস্কষ্ট্ৰা মেম্বাৰ লব নালাগে। Discussion on Delimitation of Constituency

* শ্ৰীমতী প্ৰমীলা ৰানী ব্ৰহ্ম ঃ মাননীয় অধ্যক্ষ মহোদয়, ডেলিমিটেচনৰ ক্ষেত্ৰত আমাৰ মাননীয় সদস্য সকলে যি কৈছে তাত মই একমত। আমাৰ বি, টি, চি এৰিয়াৰ কথাটো অলপ বেলেগ। ধুবুৰী জিলাৰ কিছু অংশ কোকৰাঝাৰত অৰ্ন্তভূক্ত হৈছে। সেই কাৰণে পুনঃ নিৰ্দ্ধাৰণ কৰিলে আমাৰ অসুবিধা হয়। মোৰ সমষ্টিত পুৰণা হলেও

★ Speech not corrected

নতুন হলেও কোনো সমস্যা নাই। কিন্তু আমাৰ ৰাইজ অনিশ্চয়তাত ভুগি আছে। আমাৰ নিৰ্বাচন নতুন মতে হব নে পুৰণা মতে হব। আমাৰ সাংসদ এচ, কে বিচ্মু তিয়াৰী ডাঙৰীয়াইয়ো একো কব পৰা নাই। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাইজ বিশেষভাৱে অনিশ্চয়তাত ভুগিছে আৰু আমিও ভুগিছো। ইলেকচনটো নতুন নিয়মত হব নে পুৰণা নিয়মত হব এই কথাটোৱে সকলোকে বৰ চিন্তিত কৰি তুলিছে। এই বিষয়ে মই মাননীয় হিতেন্দ্ৰনাথ গোস্বামী দেৱকো সুধিলো তেখেতেও একো সঠিকভাৱে কব নোৱাৰিলে। গতিকে সকলোৱে একে মত দিছে যেতিয়া আগৰমতে হলেই ভাল হব। তাত আমিও সমৰ্থন জনাইছো।

* শ্ৰীকৰেন্দ্ৰ বসুমতাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, ইলেকচন ডিলিমিটেশ্যনৰ অধীনত বহুতো গাঁও বেলেগ সমষ্টিত সোমাই গৈছে। শোনিতপুৰৰ পৰা ৫ গাওঁ আহিছে, কাৰ্বি আংলঙৰ ৬ ষ্ঠ অনুসূচীৰ গাওঁবিলাকৰ ক্ষেত্ৰতো তেনেকুৱা হৈছে। গতিকে এইটো বিবেচনা কৰা উচিত হব।

* শ্ৰীমতী প্ৰমিলা ৰানী ব্ৰহ্ম ঃ মাননীয় অধ্যক্ষ মহোদয়, ইলেকচন যি সময়ত নহওক আমি ইলেকচন খেলিমেই। মোৰ সমষ্টিটো দিছপুৰতো যদি দিয়ে তথাপিও খেলিম। সময় হাতত একেবাৰে নাই। তেনেস্থলত যদি সমষ্টি ভাগ হব লগা হয় তেতিয়া আমি কি কৰিম, ইলেকচন বয়কট কৰিম। গতিকে নিৰ্বাচনটো ভালকৈ হব লাগে আগতে যেনেকৈ হৈছিল তেনেকৈ হব লাগে।

* শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই সেইকাৰণেই একেদিনাই এখন মিটিং পাতি দিলো। তেখেত সকলেও সমৰ্থন দিছে। এই সংক্ৰান্তত এটা প্ৰস্তাৱ লৈছো। কিন্তু আমাৰ প্ৰধান দোষটো হ'ল যে পিছতহে সাৰ পাওঁ। এই নিয়মটো প্ৰৱৰ্ত্তন

---

★ Speech not corrected

কৰিলে সকলোৰে অসুবিধা হ'ব বুলি মই জানো। সিং চাহেব আহোতে কৈছে যে কামবিলাক যাতে ভালধৰণেৰে শান্তিপূৰ্ণভাৱে হয় তাৰে আপোনালোকে লক্ষ্য ৰাখিব যাতে কোনো ধৰণৰ আইন-শৃংখলা পৰিস্থিতিৰ সৃষ্টি নহয়। ৰাইজেও যাতে অসুবিধা নাপায়। ১ বছৰ বা ২ বছৰৰ আগতে যদি কৰিলে হেতেনে তেতিয়া ৰাইজেও গম পালেহেতেন। তেওঁ কেন্দ্ৰীয় চৰকাৰৰ লগত টেক্‌আপ কৰিবলৈ কৈছে। মই আইন বিভাগৰ লগতো আলোচনা কৰিছো। দিল্লীলৈ যাওঁতে মাননীয় ছোনিয়া গান্ধী আৰু মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াকো এই বিষয়ে অৱগত কৰিছিলো। তেখেত সকলেও অসুবিধাটো বুজিব পাৰিছে। মাননীয় অধ্যক্ষ ডাঙৰীয়াৰ লগত সৰ্বদলীয় পাৰ্টিটো যেতিয়া যাব তাত এটা ইমপেক্ট হ'ব। মুঠৰ ওপৰত ফ্ৰী এণ্ড ফেয়াৰ ইলেকচন হ'ব লাগে। আৰু ভোটাৰসকলে সুবিধা বিলাক পাব লাগিব। মই যদি নাজানো মোৰ প্ৰতিনিধি কোন হ'ব, কোন প্ৰাৰ্থী হ'ব, ৰাইজে কেনেকৈ ভোট দিব।

মাননীয় অধ্যক্ষ ঃ সদনৰ গোটেই পাৰ্টিয়েই আছে।

* শ্ৰীপ্ৰনৱ কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ত মোৰ এটা আপত্তি আছে। এইটো আজি নহলেও কালিলৈটো হ'ব। তেতিয়া আমি একেটা অসুবিধা ভোগ কৰিম। গতিকে যোৱা কালিৰ আমাৰ বৈঠকৰ সিদ্ধান্ত ইলেকচন কমিচনক জনাব লাগে।

মাননীয় অধ্যক্ষ ঃ ইলেকচন কমিচন নহয় ডিলিমিটেশ্যন কমিটিহে।

শ্ৰীৰিপুন বৰা (ৰাজ্যিক মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ দলটো গলে ১৮ তাৰিখৰ আগতে যাব লাগিব। কাৰণ ১৮ তাৰিখে মিটিং আছে।

★ Speech not corrected

# GOVERNMENT RESOLUTION

মাননীয় অধ্যক্ষ ঃ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই বিষয়ত চাই চিতি জনাব। ইয়াৰ পিছত এটা ৰিজলিউশ্যন আছে, বিভাগীয় মন্ত্ৰী ডাঙৰীয়াই পাঠ কৰিব।

শ্ৰী ভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ আজি ইং ১০/৮/০৫ তাৰিখ অসম বিধান সভাই আলফাকে ধৰি উগ্ৰপন্থী সংগঠনে ৰাজ্যৰ বিভিন্ন স্থানত হিংসাত্মক ঘটনা সংঘটিত কৰি ৰাজ্যখনত শান্তি ব্যাহত কৰাত গভীৰ উদ্বেগ প্ৰকাশ কৰে আৰু সংগঠন সমূহক হিংসাৰ পথ পৰিহাৰ কৰি আলোচনাৰ মাধ্যমেৰে সমস্যা সমাধান কৰাৰ বাবে আগবাঢ়ি আহিবলৈ আহ্বান জনায়। লগতে আলফাৰ লগত আলোচনাৰ প্ৰক্ৰিয়া শীঘ্ৰে আৰম্ভ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনায়।

মাননীয় অধ্যক্ষ ঃ ইয়াত সকলোৰে সন্মতি আছে।। (সদস্য সকলে হাত চাপৰিৰে সমৰ্থন জনায়।)

# OBITUARY REFERANCE

মাননীয় অধ্যক্ষ ঃ এতিয়া মৃত্যু প্ৰসঙ্গ ।

ডম্বৰুধৰ পাঠক

চলিত অসম বিধান সভাৰ কালছোৱাৰ ভিতৰতে, মুক্তিযোদ্ধা প্ৰসিদ্ধ আইনজ্ঞ গুৱাহাটী আৰু উৰিষ্যা ন্যায়ালৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ ডম্বৰুধৰ পাঠকৰ কালি ১০ আগষ্ট ২০০৫ তাৰিখে মৃত্যু হয়। মৃত্যুৰ সময়ত তেখেতৰ বয়স হৈছিল ৮১ বছৰ। অতি দুখ আৰু ব্যথিত হৃদয়ৰে আজি অসম বিধান সভাৰ পবিত্ৰ মজিয়াত ডম্বৰুধৰ পাঠকৰ মৃত্যুৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই শোক প্ৰস্তাৱ গ্ৰহণ কৰিবলৈ লোৱা হৈছে। ১৯২৪ চনত জন্ম

গ্ৰহণ কৰা প্ৰয়াত পাঠক ডাঙৰীয়াই ১৯৫৩ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ক্ৰমে আইনৰ স্নাতক আৰু ১৯৫৭ চনত লণ্ডন বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। গুৱাহাটী উচ্চ ন্যায়ালয়ত ওকালতি কৰা পাঠক ডাঙৰীয়াই ১৯৮০ চনত গুৱাহাটী আৰু ১৯৮৩ চনত উৰিষ্যা উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীয় হিচাপে কাৰ্য্যনিৰ্বাহ কৰে। তেখেতে ৰাজ্যিক আইন আয়োগৰ সদস্য সচিব, গুৱাহাটী বিশ্ববিদ্যালয় আইন মহাবিদ্যালয়ৰ অধ্যক্ষ পদতো কাৰ্য্যনিৰ্বাহ কৰিছিল। তেখেতে অসম দৰমহা আয়োগৰ অধ্যক্ষ পদকে ধৰি ভালেমান গুৰুত্বপূৰ্ণ পদবীতো কাৰ্য্যনিৰ্বাহ কৰিছিল।

এগৰাকী প্ৰবীণ তথা বিশিষ্ট আইনজ্ঞৰ মৃত্যুত ৰাষ্ট্ৰই এগৰাকী সু-সন্তানক হেৰুৱালে।

এতিয়া প্ৰয়াত ব্যক্তি গৰাকীৰ পবিত্ৰ স্মৃতিত আৰু তেখেতৰ বিদেহী আত্মাৰ সদগতি আৰু চিৰশান্তি কামনা কৰি এক মিনিট কাল থিয় হৈ মৌনতা অৱলম্বন কৰিবৰ বাবে মই এই সদনৰ মাননীয় সদস্য সকলৰ প্ৰতি অনুৰোধ জনালো।

(The House then stood in silence for 1 minute as a mark of respect to the departed soul.)

কাইলৈ ১২/৮/ ২০০৫ তাৰিখ শুক্ৰবাৰৰ ৰাতিপুৱা ৮-৩০ বজালৈ সদন স্থগিত থাকিল।

## ADJOURNMENT

The House then stood adjourned at 5-41 P.M. till 8-30 A.M. on Friday, the 12th August, 2005.

Dispur :
The 11th August, 2005.

G.P. Das
Secretary,
Assam Legislative Assembly

# ANNEXURE-I

## NABARD সহযোগত ৰূপায়ন কৰা অগভীৰ নলীনাদ আঁচনিৰ স্থাপন কৰা অগভীৰ নলীনাদ আৰু উপকৃত কৃষকৰ সংখ্যা

| বছৰ | ১৯৯৬ | | ১৯৯৭ | | ১৯৯৮ | | ১৯৯৯ | | ২০০০ | | ২০০১ | | ২০০১ | | ২০০২ | | ২০০২ এপ্ৰিলৰ পৰা | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
